# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Jogendra Narayan Bhuyan. | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saākaitāya Sabhaā Patraikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Assam Sahitya Sabha - Jorhat. |
| Year: 1978 | Edition: |
| Size: 23½ cms. - 4+94+4+84+14+4+96+4+99 pages | Genre: |
| Volumes: 35 - 4 issues | Condition of the original: good |
| Remarks: Sltd - 1st vol. published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

পঞ্চত্ৰিংশ বছৰ

চতুৰ্থ সংখ্যা

অসম সাহিত্য সভা

৫৩৭৩-৭৬/সা

ঊনৈছ শ আঠসত্তৰ-ঊনাশী



সম্পাদক : যোগেন্দ্ৰনাৰায়ণ ভূঞা

# অসম সাহিত্য সভাৰ প্ৰকাশন

[ বৰ্তমান মজুত থকা ]

| | | |
|---|---|---|
| ১ | ৰজনীকান্ত বৰদলৈ – ৰচনামালা | ১২·০০ |
| ২ | বেজবৰুৱাৰ প্ৰবন্ধ বাছনি | ১০·০০ |
| ৩ | সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০·০০ |
| ৪ | অৰুণোদইৰ ধলফাট | ৮·০০ |
| ৫ | বেজবৰুৱা—প্ৰতিভা | ৮·০০ |
| ৬ | ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৭·০০ |
| ৭ | বেজবৰুৱাৰ চিত্ৰলেখা | ৬·০০ |
| ৮ | বেজবৰুৱাৰ দিনলেখা | ৪·০০ |
| ৯ | আউট লুক অন নেফা | ৪·০০ |
| ১০ | ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ | ৪·০০ |
| ১১ | নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | ৪·০০ |
| ১২ | বিলিজিয়ন অব লভ এণ্ড ডিভ'শ্যন | ৩·০০ |
| ১৩ | মুদ্ৰাৰাক্ষস | ৩·০০ |
| ১৪ | কৰ্পূৰ মঞ্জৰী | ৩·০০ |
| ১৫ | আছামিজ ফৰ অল | ২·০০ |
| ১৬ | আপ্ কি অসমীয়া | ২·০০ |
| ১৭ | আনটাবুগাৰী অসমীয়াক' স্কিয়ানি | ২·০০ |
| ১৮ | আচামীয়া লা-বাবো-লেন আচামীয়া হিকাই-হি | ২·০০ |
| ১৯ | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | ২·০০ |
| ২০ | নীলাচল পাঠ | ২·০০ |
| ২১ | আমাৰ লক্ষ্মীনাথ | ১·৫০ |
| ২১ | অসমীয়া ভাষা | ১·০০ |
| ২৩ | অসম সাহিত্য সভাৰ পৰিচিতি | ১·০০ |
| ২৪ | প্ৰমথনাথ চক্ৰৱৰ্তী | ১·০০ |
| ২৫ | বিশ্বনাথ ৰাজবংশী | ১·০০ |
| ২৬ | লক্ষ্মীনাথ বেজবৰুৱা [ হিন্দী ] | ·৫০ |
| ২৭ | লক্ষ্মীনাথ বেজবৰুৱা [ ইংৰাজী ] | ·৫০ |
| ২৮ | লক্ষ্মীনাথ বেজবৰুৱা [ " ] | ·৫০ |
| ২৯ | অসম সাহিত্য সভা বাৰ্ষিকী—গোৱালপাৰা | ৩·০০ |
| ৩০ | ,, ,, ,, ,, —নলবাৰী | ৩·০০ |
| ৩১ | ,, ,, ,, ,, —উঃ লক্ষীমপুৰ | ৩·০০ |
| ৩২ | ,, ,, ,, ,, —ডিব্ৰুগড় | ৩·০০ |
| ৩৩ | অসম সাহিত্য সভা বাৰ্ষিকী—নাজিৰা | ৩·০০ |
| ৩৪ | " " " " —তেজপুৰ | ৩·০০ |
| ৩৫ | " " " " —বৰপেটা | ৩·০০ |
| ৩৬ | " " " " —ধিং | ৩·০০ |
| ৩৭ | " " " " —মাকুম | ৩·০০ |
| ৩৮ | " " " " —ধুবুৰী | ৩·০০ |
| ৩৯ | " " " " —বড়িয়া | ৩·০০ |
| ৪০ | মণ্ডলদৈ মণ্ডলদৈ | ১৫·০০ |
| ৪১ | তিতাবৰ সৌৰৱণ | ৬·০০ |
| ৪২ | টিহু – লখিমী | ১০·০০ |
| ৪৩ | বেজবৰুৱাৰ বাণী | ·৫০ |
| ৪৪ | হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী | ২৫·০০ |
| ৪৫ | ষ্টাডিজ ইন দি আৰ্লি হিষ্টৰী অৱ আছাম | ৩০·০০ |
| ৪৬ | কনকলাল বৰুৱাৰ ৰচনাৱলী | ১০·০০ |
| ৪৭ | ভাষণাৱলী—৪ৰ্থ খণ্ড | ২০·০০ |
| ৪৮ | আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | ৫০·০০ |
| ৪৯ | চন্দ্ৰধৰ বৰুৱাৰ গ্ৰন্থাৱলী | ৪০·০০ |
| ৫০ | গোৱালপৰীয়া লোকগীত | ১৫·০০ |
| ৫১ | গোহাঞিবৰুৱা—প্ৰতিভা | ১০·০০ |
| ৫২ | অসমীয়া জাতিৰ ইতিবৃত্ত | ১০·০০ |
| ৫৩ | লঙ্কাকাণ্ড ৰামায়ণ | ১০·০০ |
| ৫৪ | ৰাভা জনজাতি | ৭·০০ |
| ৫৫ | অসমীয়া গ্ৰন্থপঞ্জী | ৬·০০ |
| ৫৬ | পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৬·০০ |
| ৫৭ | ছেমুৱেল জনছনৰ জীৱনী | ৫·০০ |
| ৫৮ | একাদশী | ৫·০০ |
| ৫৯ | চুটি গল্প | ৫·০০ |
| ৬০ | গাৰো সংস্কৃতিৰ ৰূপৰেখা | ৫·০০ |
| ৬১ | দেউৰী-চুটিয়া | ৪·৪০ |
| ৬২ | কাৰ্বি জনগোষ্ঠী | ৪·৪০ |
| ৬৩ | ডিমাছা | ৪·০০ |
| ৬৪ | লিপি সমস্যা | ৩·০০ |
| ৬৫ | টাই ভাষা | ৩·০০ |

# অসম সাহিত্য সভা পত্ৰিকা

পঞ্চত্ৰিংশ বছৰ : চতুৰ্থ সংখ্যা

সম্পাদক
যোগেন্দ্ৰনাৰায়ণ ভূঞা

অসম সাহিত্য সভা পত্ৰিকা

পঞ্চত্ৰিংশ বছৰ

চতুৰ্থ সংখ্যা

ডিচেম্বৰ, ১৯৭৮—জানুৱাৰী ফেব্ৰুৱাৰী, ১৯৭৯

সম্পাদক

যোগেন্দ্ৰনাৰায়ণ ভূঞা

বড়পুৰ

নগাঁও

প্ৰকাশক

শ্ৰীলীলা গগৈ

প্ৰধান সম্পাদক, অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট—১

মূল্য

তিনি টকা

ছপাশাল

সুছন্দা প্ৰেছ

আমোলাপট্টি

নগাঁও

সূচীপত্ৰ :

## অসম সাহিত্য সভা পত্ৰিকা : পঞ্চত্ৰিংশ বছৰ

**প্ৰথম সংখ্যা :**

সম্পাদকীয় ॥ ক ॥ ০০ অসমত ইতিহাস ৰচনা আৰু ৰাজনীতি চৰ্চা : এটি দৃষ্টিপাত ॥ ১ ॥ ড° অমলেন্দু গুহ ০০ পুৰণি অসমীয়া সাহিত্যত দাৰ্শনিক চিন্তাধাৰা ॥ ১৪ ॥ ড° কালীচৰণ দাস ০০ অসমীয়া সাহিত্যত শঙ্কৰাচাৰ্যৰ চিন্-ছাপ ॥ ২২ ॥ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা ০০ মধ্যযুগীয় সাহিত্যত নামধাতু আৰু প্ৰত্যয় ॥ ২৬ ॥ শ্ৰীমঙ্গল্য বায় ০০ পাঠ-সমীক্ষা সম্পৰ্কত ॥ ৩৮ ॥ ড° মহেশ্বৰ নেওগ ০০ অসমীয়া নাটকত কৰ্ণৰ চৰিত্ৰ ॥ ৩৯ ॥ শ্ৰীযোগেন চেতিয়া ০০ পাঁচালী আৰু অসমীয়া পাঁচালী কবি ॥ ৪৫ ॥ ড° উপেন্দ্ৰনাথ গোস্বামী ০০ অসমীয়া আৰু উড়িয়া ভাষাৰ তুলনাত্মক ৰূপতত্ত্বৰ আভাস ॥ ৪৯ ॥ শ্ৰীফণীন্দ্ৰনাৰায়ণ দত্তবৰুৱা ০০ মিৰি শব্দৰ আঁতি-গুৰি ॥ ৫৫ ॥ শ্ৰীনাহেন্দ্ৰ পাড়ুন ০০ মিচিং আগম্ ॥ ৬৪ ॥ শ্ৰীভীমকান্ত বৰুৱা ০০ ব'ল' কেন্দ্ৰৰ : কাৰবি সমাজ-বুৰঞ্জীৰ এখিলা পাত ॥ ৬৮ ॥ শ্ৰীবংবং তেৰাং ০০ টোকা ॥ ৭৭ ॥ শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, শ্ৰীত্ৰৈলোক্য ভট্টাচাৰ্য ০০ গ্ৰন্থ-পৰিচয় ॥ ৭৮ ॥ সম্পাদক ০০ অসম সাহিত্য সভাৰ ভিতৰ-চ'ৰা ॥ ৮৩ ॥

**দ্বিতীয় সংখ্যা :**

(নীলমণি ফুকন, নলিনীবালা দেৱী আৰু গিৰিধৰ শৰ্মা সোঁৱৰণী সংখ্যা)

সম্পাদকীয় ॥ ক ॥ ০০ তিনিটুপি চকুলো ॥ ১ ॥ শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা ০০ বাগ্মীবৰ নীলমণি ফুকনৰ ব্যক্তিত্ব ॥ ৬ ॥ শ্ৰীযতীন্দ্ৰনাথ গোস্বামী ০০ বাগ্মীবৰ নীলমণি ফুকন আৰু জৰ্জ ইনষ্টিটিউশ্যন ॥ ১২ ॥ শ্ৰীকুশকান্ত পাটে, শ্ৰীবলোৰাম হুৱৰা, শ্ৰীযজ্ঞেশ্বৰ শৰ্মা ০০ নীলমণি দদাইদেউ ॥ ২১ ॥ ডাঃ দুৰ্গাপ্ৰসাদ ফুকন ০০ বৌটিৰ-কথা : মাতৃৰূপত নলিনীবালা দেৱী ॥ ২৪ ॥ শ্ৰীউপেন্দ্ৰকুমাৰ চাংকাকতী ০০ অসমীয়া সাহিত্য আৰু নলিনীবালা দেৱী ॥ ৩১ ॥ শ্ৰীযোগেশ দাস ০০ নলিনীবালা দেৱীৰ কবিতা ॥ ৩৮ ॥ শ্ৰীৰাম গোস্বামী ০০ নলিনীবালা দেৱীৰ সোঁৱৰণত ॥ ৪৩ ॥ শ্ৰীমতী ব্ৰজবালা দেৱী ০০ নলিনীবালা দেৱীৰ জীৱনালেখ্য ॥ ৪৬ ॥ ড° হেমন্ত কুমাৰ শৰ্মা ০০ গিৰিধৰ শৰ্মা আৰু আৰ্যবিদ্যাপীঠ ॥ ৫১ ॥ শ্ৰীঅতুল চন্দ্ৰ বৰুৱা ০০ উত্তৰ-পূব ভাৰতৰ মুদ্ৰা-অধ্যয়নৰ পৰিচয় ॥ ৫৩ ॥ ড° নবীন দেৱ চৌধুৰী ০০ পুৰালেখ অধ্যয়নৰ সমস্যা ॥ ৫৭ ॥ শ্ৰীনাৰায়ণ দাস ০০ আধুনিক অসমীয়া সাহিত্যৰ পৰিৱৰ্তিত পটভূমিত নাৰী চৰিত্ৰৰ বিকাশ ॥ ৬৩ ॥ শ্ৰীপ্ৰহ্লাদ কুমাৰ বৰুৱা ০০ গিৰিধৰ শৰ্মা ॥ ৬৭ ॥ শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য ০০ যোগমাৰ্গ, নাথপন্থ আৰু অসমীয়া সাহিত্য ॥ ৭২ ॥ শ্ৰীবাপচন্দ্ৰ মহন্ত ০০ টোকা ॥ ৭৬ ॥ ড° মহেশ্বৰ নেওগ, শ্ৰীমোহন চন্দ্ৰ মহন্ত, শ্ৰীযজ্ঞেশ্বৰ শৰ্মা ০০ গ্ৰন্থ-পৰিচয় ॥ ৮০ ॥ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, শ্ৰীনগেন শইকীয়া ০০ অসম সাহিত্য সভাৰ ভিতৰ-চ'ৰা ॥ ৮১ ॥ ০০ নগালেণ্ডলৈ অসম সাহিত্য সভাৰ প্ৰতিনিধি দল ॥ ক ॥

**তৃতীয় সংখ্যা :**

সম্পাদকীয় ॥ ক ॥ ০০ অসমীয়া ব্যাকৰণৰ পৰম্পৰা আৰু কালিৰাম মেধি ॥ ১ ॥ শ্ৰীনন্দ তালুকদাৰ ০০ অসমত সংস্কৃত চৰ্চা : টোলৰ ইতিবৃত্ত ॥ ১২ ॥ শ্ৰীসতীশ চন্দ্ৰ ভট্টাচাৰ্য ০০ কালিৰাম মেধিৰ সাহিত্যৰ বৈশিষ্ট্য ॥ ২০ ॥ শ্ৰীশশী শৰ্মা ০০ স্ফোটবাদ, অৰ্থবাদ আৰু নামধৰ্ম ॥ ২৩ ॥ ড° কালীচৰণ দাস ০০ কালিৰাম মেধি সুৱচনী ॥ ৩০ ॥ শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা ০০ যোগমাৰ্গ, নাথপন্থ আৰু অসমীয়া সাহিত্য ॥ ৩৩ ॥ শ্ৰীবাপচন্দ্ৰ মহন্ত ০০ বৰদেউতা কালিৰাম মেধি ॥ ৪২ ॥ শ্ৰীক্ষিতীশ মেধি ০০ জাতীয়তাবাদী কবি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাৰ ধ্বনিকাবাত এভুমুকি ॥ ৪৮ ॥ ড° সৰ্বেশ্বৰ ৰাজগুৰু ০০ প্ৰাচীন ভাৰতীয় সাহিত্যত বিশ্বামিত্ৰ ঋষি ॥ ৫৮ ॥ শ্ৰীমতী কেশদা মহন্ত ০০ মাধৱদেৱৰ নাটক : এখন তিনটা গ্ৰন্থ ॥ ৬২ ॥ শ্ৰীলোকনাথ ভঁৰালী ০০ দেৱনাগৰী লিপি ॥ ৬৭ ॥ ড° নিশিপদ চৌধুৰী ০০ জ্যোতিপ্ৰসাদৰ নাৰী চৰিত্ৰ : উষা, চিত্ৰলেখা ॥ ৭১ ॥ শ্ৰীপ্ৰফুল্ল কুমাৰ বৰুৱা ০০ টোকা ॥ ৭৮ ॥ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, শ্ৰীনগেন শইকীয়া, শ্ৰীঅমূল্য চন্দ্ৰ নাথ, শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা ০০ গ্ৰন্থ-পৰিচয় ॥ ৮১ ॥ শ্ৰীনগেন শইকীয়া, ড° মহেন্দ্ৰ নাথ বৰা, শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, যোগেন্দ্ৰনাৰায়ণ ভূঞা ০০ অসম সাহিত্য সভাৰ ভিতৰ-চ'ৰা ॥ ৯০ ॥

# অসম সাহিত্য সভা পত্ৰিকা

পঞ্চত্ৰিংশ বছৰ : চতুৰ্থ সংখ্যা


| | | |
|---|---|---|
| সম্পাদকীয় | । ক । | |
| আৰাহম আলোচনী আৰু অসমীয়া সাহিত্য | । ১ । | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |
| সঙ্গীতাচাৰ্য কীৰ্ত্তিনাথ শৰ্মা বৰদলৈ | । ৯ । | শ্ৰীঅতুল চন্দ্ৰ বৰা |
| যোগমাৰ্গ, নাথপন্থ আৰু অসমীয়া সাহিত্য | । ২১ । | শ্ৰীৰূপচন্দ্ৰ মহ |
| মধ্যযুগীয় অসমৰ লেখমালা | । ৩১ । | শ্ৰীনাৰায়ণ দাস |
| দিনাই বৰফুকনৰ গীত | । ৪১ । | শ্ৰীযজ্ঞেশ্বৰ শৰ্মা |
| স্বনাম-ধন্য কালিৰাম মেধি | । ৪৩ । | শ্ৰীআনন্দ চন্দ্ৰ বৰা |
| মহাকবি ডান্টেৰ সাহিত্যত বিয়েট্ৰিচৰ দাৰ্শনিক তাৎপৰ্য | । ৪৫ । | শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য |
| তিৱা ( লালুং ) জনজাতিৰ বিহু | । ৫১ । | শ্ৰীগণেশ চন্দ্ৰ সেনাপতি |
| তাঁতী সম্প্ৰদায়ৰ বিবাহ-প্ৰথা | । ৬০ । | শ্ৰীকিশোৰকুমাৰ শৰ্মা |
| মণাকৃষিৰ ভাষা আৰু নাগামিজ | । ৬৬ । | শ্ৰীভীমকান্ত বৰা |
| ধুলাপাদুং বাগিচাৰ মুণ্ডা | । ৬৯ । | শ্ৰীসতীশ চন্দ্ৰ ভট্টাচাৰ্য |
| জাতীয়তাবাদী কবি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰেমিকাৰাত একমুকি | । ৭১ । | ড° সৰ্বেশ্বৰ ৰাজগুৰু |
| অঙ্কীয়া নাটৰ উৎস-বিচাৰ | । ৭৯ । | শ্ৰীমদন চন্দ্ৰ শইকীয়া |
| প্ৰতিশব্দ বিচাৰ | । ৮৫ । | ড° ফণীন্দ্ৰনাৰায়ণ দত্তবৰুৱা |
| গ্ৰন্থ-পৰিচয় | । ৯০ । | শ্ৰীযজ্ঞেশ্বৰ শৰ্মা<br>শ্ৰীমহিম বৰা<br>শ্ৰীহৰেকৃষ্ণ ডেকা<br>শ্ৰীপ্ৰকাশ গোস্বামী<br>শ্ৰীইন্দ্ৰ বাৰি<br>সম্পাদক |


---


## পত্ৰিকা সম্পাদনা সমিতি

শ্ৰীপ্ৰসন্নলাল চৌধুৰী — শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী

শ্ৰীলীলা গগৈ — ড° সৰ্বেশ্বৰ ৰাজগুৰু

শ্ৰীমহিম বৰা — ড° মহেশ্বৰ কলিতা

যোগেন্দ্ৰনাৰায়ণ ভূঞা


# সম্পাদকীয়

## ৰাজ্য-ভাষা প্ৰসঙ্গ আৰু আমি

ভাষা-ভিত্তিক ৰাজ্য পুনৰগঠন প্ৰক্ৰিয়া অনুযায়ী অসম নামৰ ৰাজ্যক্ষেত্ৰত অসমীয়া ভাষা ৰাজ্য-ভাষা হ'ব লাগে ; ইয়াতকৈ সহজবোধ্য কথা একো থাকিব নোৱাৰে। কিন্তু ইমান সহজ কথা এটাক ইমান সহজে গ্ৰহণ কৰি অসমত অসমীয়া ভাষাক ৰাজ্য-ভাষা কৰিবলৈ গলে অসমৰ নেতাসকলৰ ৰাজনীতি নামৰ পৰম পুৰুষাৰ্থটো ৰক্ষি নাথাকে। সেইবাবেই আমাৰ ভাগ্যবিধাতাসকলে আটাইতকৈ সহজ কথাটোকো জগতৰ সৰাতোকৈ কঠিন সমস্যা বুলি ভাবিবলৈ আৰু আনকো ভবাবলৈ চেষ্টা কৰি বছৰৰ পাছত বছৰ জুৰি অসম ৰাজ্য-ভাষা প্ৰশ্নটোক জটিলৰপৰা জটিলতৰ কৰি গৈ থাকিল। তাৰ অৱশ্যম্ভাবী পৰিণতি স্বৰূপে ৰাজ্যখনৰ নিৰীহ জনসাধাৰণৰ মাজত অতদিনে ৰক্ষি থকা আবেগিক ঐক্য বিনষ্ট হোৱাৰ উপৰি নানা ৰাজনৈতিক চক্ৰান্ত সমগ্ৰ ৰাজ্যতে ৰক্তবীজৰ দৰে বিয়পি পৰি ভাষাৰ নামত অসংখ্য অহেতুক আন্দোলনৰ সৃষ্টি হ'ল, ফুল-কুমলীয়া কিশোৰৰ বুকুৰ ৰক্ত জৰাৰে অসমীয়া ভাষা-জননীৰ পূজাৰ বেদী ৰাঙলী হ'ল। সৰ্বোপৰি, ৰোগ নিৰাময়-কৰণৰ নামত অসম মাতৃৰ দেহাৱয়ৱৰ ওপৰত ঘটিল উপৰ্যুপৰি ৰাজনৈতিক ব্যৱচ্ছেদ।

অসম সাহিত্য সভা তথা অসমীয়া জনসাধাৰণে স্পষ্টকৈয়ে জানে যে জাতীয়তাৰ প্ৰধান আধাৰ ভৌগোলিক সীমাৰেখা নহয়, ভাষাহে ; আৰু ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ সন্মানটোহত প্ৰান্তিক ভাষাসমূহৰ মাজতহে নিহিত হৈ আছে। সেইবাবেই অসম সাহিত্য সভাই আজিৰপৰা তিনিটা দশকৰ পূৰ্বেই ( ১৯৫০ চনতে ) অসমীয়া ভাষাক অসমৰ ৰাজ্য-ভাষা ঘোষণা কৰিবলৈ দাবী জনাইছিল। কোৱা নিষ্প্ৰয়োজন যে এই দাবী অহেতুক বুলি প্ৰমাণ কৰাৰ অধিকাৰ স্বৰূপতে কোনো পাৰ্থিব শক্তিৰ নাই। এইটোও কোৱা নিষ্প্ৰয়োজন যে কেৱল আবেগিক ঐক্যৰ খাতিৰতেই নহয়, অসমৰ আৰ্থ-সামাজিক স্বাৰ্থৰ প্ৰয়োজনতো অসম নামৰ ভূখণ্ডৰ একমাত্ৰ ভাষা হ'ব লাগিব অসমীয়াহে। কিন্তু, যোৱা তিনিটা দশকত বহুতো আন্তৰ্জাতিক সমস্যাই সমাধান লাভ কৰিলে, ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন স্বাৰ্থৰ দাবী পৰিপূৰ্ণ হ'ল ; কেৱল সমাধান নহ'ল নিৰীহ অসমীয়া ৰাইজৰ মুখৰ মাতষাৰৰ সমস্যাটোহে, কেৱল অপূৰণ হৈ ৰ'ল অসমীয়া ৰাইজৰ দাবীটোহে। বছৰৰ পাছত বছৰ বাগৰি গৈছে, অসম সাহিত্য সভা আৰু অসমীয়া জনসাধাৰণৰ প্ৰস্তাৱৰ ওপৰত প্ৰস্তাৱ উত্থাপিত হৈছে ; কিন্তু ন্যস্তস্বাৰ্থ আৰু দলীয় ৰাজনীতিৰ অক্টোপাছ-মুক্ত হৈ অসম ৰাজ্য-ভাষা আইন পূৰ্ণ ৰূপত বলবৎ হ'ব পৰা নাই। কেন্দ্ৰীয় চৰকাৰে বৰ্তমান বছৰটো ৰাজ্য-ভাষা বৰ্ষ ৰূপে উদ্‌যাপন কৰিছে। অসমৰ ভাষা-সমস্যা সমাধানৰ ওপ-

বস্তেই যে অসমৰ বিভিন্ন সমস্যাৰ সমাধান নিৰ্ভৰশীল, ভাৰতবৰ্ষৰ ৰাষ্ট্ৰিক সংহতিয়েও যে এই সমস্যাৰ সমাধানলৈকে অধীৰভাৱে অপেক্ষা কৰিব লাগিছে, সেই বাস্তৱ সত্যটোক এই ৰাজ্য-ভাষা বৰ্ষতে আমাৰ ৰাজ্য-চৰকাৰে সম্যকভাৱে উপলব্ধি কৰি অসমৰ সৰ্বত্ৰ আৰু সৰ্বপৰ্য্যায়ত অসমীয়া ভাষাৰ প্ৰয়োগ বলবৎ কৰিব লাগিব। অসম ৰাজ্য-ভাষা আইন যে বৰ্তমানৰ পৰিবৰ্ত্তিত পটভূমিৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰিহে বলবৎ কৰিব লাগিব, সেই কথা আমাৰ ৰাজ্য-চৰকাৰক সোঁৱৰাই দিয়াৰ প্ৰয়োজন নিশ্চয় নাই। আমি আশা কৰিছোঁ, অসমীয়া ৰাইজৰ বহুকলীয়া নিষ্পাপ আকাংক্ষা এটা পূৰ্ণ কৰি বৰ্তমানৰ জনতা চৰকাৰ অসমৰ জনতাৰ লগত অভিন্ন হৈ থাকিব। তাৰ বাবে ৰাজ্য-চৰকাৰৰ প্ৰয়োজন হ'ব ৰাজনৈতিক চল-চাতুৰি-মুক্ত সৃষ্টিকামী এক দূৰদৰ্শিতা, অসম ৰাজ্যক্ষেত্ৰৰ কল্যাণকৰ প্ৰচেষ্টাত ব্ৰতী হোৱাৰ ঐকান্তিক নিষ্ঠা-নিৰ্ভৰ মানসিকতা, আৰু কাৰ্যক্ষেত্ৰত অনমনীয় মনোভাবৰ দৃঢ়তা। এই দূৰদৰ্শিতা, এই মানসিকতা, এই দৃঢ়তা সৃষ্টি হ'ব তেতিয়াহে—যেতিয়া আপোন ঘৰতে প্ৰতিষ্ঠা বিচাৰি বিফল হোৱা চিৰচেনেহী ভাষা-জননীৰ দুখ-দৈন্য মৰ্মে মৰ্মে অনুভৱ কৰি আমাৰ শাসকসকলৰ প্ৰত্যেকেই নীৰৱে চকুলো টুকিব পাৰিব। ৰাজ্য-ভাষা বৰ্ষতে আমাৰ নেতাসকলে আমাক এইকণ প্ৰত্যাশা দিব নোৱাৰিবনে?

কিন্তু অসমীয়া ভাষাক ৰাজ্য-ভাষাৰ পূৰ্ণ মৰ্যাদা দান কৰাৰ ক্ষেত্ৰত ৰাজ্য-চৰকাৰৰ দায়-দায়িত্ব যিমান, আমাৰ অসমীয়া-ভাষী জনসাধাৰণৰ দায়-দায়িত্ব তাতকৈ কোনো গুণে কম নহয়। নানা চল-চক্ৰান্তই এই ক্ষেত্ৰত আজি ইমান দিনে যিমানবোৰ অন্তৰায়ৰ সৃষ্টি কৰি আহিছে, আমাৰ প্ৰত্যেকৰে আন্তৰিক সহযোগিতা অবিহনে এই অন্তৰায়-সমূহ চৰকাৰ নামৰ বিমূৰ্ত শক্তিটোৱে নিৰ্মূল কৰিব নোৱাৰে। ৰাজ্য-ভাষা প্ৰসঙ্গক লৈ আমি যিসকলে ইমান বছৰ ধৰি হুলস্থূল কৰি আহিছোঁ, সেইসকলৰ প্ৰত্যেকেই বাৰু নিজৰ নিজৰ কৰ্মক্ষেত্ৰত তথা দৈনন্দিন ব্যৱহাৰিক জীৱনত নিষ্ঠা আৰু আন্তৰিকতাৰে অসমীয়া ভাষাৰ প্ৰয়োগ কৰিছোঁনে, সেই কথাও বিশ্লেষণ কৰা প্ৰয়োজন। আমি জানো, আমাৰ ৰাজ্য-ভাষা-সচেতন শ্ৰেণীটোৰ বহুতেই ব্যক্তিগত জীৱনত অসমীয়া ভাষাত নিজৰ নাম-চহীৰ ব্যৱহাৰ কৰি ৰাজ্য-ভাষাৰ প্ৰয়োগ পৰীক্ষা কৰা নাই, কাৰ্য-লয়ৰ অসমীয়া মুৰব্বী বিষয়াজনলৈ লিখা ছুটীৰ দৰ্খাস্তখন আমি অসমীয়া ভাষাত লিখা নাই, অসমৰ চৰকাৰ নামৰ প্ৰশাসন যন্ত্ৰটোৱে অসমীয়া ভাষা নুবুজে বুলি থকা আমাৰ ধাৰণা আমি এতিয়াও পৰিহাৰ কৰিব পৰা নাই। কিন্তু ইংৰাজী ভাষাৰ ক্ষেত্ৰত থকা আমাৰ হাস্যাস্পদ মোহ আৰু হীনমন্যতা দূৰ কৰি যেতিয়ালৈকে আমি অসমীয়া ভাষাক আমাৰ ব্যক্তিগত আৰু পাৰিবাৰিক জীৱনৰ সকলো স্তৰৰে মাধ্যম কৰিব নোৱাৰোঁ, তেতিয়ালৈকে অসমীয়া ভাষাক অসমৰ সৰ্বত্ৰ আৰু সকলো পৰ্য্যায়ত চৰকাৰীভাৱে প্ৰয়োগ কৰিবলৈ কৰা ৰাজহুৱা দাবী অন্তঃসাৰশূন্য প্ৰমাণিত হৈ থাকিব।



## চাহ-বনুৱা আৰু ন-অসমীয়া মুছলমানসকলৰ কথা

ইতিহাসৰ বিভিন্ন ঘটনা-প্ৰবাহত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰপৰা অসমলৈ প্ৰব্ৰজন ঘটা বিভিন্ন ভাষা-ভাষী লোকৰ উত্তৰ পুৰুষে অসমতেই জন্ম গ্ৰহণ কৰিছে, অথচ "এয়ে মোৰ জন্ম-ভূমি" বুলি সেইসকলে মনে-প্ৰাণে অসমক গ্ৰহণ কৰিব পৰা নাই; তেওঁলোকৰ জীৱন-জীৱিকাৰ দায়-দায়িত্ব অসমেই বহন কৰি আহিছে, অথচ "মৰে অসম জীয়ে কোন" ভাৱত তেওঁলোক কোনোদিন উদ্বুদ্ধ হোৱা নাই; আৰু অসমৰ কোলাতে শুই অসমৰ মুক্ত আকাশৰ তলতে তেওঁলোকে জীৱনৰ শেষ নিশ্বাসো ত্যাগ কৰিছে অসমৰ প্ৰতি কোনোদিনেই কৃতজ্ঞতাসূচক এটা শব্দও প্ৰকাশ নকৰাকৈ।

এই পৰিপ্ৰেক্ষিতত অসমৰ চাহ-বনুৱা সম্প্ৰদায়টোৰ ভূমিকা যিমান তাৎপৰ্যপূৰ্ণ, আধুনিক অসমৰ ইতিহাসত তাৰ তুলনা পাবলৈ নাই। অসমৰ বাহিৰে বিশ্বৰ আন কোনো ভূমি-খণ্ডকে জনমভূমি-কৰমভূমি-মৰণভূমি বুলি ভাবিবলৈ নিশিকা, 'অসমীয়া' শব্দটোৰ বাহিৰে বিশ্বৰ আন কোনো ভাষাৰ শব্দেৰে নিজকে পৰিচিত কৰিব নোখোজা, চাহ-গছৰ কুঁহিপাতৰ দৰেই নিষ্কলুষ এই জন-সমষ্টিটোৱে অসমৰ আৰ্থ-সাংস্কৃতিক জীৱনলৈ আগবঢ়োৱা অৱিহণাৰ কথা অসমৰ জাতীয় জীৱনৰ বুৰঞ্জীত সদায়েই একক আৰু অনন্য-সাধাৰণ অধ্যায় হৈ থাকিব।

প্ৰায় একেধৰণৰ আন এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে অসমৰ ন-অসমীয়া মুছলমান সম্প্ৰদায়েও। জীৱিকাৰ সন্ধানত আহি অসমকে 'মোৰ দেশ' বুলি গ্ৰহণ কৰা এই পৰি-শ্ৰমী সম্প্ৰদায়টোৱে আধুনিক অসমৰ অৰ্থনীতিত যিমান বৰঙনি যোগাইছে, সেই কথা কাৰো অবিদিত নহয়। কিন্তু তাতকৈ ডাঙৰ কথা, এই সম্প্ৰদায়টোৱে অসমীয়া ভাষাকে নিজৰ ভাষা বুলি স্বীকাৰ কৰি যি বিৰল আদৰ্শ প্ৰতিষ্ঠা কৰিছে, সাম্প্ৰতিক অসমতে নালাগে, ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা বিভিন্ন ভাষা-ভাষী সম্প্ৰদায়ৰ মাজতো আবেগিক ঐক্য সাধনৰ বাবে ইয়াতকৈ উত্তম আদৰ্শ আৰু একো হ'ব নোৱাৰে।

সাম্প্ৰতিক কালৰ অসম আৰু অসমীয়া জাতিৰ নিৰ্মাণত উল্লিখিত দুয়োটা সম্প্ৰদায়ৰ অৱদানৰ অপৰিমেয়তা আধুনিক ভাৰতবৰ্ষৰ যি কোনো ৰাজ্যৰ বাবেই ঈৰ্ষাৰ বিষয় হ'ব পাৰে। কিন্তু এই সম্প্ৰদায় দুটাৰ সৰ্বাঙ্গীন উন্নতিৰ ক্ষেত্ৰত আমাৰ চৰকাৰ আৰু ৰাজনৈতিক নেতাসকলে আজিলৈকে যি পৰিমাণে চিন্তা আৰু চেষ্টা কৰিব লাগিছিল, সেই পৰিমাণে নকৰাটো আমাৰ জাতীয় জীৱনৰ বাবে অতিশয় ক্ষতিকাৰক। চাহ-

বাগিচা আৰু কৃষি-ক্ষেত্ৰত কৰিব লগা দৈহিক পৰিশ্ৰমেই যিসকলৰ একমাত্ৰ ধ্যান-ধাৰণা, অসমৰ অৰ্থনৈতিক পৃষ্ঠভূমিত সৰাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা যিসকলে পালন কৰিছে, সেই সম্প্ৰদায় দুটাৰ আৰ্থিক অৱস্থা সদায়েই শোচনীয় হৈ থকাটো সঁচাকৈয়ে বেদনা-দায়ক। মালিক আৰু মাতব্বৰ পক্ষৰ কল্যাণত ৰাজ্যখনত পুঁজিবাদ প্ৰতিষ্ঠা কৰাত তেজ দিবৰ কাৰণেই নিশ্চয় এই লোকসকলৰ জন্ম হোৱা নাই। এওঁলোকৰ জন্ম নিশ্চয় এই কাৰণেও হোৱা নাই যে বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলৰ ভাগ্য-নিৰ্ণায়ক ৰূপে আজীৱন এওঁলোকে ৰাজনৈতিক পাশাখেলৰ ক্ৰীড়নকৰ ভূমিকা পালন কৰি থাকিব। কিন্তু বাস্তৱ ক্ষেত্ৰত আজি ইমান বছৰে এওঁলোকৰ এই অৱস্থাটোৱেই অপৰিৱৰ্তিত হৈ ৰোৱাৰ মূলতে যে ৰাজনৈতিক বিচাৰ-বিবেচনাহে, সেই বিষয়ে কাৰো মনত সন্দেহৰ অৱকাশ থাকিব নোৱাৰে। এই কথাতো বোধহয় সন্দেহ নাই যে শিক্ষাৰ অভাৱেই এই সম্প্ৰদায় দুটাৰ অনগ্ৰসৰতাৰ মূল কাৰণ। পিছে, এওঁলোকে শিক্ষাক্ষেত্ৰত উন্নতি লাভ কৰাটো আমাৰ ৰাজনৈতিক নেতাসকলৰ অভিপ্ৰেত নহয়। শিক্ষাৰ পোহৰ পালে যে এওঁলোক আমাৰ ৰাজনৈতিক নেতাসকলৰ হাতৰ পুতলা হৈ আৰু নাথাকিব।

কিন্তু, আমি জানো, চাহ-বনুৱা আৰু ন-অসমীয়া মুছলমান সম্প্ৰদায়ৰ উন্নতি-অৱনতিৰ লগত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নতি-অৱনতি সম্পৃক্ত হৈ আছে। যেতিয়ালৈকে (অসমীয়া-ভাষী অন্যান্য সম্প্ৰদায়সমূহৰ লগতে) এই সম্প্ৰদায় দুটাৰ এজন মানুহো নিৰক্ষৰ বা শিক্ষাক্ষেত্ৰত অনগ্ৰসৰ হৈ থাকিব, তেতিয়ালৈকে উন্নতিৰ শীৰ্ষ সোপানত অসমীয়া ভাষা-সাহিত্যক প্ৰতিষ্ঠা কৰাটো অলীক সপোন মাথোন হৈ ৰ'ব। সেইবাবেই আমি দাবী জনাওঁ, অসম চৰকাৰে অনতিপলমে এই দুই সম্প্ৰদায়ৰ উন্নতিকল্পে এক সু-পৰিকল্পিত আৰু দীৰ্ঘম্যাদী আঁচনিৰে তেওঁলোকৰ মাজত শিক্ষা বিস্তাৰৰ ব্যৱস্থা গ্ৰহণ কৰক। কিন্তু দাৰিদ্ৰ্য, নিৰক্ষৰতা আৰু অসহায়তায়েই যাৰ একমাত্ৰ সম্বল, সেইসকলৰ মাজত এনে আঁচনিৰ সফল ৰূপায়ণৰ বাবে ৰাজনৈতিক নেতাসকল সঁচা অৰ্থত সেৱাৰ মনোভাৱ লৈ তেওঁলোকৰ মাজলৈ যাব লাগিব। তাৰ পূৰ্বে ৰাজনৈতিক নেতাসকলে আন্তৰিকতাৰে ভাবিবলৈ শিকিব লাগিব যে এই লোকসকলৰ প্ৰত্যেকেই একো একোগৰাকী মানুহহে, বেলট বাকচৰ একো একোখিলা কাগজ নহয়।

যোগেন্দ্ৰনাৰায়ণ ভূঞা

১ ফেব্ৰুৱাৰী, ১৯৭৯

# আৱাহন আলোচনী আৰু অসমীয়া সাহিত্য

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

আধুনিক অসমীয়া সাহিত্যৰ গতি-বিধি বিশ্লেষণ কৰিলে দেখা যাব যে আধুনিক সাহিত্য বহুগুণে আলোচনীগত-প্ৰাণ; কিয়নো একো একোটা সাহিত্যিক আন্দোলনৰ পৰিপুষ্টি সাধনত আলোচনীৰ বৰঙনি অপৰিসীম। জোনাকী আলোচনীয়ে নৱ-ন্যাস আন্দোলনক জন্ম দিলে। এই কাকতৰ পিছত আছিল সেই কালত কলিকতাত পঢ়ি থকা নিম্নস্নাতক শ্ৰেণীৰ ছাত্ৰসকল। এয়া হ'ল উনবিংশ শতিকাৰ শেষ দুই দশকৰ কথা। বৰ্তমান শতিকাত আৱাহন কাকতৰ জন্মও তাৎপৰ্যপূৰ্ণ। জমীদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ আৰ্থিক সাহায্য তথা পৃষ্ঠপোষকতাত আৰু ডাঃ দীননাথ শৰ্মাৰ সম্পাদনাত প্ৰকাশিত আৱাহন আলোচনীৰ (জন্ম, কাতি, ১৮৫১ শক) পিছত আছিল ঘাইকৈ কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীত পঢ়ি থকা অসমীয়া ছাত্ৰসকল। এই সচিত্ৰ আলোচনীখন কেৱল নৱন্যাস ধাৰাৰে ধাৰক আৰু বাহক নাছিল, ইয়াত বহুতো ন ন চিন্তাৰ বাট ওলাইছিল। ভাষাৰ বিশুদ্ধতা আৰু সাহিত্যিক ষ্টাইলৰ ফালৰপৰা আৱাহনৰ বিশেষ বৰঙনি নাথাকিব পাৰে; কিন্তু ন ন লেখক সৃষ্টি আৰু নতুন নতুন সাহিত্যিক পৰীক্ষাৰ বাবে আৱাহনৰ কৃতিত্ব সদায় থাকিব। সেই কালত কলিকতাৰপৰা ওলোৱা বঙলা আলোচনী প্ৰবাসী, বসুমতী আদিৰ সৈতে ফেৰ মাৰিব পৰা ডাঃ দীননাথ শৰ্মা সম্পাদিত আৰু কলিকতাৰপৰা প্ৰকাশিত সচিত্ৰ আৱাহনখন হাতত লৈ আমি গৌৰৱ অনুভৱ কৰিছিলোঁ, আৰু সেই কাকতখন দ্বিতীয় মহাসমৰৰ আগলৈকে নিয়মীয়াভাৱে প্ৰকাশ পাইছিল। স্বৰাজোত্তৰ কালত সেই কাকত প্ৰকাশ পাইছিল যদিও পূৰ্বৰ ঐতিহ্য ম্লান নপৰাকৈ ৰক্ষা কৰিব পৰা নাছিল। ডাঃ দীননাথ শৰ্মাৰ দেহা পঞ্চভূতত লীন হ'লেও তেওঁৰ ভৱানীপুৰস্থ ৩ নং গোবিন্দ বসু লেনৰ ভৱনটি সেই সময়ৰ আৱাহন কাকতৰ কাৰ্যালয়লৈ অহা-যোৱা কৰা বহুতৰে মনত জিলিকি থাকিব।

আৱাহন কাকতৰ বৰঙনি সম্পৰ্কে আলোচনা কৰাৰ পূৰ্বে আমি আলোচনীখনৰ অঙ্গ-সজ্জাৰ কথা আলোচনা কৰা সমীচীন হ'ব। প্ৰথম বছৰৰ প্ৰথম সংখ্যা আৱাহনৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ হৈছিল শ্ৰীআনন্দ চন্দ্ৰ বৰুৱাৰ চাৰিটা স্তৱকৰ আৱাহন কবিতাটি। তাৰ প্ৰথম স্তৱকটি হ'ল :—

"উঠাহে তপন !
বোলাই দিয়াহি আন্ধাৰ গগণ—
উঠক জিলিকি নানান বৰণ।
আহঁা উষাৰাণী বিলাই দিয়াহি
গোলাপ বাগাৰ মিচিকি হাঁহি
গোৱাই দিয়াহি কুলি কেতেকীৰ
কণ্ঠ কোমল ধীৰ।"

আলোচনীৰ সম্পাদক ডাঃ দীননাথ শৰ্মাই 'আৱাহন'

কাকতৰ সম্পৰ্কে 'নিবেদন'ত লিখিছিল :— "অসমত আজি নতুন যুগৰ সূচনা, সকলোতে এটি নৱ জাগৰণৰ ভাব। এই নতুন যুগৰ প্ৰভাৱত ছাত্ৰ-ছাত্ৰী, তৰুণ-তৰুণী, আবাল-বৃদ্ধ-নিৰ্বিশেষে গোটেই দেশব্যাপী সকলো সমাজ আৰু সকলো সম্প্ৰদায়ৰ ভিতৰতে অলপ নহয় অলপ উৎসাহৰ উদগনি দেখা হৈছে। সকলোৰে ভিতৰত আটাইবিলাক অনুষ্ঠানৰ মাজেদি এটি চেষ্টা, এটি সাধাৰণ উদ্দেশ্য ফুটি উঠিছে— দেশৰ সেৱা, জাতীয় উন্নতি। এই জাতীয় উত্থান বা দেশৰ উন্নতিৰ মূলতে সাহিত্য। সাহিত্য উন্নতিৰ প্ৰাণ। ইয়াৰ ভিতৰেদিয়েই জাতিৰ প্ৰকৃত আশা-আকাঙ্ক্ষা আৰু তাৰ আচল সভ্যতাৰ ৰূপ-ৰেখাই দেখা দিয়ে। সাহিত্যৰ লগত জাতিৰ সম্বন্ধ যেনে অতি নিগূঢ়, তেনে বৰ লগালগি। ০ ০ ০ অসমীয়া কাকত চলাবলৈ টান পোৱাৰ কাৰণ এদিনে যেনেকৈ সৰহ গ্ৰাহকৰ অভাৱ, আনদিনে সম্ভৱতঃ উপযুক্ত প্ৰবন্ধ আদিৰ অভাৱ। বিদেশী উচ্চ ধৰণৰ কাকত পঢ়া আমাৰ পাঠক-পাঠিকাসকলৰ ৰুচিৰ অনুৰূপ উপাদান যোগাব নোৱাৰা আৰু ভাল ভাল লিখকসকলৰ প্ৰবন্ধ নথকাও আমাৰ কাকতৰ এটি অভাৱ। সঁচা হ'লে ই বৰ ডাঙৰ সমস্যা। কিন্তু আমাৰ হ'লে নিতান্ত বিশ্বাস— এই অতীত গৌৰৱোজ্জ্বল জাতিৰ দুৰ্ভাগ্যৰ অমাৱস্যা উকলি পূৰ্ণিমা কলা কলাকৈ দেখা দিব। ০ ০ ০ লাগে আমাৰ সাহিত্য চৰ্চ্চাৰ ভিতৰেদি দেশ-সেৱাৰ স্থান — যি সকলো দেশৰে উত্থানৰ মূল কাৰণ। সেই তুলনাত বৰ্ত্তমান চলতি কাকত প্ৰচলনৰ অনুষ্ঠান প্ৰশস্ত নহ'ব পাৰে। আজি 'আৱাহন'ৰ স্থাপনাও অতি ক্ষুদ্ৰ, অতি তুচ্ছ, এনেকি প্ৰথমতঃ ব্যৰ্থও দেখা যাব পাৰে। কিন্তু এইবিলাকক সফল কৰি, দেশৰ বৰ্ত্তমান অভাৱ দূৰ কৰাৰ আৰু সমাগত নতুন যুগৰ উপযুক্ত কৰি তোলাৰ ভাৰ অকল সেই পক্ষৰে নহয়। ই বেছিকৈ নিৰ্ভৰ কৰে ৰাইজৰ ওপৰত। ০ ০"

এই সংখ্যা কাকতৰ বিষয়-সূচী তলত দিয়া হ'ল :— [১] আৱাহন (কবিতা) —শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা [২] নিবেদন [৩] কাহুদী আৰু খাৰলি— লক্ষ্মীনাথ বেজবৰুৱা [৪] কাল আৰু মায়া—শ্ৰী [৫] দাসত্ব স্বীকাৰ (ক) প্ৰকৃতিৰ গুণ (ক) —মহানন্দ বৰুৱা [৬] পোৰেৰী (গল্প) —নগেন্দ্ৰ নাৰায়ণ চৌধুৰী [৭] চেতনা বাজাৰ সিফালে —লক্ষেশ্বৰ শৰ্মা [৮] নাস্তিকতা— আস্তিক [৯] অৰ্ঘ্য-শ্ৰীসত্য প্ৰসাদ বৰুৱা [১০] আকুল পথিক—চন্দ্ৰ প্ৰভা শইকীয়ানী [১১] কবিৰ অহৈতুকী প্ৰীতি—বাণীকান্ত কাকতি [১২] বিশ্বপ্ৰেম [ক]—সুৰেন্দ্ৰ মোহন দাস [১৩] বিশ্বপ্ৰবাহ—ৰুছিয়াৰ নাৰী-আন্দোলনৰ প্ৰগতি, চোৰাং কা'ন [১৪] আৰাধনা [ক] —ধৰ্মেশ্বৰী দেৱী বৰুৱানী [১৫] কপাল [গ] —শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা [১৬] আমেৰিকাৰ সতী [১৭] গিৰিধি ভ্ৰমণ—শ্ৰীৰাজেন্দ্ৰ নাৰায়ণ চৌধুৰী [১৮] জগতৰ শ্ৰেষ্ঠ নাট্যকাৰ— হৰেন্দ্ৰ কুমাৰ চৌধুৰী [১৯] সংগ্ৰহ— ছাত্ৰ সমাজলৈ মহাত্মা গান্ধীৰ আহ্বান, গৃহস্থজাত বিবাহৰ বয়স [২০] ভাৰতীয় সাধনাৰ জিলিঙনি [২১] ফৰাচী চোৰ ভিডক—নিৰ্মল [২২] তেৰেৰ্ছ মই—দুৰ্গেশ্বৰ শৰ্মা [২৩] আমাৰ সমস্যা— ৰাজনীতি, ছাইমন কমিছন, জেল সংস্কাৰ, চিগাৰেট [২৪] সুদূৰ ভৱিষ্যত (গ) —হৰেন কলিতা [২৫] অসম ছাত্ৰ সন্মিলনৰ সভাপতিৰ অভিভাষণ —শ্ৰীকৃষ্ণকান্ত সন্দিকৈ [২৬] বিবিধ—চোৰধৰা ফন্দী, ধপাতৰ কাৰবাৰ, বিদেশত ভাৰতীয় দ্ৰব্য, ১২৮ বছৰত বিয়া [২৭] পুৰণি অসমীয়া আয়ুৰ্বেদ সম্ভাৰ —তাৰানাথ চক্ৰৱৰ্ত্তী কাব্যবিনোদ [২৮] বৰ্তমান গ্ৰেজুৱেটৰ অৱস্থাৰ আলোচনা—জগদীশ চন্দ্ৰ মেধি [২৯] দাতাকৰ্ণ (নাটকীয় দৃশ্য) —শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা [৩০] প্ৰীতিলতা (গ) —হলিৰাম ডেকা [৩১] ছাত্ৰ জীৱন আৰু সমাজ-সেৱা— ভিম্বেশ্বৰ নেওগ [৩২] স্বাৰ্থ-মোহ দূৰি ছাই কৰা— তৰুণৰাম ফুকন [৩৩] নিগ্ৰো জাতিৰ গণতন্ত্ৰ—শ্ৰীমতী গোলোক দেৱী [৩৪] বৈজ্ঞানিক জগত—ৰাসায়নী মৃত সঞ্জীৱনী,



আটাইতকৈ বেগী জাহাজ [৩৫] দেশ-বিদেশ—আফগানিস্থান, মেলেৰিয়া কমিশ্বন [৩৬] কৰ্ম আৰু লীলা—মহাদেৱ শৰ্মা [৩৭] নিৰাশ [গদ্য কবিতা]—বীণা [৩৮] বাল্য বিবাহ নিষেধ আইন—পদ্মেশ্বৰ গগৈ [৩৯] পৰলোক—যতীন্দ্ৰ নাথ দাস (লাহোৰ জেইল), ফুঙ্গী উইজায়া [ৰেঙ্গুন জেইল]- ৰোহিনী কান্ত হাতীবৰুৱা [৪১] সম্পাদকীয়— বৰলাটৰ ঘোষণা, গোলাঘাটত জাতীয় যজ্ঞ।

এই প্ৰথম বছৰৰ প্ৰথম সংখ্যা আৱাহনখন সচিত্ৰ আৰু এশ বিছ পিঠিৰ আছিল। গল্প, কবিতা, প্ৰবন্ধ, ভ্ৰমণ-কাহিনীৰ উপৰি বিশ্ব-প্ৰবাহ, বৈজ্ঞানিক জগত, সংগ্ৰহ, বিবিধ, দেশ-বিদেশ আদি শিতানো উল্লেখযোগ্য। এই কাকতত ভাৰতৰ স্বাধীনতা আন্দোলন, ৰাজনৈতিক সমস্যা আদি কথাই ঠাই পাইছিল। এইখন কাকত নিৰ্ভীক আৰু স্পষ্টবাদী আছিল। উদাহৰণ স্বৰূপে কব পাৰি যে প্ৰথম বছৰ তৃতীয় সংখ্যাত জৱাহৰলাল নেহৰুৰ কংগ্ৰেছ সভাপতিৰ অভিভাষণ আৰু লাহোৰ কংগ্ৰেছৰ আদৰণী সভাৰ সভাপতি ডাঃ কিচলুৰ অভিভাষণ প্ৰকাশ হৈছিল। সম্পাদকীয়ও আৱাহনৰ উপযুক্ত আছিল, অৰ্থাৎ সম্পাদকে নিৰ্ভীকভাৱে মত প্ৰকাশ কৰিছিল। প্ৰবন্ধসমূহো উন্নত বিধৰ আছিল। ড° কাকতিৰ 'কবিৰ অহৈতুকী প্ৰীতি' নিসন্দেহে এটা মূল্যৱান প্ৰবন্ধ। এইদৰে প্ৰথম সংখ্যাটিয়ে আৱাহন কাকতৰ উজ্জ্বল ভৱিষ্যতৰ স্বাক্ষৰ বহন কৰে। এই কাকতখনৰ অলঙ্কৰণত আছিল হৰেন্দ্ৰ নাথ শৰ্মা, তাৰক নাথ শৰ্মা, ৰোহিনীকান্ত বৰুৱা, লক্ষেশ্বৰ শৰ্মা, বিৰিঞ্চি কুমাৰ বৰুৱা আদি লোকসকল। গুনাত জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে তিনি বছৰ কাল আৱাহন আলোচনীৰ মুদ্ৰণৰ ব্যয় বহন কৰিছিল; কিন্তু পাছত "জোনালীধৰ তহবিল উনং হোৱাত" চৌধুৰীয়ে আৰ্থিক সাহায্য দিব নোৱাৰা হ'ল।

আৱাহন কাকতত ধাৰাবাহিকভাৱে কেবাখনো নাটক আৰু উপন্যাস প্ৰকাশ হয়। এই ক্ষেত্ৰত প্ৰথম বছৰৰ দ্বিতীয় সংখ্যাৰপৰা শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ 'বেউলা' নাটক আৰু দৈৱচন্দ্ৰ তালুকদাৰৰ 'অপূৰ্ণ' উপন্যাসৰ উল্লেখ কৰিব পাৰি। এই সংখ্যাৰপৰা সূৰ্যকুমাৰ ভূঞাৰ 'অসমীয়া বুৰঞ্জী সাহিত্য' আৰু সোণাৰাম চৌধুৰীৰ 'জীৱনী আৰু ৰচনাৱলী' প্ৰবন্ধ একাধিক সংখ্যাত প্ৰকাশ হয়। তৃতীয় সংখ্যাত প্ৰকাশিত শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ 'স্পেনিচ সাহিত্যৰ ৰোমিয়-জুলিয়েট' প্ৰবন্ধটোৰ প্ৰাঞ্জল ৰচনা-শৈলীয়ে পাঠকৰ মন আকৰ্ষণ কৰে।

আৱাহন আলোচনীয়ে ৰোমাণ্টিক বা নৱন্যাস কবিতাৰ পুষ্টি সাধন কৰিছিল। আৱাহন কাকতত যিসকলৰ কবিতা প্ৰকাশিত হৈছিল, তাৰ ভিতৰত দুৰ্গেশ্বৰ শৰ্মা, ৰত্নকান্ত বৰকাকতী, নলিনীবালা দেৱী, ধৰ্মেশ্বৰী দেৱী বৰুৱানী, তৰুণৰাম ফুকন, ৰঘুনাথ চৌধাৰী, অম্বিকাগিৰী ৰায়চৌধুৰী, উমেশ চন্দ্ৰ চৌধুৰী, গনেশ চন্দ্ৰ গগৈ, ডিম্বেশ্বৰ নেওগ, শৈলধৰ ৰাজখোৱা, শ্ৰীআনন্দচন্দ্ৰ বৰুৱা, শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, শ্ৰীভাৰতচন্দ্ৰ গোস্বামী, কনকলতা ভূঞা, যতীন্দ্ৰনাথ দুৱৰা, শ্ৰীপ্ৰফুল্ল দাস, ভৱনাথ হাজৰিকা, নীলমণি ফুকন, শ্ৰীযোগেন্দ্ৰনাথ বৰদলৈ, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, হিতেশ্বৰ বৰবৰুৱা, শ্ৰীদেৱকান্ত বৰুৱা, শ্ৰীশশী কান্ত গগৈ, মলিনচন্দ্ৰ বৰা, লক্ষ্মীনাথ ফুকন, শ্ৰীসুৰেন্দ্ৰনাথ বৰুৱা, কুমুদেশ্বৰ বৰঠাকুৰ, প্ৰভাতচন্দ্ৰ অধিকাৰী, শ্ৰীদেৱেন্দ্ৰকুমাৰ কটকী, ৰাসেশ্বৰী খাটনিয়াৰ, জ্যোতিপ্ৰসাদ আগৰৱালা, শ্ৰীমেঘৰাম পাঠক, চৈয়দ আব্দুল মালিক, শ্ৰীনাৰায়ণ বেজবৰুৱা, শ্ৰীভৱানন্দ ৰাজখোৱা, শ্ৰীভৱপ্ৰসাদ ৰাজখোৱা, শ্ৰীবিমল শইকীয়া, ইন্দিবৰ গগৈ, শ্ৰীনলিনীধৰ ভট্টাচাৰ্য, শ্ৰীযুগল কুমাৰ দাস, শ্ৰীলীলাধৰ দত্ত, শ্ৰীতপোধৰ শৰ্মা, শ্ৰীমহেশ চন্দ্ৰ গোস্বামী, শ্ৰীবীৰেন বৰকটকী,

শ্ৰীনৱকান্ত বৰুৱা, শ্ৰীমহেন্দ্ৰ বৰা, শ্ৰীভুবন চন্দ্ৰ ফুকন, শ্ৰীবীৰাজ দাস আদিৰ নাম উল্লেখ কৰিব পাৰি।

আৱাহন আলোচনীয়ে অসমীয়া গল্পৰ পৰিপুষ্টি সাধনত ইন্ধন যোগাইছে। বিভিন্ন লেখকে গল্প লিখাৰ প্ৰয়াস কৰিছে। কিছুমান লেখক যৌৱনৰ ৰাগী বা স্বপ্ন স্বৰূপে গল্প লিখি নীৰৱ হৈ গ'ল। কিছুমানে দুই-এটা গল্প লিখিয়েই জিৰণি ললে আৰু কিছুমানৰ গল্প-ৰচনা আত্ম-বিকাশৰ উপায় হৈ পৰিল। কিছুমান গল্পৰ সৰস প্ৰকাশ-ভঙ্গী, কিছুমানৰ বিমল হাস্য ৰস, আৰু কিছুমান গল্পৰ ৰচনা-শৈলীয়ে পাঠকৰ মন আকৰ্ষণ কৰিলে। গতিকে আৱাহনে গল্প সাহিত্য জনপ্ৰিয় কৰি তোলে। আৱাহন কাকতত যিসকলৰ গল্প প্ৰকাশ পাইছিল, সেইসকল হ'ল হলিৰাম ডেকা, বীণা বৰুৱা, নকুল চন্দ্ৰ ভূঞা, মহীচন্দ্ৰ বৰা, হৰেন কলিতা, শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী, শ্ৰীৰাধিকা মোহন গোস্বামী, শ্ৰীউমেশ চন্দ্ৰ শইকীয়া, শ্ৰীমৃনীন বৰকটকী, শ্ৰীকৃষ্ণ ভূঞা, ভৱনাথ হাজৰিকা, চণমে নুৰজাহান বেগম, সিদ্ধি পতি শৰ্মা, সৰ্বানন্দ ৰাজকুমাৰ, সুধা বৰুৱা, শ্ৰীনিৰ্মলা দেৱী, শ্ৰীফুল শইকীয়া, গোবিন্দৰাম দাস, শ্ৰীলীলাধৰ দত্ত, শ্ৰীআনন্দৰাম গোহাঁই, হৰিপ্ৰসাদ বৰুৱা, লক্ষ্মীনাথ ফুকন, শ্ৰীলীলা দেৱী, শ্ৰীউষা ভট্টাচাৰ্য, ছাব চৈয়দ হাচান আলি, শ্ৰীগোলোক চন্দ্ৰ পূজাৰী, লাজকুৱঁৰী, শ্ৰীঈশান শইকীয়া, শ্ৰীৰমা দাশ, শ্ৰীযুগল কুমাৰ দাস, বীৰেশ্বৰ শৰ্মা, শ্ৰীহেমচন্দ্ৰ বৰ্মা মজুমদাৰ, ৰমাপতি শৰ্মা, শৰদিন্দু নাথ, শ্ৰীপদ্মেশ্বৰ বৰঠাকুৰ, শ্ৰীদেৱবালা দেৱী, নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, শ্ৰীদীননাথ শৰ্মা, চৈয়দ আব্দুল মালিক, ইন্দিবৰ গগৈ, শ্ৰীকমলেশ্বৰ বৰা, তাৰকচন্দ্ৰ শৰ্মা, শ্ৰীপ্ৰসন্নলাল চৌধুৰী, আমজেদ আলি, শ্ৰীকৰুণাকান্ত গগৈ, ডাঃ চিৰাজউদ্দিন আহমদ, শ্ৰীবিপিন কুমাৰ বৰগোহাঁই, শ্ৰীহৰিপ্ৰসাদ গোৰ্খা ৰায়, শ্ৰীগোবিন্দ চন্দ্ৰ পৈৰা, শ্ৰীৰমণীকান্ত শৰ্মা, শ্ৰীহৰিপ্ৰসাদ ৰাজখোৱা, শ্ৰীউমাকান্ত শৰ্মা, শ্ৰীচিত্ৰভানু চৌধুৰী, শ্ৰীপ্ৰেমানন্দ বৰুৱা, শ্ৰীনাৰায়ণ বেজবৰুৱা, শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী, এম চিৰাজউদ্দিন আহমদ, শ্ৰীহৰগোবিন্দ শৰ্মা, শ্ৰীযাদৱ দেৱ শৰ্মা, নিৰ্মলেশ্বৰ শৰ্মা, পূৰ্ণ নাৰায়ণ সিংহ, শ্ৰীসুবল চন্দ্ৰ কাকতী, শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য, শিৱনাথ শৰ্মা, নলিনীকান্ত বৰুৱা, শ্ৰীবিষ্ণুচৰণ বৰা, মোহনলাল চৌধুৰী, শ্ৰীধৰ্মদত্ত শৰ্মা, শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী, নলিনী কান্ত বৰুৱা, ৰাসেশ্বৰী খাটনিয়াৰ, শ্ৰীপদ্মা বৰুৱা, শ্ৰীচন্দ্ৰকান্ত বৰকাকতী, শ্ৰীপ্ৰভাত চন্দ্ৰ বৰুৱা, শ্ৰীযোগেন্দ্ৰ নাথ বৰদলৈ, শ্ৰীভবেন শইকীয়া আদি। এইসকলৰ ভিতৰৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, হলিৰাম ডেকা, মহীচন্দ্ৰ বৰা, লক্ষ্মীনাথ ফুকন, নকুল চন্দ্ৰ ভূঞা, শ্ৰীৰাধিকামোহন গোস্বামী, শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী, শ্ৰীদীননাথ শৰ্মা আদিয়ে সুদীৰ্ঘ কাল গল্প ৰচনাত মনোনিবেশ কৰে। চৈয়দ আব্দুল মালিকে আজিলৈকে গল্প লিখি আছে। এই যুগৰ একজন প্ৰতিভাসম্পন্ন লেখক লক্ষ্মীধৰ শৰ্মাৰ গল্পসমূহ মাইলৰ খুটি বুলিব পাৰি। আৱাহন যুগতেই ফ্ৰয়েড, য়ুং আদি মনোবিজ্ঞানীসকলৰ চিন্তাধাৰাই অসমীয়া গল্প-লেখকক স্পৰ্শ কৰে। মোপাছাঁ, টলষ্টয় আদি লেখকসকল বহুতৰে অনুপ্ৰেৰণাৰ উৎস স্বৰূপ হ'ল। মুঠৰ ওপৰত আৱাহন আলোচনীত প্ৰকাশিত গল্প সমূহে আমাৰ সাহিত্যৰ ভঁড়াল কিছু দূৰ চহকী কৰিলে।

উপন্যাস ৰচনাতো আৱাহনে প্ৰেৰণা যোগাইছে। আৱাহনত কেবাজনো লেখকৰ উপন্যাস ধাৰাবাহিক ভাৱে প্ৰকাশ হৈছে। তাৰ ভিতৰত দৈৱচন্দ্ৰ তালুকদাৰৰ অপূৰ্ণ, আদৰ্শ পীঠ আদি, দণ্ডিনাথ কলিতাৰ আবিষ্কাৰ, হেম বৰুৱাৰ কন্নকীৰ কাহিনী, শ্ৰীদীননাথ শৰ্মাৰ সংগ্ৰাম আৰু উষা আদি উল্লেখযোগ্য। আৱাহনত প্ৰকাশ হোৱা অনূদিত উপন্যাসে পাঠকৰ



প্ৰভূত উপকাৰ সাধন কৰিছে। এই প্ৰসঙ্গত দয়ানন্দ বৰুৱাৰ মাতৃ, হৰেন্দ্ৰনাথ কলিতাৰ নগৰ দুখনৰ কথা, শান্তিৰাম দাসৰ তপ্তবেণী, চিত্ৰভানু চৌধুৰীৰ জীৱনৰ ৰূপ, নলিনীকান্ত বৰুৱাৰ পশ্চিম সীমান্তত পূৰ্ণ শান্তি আদিৰ উল্লেখ কৰিব পাৰি।

আধুনিক নাট্য সাহিত্যৰ সমৃদ্ধিত আৱাহন কাকতৰ বৰঙনি উল্লেখযোগ্য। এই আলোচনীত কেবাখনো নাটক ধাৰাবাহিকভাৱে প্ৰকাশ হয়, যেনে, অম্বিকাগিৰী ৰায় চৌধুৰীৰ কল্যাণময়ী, শৈলধৰ ৰাজখোৱাৰ অসম গৌৰৱ বা স্বৰ্গদেৱ প্ৰতাপসিংহ, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাৰ পাৰ্থ-সাৰথি আৰু শৰাইঘাট, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ চম্পাৱতী, নন্দদুলাল, বেউলা আদি, দৈৱচন্দ্ৰ তালুকদাৰৰ লহঙা আৰু চন্দ্ৰকলা, বিষয় চন্দ্ৰ মহাজনৰ নাৰী-জাগৰণ, শ্ৰীভুবন চন্দ্ৰ সান্দিকৈৰ কালকেতু নিৰ্যান, শ্ৰীধনকান্ত কলিতাৰ সীমান্ত-কেশৰী, শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্যৰ ৰমণী শক্তি, শ্ৰীকমলেশ্বৰ বৰাৰ কুৰঙ্গনয়নী ইত্যাদি। লক্ষ্মীধৰ শৰ্মাই নিজ ৰচনাৰে অসমীয়া নাটকৰ যুগোপযোগী আঙ্গিকৰ চানেকি দাঙি ধৰে। তেওঁৰ নতুন কৌশলেৰে লিখা নাটকসমূহ হ'ল শৃঙ্খল, বিচাৰ, সতী জয়মতী কুঁৱৰী, প্ৰজাপতিৰ ভুল আদি। তেওঁ একাঙ্কিকাৰ আহি প্ৰচলন কৰে।

বিখ্যাত লেখকসকলৰ সংক্ষিপ্ত জীৱনীয়েও পাঠকক সমসাময়িক চিন্তাধাৰাৰ সৈতে চিনাকি হোৱাৰ সুবিধা দিছে। শ্ৰীভাৰত চন্দ্ৰ গগৈ আৰু শ্ৰীকেশৱ চন্দ্ৰ গগৈৰ এডোৱাৰ্ড ডি ভেলেৰা, শ্ৰীমফিদা বেগমৰ কামাল আটাটুৰ্ক, শ্ৰীভাৰতচন্দ্ৰ গগৈৰ সুভাষচন্দ্ৰ বসু, শ্ৰীবিবেক বৰাৰ বিখ্যাত শিল্পী ৰাফেল ইত্যাদি চমু চিনাকিয়েও জ্ঞান আহৰণত সহায় কৰিছে।

আৱাহনত প্ৰকাশিত প্ৰবন্ধসমূহো বিভিন্ন শ্ৰেণীৰ।



ৰাজনীতি, সাহিত্য, শিক্ষা, বুৰঞ্জী, প্ৰত্নতত্ত্ব, বিজ্ঞান আদি বিষয়ৰ বিবিধ মূল্যবান প্ৰবন্ধ এই কাকতত প্ৰকাশ পাইছে। দেশভক্ত তৰুণৰাম ফুকনৰ চিকাৰ বিষয়ক প্ৰবন্ধৰাজিৰো সাহিত্যিক মূল্য আছে। কৃপাবৰ বৰবৰুৱাৰ প্ৰবন্ধসমূহৰো এটা সুকীয়া আকৰ্ষণ আছে। তাৰ উপৰি ড° বাণীকান্ত কাকতি, শ্ৰীকৃষ্ণকান্ত সন্দিকৈ, জ্ঞাননাথ বৰা, শ্ৰীতীৰ্থনাথ শৰ্মা, হেম বৰুৱা, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, হিতেশ্বৰ বৰবৰুৱা, ডিম্বেশ্বৰ নেওগ, শ্ৰীতৰণীকান্ত শৰ্মা, সুৰেন্দ্ৰমোহন দাস, কমলাকান্ত ভট্টাচাৰ্য, ড° সূৰ্য কুমাৰ ভূঞা, ড° পদ্মেশ্বৰ গগৈ, জীৱেশ্বৰ শৰ্মা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, আনন্দচন্দ্ৰ আগৰৱালা, উমাকান্ত মিশ্ৰ, জয়কৃষ্ণ মিশ্ৰ, তৰুণৰাম ফুকন, শ্ৰীবিষ্ণুচৰণ বৰা, হৰেশ্বৰ গোস্বামী, সোণাৰাম চৌধুৰী আদিৰ প্ৰবন্ধও আছে। বিষ্ণুপ্ৰসাদ ৰাভাৰ সঙ্গীত আৰু শ্ৰীশ্ৰীশঙ্কৰদেৱৰ প্ৰবন্ধটো (তৃতীয় বছৰ দ্বিতীয় সংখ্যা) তাৎপৰ্যপূৰ্ণ। দ্বাৰকানাথ দাসৰ জাতিতত্ত্ব বিষয়ক প্ৰবন্ধ (যেনে অকা, দফলা ইত্যাদি), শ্ৰীজিতেন্দ্ৰ নাথ দাসৰ ধন-বিজ্ঞানৰ ক খ শীৰ্ষক এলানি প্ৰবন্ধ, সৰ্বেশ্বৰ শৰ্মা কটকীৰ লিপি বিষয়ক প্ৰবন্ধ, শ্ৰীপ্ৰেমধৰ চৌধুৰীৰ মুদ্ৰা বিষয়ক প্ৰবন্ধই বিভিন্ন শ্ৰেণীৰ পাঠকক ৰুচিৰ যোগান ধৰিছে। আৱাহনত বৈজ্ঞানিক জগত নামৰ এটা নিয়মিত শিতান থকাৰ উপৰি তাত নানা বৈজ্ঞানিক প্ৰবন্ধ প্ৰকাশ হৈছিল। যেনে— ড° প্ৰসন্ন গোস্বামীৰ পেট্ৰোলিয়ম, শ্ৰীপৱন মেধিৰ বিজ্ঞানৰ উৎপত্তি আৰু পৰমানুবাদ, কৃষ্ণ দত্ত হাজৰিকাৰ শুক্ৰ গ্ৰহ, শনি গ্ৰহৰ আকাৰ পৰিবৰ্তন, শ্ৰীখগেন কাকতীৰ আলকাতৰা, শ্ৰীনগেন গগৈৰ ব্যোম ৰশ্মি, শ্ৰীভাৰত চন্দ্ৰ গগৈৰ ভূ-তত্ত্বৰ বিষয়ে একাষাৰ, শ্ৰীকুমুদাভিৰাম দাসৰ জীৱ-জগতৰ উৎপত্তি, শ্ৰীচক্ৰপাণি দাসৰ অনু-পৰিণামবাদ, মাধৱ চন্দ্ৰ দাসৰ উদ্ভিদ আৰু প্ৰাণী-জগতৰ সম্বন্ধ ইত্যাদি। আৱাহনৰ তৃতীয় বছৰৰপৰা (১৮৫৩ শক) কেবাটাও সংখ্যাত

প্ৰকাশিত পদ্মনাথ গোহাঞি বৰুৱাৰ আত্ম-জীৱনী 'মোৰ সোঁৱৰণী'ৰ সাহিত্যিক মূল্য যথেষ্ট আছে। আৱাহনৰ তৃতীয় বছৰ ষষ্ঠ সংখ্যাত আৱিৰ্ভাৱ হৈ তাৰ পাছত উক্ত কাকতত মাজে মাজে প্ৰকাশ পোৱা চিত্ৰসেন যথবীয়াৰ আত্ম-বিবৃতি কৃপাবৰ বৰুৱাৰ প্ৰবন্ধৰ নিচিনা সোৱাদ লগা। যথবীয়াৰ (হলিৰাম ডেকাৰ) আত্ম-বিবৃতিৰপৰা তেওঁৰ আৱিৰ্ভাৱ সম্পৰ্কে উদ্ধৃতি দিয়া হ'ল—

"সম্পাদক ডাঙৰীয়া !

বহুত দিন ভাবিছোঁ পাহৰণিৰ গৰ্ভত নিজক মাৰ নিয়াওঁ; কিন্তু নোৱাৰিছোঁ। যিমানে চেষ্টা কৰিছোঁ, সিমানে এই ভাব দৃঢ় হৈ আহিছে যে লোকে জনা-কৈয়ে যদি জীয়াই থাকিব নোৱাৰিলোঁ, চুকৰ কোণত মেকুৰীটোৰ নিচিনাকৈ থাকিলে বা নাথাকিলে একে কথা। মোৰ নিজৰ ভিতৰতহে এইটো ভাবে গোঁ-গোঁৱাই আছে; কিন্তু বাহিৰত কি বুলি প্ৰকাশ কৰিব লাগে, তাৰ ৰব ভূ নাপাওঁ। মোৰ মতলবটো আপুনি নিশ্চয় বুজিছে। সেইটো হলেই হয়। যদি ইমানতো বুজা নাই— কিন্তু এটা কথা, কব লাগিলেই মোৰ দিগদাৰ, আপুনি সচাঁকৈ বুজা নাইনে ? নিশ্চয় বুজিছে, আপোনালোক বুদ্ধিমান মানুহ। বুদ্ধিমান নহলেনো আৰু ৰাইজৰ টকা ঘটিছেনে ? ০ ০ ০

"মই ক'ত কাহানি জন্মিছিলোঁ, ৰব স্থিৰতা নাই। পুৰণি বস্তু বুলি গৰ্ব্ব কৰিবৰ মোৰ বিশেষ ঠাই এডোখৰ নাই। কিন্তু এটা কথা— আমাৰ দেশৰ নদ-নদীবোৰৰ আপোনালোকে যিমানেই গৌৰৱ-গাথা নাগাওক, মই তেওঁলোকৰ সাধুবাদ গাব নোৱাৰোঁ। সিদিনা এজন বঙ্গালী ভদ্ৰলোক টঙ্গলাৰ পৰা মোৰ গাড়ীত একেলগে অহাত ভাবেই কৈ আহিছে যে তেওঁলোকৰ দেশত হেনো আগেয়ে বঙ্গা-বানছাতহে ভৰি আছিল। সকলো চহৰ বন্দৰ, সকলো ৰাজধানী আছিল, 'কুঁড়ে' ঘৰ শব্দটো হেনো পাছৰ কালৰ আৱিষ্কাৰ। কিন্তু কালৰ কৰাল গ্ৰাসত পৰি সকলো নাই-নুই হ'ল। ভগ্নাৱশেষবোৰ নৈয়ে ধুই নিলে। মই কলোঁ, ঠিক কথা, আমাৰ দেশতো দেশব্যাপী কাবেংঘৰ আছিল। সেই শব্দই আপোনালোকৰ মুখত পৰি নোংড়া হৈ 'কুঁড়ে' হ'ল। তেওঁ ভালকৈ বুজিব নোৱাৰিলে। অপ্ৰস্তুত হাঁহিতে বুজিলোঁ, মোৰো ভাষা-জ্ঞানত নিজে আহ্লাদিত হৈ এটা আত্ম-তুষ্ট ব্যাপক হাঁহি মাৰিলোঁ। তেওঁ বহুত পৰৰ মূৰত মনত পেলাই কলে, সেই কাৰণে হেনো এটা নৈৰ নাম হৈছে কীৰ্ত্তিনাশ। মই হাঁহি কলোঁ, ঠিক যেন আমাৰ নাওবৈছা। মোক কিন্তু যেন দেখি আৰু বেছি কথা নুসুধিলে। এইখিনি কোৱাৰ মোৰ উদ্দেশ্য হৈছে মোৰো জন্মস্থান কিজানি লুইতৰ অতল গৰ্ভত ক'ৰবাত লুকাই আছে। আৰু মোক প্ৰথম চুমা খোৱা ঠাইখিনি কিজানি কোনোবা বটতৰুৰ তলত শহা পোৱালিয়ে খেমালি কৰা ঠাই হৈ ঢাক খাই আছে।" যথবীয়াৰ উক্তিত সৰস ব্যঙ্গ প্ৰকাশ পাইছে, আৰু তেওঁ যেন কৃপাবৰ বৰুৱাৰ উত্তৰ-সূৰী।

আৱাহনত স্বাধীনতা আন্দোলনৰ কথা প্ৰকাশ পাইছিল, পৃথিৱীৰ বিভিন্ন দেশৰ ৰাজনৈতিক চিন্তাধাৰাৰ কথাও প্ৰকাশ পাইছিল। মনীষী কাৰ্ল মাৰ্ক্স আৰু ৰুছ বিপ্লৱৰ নানা কথা আৱাহনত প্ৰকাশ কৰা হৈছিল। সেইবোৰৰ ভিতৰত হৰেন্দ্ৰ নাথ শৰ্মাৰ 'কাৰ্ল মাৰ্ক্স' (দ্বিতীয় বছৰ দশম, একাদশ আৰু দ্বাদশ সংখ্যা), ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ 'বিপ্লৱৰ পূৰ্ব্বৰ ৰুচিয়া' (দ্বিতীয় বছৰ), মধুসূদন দাসৰ 'বিপ্লৱৰ পিছত ৰুচিয়া' (দ্বিতীয় বছৰ একাদশ আৰু দ্বাদশ সংখ্যা), দণ্ডধৰ বৰুৱাৰ 'ৰাচিয়াত ধৰ্মৰ স্থান' (নৱম বছৰ তৃতীয় সংখ্যা), শ্ৰীঅৰূপ গোস্বামীৰ 'লিওন ট্ৰটস্কিৰ নিৰ্ব্বাসিত জীৱন' (নৱম বছৰ পঞ্চম সংখ্যা) আদি প্ৰবন্ধ উল্লেখ-যোগ্য। দ্বিতীয় বছৰৰ আৱাহনে কাৰ্ল মাৰ্ক্সৰ চিন্তা-ধাৰাৰ সৈতে আমাক পৰিচিত কৰাৰ উপৰি



মহাপ্ৰলয়ত ৰুছ দেশৰ স্বাধীনতাৰ আভাস দি নতুন চিন্তাধাৰাৰে জাতীয় জীৱন সমৃদ্ধ কৰাৰ বাট দেখুৱালে। ৰুছদেশৰ পৰিবৰ্তনৰ কথা সোনতে আৱাহনে বিশদ ভাৱে আলোচনা কৰে। 'কাৰ্ল মাৰ্ক্স' প্ৰবন্ধটোৰ (দ্বিতীয় বছৰ দশম সংখ্যা) আৰম্ভণিত আছে— "সামাজিক মনোবৃত্তিৰ ইতিহাসত কাৰ্ল মাৰ্ক্সৰ আসন যিমান ওখ, আন কাৰো ভাগ্যত তেনে ওখ আসন লাভ ঘটা নাই। মেকিয়াভেলি আৰু ৰুছোৰ বাহিৰে আন কোনোৱে এনে নিন্দা-গৰিহণাও সহিব লগা হোৱা নাই; আৰু ৰুছোৰ দৰে তেওঁৰ নামত গঠিত হোৱা বিপ্লৱ এখনত......... মৃত্যুৰ পিছত মাৰ্ক্সেও অধিনায়কৰ পদ পাইছিল। বাইবেল নাইবা বিখ্যাত মনীষী জাষ্টিনিয়ানৰ অমৰ গ্ৰন্থ 'ডাইজেষ্ট'ৰ দৰে মাৰ্ক্সৰ গ্ৰন্থৰাশিয়েও এদিন মানুহৰ পৰা তেনে সন্মান লাভ কৰি আহিছে। তথাপি সাম্যবাদীসকলৰ মাজত তেওঁৰ ঠাই কোনখিনিত, এই কথা নিৰূপণ কৰা সহজ যেন লাগিলেও কিছু পৰিমাণে জটিল" (পৃ: ১১০৯)।

কাৰ্ল মাৰ্ক্স প্ৰবন্ধৰ সামৰণিত আছে, "০ ০ তেওঁ আইন বা বিধি-ব্যৱস্থাৰ প্ৰতিকাৰত কোনো বিশ্বাস স্থাপন নকৰিছিল, এই বিধি-বিধান যি ভাবৰ বহিঃপ্ৰকাশ, সেই ভাবৰ প্ৰেৰণা লাভ কৰিবলৈহে তেওঁ বিচাৰিছিল। বহুত সময়ত তেওঁৰ ভুল হৈছিল। তেওঁ প্ৰায়েই আনৰ মত বা কথা সহিব নোৱাৰিছিল আৰু সদায় অতি কঠোৰ আছিল; কিন্তু যেতিয়া মানৱ সমাজৰ স্বাধীনতাকাঙ্খী মহা-পুৰুষসকলৰ কথা ভবা যায়, তেতিয়া সৰ্ব্বপ্ৰথমে তেওঁৰ ছবি আমাৰ মনশ্চক্ষুত উদিত হয়, আৰু এই বিষয়ৰ শ্ৰেষ্ঠতম মহাপুৰুষ স্বৰূপে তেওঁ আমাৰ শ্ৰদ্ধা-ভক্তি আকৰ্ষণ কৰে" (দ্বিতীয় বছৰ দ্বাদশ সংখ্যা)। কাৰ্ল মাৰ্ক্সৰ চিন্তাধাৰাই আজি পৃথিৱীত আলোড়নৰ সৃষ্টি কৰিছে।

মহাপ্ৰলয়ৰ পাছত ৰুছ দেশত যি নিৰ্মাণ-কাৰ্য চলিছিল, সেই সম্পৰ্কে মধুসূদন দাসে (দ্বিতীয় বছৰ দ্বাদশ সংখ্যা) 'বিপ্লৱৰ পিছত ৰ'চিয়া' প্ৰবন্ধটোৰ আৰম্ভণিত কৈছে, "পৃথিৱীত যিমানবোৰ যুদ্ধ বা বিপ্লৱ হৈ গৈছে, সেইবোৰৰ ভিতৰত আটাইতকৈ বিস্ময়কৰ হৈছে ১৯১৭ চনত ৰুচিয়াত হোৱা বলচেভিক বিপ্লৱ। এই বিপ্লৱ হৈছিল ভাঙিবলৈ। ৰুচিয়াৰ যিবোৰ পুৰণি অনুষ্ঠান বা সংস্কাৰ, তাক এই বিপ্লৱে ভাঙি লণ্ড-ভণ্ড কৰিলে— পুৰণি ৰুচিয়াৰ শাসন নীতি, ধৰ্মনীতি, কৰ্ম্মনীতি আদি সকলোকে এই বিপ্লৱে ভাঙি চূৰমাৰ কৰিলে। কিন্তু ইয়াতকৈও ডাঙৰ বিপ্লৱ ৰুচিয়াত সাধিত হৈছে তাৰ শাসন-পদ্ধতি জীৱন-পদ্ধতি আৰু কৰ্ম্ম পদ্ধতিৰ পৰিবৰ্ত্তন বা নৱ-গঠনৰ ভিতৰেদি ভাঙোতাতকৈ গঢ়োতাৰ কাম বেছি টান আৰু অধিক গৌৰৱজনক। ৰুচিয়াই কিন্তু আজি জগতক দেখুৱাই দিছে যে সি ভঙা কামত যেনে দক্ষ, গঢ়া কামতো তেনে পটু। ৰুচিয়াত যেনিবা প্ৰথমে চলিছিল নটৰাজৰ তাণ্ডৱ নৃত্য আৰু তাৰ পিছতেই যেনিবা আৰম্ভ হ'ল বিশ্বকৰ্ম্মাৰ সুনিপুণ শিল্প ৰচনা"। (পৃ: ১২০৪)। এইদৰে আৱাহনৰ জৰিয়তে ৰুছ দেশৰ প্ৰলয় আৰু নিৰ্মাণৰ কথা প্ৰচাৰ হৈছিল।

ডা: ললিত কুমাৰ বৰুৱাৰ 'ইলা ভনীটিলৈ মুকলি চিঠি' আৱাহনৰ এটা নতুন পৰীক্ষা। সপ্তম বছৰ দ্বাদশ সংখ্যাত প্ৰকাশিত শ্ৰীমুনীন বৰবটকীৰ 'কন-ফেছনছ' (পৃ: ১৩৮২-৯৪) নামৰ প্ৰবন্ধটি আৱাহন কাকতৰ এক সমালোচনা বুলিব পাৰি— যেন শ্ৰীবৰকটকীয়ে art connoisseur হিচাপে আৱাহন কাকতৰ গতি-বিধি লক্ষ্য কৰিছে। তেওঁ চিঠিখন আৰম্ভ কৰিছে এনেদৰে :

"আপোনাক কৈ থওঁ এইখিনি যদিও এক হিচাপে লিপি বা চিঠিহে (correspondence), তথাপি ই দোচৰা বিধৰ অৰ্থাৎ ৰাজহুৱা চিঠি

(Public correspondence) অৰ্থাৎ এই লিপিৰ সংত্ৰৱ যদিও আপোনাৰ আৰু মোৰে ভিতৰতহে বিশেষকৈ আছে, তথাপি ই 'আৱাহন'ৰ সকলো পাঠক-পাঠিকাৰ কাৰণে মুকলি । ০০০ সচাঁকৈ কবলৈ গলে এইখন চিঠিও নহয়, ওকালতিৰ নথিও (brief) নহয়, প্ৰবন্ধও নহয় । মুঠতে নাভূত-নাক্ৰত কিবা ।

"আজি যদি কওঁ, যথবীয়াৰ আত্ম-বিবৃতি উঠাই দিয়াৰ পৰা আৱাহনৰ দাম বহুত কমি গৈছে, এটায়ে নিদি-লেও majority-য়ে মোৰ ফালে ভোট দিব । সঁচা কথা নকৈ থাকোঁ কেনেকৈ, যথবীয়াৰ আত্ম-বিবৃতিয়েই এসময়ত আৱাহনৰ Capital bait আছিল । আপুনি হয়তো এইটো স্বীকাৰ নকৰিব আৰু Wounded pri-de-ৰ অংশীদাৰ সকলেও নকৰে । শুনিবলৈ পাওঁ, আত্ম-বিবৃতিৰ মৃত্যুত বহুতে হেনো হাত চাপৰি বজাই-ছিল, They snapped their fingers at it. আমি কিন্তু কৰুণ ট্ৰেজেডিটোত বাস্তৱিকতে মৰ্মাহত হৈছিলোঁ ।

"যথবীয়া প্ৰসঙ্গতে 'আৱাহন'ৰ আৰু এটা তেনেকুৱা ট্ৰেজেডিলৈ অবান্তৰ হলেও উনুকিওৱাৰ লোভ সামৰিব নোৱাৰিলোঁ । এইটো ট্ৰেজেডি হ'ল শ্ৰীযুত বীণা বৰুৱাৰ অন্তৰ্দ্ধান ।০০ শ্ৰীযুত বীণা বৰুৱাৰ অন্তৰ্দ্ধানটো ডেকা-অসমৰ কাৰণে এটা নিদাৰুণ ট্ৰেজেডি । তেখেতে যি নতুন প্ৰেৰণাত গল্প লিখিছিল, সি আমাক সঁচাকৈয়ে ভৱিষ্যতৰ কাৰণে লুভীয়া কৰি তুলিছিল । গতানু-গতিকতাৰ বাটেদি নগৈ সঁচা কথাৰ ওপৰত ভেটি কৰি তেখেতে যি নতুন ৰিয়েলিজিমৰ প্ৰৱৰ্ত্তন কৰিছিল, তাৰ অকাল মৃত্যুত বহুতে স্বস্তিৰ উশাহ লৈছিল বুলি যদিও আমি জানো, তথাপি আমাৰ কাৰণে এইটো এটা পূৰাব নোৱাৰা ক্ষতি ।

"ৰানপানীৰে ঢৌৱাৰ খোজা নাছিলোঁ যদিও বৰ-কাকতীৰ দৰেই সকৰে পৰা এটা বাসনা পুহিছিলোঁ — 'ফ্ৰয়ড মাৰ্কা (Freudian) মাল dumping কৰি কবিতা বজাৰখন মোৰ মন'পলি কৰি লবলৈ । আপুনি নিজেই জানে আজি কিমান দিনৰ পৰা আপোনাৰ মন'পলি 'আৱাহন'ৰ বজাৰলৈ কিমান বস্তা ফ্ৰয়ড আৰু ডি-এইচ-লৰেন্স মাৰ্কা কবিতা পঠিয়াইছে ।

"আপোনাৰ কাকতৰ সকলোতকৈ ভাল কবি (অৱশ্যে মোৰ মতেহে) শ্ৰীযুত দেৱকান্ত বৰুৱাৰ কবিতাৰ লগত মোৰো কবিতা কেনেবাকৈ ছপা হলে মই সঁচাকৈয়ে লাজ পাম ।

"আপুনি জানেই আমাৰ ওচৰ-চুবুৰীয়া বঙ্গদেশৰ সাহিত্যৰ বজাৰত এতিয়া কিহৰ হৈ চৈ উঠিছে । 'কণ্টিনেণ্ট'ৰ সোৱাদ টেঁটুলৈকে লৈ আহি বঙালী চিভিলিয়ানসকলে অতি আধুনিক অৰ্থাৎ ultramo-dern সাহিত্য বতিয়াবলৈ আৰম্ভ কৰিছে । এই দলৰ আচাৰ্য্য শ্ৰীযুত অন্নদা শঙ্কৰ ৰায়ে বোলা খুলিকৈ জুইৰ লগত খেল ( আগুন দিয়ে খেলা ) খেলিছে, তাৰপৰা দৰা বজাই বঙালীৰ কাণত ঠিলা মাৰিব লগীয়া কৰিছে । বুদ্ধদেৱ বসু বোলা এই দলৰ কবিতা-চাৰ্য্যই কবিতা লিখিছে, "কিছুই প্ৰেমেৰ মতো নয় ।"

"পাশ্চাত্যৰ interpret কৰা কামত সদায় যে বঙালী আগ হয়, আমি নহওঁ কিয় । বঙালী অন্নদাশঙ্কৰ ৰায় আৰু গুৰুসদয় দত্ত যেনেকৈ বিলাতলৈ যায়, আমাৰ অমুক গোহাঁই আদিও সেইদৰে বিলাতলৈ যায় । কিন্তু তাৰ পৰা উভতি আহি অসমীয়া আৰু বঙালী ইমান বেলেগ হৈ পৰে কিয় ? বঙালী অন্নদা শঙ্কৰ ইউৰোপৰ পৰা আহি জেম্‌ছ জয়ছ, ডি-এইচ লৰেন্স আৰু ফ্ৰয়ডক অনুসৰণ কৰি অতি আধুনি-কতাক প্ৰৱৰ্ত্তন কৰে । বঙালী শিল্পীয়ে বঙালীক

( ১০ পৃষ্ঠাত চাওক )

# সঙ্গীতাচাৰ্য্য কীৰ্ত্তিনাথ শৰ্মা বৰদলৈ

**শ্ৰীঅতুলচন্দ্ৰ বৰুৱা**

মঙ্গলদৈ মহকুমাৰ খিপাৰাৰ মৌজাৰ কুৰুৱা এখন সৰু গাঁও । আয়তনত বহল যদিও ঘন বসতিৰ নহয় বাবে সৰু । ব্ৰহ্মপুত্ৰৰ পাতে লাগি থকা উত্তৰ পাৰৰ এই গাঁওখনিৰ জল-বায়ু উৎকৃষ্ট । ইয়াতেই ১৮৭৮ চনৰ সাত নৱেম্বৰত কীৰ্ত্তিনাথ শৰ্মা বৰদলৈৰ জন্ম হয় । তেওঁৰ দেউতাকৰ নাম দেহীৰাম বৰদলৈ পাটগিৰি । আগৰ দিনত মৌজাদাৰক নামনি অসম আৰু দৰঙত পাটগিৰি বোলা হৈছিল । সৰু কালতে পিতৃহীন হৈ কীৰ্ত্তিনাথ বাইদেৱেক সোমেশ্বৰী দেৱীৰ আশ্ৰয়ত ডাঙৰ-দীঘল হয় । সোমেশ্বৰী দেৱী উত্তৰ গুৱাহাটীৰ বিখ্যাত হাকিম মাধৱচন্দ্ৰ বৰদলৈ দেৱৰ পত্নী আছিল । উল্লেখযোগ্য এই যে ১৮৯৯ চনত এইজনা হাকিমেই বৰপেটাত মহকুমাধিপতি হৈ থকা কালত সুন্দৰীদিয়া সত্ৰৰপৰা সংগ্ৰহ কৰি নি মহাকবি মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণ পোন প্ৰথমে ছপা কৰি উলিয়ায় । মাধৱচন্দ্ৰ বৰদলৈ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ পিতৃ দেৱতা, আৰু কৰ্মবীৰৰ স্বনামধন্যা জীয়াৰী নলিনীবালা দেৱীৰ ককাক । সেই সূত্ৰেদি কীৰ্ত্তিনাথ বৰদলৈও নলিনীবালা দেৱীৰ মাতৃ-পক্ষীয় ককাক । সেয়েহে নলিনীবালা দেৱীয়ে এখন চিঠিত কীৰ্ত্তিনাথৰ বৰজীয়েক মাকনলৈ ২৩।৬।৫২ তাৰিখে লিখিছিল— "+ + + দেউতাৰাৰ জীৱনী লিখিবলৈ হাতত লোৱা বুলি শুনি নথৈ বং পাইছোঁ । আমাৰ প্ৰতিভাশালী লোকসকলৰ জীৱন-কাহিনী আমি নিজে নিলিখিলে আনে নিলিখে; কিন্তু আমি লিখি থৈ যাব পাৰিলে এদিন সেই বস্তুৰ আদৰ নিশ্চয় হ'ব । স্বৰ্গীয় ককাৰ প্ৰতিভাময় জীৱনৰ কথা মনত পৰিলে সঁচাকৈয়ে আত্ম-গৰিমাত উৎফুল্ল নহৈ নোৱাৰোঁ । যুগৰ বিশাল বুকুত একো একোটা বিখ্যাত পৰিয়ালৰ মাজত পৰিমাৰ্জিত সংস্কৃতিয়ে কেনেকৈ বিকাশ লাভ কৰিছে, সেইটো পৰিস্ফুট কৰিব পাৰিলেই জীৱনী লিখাৰ উদ্দেশ্য সিদ্ধি হ'ব যেন লাগে । সেঁৱৰণিত সেইটোকে লক্ষ্য ৰাখিবা । মোৰ জীৱনৰ সোণময় শৈশৱ কালত তেখেতক যিদৰে পাইছিলোঁ, তাকেই স্মৃতিলেখা তলত কিঞ্চিৎ দি পঠিয়ালোঁ ।

"স্বৰ্গীয় কীৰ্ত্তিনাথ বৰদলৈ ককা মোৰ বুঢ়ী আই সোমেশ্বৰী দেৱীৰ বৈমাত্ৰেয় আপোন ভায়েক । তেখেতৰ দেউতাক দেহীৰাম বৰদলৈ পাটগিৰি যেতিয়া ঢুকায়, তেতিয়া তেওঁৰ একেটি ল'ৰা কীৰ্ত্তিনাথ ককা নিচেই সৰু । গতিকে তেওঁতে কম বয়সীয়া মাহীমাক আৰু ভায়েক কীৰ্ত্তিনাথ ককাক আনি লগতে ৰাখি ডাঙৰ-দীঘল কৰে । মোৰ ককাদেউতা মাধৱচন্দ্ৰ বৰদলৈৰ তত্বাৱধানতে কীৰ্ত্তিনাথ ককাই এণ্ট্ৰেন্স পাছ কৰি গুৱাহাটীৰ কটন কলেজত দ্বিতীয় বাৰ্ষিকলৈ পঢ়িছিল । পিছে, সেই সময়ত তেখেতৰ এটি শকত নৰিয়া হৈ পঢ়া বন্ধ কৰিব লগীয়াত পৰিল । ডাক্তৰৰ পৰামৰ্শ মতে তেখেতে নিজ গাঁও কুৰুৱাত কিছুদিন বিশ্ৰাম লয় । কিছু পৰিমাণে শৰীৰ আৰোগ্য হোৱাত তেখেতে জল-বায়ু পৰিবৰ্ত্তনৰ কাৰণে মাকক লৈ

উন্নতি অসমৰ পিনে যাত্ৰা কৰে। যোৰহাটত ভালে দিন বসবাস কৰি তেওঁ সম্পূৰ্ণ আৰোগ্য লাভ কৰে আৰু তাতেই বিয়া-বাৰু কৰাই চাকৰিত সোমাই সংসাৰ পাতে। এবা-ধৰাকৈ জীৱনৰ ভাল এছোৱা কাল তেখেতে যোৰহাটত কটায়। কুকুৰাত থকা কালত তেওঁ হেনো ওজাপালী, ভাওনা আদি বৰকৈ চাইছিল।

'মোৰ শৈশৱৰ কাহিনীবোৰ ভাবিবলৈ ললেই ককাৰ কথা সদায় মনত পৰে। মই তেখেতৰ চকুৰ আগতে ওপজা। কেঁচুৱাৰপৰা কোলাত লৈ মোক তেখেতে ডাঙৰ-দীঘল কৰে। নিচুকনী গীত গাই গধূলি শুওৱা, ব'হাগী বজাই বজাই টোপনি নিওৱা এতিয়াও মোৰ মনত পৰে। তেখেত আছিল এগৰাকী কাব্য-ৰসিক পণ্ডিত লোক, ধেমেলীয়া কথা আৰু মৌজ-লগা সাধুৰ ভঁৰাল। গতিকে তেখেতক ঘৰৰ জীয়ৰী-বোৱাৰী, ল'ৰা-ছোৱালী সকলোৱে বৰ ভাল পাইছিল। গধূলি হ'লে প্ৰায়ে তেখেতে ঘৰৰ ল'ৰা-ছোৱালী, জীয়ৰী-বোৱাৰী সকলোকে গোটাই লৈ বাইদেৱেকৰ (বুঢ়ী আইৰ) ওচৰত এখন সভা পাতি বহে। তেখেতে তাত বঙ্গদেশৰ শ্ৰেষ্ঠ কবিসকলৰ কাব্য আবৃত্তি কৰি ব্যাখ্যা কৰি বুজাই দিয়ে। মোৰ মনত আছে, বাবু নবীন সেনৰ ৰৈবতক, কুৰুক্ষেত্ৰ আৰু প্ৰভাস এই কাব্য তিনিখন যেতিয়া এখন এখনকৈ আৰম্ভ কৰে, তিনিওখন শেষ নোহোৱালৈকে সেই মধুৰ সন্ধিয়া পৰখিনিলৈ ঘৰৰ সকলোৱে যেন ব্যাকুল প্ৰতীক্ষাত হে কটায় : কেতিয়াকৈ আকৌ আবেলিকৈ এবা কাব্য-কথা আৰম্ভ হয়, কেতিয়াকৈ আমি তাক শুনিবলৈ পাওঁ, তেনে উৎকণ্ঠাত ঘৰৰ বোৱাৰীসকলে লৰালৰিকৈ গধূলিৰ কাম-বন সমাধা কৰি সেই সময়-খিনিত কাব্য-সুধা পান কৰিবলৈ আগ্ৰহেৰে আহি বহা মোৰ আজিও মনত পৰে। যেতিয়া অভিমন্যুৰ মৃত্যুত সুভদ্ৰাই শ্ৰীকৃষ্ণক কোৱা 'দয়াময়, নাহি লোক ...' আদি বচনবোৰ করুণ সুৰত পঢ়িছিল, তেতিয়া কোনেও চকুলো নমচাকৈ থাকিব পৰা নাছিল। তেখেতৰ শুদ্ধ শুৱলা সংস্কৃত উচ্চাৰণেৰে পঢ়া ৰঘুবংশ, কুমাৰসম্ভৱৰ শ্লোকবোৰ যেন আজিও মোৰ স্মৃতিৰ কৰ্ণ-কুহৰতে বাজি আছে। তেখেতে ব্যাখ্যা কৰা তেনে কিছুমান শ্লোক, আৰু তেখেতে মুখে মুখে কোৱা

---

( ৮ পৃষ্ঠাৰ পিছৰপৰা )

শিকায় পিকাছো (Picasso) আৰু পল নেছৰ (Paul Nash) আৰ্ট appreciate কৰিবলৈ। কিন্তু আমাৰ অসমীয়া ইউৰোপ-প্ৰত্যাগতসকলে— অৱশ্যে আগৰৱালাৰ দৰে কেজনমানৰ বাহিৰে— আমাক ইউৰোপৰ মনৰ খবৰতো এক বিন্দুও নিদিয়েই, তেওঁলোকে দিয়ে যাওঁতে জাহাজত কেইবাৰ বাতি আহিল, পেৰীৰ 'কাফেত' কেই পিয়লা কফি খালে তাৰ কেটেলগ। ০০০ যোৱা-অহাৰ আমনি লগা বৃত্তান্তই ভ্ৰমণ-কাহিনী নহয়। আমি ভ্ৰমণ-কাহিনীত বিচাৰোঁ নগৰৰ বৰ্ণনাৰ বাহিৰেও তাত মানুহৰ কথা, সেই মানুহৰ মনোজগতৰ কথা।" সেই সময়ৰ আৱাহনত প্ৰকাশিত ভ্ৰমণ-কাহিনীৰ ই এটা নিখুঁত সমালোচনা। শ্ৰীবৰকটকীয়ে ভ্ৰমণ বিষয়ক প্ৰবন্ধৰ বিষয়ে এটা নৈতীক মন্তব্য দাঙি ধৰিছে।

সামৰণিত ক'ব পাৰি যে আৱাহন আলোচনীয়ে আধুনিক অসমীয়া সাহিত্যৰ বিভিন্ন দিকত উন্নতি সাধন কৰিছে। কলিকতাৰপৰা প্ৰকাশিত (চতুৰ্দশ বছৰলৈকে) আৱাহনৰ বৰঙনি আমি গৌৰৱেৰে স্মৰণ কৰিব লাগিব। গুৱাহাটীৰপৰা ওলোৱা আৱাহন কাকতৰ প্ৰকাশ বৰ নিয়মীয়া আছিল। তাহাৰ ফালৰপৰা বা আখৰ-জোঁটনিৰ ফালৰপৰা আৱা-হনৰ বিশেষ মূল্য নাথাকিলেও এই আলোচনীয়ে সম্পাদনাৰ উন্নত আহি দেখুৱালে। আৱাহনত প্ৰকাশিত বিভিন্ন ধাৰাৰ ৰচনাসমূহে অসমীয়া সাহিত্যৰ সামগ্ৰিক উন্নতিত অৰিহণা যোগাইছে।

০০০



আৰব্য উপন্যাসৰ সাধুবোৰ সোণামায় ল'ৰালিৰ পাহ-ৰিব নোৱাৰা সুমধুৰ স্মৃতিৰূপে আজিও মোৰ মনত পৰে। এনেবোৰ স্মৃতি মনলৈ আহিলে আজিও মই মনে মনে গৰ্ব অনুভৱ কৰোঁ, নিজকে সৌভাগ্যৱতী বুলি ভাবোঁ। শৈশৱত এনে এটি অনুপম পৰিবেশ পোৱা বাবে। ঈশ্বৰৰ অসীম অনুগ্ৰহত আন সকলো সুখ-সুবিধাৰ বাহিৰেও কাব্যে-গানে, আনন্দে-গীতে উতৈনদী হৈ পৰিছিল মোৰ সোণালী শৈশৱ। শিশু কালত কীৰ্ত্তি ককাৰ দৰে এনে স্নেহময় শিক্ষক স্বৰূপ ককাদেউতা এজন লাভ কৰা কম সৌভাগ্যৰ কথা নহয়।

"বহু দিনৰ পাছত কীৰ্ত্তি ককাক মই প্ৰথম লগ পাইছিলোঁ যেতিয়া ১৯৬২ চনৰ কংগ্ৰেছ মহাসভালৈ তেখেত গুৱাহাটীলৈ আহিছিল, তেতিয়া। মোৰ বৈধব্য-বেশ দেখি কিমান স্নেহ আৰু বিষাদেৰে তেখেতে মোক কৈছিল— 'আই মোৰ সৰ্বশুক্লা সৰ-স্বতী, মোৰ অন্তৰভৰা আশীৰ্বাদ আৰু মৰমে তোমাক বৰ্মৰ দৰে আবৃত কৰি ৰাখক।' এই কথাষাৰত কিমান স্নেহ, কিমান শুভেচ্ছা প্ৰকাশ পাইছিল— মই মৰ্মে মৰ্মে অনুভৱ কৰিব পাৰিছিলোঁ। তেখেতৰ অকপট স্নেহ আৰু আশীৰ্বাদৰ নিৰ্মালি মই অপৰি-সীম শ্ৰদ্ধাৰে শিৰত তুলি লৈছিলোঁ। যোৰহাটৰ শঙ্কৰদেৱ মহোৎসৱলৈ আমন্ত্ৰিত হৈ মই যাওঁতে তেখেতৰ কি যে আনন্দ! সেই কেউদিন মোৰ লগে লগেই তেখেত লাগি আছিল। যিদিনা মোৰ সভা-নেত্ৰীৰ বাব আছিল, তেখেতে মোৰ পিছতে বহি কিমান স্নেহেৰে যে মোক বিচি দিছিল! মই বহুত কাকুতি-মিনতি কৰি হাক দিও তেখেতক বিৰত কৰিব নোৱাৰিছিলোঁ। তেখেতে চকু দুটি চলচলীয়াকৈ কৈছিল— 'আই, হাক নিদিবা। মোৰ আজি আনন্দৰ পাৰ নাই। সৰুৰেপৰা তোমাক তুলি-তালি ডাঙৰ কৰিছোঁ। আজি মোৰ কিমান গৌৰৱ, তুমি কি বুজিবা?"

"আকৌ পাছত এবাৰ কীৰ্ত্তি ককাক লগ পাই-ছিলোঁ ১৯৫১ চনত। মই কিবা সকামত যোৰহাটলৈ গৈছিলোঁ। মোৰ ভনীৰ ঘৰত দুদিন আছিলোঁ। তেখেতে খবৰ পাই মোক দেখা কৰেহি। গধূলি তেখেতে মোক তেখেতৰ ঘৰলৈ লৈ যায়। তেখে-তৰ আটোম-টোকাৰি সৰু পৰিয়ালটি। ল'ৰা মুক্তি-নাথ, বোৱাৰীয়েক আৰু চাৰি-পাঁচোটি নাতি-নাতি-নীক লৈ তেখেতৰ আদৰ্শ সংসাৰখনি। গোটেই-বোৰকে লৈ তেখেতে সন্ধিয়াৰ স্তোত্ৰ পাঠ, কবিতা আবৃত্তি, গীত, নামঘোষা, বৰগীত আদি মোক শুনালে। তেখেতে তেনেকৈ ঘৰে-ঘৰোৱাকৈ পুৱা-গধূলি ঈশ্বৰ-উপাসনা কৰি ভাল পাইছিল।

"কীৰ্ত্তি ককাই নিজৰ ঘৰখনৰে লেখক-লেখিকাবোৰক লৈ এখন হাতে-লিখা আলোচনী যুগুত কৰিছিল। কোনোজন নাতিয়ে তাত ছবি আঁকিছে; কোনো-বাই কবিতা লিখিছে, কোনোৱে গীত ৰচনা কৰিছে, কোনোৱে বা সাধু। এনেকৈ নিজৰ ল'ৰা, বোৱাৰী, নাতি, নাতিনী আটাইৰে ভিন ভিন প্ৰবন্ধ, কবিতা আদিৰে জকমকাই থকা আলোচনীখন দেখি মই স্তম্ভিত হৈছিলোঁ।

"সদানন্দ ভাবত ভোলানাথ থকাদি আছিল যদিও সাংসাৰিক সুখত কিন্তু কীৰ্ত্তিনাথ ককা সুখী আছিল বুলিব নোৱাৰি। সৰুতে হৈছিল পিতৃহীন; মাজ বয়সত মাতৃ, পাছত সহধৰ্মিণী— সকলোৱে তেখেতক এৰি গ'ল। শেহৰ বুঢ়া বয়সতো তেখেতে আৰু কেইবাটাও আঘাত পায়। মাজু ল'ৰা হৰিনাথ ডাক্তৰি পাছ কৰি পৰ্বতীয়া অঞ্চলত চাকৰি কৰি থাকোঁতে কৰ্মস্থলীতে ৰোগাক্ৰান্ত হয়। দৈৱ-দুৰ্বিপাকত চিকিৎসা-বিভ্ৰাট ঘটিল আৰু হৰিনাথ মৃত্যুৰ মুখত পৰিল।

তাৰ পাছত সৰু ল'ৰাটি নিৰুদ্দেশ হয়। ইফালে ডাঙৰ জোঁৱাই কণীয়া। এনে শোকাবহ পৰিস্থিতিতো তেখেতে শান্তি লভিবলৈ যত্ন কৰিছিল তেখেতৰ পিতৃ-ভক্ত পুত্ৰ মুক্তিনাথ আৰু আদৰ্শ বোৱাৰী বিজয়াৰ মধুৰ সংসাৰখনিৰ হিয়া উবুৰিয়াই দিয়া পৰিচৰ্যাত। তেওঁলোকৰ সেৱা-যত্ন আৰু শ্ৰদ্ধা-ভক্তিয়ে তেখেতৰ জুৰুলা জীৱনৰ শেষৰ দিনকেইটাত শান্তিৰ অমিয়া ঢালিছিল। শেহত পুতেক মুক্তিনাথৰ লগতে গৈ নিজৰ ওপজা ঠাইৰপৰা বহুত দূৰৈত তাহানিৰ ভীষ্মক ৰজাৰ ৰাজ্য শদিয়াত অৱৰ্ণনীয় বানপানী আৰু ভূঁইকঁপত জীয়াতু ভুগি এই মহাপ্ৰাণ লোক জনে ১৯৫২ চনৰ ২৩ ফেব্ৰুৱাৰী তাৰিখে শিৱ-চতুৰ্দশীৰ দিনা চিৰশান্তি লাভ কৰে।"

অসম সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী বিখ্যাত মহিলা কবি নলিনীবালা দেৱীৰ মধুময় বৰ্ণনাত প্ৰকাশ পোৱা এইজনাই আছিল কীৰ্ত্তিনাথ বৰদলৈ, এয়ে আছিল তেওঁৰ গাৰ্হস্থ্য জীৱন-চিত্ৰ। এই মহান ব্যক্তিজনাৰ জীৱন তেওঁৰ গুণী-জ্ঞানী পুত্ৰ মুক্তিনাথ বৰদলৈৰ জীৱনৰ লগত এনেভাৱে জড়িত আছিল যে এজনক বাদ দি আনজনৰ কলা, কৃষ্টি আৰু সাহিত্য-জীৱন আলোচনা কৰা প্ৰায় অসম্ভৱ। পিতা-পুত্ৰ দুয়ো বন্ধুৱৎ আলোচনাৰ মাজেদি গীত-নাটৰ ৰচনা হাতত লৈছিল, আনৰ বা স্বৰচিত গীতত সুৰ দিছিল। তেওঁৰ কৰ্মময় জীৱনৰ কথা সমকালীন লোকৰপৰা পোৱা বৰ্ণনাৰ সহায়ত আৰু যৎকিঞ্চিৎ কোৱাৰ পাছত ভাষা আৰু সংস্কৃতিৰ সেৱালৈ আগ-বঢ়োৱা তেওঁৰ মূল্যৱান অৱিহণাৰ কথা চমুকৈ আলোচনা কৰা যাওক।

সঙ্গীত-প্ৰাণ বৰদলৈদেৱে তেওঁৰ বৰজীয়েকক এদিন কৈছিল—"বাছা, তই মোৰ মৃত্যুৰ সময়ত ৰবি ঠাকুৰৰ 'সম্মুখে শান্তি পাৰাবাৰ' এই গানটো শুনাই দিবি।" কিন্তু মহাকালে তেওঁৰ সেই আশা পূৰ হ'বলৈ নিদিলে। তেওঁৰ মৃত্যুৰ পৰত বৰজীয়েক থাকিল বহুত দূৰত, প্ৰায় এশ মাইল দূৰত।

বৰদলৈ আছিল, গীতাত কোৱাৰ দৰে, এগৰাকী স্থিত-প্ৰজ্ঞ লোক : দুখতো কাতৰ নহয়, সুখেও তেওঁক উতলা কৰিব নোৱাৰে। তেওঁৰ প্ৰাণসম পুত্ৰ হৰিনাথ বৰদলৈৰ বিয়োগ বতৰা হঠাৎ পাই প্ৰথমে তেওঁ মূৰ্চ্ছা গৈছিল। কিন্তু মূৰ্চ্ছা ভগাৰ পাছত চেতনা লভি হাতত গীতাখন লৈ পাঠ কৰাত লাগি গৈছিল। চকুত লো নাই, মুখত ব্যাকুলতাৰ চিন নাই! হৰিনাথৰ ককায়েক মুক্তিনাথ বৰদলৈয়ে ভ্ৰাতৃ-বিয়োগত কাতৰ হৈ কান্দি-কাটি অধৈৰ্য হোৱা দেখি তেওঁ সান্ত্বনা দি কৈছিল— "বাছা নাকান্দিবি, কান্দিলেও আৰু নাপাব, তাকে ভাবি নাকান্দিবি।" মুক্তিনাথে কান্দি কান্দিয়ে উত্তৰ দিছিল – "দেউতা, আপোনাৰ দৰে মই স্থিতপ্ৰজ্ঞ হ'ম কেনেকৈ? মই নোৱাৰোঁ। মই তেজ-মঙহৰ সাধাৰণ মানুহ।"

শেষ বাৰৰ কাৰণে বৰজী, বৰজোঁৱাইৰ ঘৰ এৰি বৰ-পুত্ৰ মুক্তিনাথ বৰদলৈৰ লগত শদিয়ালৈ যাবলৈ ওলোৱাত জীয়েকে যেতিয়া থাকিবলৈ ধৰিছিল— তেতিয়া তেওঁ কৈছিল : "আই, মোক বাধা নিদিবি। যোৱাটো মোৰ কৰ্তব্য। আজি তাৰ মাক নাই। মাক থকাহেঁতেন জানো তেওঁ তাক এনে এখন ঠাইলৈ পঠালেহেঁতেন? ময়ে এতিয়া তাৰ মাক-বাপেক দুয়োৰো কাম কৰিব লাগিব।"

বোৱাৰীয়েক বিজয়াক তেওঁ শাহুৱেকৰ মৰমখিনিও দিবলৈ যত্ন কৰিছিল। তেখেতৰ বৰজীয়েকে এই বিষয়ে কয় : "বুকুৰ দেউতাই নবৌক শাহুৰ ভাগৰ মৰম-চেনেহ আৰু তত্ত্বাৱধানখিনিও দিবলৈ পাহৰা নাছিল। ঘৰৰ সকলোকে খুৱাই বুৱাই নবৌয়ে



কিজানি নিজৰ খোৱাৰলৈ আওকাণ কৰে, সেই ভাবি ল'ৰা-ছোৱালী সকলোকে খুৱাই উঠিলে বুকুৰ দেউতাই কয় : 'মা ঔ, তোলৈ আৰু মোলৈও ভাত বাঢ় গৈ যা।' এই বুলি পিতা-পুত্ৰীৰ দৰে দুয়ো খায়।" ××

সৰুৰেপৰা বৰদলৈ বাঁহী বজোৱাত পাকৈত আছিল। সৰু কালতে এবাৰ বৰজীয়েকৰ সন্নিপাত জ্বৰ হৈছিল। জ্বৰতো তেওঁ হেনো দেউতাকৰ বাঁহী বজোৱা শুনিবলৈ বাউচি কাঢ়িছিল। জীয়েকৰ ভীৰ-কঁপে জ্বৰ উঠিছে, পৰিয়ালৰ সকলো আলপৈচান ধৰাত ব্যস্ত, তেনে অৱস্থাত দেউতাকে বাঁহী বজায় কেনেকৈ? তথাপি এবাৰ নোৱাৰি তেওঁ বাঁহী বজাইছিল আৰু বেমাৰীও তাকে শুনি নিৰলে টোপনি গৈছিল।

বৰদলৈ ডাঙৰীয়াৰ সঙ্গীত যেনে প্ৰিয় আছিল, চিকাৰো আছিল সমানে প্ৰিয়। পিছে তেওঁ চৰাই-চিকাৰতহে পাৰ্গত আছিল; বাঘ, হাতী বা অন্য জন্তু-চিকাৰত নহয়। তেওঁৰ পত্নীয়ে কিন্তু জীৱ-হত্যা সমূলি ভাল নাপাইছিল। সঙ্গীতজ্ঞ এজন হৈ নিষ্ঠুৰ চিকাৰীৰ বন্দুক হাতত লোৱা বাবে পত্নীয়ে তেওঁক মিঠা-মুখৰ ককৰ্থনাও মাজে-সময়ে নকৰাকৈ নাছিল।

সৰু কালত কীৰ্ত্তিনাথে দুষ্ট ল'ৰা হিচাপেও সাহস আৰু বুদ্ধিৰ চিনাকি নিদিয়াকৈ নাছিল। এবাৰ বিয়া-যাত্ৰীক আগচিবলৈ গৈ হেঙাৰ বান্ধি ৰাখিব নোৱাৰি ছিটিকি পৰি কঁকালত আঘাত পাইছিল, আৰু কেইবাদিনলৈ লুকাই লুকাই কঁকাল বেঁকাকৈ ফুৰিবলগীয়া হৈছিল। চাকৰিও তেওঁ এটা এটাকৈ বহু কেইটাকে কৰিছিল; কিন্তু কোনোটোতে লাগি নাথাকিল। কেৰাণী, আবকাৰী ডাৰোগা, শিক্ষক, আৰু শেষত চৰকাৰৰ প্ৰচাৰ বিভাগৰ কৰ্মচাৰী হৈ জীৱন-নাটত বিবিধ ভাও লৈছিল।

সঙ্গীত আৰু শিক্ষকতা বৰদলৈ ডাঙৰীয়াৰ প্ৰিয় বৃত্তি আছিল। বৰজীয়েকে সেই বিষয়ে লিখিছে— "গোলাঘাটত আমি চাৰিটা সন্তানহে আছিলোঁ— বাকী কেইটা ঢুকাইছিল— বৰদাদা, জ্ঞানদাদা, ভনী-কণ আৰু মই। আমাৰ চাৰিওজনকে গধূলি মেজৰ চাৰিওকাষে লৈ তেওঁ পঢ়ুৱাইছিল। আমাৰ চাৰি-টিৰ কাৰণে বুকুৰ দেউতাই সান্ধ্য-ভ্ৰমণ গধূলি ছয় বজাতে সামৰে; শনিবাৰে গধূলি সাধু কয়, দেওবাৰে গান-বাজনা। আমাৰ সপ্তাহটো গৈ কাহানি শনি-বাৰ-দেওবাৰ হয়, তাকেহে আমি সদায় আঙুলিৰ মূৰত গণি আছিলোঁহক। ×× আমাৰ সকলো-টিকে গোলাঘাটৰ গীৰ্জা আৰু যোৰহাটৰ গীৰ্জালৈ মাজে-সময়ে নিছিল। আমাক গীৰ্জালৈ নিয়াৰ উদ্দেশ্য আছিল— গীৰ্জাৰ নিয়ম-শৃঙ্খলাবোৰ তেওঁ বৰ ভাল পাইছিল, আৰু আমাক সেইবোৰ শিকি-বলৈ কৈছিল। গীৰ্জালৈ বৰকৈ অহা-যোৱা কৰা দেখি এটা মিছনেৰী চাহাবে ভাবিছিল, দেউতাই কিজানি খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰেই বা! চাহাবে এদিন দেউতাক সেই বিষয়ে ভয়ে ভয়ে সোধা-পোচাও কৰিছিল। 'হিন্দু ধৰ্মতে মই খ্ৰীষ্ট ধৰ্মও পাইছোঁ দেখোন' বুলি পিতাই উত্তৰ দিছিল।"

কীৰ্ত্তিনাথ অকল সঙ্গীতজ্ঞ আৰু নাট্যকাৰেই নাছিল, এজন কৃতী অভিনেতাও আছিল। 'ভ্ৰমৰঙ্গ' নাটকত (comedy of Errors-ত) তেওঁ হৈছিল কামপুৰীয়া কলিমন, অন্য এখনত ভিক্ষাৰী। তেওঁ আকস্মিকতা বা প্ৰত্যুৎপন্নমতিত্ব প্ৰদৰ্শন কৰিবলগীয়া অভিনয়বোৰত দক্ষতা দৰ্শাব পাৰিছিল। তাৰপৰাই তেওঁৰ তাৎ-কালিক বুদ্ধি-বৃত্তি সম্পৰ্কে অনুমান কৰা যায়।

সঙ্গীতত তেওঁৰ নমস্য গুৰু আছিল ৺লক্ষীৰাম বৰুৱা।

বৰুৱাৰ ফটো এখন তেওঁ যতনেৰে ৰাখি তাহানিৰ ভক্ত একলব্যৰ দৰে ভক্তিভৰে তাৰ আগত ধূপ-ধূনা দিছিল। তেওঁ পৰম মাতৃভক্ত আছিল। ক'ৰবালৈ যাবলৈ হ'লে তেওঁ মাতৃ ঠাকুৰণীৰ চৰণ-ধূলি শিৰত নোলোৱাকৈ নোলাইছিল। নামঘৰলৈ গৈ তেওঁ খোল-মৃদঙ্গৰ বোলবোৰৰ সম্পৰ্কে চৰ্চা কৰিছিল। ইফালে জ্যোতিষ বিদ্যাতো কম নাছিল। তেওঁ নিজৰ সোঁৱৰণী নিজে ৰচনা কৰাৰ বাহিৰেও নিজৰ নিজৰ ল'ৰা-ছোৱালীবোৰৰ জন্ম-পত্ৰিকা কৰি দিছিল। তেওঁ নিজৰ বিষয়ে গণনা কৰি লিখি থৈছিল—"১৯০২ চনত ফেব্ৰুৱাৰীত মোৰ ৰাহুৰ মাৰক দশা। যদি সেই মাহ বাচোঁ, তেনেহ'লে ১৯০৪ চনলৈ বাচিম, আৰু ৰক্তচাপতে মোৰ মৃত্যু দেখা যায়।"

প্ৰাচীন গৌৰৱ আৰু পুৰণি বস্তুৰ প্ৰতি বৰদলৈদেৱৰ অসীম শ্ৰদ্ধা আছিল। তেওঁ 'কামৰূপীয় সঙ্গীত' নামৰ পুথিত কৈছে— "এনেকৈয়ে বোঁৱা চাংত জাহ যাবলগীয়া হোৱাত 'শ্ৰীহস্তমুক্তাৱলী' নামৰ অসমীয়া গদ্য ভাঙনি সমন্বিত প্ৰাচীন কামৰূপীয় নৃত্য-বিদ্যাৰ এখনি অনুপম সংস্কৃত গ্ৰন্থ স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীদেৱে কাৰবাৰ বোঁৱা চাঙৰপৰা উদ্ধাৰ কৰি নি কামৰূপ অনুসন্ধান সমিতিৰ পুথি-ভঁৰালত তন্ত্ৰপুথিৰ তালিকাভুক্ত কৰি থৈছিল। ১৯৩০ চনৰ জানুৱাৰী মাহত মই কোনো কাৰ্য উপলক্ষে গুৱা-হাটীলৈ যাওঁতে অনুসন্ধান সমিতিৰ পুথি-ভঁৰাল চাওঁগৈ। তনা পুথি-কিতাপ চাই থাকোঁতে এই পুথিখনি মোৰ চকুত পৰে। দুই-এটা পাত পঢ়ি সেই পুথিৰ বিষয়-বস্তুটো বুজি সমিতিৰ সম্পাদকৰ সৌজন্যত দুই-তিনি দিনলৈ সেই পুথিখনি মোৰ ঘৰলৈ নি আগৰপৰা গুৰিলৈ পঢ়ি ইয়াৰ এটা ভূমিকা আৰু চানেকী লিখি অসম প্ৰত্নতত্ত্ব আৰু বুৰঞ্জী বিভাগৰ সেই সময়ৰ ডাইৰেক্টৰ অধ্যাপক ৰায়বাহাদুৰ সূৰ্যকুমাৰ ভূঞাদেৱৰ হাতত দি থৈ আহোঁ। তাৰ ভালেমান দিনৰ মূৰত অৰ্থাৎ ১৯৩৬ চনৰ ১ ডিচেম্বৰ তাৰিখৰ মোৰ সম্পাদিত আৰু প্ৰকাশিত ত্ৰৈ-সাপ্তাহিক 'অসম'ত ৰায়বাহাদুৰ ভূঞা-দেৱে উক্ত চিনাকিটো প্ৰকাশ কৰে।" এই পুথি-ইতিমধ্যে ড° মহেশ্বৰ নেওগৰ সম্পাদনাত প্ৰকাশ হৈছে।

সাংবাদিকতাৰ ক্ষেত্ৰতো কীৰ্তিনাথ বৰদলৈ এগৰাকী অগ্ৰগণ্য সাংবাদিক আছিল। যোৰহাটত থকা কালত তেওঁ 'বাতৰি', সাদিনীয়া বাতৰি কাকত 'অসম', 'অসম বাইজ' আদিত সম্পাদক হিচাপে কিছু কাল খাটিছিল।

চৰকাৰৰ ঘৰৰ 'পাব্লিছিটি অৰ্গেনাইজাৰ' আৰু সৰহ শস্য উৎপাদনৰ বিষয়া (Grow More Food Officer) হিচাপে তেওঁ দুবাৰ দুটা পদবীত দায়িত্ব গ্ৰহণ কৰি চৰকাৰৰ প্ৰচাৰ বিভাগটোত নতুন গীত-মাতৰ প্ৰাধান্য দি তাৰ প্ৰতি সকলোৰে আগ্ৰহ আৰু সহা-নুভূতি সৃষ্টি কৰিছিল। তেওঁ এই কামত থাকোঁতে 'জাগৰণী' বুলি কিতাপ এখন উলিয়াইছিল আৰু তাত প্ৰায় চাৰি শ মান গীত আছিল। সেইবোৰৰ আধা সংখ্যকমান বাণীবদ্ধও হৈছিল। এবাৰ তেওঁ সঙ্গীতৰ এটা মজলিছত অংশ গ্ৰহণ কৰিছিল। তাত হিন্দুস্থানী মণিপুৰী আদি কেইবা ঠাইৰ কেইবাজনো বিখ্যাত ওস্তাদ আছিল। মজলিছ কেইবা দিনো চলিছিল। সেই সময়ত তেওঁ কণ্ঠেৰে গান গাব নোৱাৰে। তেওঁৰ লগত তেওঁৰ গুণধৰ পুত্ৰ মুক্তি বৰদলৈও আছিল। অইন অইন ঠাইৰ ওস্তাদসকলে নিজ নিজ ঠাইৰ গৌৰৱ ব্যাখ্যা কৰি গীত-বাদ্য পৰিবেশন কৰা দেখি তেওঁৰ মনেও উচ্ পিচাই আছিল। শেষত নিজে নোৱাৰি তেওঁ পুত্ৰেক মুক্তিনাথ বৰদলৈৰ হতুৱাই কুকুৰাৰ নাওখেলাৰ ভাটিয়ালী— 'ঢৌ দেখি হালি পৰে গা— এহে গোপীনাথ কামৰ হুপাই দিয়া নাও' গীতটো গোৱাই শুনালে। ওস্তাদসকলে গীত শুনি স্তব্ধ হৈ অসমতো যে এনে সুন্দৰ ভাটিয়ালী আছে, তাকে কৈ ভূৰি প্ৰশংসা কৰিছিল।



বৰদলৈদেৱৰ মৃত্যুত যোৰহাটৰ চক্ৰধৰ মহন্তই লিখি-ছিল: "বৰদলৈ আছিল এজন প্ৰাচীন মতাৱলম্বী সঙ্গীতজ্ঞ। প্ৰাচীন শাস্ত্ৰীয় মতৰ লৰচৰ আৰু ৰাগ-ৰাগিণীত আধুনিকতাৰ চেকা দেখিলে তেওঁ সমূলি সহ্য কৰিব নোৱাৰিছিল। ×× বৰদলৈদেৱ আদিতে স্কুলৰ শিক্ষক, তাৰ পাছত আবকাৰী বিভাগৰ বিষয়া আৰু ভাটী বয়সত বাতৰি কাকতৰ সম্পাদক বুলি তেখেতে আমাক পৰিচয় দিছিল। তেখেতে যি ব্যৱসায় বা চাকৰিতে জীৱনৰ উপজীৱ্য বিচাৰিছিল, তাতে তেখেত যে এজন সুৰুচিসম্পন্ন সাহিত্যিক, সুকুমাৰ কলা-সাধক আৰু সমাজ-হিতৈষী লোক আছিল, তাক সকলোৱে উপলব্ধি কৰিছিল।"

কীৰ্তিনাথ বৰদলৈৰ কৰ্মবহুল জীৱনৰ লতাজুপিয়ে গোৱালপাৰাৰপৰা সদিয়ালৈকে সমগ্ৰ অসমত হেডালি বগাইছে যদিও তাৰ গুৰি শিপা আছিল মঙ্গলদৈ অঞ্চলৰ দৰঙী কলা-কৃষ্টিত, আৰু তাৰে জীপ লৈহে তেওঁ সৃষ্টি কৰা সকলো গীত-মাতে থন ধৰি উঠিছিল। সেয়েহে তেওঁৰ সঙ্গীতত পোৱা যায় ঘাইকৈ দুৰ্গাবৰী, সুকনান্নী, বিয়াহ, বিয়াগীত আদিৰ সুৰ-সমন্বয়। তাকেই তেওঁ কামৰূপী বা পুৰণি অসমৰ স্বকীয় সঙ্গীতৰ স্বৰূপ বুলি ব্যাখ্যা দিছিল। তেওঁৰ কৰ্ম-জীৱনৰো শুভাৰম্ভ মঙ্গলদৈতে বুলিব পাৰি। বেণুধৰ ৰাজখোৱাদেৱে তাহানি মঙ্গলদৈত হাকিম কাম কৰোঁতে তেওঁৰ নিজৰ ঘৰতে আৰম্ভ কৰি দিয়া 'মঙ্গলদৈ মজলিছ' নামৰ আলোচনা চক্ৰখনৰো গুৰি ধৰিছিল বৰদলৈ ডাঙৰীয়াই। 'মোৰ জীৱন দাপোন' বোলা পুথিত বেণুধৰ ৰাজখোৱা ডাঙৰীয়াই লিখিছে: "মঙ্গলদৈ মজলিছ নামেৰে মই এখন সভা স্থাপন কৰিছিলোঁ। সেই সভা সাদিনে সাদিনে বহিছিল। তাত নানা প্ৰকাৰে দেশহিতকৰ বিষয়ে আলোচনা হৈছিল। মই স্থায়ী সভাপতি আছিলোঁ। ×× মঙ্গলদৈ মজলিছৰ গুৰিত পানী যোগাওঁতা আছিল মোৰ পৰম বন্ধু শ্ৰীযুত কীৰ্তিনাথ শৰ্মা বৰদলৈ। তেতিয়া তেওঁ কাচাৰীত ইংৰাজী অফিচত দ্বিতীয় কেৰাণী আছিল। বৰদলৈ এজন পাৰদৰ্শী সঙ্গীতজ্ঞ বুলি প্ৰসিদ্ধ। তেওঁৰ অসামান্য সঙ্গীতৰ ধ্বনিয়ে বহু মানুহৰ মন আকৰ্ষণ কৰিছিল। যেই সেই অনুষ্ঠানৰ গুৰিতে সঙ্গীতৰ সাহায্য নহ'লে ফল লাভ দুৰূহ। ×× প্ৰেমৰ পৰকাষ্ঠা হয় সঙ্গীতত, ভক্তিৰ প্ৰসাৰ হয় সঙ্গীতত, বহুৱালি মূৰ্তিমন্ত হয় সঙ্গীতত, আনকি ৰণচণ্ডী উন্মত্ত হয় সঙ্গীতত। 'মজলিছ'ৰ জন্ম তাৰিখ ১৯০৬ চনৰ ২৪ অক্টোবৰ। পোনতে বজ্ৰত বৰুৱা তাৰ সম্পাদক আৰু শ্ৰীকীৰ্তিনাথ বৰদলৈ সহকাৰী সম্পাদক আছিল।" কীৰ্তিনাথ বৰদলৈয়ে তাৰ বৈঠকবোৰত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ বাহিৰেও প্ৰথম বছৰৰ দুখন বৈঠকত নিজে দুটা বিষয়ৰ আলো-চনা মুকলি কৰিছিল: যেনে ১। অসমৰ দৰিদ্ৰতা আৰু নিৰক্ষৰতা নিবাৰণৰ উপায় আৰু ২। পূৰ্ণানন্দ বুঢ়াগোহাঁই।

প্ৰখ্যাত প্ৰকাশক আৰু সাহিত্যিক হৰিনাৰায়ণ দত্ত-বৰুৱাই সুৰলিপি সম্বলিত বৰদলৈৰ নাটিকা 'মেঘা-ৱলী' ছপাবলৈ লৈ প্ৰকাশকৰ নিবেদনত কৈছিল: "যি সময়ত অসমীয়া ভাষাত গীত ৰচা আৰু গোৱা অসম্ভৱ বুলি ভবা হৈছিল, সেই সময়ৰ ১৯০৬ চনতে সঙ্গীতাচাৰ্য বৰদলৈদেৱে বেণুধৰ ৰাজখোৱা, পদ্মধৰ চলিহা আদি গীতিকাৰসকলৰ গীতত সুৰ সংযোজনা কৰি অভিনয়, সঙ্গীত, বৈঠক আদিৰ যোগেৰে অসম অসমীয়া গীতেৰে ওপচাই পেলাইছিল। বৰ্তমান শতিকাৰ আগ ভাগত গোৱালপাৰাত অসমীয়া গীত আৰু অভিনয়ৰ প্ৰচাৰ আৰু জনপ্ৰিয়তা কীৰ্তি

বৰদলৈৰ কীৰ্তি ।"

মঙ্গলদৈত কীৰ্তিনাথ বৰদলৈ ডাঙৰীয়া কুৰি শতিকাৰ প্ৰথম দশকতে ভালে কিবছৰ আছিল । তেওঁ কিছু কাল মঙ্গলদৈ হাইস্কুলত শিক্ষকতা কৰিছিল, কিছু কাল কৰিছিল কাচাৰীত ইংৰাজী অফিচৰ কেৰাণী কাম । ১৯০৪ চন মানৰ কথা । মঙ্গলদৈৰ প্ৰথিত-যশা উকিল আৰু সাহিত্যিক শ্ৰীযুত ভূপেশ্বৰ শৰ্মা-দেৱে সেই বছৰ মঙ্গলদৈ হাইস্কুলত নাম লগায় । তেওঁ 'মোৰ জীৱনৰ দুই-চাৰিটা কথা' বোলা প্ৰবন্ধত লিখিছে— "হাইস্কুলত নাম লিখোৱা সময়ত মই তেনেই অজলা আছিলোঁ ।×× অলপ দিনৰ পাছতে শুনিলোঁ— কুকুৰাৰ কীৰ্তিনাথ বৰদলৈ আমাৰ মাষ্টৰ হৈ আহিব । তেখেতে হেনো গুৱাহাটীত থাকি এণ্ট্ৰেন্স পাছ কৰিছিল । সেই দিনত এণ্ট্ৰেন্স পাছ হোৱা ল'ৰাবিলাকৰ নাম মানুহৰ মুখে মুখে প্ৰচাৰ হৈছিল । অলপ দিন পাছতে কীৰ্তিনাথ বৰদলৈ আমাৰ মাষ্টৰ হৈ আহি তেখেতৰ বৰ দেউতাকৰ পুতেক বংশীধৰ বৰদলৈৰ ঘৰত থাকিল । গা-পাতল শুৱনি মাষ্টৰজনক দেখি ছাত্ৰসকলৰ মনত বৰ আনন্দ হৈছিল । তেখেতে ওচৰে-পাজৰে থকা ল'ৰাবিলাকক মাত্তি-বুলি মৰম কৰিছিল । অলপ দিনৰ ভিতৰতে তেখেত মঙ্গলদৈৰ সমাজখনৰ বৰ প্ৰিয়পাত্ৰ হৈ উঠিছিল ।

"অভি, বসুন্ধৰ, মই আৰু কেইজনমান একেলগে গোলোক ভূঞাৰ (স্কুল বিভাগৰ ডেপুটি ইন্সপেক্টৰ) ঘৰতে আছোঁ । তেখেতে বদলি হৈ ঘৰটো এৰি গৈছে । কীৰ্তি বৰদলৈয়ে বংশী বৰদলৈৰ ঘৰতে থাকি আমাৰ খবৰ-বাতৰি লৈ থাকে । বংশী বৰদলৈৰ ঘৰত পানাবাৰ নবীনো থাকে । অভি আৰু বসুন্ধৰ মোতকৈ ডাঙৰ, নবীন তেওঁলোকতকৈ ডাঙৰ । এদিন নবীনে কলে, 'আমাৰ মাষ্টৰে (অৰ্থাৎ কীৰ্তি বৰদলৈয়ে) ৰাতি বাৰ বজালৈ পঢ়ি থাকে । বাৰ বজাৰ আগতে কিতাপ নজপায় ।' বসুন্ধৰ-অভিহঁতে কলে : 'হঁস্ বাৰ বজাৰ আগতে কিতাপ নজপায় ? মিছা ! লেমটো জ্বলাই থৈ টোপনি গৈ থাকে হ'ব পায় ।' এই কথাটি লৈ দুয়ো পক্ষৰ তৰ্কাতৰ্কি হ'ল । তৰ্কৰ পাছত বাজি ৰখা হ'ল : টকা-পইচাৰ বাজি নহয়, মুখৰ বাজি । বসুন্ধৰ—অভিয়ে কলে,— 'আজি ৰাতি এই নাৰিকল গছজোপাত উঠি নাৰিকল পাৰিম বাৰ বজাত । মাষ্টৰে যদি পঢ়ি থাকে, নিশ্চয় গছত উঠাটো গম পাব ।' নবীনে কলে— 'নাৰিকল পাৰিবা ? মৰিবা !' এনেকৈ দুয়ো দলে বাজি মাৰিলে । মই ভেৱা লাগি কথাবোৰ শুনিলোঁ । মনতে ভাবিলোঁ— খেমালিখন যেনেতেনে চাবই লাগিব ।

"ভাত-পানী খাই উঠি দুবৈত দহোটা ঘণ্টাৰ কোৰ পৰা শুনিলোঁ । তেওঁলোক তিনিজনে বহি জোপ লৈ মাষ্টৰ থকা ঘৰটোলৈ চাই আছে । ভিতৰত হাৰিকেন লেম জ্বলি আছে । ক্ৰমে ক্ৰমে এঘাৰ পাৰ হৈ বাৰ বাজিল । কেই মিনিটমান পাছতে লেমটো নুমাল । এন্ধাৰ ৰাতি ক্ৰমে ক্ৰমে নিস্তব্ধ হৈ উঠিল । অভিৰ হাতত এডাল দীঘল ৰছী দেখিলোঁ । তাৰে এটা মূৰ ভৰিত ছান্দনীৰ দৰে মেৰিয়ালে আৰু আনটো মূৰ গাত পেলাই ললে । এখন কটাৰী কঁকালত খুচি ললে । মাষ্টৰৰ শোৱা বিচনা আছিল সমুখৰ ঘৰটোত । ঘৰটোৰপৰা দহ-বাৰ হাত মান দূৰৈত নাৰিকলজোপা । অভি লাহে লাহে গছজোপাত উঠি গ'ল । বসুন্ধৰ গছৰ ওচৰতে বৈ আছে । নবীন অলপ দূৰৈত । মই চৰকাৰী আলিটোত থিয় হৈ ঘৰটোৰ দুৱাৰখনলৈ চাই আছোঁ । মই আহিছোঁ চাবলৈ, তথাপি কিবা এটা ভয় লাগিছে । অভিয়ে থোকৰপৰা এটা নাৰিকল কাটিলে, কিন্তু



ওপৰতে ধৰি ৰাখিব নোৱাৰিলে । নাৰিকলটো টান মাটিত পৰি এটা শব্দ কৰি জপিয়াই অঁতৰি গ'ল । বসুন্ধৰে নাৰিকল বিচাৰিছে । অভিয়ে বেগাই চুচৰি নামি আহি নাৰিকলটো কেনি গ'ল চাইছে । নবীনে মোৰ ওচৰলৈ আহি ভয়ত কিবা বেংবেঙা-ইছে । মই নিৰ্ভয় মনেৰে আলিত থিয় হৈ একে ঠাইতে আছোঁ । এনেতে ঘৰটোৰ দুৱাৰখন অকণ-মান মেল খালে আৰু একেঁকালমান ওখ কিবা এটা বগা বস্তু অলপ ৰৈ ৰৈ যেন ওলাই আহিল । মাষ্টৰে এখন বগা চুৰিয়া পিন্ধি আছিল আৰু দুৱাৰখন মেলি বাহিৰলৈ চাই আছিল । নিমিষৰ ভিতৰতে মাষ্টৰে হাতত এডাল প্ৰকাণ্ড ফলীয়া টোকোন লৈ দুয়োজনৰ মূৰ লক্ষ্য কৰি খেদি আহি ওচৰ চাপিল । মই চিঞৰ মাৰি দিলোঁ— 'ছাৰ, নামাৰিব, আমিহে । আমি ছাৰ, নামাৰিব ।' মোৰ চিঞৰ শুনি মাষ্টৰ থমক খাই ৰ'ল । সুধিলে, '—হু ! কোন তইত ?' মই একে উশাহে কথাখিনি কৈ দিলোঁ । নবীন, বসুন্ধৰ আৰু অভিৰ মাজত যিবিলাক কথা হৈছিল, সকলোখিনি কৈ দিলোঁ । মোৰ কথা শুনি মাষ্টৰে ক'লে... 'মই ভাবিলোঁ বজাৰৰ কাবোবাৰ ল'ৰাই আহি চুৰ কৰি নাৰিকল পাৰিছে হ'বলা । কি নবীন, ইমান ডাঙৰ ল'ৰাটো, তোমাৰ লাজ নাইনে ? বসুন, অভি, মই ৰাতিপুৱাই তইতক থানাত পটাই দিম । এতিয়া যা ।' ...ইয়াৰ পাছত মই একে লৰে গৈ বিচনাত উঠিলোঁ ।

"মাষ্টৰে পাছ দিনা এই ঘটনাৰ বগৰৰ ভাগ স্কুলৰ সকলো শিক্ষকক দিলে । + +

"কেইমাহমান পাছৰ আৰু এদিনৰ কথা । সেই কালত মঙ্গলদৈ চহৰখন আছিল নিচেই সৰু । তাতে হাবি-জঙ্গলে ভৰা । বেগা নৈৰ পূব পাৰৰ ঠাই ডোখৰ আছিল ভয় লগা । কেতিয়াবা গধূলিতে বাঘ ওলাইছিল । এদিন তেনেকৈ আলি বাটত বাঘ ওলোৱা বুলি মানুহে চিঞৰ-বাখৰ লগালে । মই সোনকালে ভাত খাই শুই থাকিলোঁ । পাছত বোলে এবাৰ বাৰমান বজাত বেছি চিঞৰ-বাখৰ হৈছিল । ঘৰে ঘৰে মানুহে টিং বজাইছিল । পাছ দিনা দিনৰ ডেৰ বাজিছে, আমি স্কুলৰ জিৰণী সময়ত পানী খাবলৈ ঘৰলৈ আহিছোঁ । এনেতে দেখিলোঁ পুলিচৰ চিপাহী আহি মানুহ বিচাৰি ফুৰিছে । ৰাতি টিং বজাই গণ্ডগোল কৰা মানুহবিলাকক ক্ৰিফ'ৰ্ড চাহাবে কাচাৰীলৈ মাতিছে ।

"তেতিয়া লক্ষ্মীনাথ শৰ্মা মঙ্গলদৈত স্কুলসমূহৰ ডি, আই । চিপাহীয়ে তেওঁৰ চাপৰাচীটোক লগত ললে । মোক দেখি মোকো মাতি ললে । আৰু কাক কাক লৈছিল মনত নাই । গৈ গৈ স্কুলৰ ওচৰ পাই কি কৰোঁ অলপ থিয় হৈ ভাবিছোঁ, এনেতে আমাৰ মাষ্টৰ কীৰ্তি বৰদলৈক স্কুলৰ বাৰান্দাত দেখিলোঁ । তেখেতে মোক দেখি বেগাই মোৰ ওচৰলৈ আহি সুধিলে... 'কি হৈছে অ' ?' মই কলোঁ 'ছাৰ, কোনোবাই বোলে ৰাতি টিং বজাইছিল । সেই কাৰণে মই বোলে চাহাবৰ ওচৰলৈ যাব লাগে ।' তেখেতে মোক লৈ হেড্‌মাষ্টৰৰ ওচৰলৈ গৈ কলে, 'এই ল'ৰাটি মোৰ লগত থাকে । ৰাতি বাঘ ওলোৱা দেখি মানুহে টিং বজাইছিল । এতিয়া চিপাহীয়ে ইয়াক এছ, ডি, ও-ৰ ওচৰলৈ নিবলৈ আহিছে ।' যোগেন দত্তৰ পাছত বীৰেন মজুমদাৰ হেড্‌মাষ্টৰ হৈ আহিছিল । তেখেতে কথাটো শুনা মাত্ৰে কিবা কেইতবোৰ লিখি চাপৰাচীৰ হাতত পঠাই দিলে । মোক কলে, : 'যাব নালাগে, ক্লাছলৈ যোৱা ।' পাছত শুনিলোঁ— লক্ষ্মীনাথ শৰ্মাই চাহা-বৰ ওচৰলৈ গৈ তেওঁৰ চাপ্‌ৰাচীটোক নিয়া বাবে কিবা-কিবি ভালকৈ শুনাই দি চাপ্‌ৰাচীটো

মোকোলাই আনিলে। কথাটো ইমানতে শেষ হ'ল। বাঘৰ উৎপাত কিন্তু চলি থাকিল। টিং কোনোৱাও বন্ধ নহ'ল।"

এইদৰে কীৰ্তিনাথ বৰদলৈ যেতিয়া য'তে আছিল, তাতেই একোটা আলোড়নৰ সৃষ্টি হৈছিল। সাহিত্যত পোনপটীয়াকৈ নহ'লেও সাংবাদিকতাৰ জৰিয়তে কামৰূপী গীত-মাত উদ্ধাৰ আৰু সংৰক্ষণৰ বাবে তেওঁ নিজৰ মত প্ৰচাৰ কৰি দেশপ্ৰেমৰ পৰিচয় দিছিল। তেওঁৰ ৰচিত আৰু প্ৰকাশিত পুথি আঠখন; যেনে, 'সুৰ-সংগ্ৰহ', 'অসমীয়া সুৰ পৰিচয়', 'জাগৰণী', 'কামৰূপীয় সঙ্গীত', 'বাসন্তীৰ অভিষেক', 'লুইত-কোঁৱৰ', 'সুৰ-বিজয়' আৰু 'মেঘাৱলী'। ইয়াৰ প্ৰথম তিনিখন দুষ্প্ৰাপ্য হৈ পৰিছে। অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনত তেওঁ সঙ্গীত শাখাৰ সভাপতিত্ব কৰিছিল। তেওঁৰ অভিভাষণত প্ৰকাশ পোৱা চিন্তাৰ মৌলিকত্ব সকলোৱে স্বীকাৰ কৰিছিল। পুথি কেইখন থাউকতে পোৱাৰ ব্যৱস্থা কৰা সমীচীন হ'ব।

'কামৰূপীয় সঙ্গীত' বোলা পুথিখন ১৯৩৭ চনৰ ডিচেম্বৰত প্ৰকাশ হৈছিল। ইয়াত উপস্থাপন কৰা বহুত তত্ত্ব আৰু তথ্যই সেই সময়ৰ চিন্তা-জগতত যথেষ্টকৈয়ে ঢৌ তুলিছিল। তেওঁৰ মূল বক্তব্য আছিল এই যে নানা সঙ্গীত শাস্ত্ৰত উল্লেখিত গন্ধৰ্ব-কিন্নৰ যক্ষ-বিদ্যাধৰ অধ্যুষিত দেশখন আছিল পুৰণি কামৰূপ ৰাজ্য, আৰু সেই ৰাজ্যত যি নৃত্য-গীতৰ প্ৰচলন আছিল, সি প্ৰাক্-আৰ্য সঙ্গীত। সেই কলাবিদ্যা "ভাব-ভাষা, ঠাট-লয়, মীড়-মূৰ্চনা, বাঁট-গমক আদি সকলো বিষয়তে স্বয়ংসম্পূৰ্ণ আছিল।" শ্যাম, আনাম, ব্ৰহ্ম, যবদ্বীপ আদি প্ৰাচ্য দেশসমূহত ইয়াৰ প্ৰচলন আছিল। তেওঁ এই ঠাইবোৰৰ প্ৰাচীন গীত-মাতত এই সমন্বয়ৰ সূত্ৰ বিচাৰি পাইছিল। তেওঁ এঠাইত কৈছে : "শ্যাম, আনাম, ব্ৰহ্ম, যবদ্বীপ আদি প্ৰাচ্যৰ সভ্য দেশসমূহত প্ৰচলিত নিজস্ব ৰাগ-সুৰৰ ঠাটৰ লগত কামৰূপৰ বিয়াহৰ ৰাগ, সুকনান্নীৰ বাণ্য আৰু 'বাৰেমহীয়া' গীতৰ সুৰৰ বহুখিনি সাদৃশ্য আছে। ++ বৰ্তমান কামৰূপ আৰু দৰং জিলাত যি ব-ঢোল আৰু মুখা-পিন্ধা নৃত্য চলি আছে, ঠিক তেনেকুৱা ঢোল আৰু মুখা-পিন্ধা নৃত্য যাভা আৰু বালী দ্বীপত এতিয়াও প্ৰচলিত। যি কামৰূপী পুতলা নাচৰ প্ৰচলন সনাতন কালৰপৰাই কামৰূপত আছিল, ঠিক তেনেকুৱা পুতলা নাচ এতিয়াও যাভা দ্বীপত চলি আছে।"

বৰদলৈদেৱৰ মতে এসময়ত আৰ্য সঙ্গীতে আমাৰ দেশ ঢৌৱাই নিছিল যদিও তাৰ কিছুমান দুৰ্লিত আমাৰ প্ৰাচীন কামৰূপীয় সঙ্গীতৰ স্বৰূপ থাকি গ'ল। সেয়েহে আমাৰ নিজস্ব ৰাগ-ৰাগিণীৰ সৰহখিনিয়েই বিয়াহ, সুকনান্নী, দুৰ্গাবৰী, বাৰমাহীত (যেনে, ৰাম বাৰমাহী, সীতা বাৰমাহী, শান্তি বাৰমাহী ইত্যাদিত) ৰৈ আছে।

তেওঁ আৰু কয় যে বড়ো সুৰভাণ্ডই পুৰণি কামৰূপী গীত-মাতৰ প্ৰাচীনতম উৎস; বড়ো ব্ৰাগিংই ব্ৰাগিংনীয়েই আমাৰ বুঢ়া গোঁসাই-বুঢ়ী গোঁসানী বা মহাদেউ-পাৰ্বতী; মহাচীনেই সুৰলোক; কালিকাপুৰাণৰ নাট-শৈল আজি-কালিৰ উমলা পৰ্বতৰ নামনি অঞ্চল (ত্ৰৈশান্যাম্ নাটকশৈলে শঙ্কৰস্য মহাশ্ৰমঃ; তস্যায়াটক নাম্নাসৌ শৈলৰাজঃ প্ৰগীয়তে); ব্ৰাগিংই-ব্ৰাগিংনীৰ শিৱ-পাৰ্বতীলৈ পৰিবৰ্তন কৰি লোৱাৰ দৰে একে নীতিকে মানি ভীষ্মক-বাণ-নৰক আদি প্ৰবল পৰাক্ৰান্ত তুৰাণীয় অনা-আৰ্য বড়ো ৰজাসকলক হিন্দু সমাজৰ ক্ষত্ৰিয় কুল-সম্ভূত কৰি লোৱা হ'ল; কালি, দৰা, বৰকাহ, মুদং, কৰতাল বাঁহী বড়ো নৃত্য-সংস্কৃতি; অসম বা পুৰণি কামৰূপ ৰাজ্য কোনো কালে ভাৰতৰ অন্তৰ্ভুক্ত নাছিল ইত্যাদি।



কামৰূপীয় ৰাগ, সুৰ, তাল আদিৰ বিশদ ব্যাখ্যা দিয়া আছে বৰদলৈৰ 'সুৰ-সংগ্ৰহ' গ্ৰন্থত। 'অসমীয়া সুৰ-পৰিচয়' গ্ৰন্থত তেওঁ অসমীয়া তথা কামৰূপীয়া সুৰ আৰু তাল, বাদ্য যন্ত্ৰ গোটাদিয়েকৰ আভাস দিবলৈ যত্ন কৰিছে। এই কেইখনেই সঙ্গীত পুথি সম্পৰ্কে বৰদলৈৰ নিজা মত সম্বলিত আলোচনাৰ পুথি। 'বাসন্তীৰ অভিষেক', 'লুইত-কোঁৱৰ', 'সুৰ-বিজয়' আৰু 'মেঘাৱলী' —এই চাৰিখন বৰদলৈ-বিৰচিত নাটক। তেওঁ এইবোৰৰ ৰচনাত তেওঁৰ দুই গুণধৰ পুত্ৰ মুক্তিনাথ শৰ্মা বৰদলৈ আৰু হৰিনাথ শৰ্মা বৰদলৈৰ সহায় আৰু সহযোগ অকুণ্ঠভাৱে গ্ৰহণ কৰিছিল। কবলৈ গ'লে তিনি পিতা-পুত্ৰৰ যুটীয়া সাধনাৰ ফল এই চাৰিখন অনন্য-সাধাৰণ অভিনয় নাটিকা। সেই সময়ৰ সামাজিক পৰিবেশৰ চিত্ৰ এটি দিবলৈ গৈ 'মঙ্গলেখা' গ্ৰন্থত শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে কৈছে— "সেই সময়ত ভাল মানুহৰ ছোৱালীয়ে ৰঙ্গমঞ্চত উঠি নৃত্য-গীত কৰাটো ভাল কাম বুলি বিবেচিত নহৈছিল। তদুপৰি নিভাঁজ অসমীয়া প্ৰাচীন সুৰবোৰৰ কিবা বিশেষ মূল্য আছিল বুলিও তেতিয়াৰ মানুহে ধৰি লবলৈ টান পাইছিল।" এনে এটি পৰিস্থিতিৰ লগত যুঁজিবলৈ বৰদলৈয়ে সঙ্গী হিচাপে লৈছিল নিজৰ পুত্ৰ দুজনকে।

বাসন্তীৰ অভিষেক :— ইয়াৰ প্ৰথম নাম আছিল 'বসন্তৰ অভিষেক।' ১৯২৯ চনত প্ৰকাশ হ'বলৈ লোৱাতহে 'বাসন্তীৰ অভিষেক' আখ্যা গ্ৰহণ কৰে। এই নাটকখনিৰ এটা ইতিহাস আছে। তেতিয়া বৰদলৈয়ে যোৰহাটত বৰ্তমান থাটুন প্ৰেছৰ ওচৰৰ এটা ভাৰা-ঘৰত সপৰিয়ালে বাস কৰিছিল। ওচৰৰ কণ কণ ল'ৰা-ছোৱালীবোৰক তেওঁ গীত বানা শিকাইছিল। তেওঁ 'নামে মন্দাকিনী সৰগৰপৰা' নামৰ কেদাৰ ৰাগৰ গীতটি আখৰা কৰাইছিল। এদিন তেনে গীতৰ সুৰৰ লহৰত মুখৰিত হৈ থকা আনন্দময় পৰিবেশত কুৰি চৰাই এটিয়েও কুউ-কুউকৈ সহযোগ কৰি বসন্তৰ পূৰ্ণ পয়োভৰত সহায় কৰিছিল। তাকে দেখি তেওঁ বৰপুত্ৰেক মুক্তিনাথক কলে— "কোপাই, নামে মন্দাকিনীয়ে স'চাকৈয়ে মন্দাকিনী নমাইছে। এই গীতটোকে প্ৰস্তাৱনাত লৈ এখন নাট ৰচনা কৰা যাওক, কি বোলা ?" পুতেকেও হয়ভৰ দি দেউতাকৰ কামত হাত উজান দিয়াত 'বাসন্তীৰ অভিষেক' বোলা গীতপ্ৰধান নাটখনৰ সৃষ্টি হ'ল। কুলি, কেতেকী, সেউতী, মালতী, মলয়া আৰু পখিলী ইয়াৰ যাই ভাৱৰীয়া। সকলোৱে মিলি উলাহেৰে বাসন্তী কুঁৱৰীক প্ৰকৃতিৰ সেউজীয়া সিংহাসনত বহুৱাইছে। ড° সূৰ্যকুমাৰ ভূঞা বিৰচিত 'বসন্ত-মঙ্গল' নামৰ আৱন্তনী গীতৰ 'আনন্দৰ ৰাস-লীলা জীৱনৰ যমুনা পাৰত' বোলা পংক্তিটোৱে নাটখনৰ মূল ভাব ব্যক্ত কৰিছে।

তাৰে দুবছৰ পাছত লুইত-কোঁৱৰ নাট (১৯৩১ চনত) প্ৰকাশ হয়। ইয়াতো ভাৱৰীয়াসকলৰ নামেই নাটৰ বিষয়-বস্তুৰ ইঙ্গিত দিয়ে। লুইত কোঁৱৰ, পচোৱা বতাহ, কুকুৰা বতাহ, মানসী কুঁৱৰী, সোণশিৰী, ধনশিৰী, ভৰলী, কপিলী, ডিক্ৰু, চাউলখোৱা, পগলাদিয়া, বৰদৈচিলা আৰু নেফাই ইয়াৰ ভাৱৰীয়া। মানস সৰোবৰৰ তীৰত মানসী কুঁৱৰীয়ে কল্যাণ ৰাগেৰে আৰম্ভ কৰা নান্দীৰ অন্তত কোৱা "সৌ সাগৰে মাতিছে, অনন্তই আৱাহনী গীত গাই মাতিব লাগিছে— আহা, আহা"— বোলা বচনতে নাট আৰম্ভ হৈছে।

'বাসন্তীৰ অভিষেক'ত বড়ো ভাটিয়ালী, বিয়া নামৰ সুৰ আদিয়ে প্ৰাধান্য লভিছে। 'লুইত-কোঁৱৰ'ত মালশ্ৰী, বাহু-বৰাৰী, দুৰ্গাবৰী, বিয়া নামৰ সুৰ আদি থলুৱা ৰাগ-ৰাগিণীয়ে জুমুৰি দি ধৰিছেহি।

১৯৩৪ চনত প্ৰথম ভাওনা হোৱা 'সুৰ-বিজয়' বৰদলৈ দেৱৰ শ্ৰেষ্ঠ নাটক। ভাব-ভাষা, উপস্থাপনৰ কৌশল কেউফালৰ পৰা ই তেতিয়াৰ সমাজত বিশেষ আলোড়নৰ সৃষ্টি কৰিছিল। ইয়াৰ মূল কথা এখন যুঁজ। পশ্চিমৰ মল্লাৰকে আদি কৰি গীত-ৰাগবোৰে কামৰূপ ৰাজ্য জয় কৰাৰ উদ্দেশ্যে কামৰূপীয় গীত-ৰাগবোৰৰ লগত যুদ্ধ পাতিছিলেহি। সংগ্ৰাম চলিল। অন্তত পুৰণি কামৰূপীয় ৰাগ-ৰাগিণীবোৰৰ ওচৰত আক্ৰমণকাৰী-সকলে হাৰ মানিবলগীয়া হ'ল। দুয়ো পক্ষৰ ভিতৰত মিত্ৰতা স্থাপন হ'ল। ফলত পশ্চিমৰ ৰাগ-ৰাগিণীবোৰেও ইয়াত গৌণ স্থান লভি জিৰণি লৈ থাকিবলৈ সুবিধা পালে। এই নাটৰ ভাৱৰীয়াসকল হ'ল— ৰাগ-সম্ৰাট নটৰাজ ভৈৰৱ, শ্যাম, আশোৱাৰী, ৰামগিৰি, অহিৰ, মাহুৰ, বড়ো কৌ, মল্লাৰ, প্ৰমথ ৰাগসকল আৰু কিন্নৰ ৰাগসকল; আৰু নাৰী ভাৱৰীয়াসকল— ভৈৰৱী, জয়ন্তী, দেওধনী, কিন্নৰীসকল প্ৰমুখ্যে ৰাগিণীসমূহ।

এই নাটত কামৰূপী ভাটিয়ালী, সুকনাৰায়ণী অহিৰ, মিশ্ৰ ভাটিয়ালী, বড়ো কৌ, দুৰ্গাবৰী, মালশ্ৰী আদি ৰাগবোৰ মূৰ্তিমন্ত হৈ বিদেশী ৰাগবোৰৰ লগত যুদ্ধত অৱতীৰ্ণ হৈছে।* মহাৰাজ ভৈৰৱক যুদ্ধ সম্পৰ্কে কটকী মাহুৰে এঠাইত কৈছে— "প্ৰভু, × × বৰ্তমানে কাশ্মীৰ, গুৰ্জ্জৰ, মদ্ৰ, কলিঙ্গ, বৃন্দাবন, হস্তিনাপুৰৰ এটা সম্মিলিত বাহিনীয়ে কৰতোৱা সীমান্তৰ সিপাৰে ছাউনী পাতিছেহি আৰু কামৰূপী ৰাগ-ৰাগিণীক যুঁজিবলৈ আহ্বান কৰিছে। আমাৰ সীমান্ত-ৰখীয়া ৰাগ সেনায়ো কোঠ পাতি শত্ৰুৰ সন্মুখত থিয় হৈছেগৈ।"

বড়ো কৌৱে দিয়া বাতৰি মতে বিদেশী ৰাগবোৰক কামৰূপী ৰাগবোৰে মালিতা, ডোল মাৰি সোপাকে বান্ধি পেলালে। যুদ্ধৰ শেষত হোৱা সন্ধি মতে বিদেশী ৰাগ-ৰাগিণীবোৰক চৰ্ত সাপেক্ষে অসমত মিলি-জুলি থাকিবলৈ দিয়া হয়। এয়ে 'সুৰ-বিজয়'। সামৰণিত দুৰ্গাবৰী মালশ্ৰী মধ্যমান ৰাগত প্ৰমথ ৰাগসকলে গাইছে—

> "এহে, পাতিলা সুৰৰ পুৰী কামৰূপ মাজে।
> অমৰণ ৰাগে-সুৰে শোভে নৱ সাজে॥"

এসময়ত 'সুৰবিজয়' নাটকৰ অভিনয়ে সমগ্ৰ অসমত উলাহ-আনন্দৰ উখল-মাখল লগাইছিল। স্কুল চাহাবৰ দৰে লোকেও বিদেশত এই নাটৰ প্ৰচাৰ চলাবলৈ পৰামৰ্শ দিছিল। সুৰ-বিজয় তত্ত্বটোৰ বিষয়ে সেই সময়ত সপক্ষে আৰু বিপক্ষে বসাল আলোচনা চলিছিল।

সঙ্গীতাচাৰ্য বৰদলৈৰ শেষ অৱদান তেখেতৰ বংশপুত্ৰ মুক্তিনাথ বৰদলৈৰে সৈতে ৰচনা কৰা 'মেঘাৱলী' নাটক ১৯৩৬ চনত ৰচিত আৰু ১৯৫২ চন প্ৰকাশিত। এই নাটত জয়ন্তীয়া ৰাজ্যৰ কোঁৱৰৰ লগত সাগৰ-ৰাজ ৰত্নাকৰৰ জীয়েকৰ বিয়া পতা হৈছে। সেই বিয়াৰ সাক্ষী সাৰথি আৰু ঘটক মহাবাহু ব্ৰহ্মপুত্ৰ নদ। অনাবৃষ্টিত ক্লিষ্ট জয়ন্তীয়া দেশৰ ৰজা জয়ন্তেশ্বৰে সাগৰ-কন্যাৰ লগত নিজ কোঁৱৰৰ বিয়া পাতি দেশত মেঘাৱলী আৰু সুবৃষ্টিৰ সৃষ্টি কৰিছিল। ইয়াতো ভাৱৰীয়াসকলৰ মুনিহ চৰিত্ৰৰ ভিতৰত আছে— ব্ৰহ্মপুত্ৰ, জয়ন্তৰাজ, সুন্দৰ, ৰত্নাকৰ, জীমূতবাহন, মিহিৰ, চাণুকী, বিমৰ্দক আৰু সমুদ্ৰৰ প্ৰহৰীসকল; আৰু তিৰোতা আছে— মেঘাৱলী, বাসন্তী, নিদাঘী, প্ৰবৃষা, শাৰদা, বাৰুণী আৰু ৰত্নাকৰৰ লিগিৰী-সকল, জয়ন্তাৰ কিংকৰীসকল আৰু মকৰ কন্যা-সকল। বৰদলৈৰ এইখন নাটতেই গীতকৈ বচন সৰহ।

বৰদলৈৰ চাৰিওখন নাটৰ সমালোচনা কৰি ৯।১০।৪০

( ২২ পৃষ্ঠাত চাওক )

# যোগমাৰ্গ, নাথপন্থ আৰু অসমীয়া সাহিত্য

( পূৰ্বানুবৃত্তি )

শ্ৰীবাপচন্দ্ৰ মহন্ত

নাথ ধৰ্মৰ প্ৰভাৱ অসমীয়া সাহিত্যত তলত দিয়া ধৰণে বিভক্ত কৰিব পাৰি :- (ক) চিকিৎসাৰ ক্ষেত্ৰত মন্ত্ৰত উল্লেখ, (খ) মৌখিক লোকসাহিত্যত অলৌকিক কাহিনীৰ যোগেদি যোগীসকলৰ নিচিনা শক্তিৰ পৰিচয়, (গ) শক্তি-উপাসনা বিষয়ক কাহিনীত যোগৰ প্ৰভাৱ, (ঘ) বৈষ্ণৱ পৰম্পৰাৰ সাহিত্যত যোগৰ প্ৰভাৱ, (ঙ) ইছলামী সাহিত্যত যোগৰ উল্লেখ।

(ক) চিকিৎসাৰ ক্ষেত্ৰত ঔষধৰ দৰেই মন্ত্ৰৰ প্ৰয়োগ অতি পুৰণি কালৰেপৰা হৈ আহিছে। বজ্ৰযানী বৌদ্ধসকলৰ মাজত তান্ত্ৰিক সাধনা আৰু যোগৰ লগতে মন্ত্ৰৰ ব্যৱহাৰো যথেষ্ট পৰিমাণে আছিল। মুছলমান আক্ৰমণৰ পাছত বজ্ৰযানী সাধনমাৰ্গ তান্ত্ৰিক শাক্ত আৰু যোগমাৰ্গী শৈৱ ধৰ্মলৈ ৰূপান্তৰ হ'লেও মন্ত্ৰ আৰু ঔষধৰ প্ৰয়োগ আগৰ দৰেই চিকিৎসাৰ ক্ষেত্ৰত চলি থাকিল। নাথপন্থী চিকিৎসকসকলেও কেৱল যোগৰ আশ্ৰয় নলৈ এনেকুৱা তন্ত্ৰ-মন্ত্ৰ আৰু বিশেষ ঔষধৰ ব্যৱহাৰ কৰিবলগীয়া হৈছিল। বজ্ৰযানী আৰু নাথসিদ্ধসকলৰ অনুগ্ৰহত মৰা মানুহো জী উঠিব পাৰে বুলি অনেক ক্ষেত্ৰত লোকবিশ্বাস গঢ় লৈ উঠিছিল। সাপে খোৱা মানুহ মৰিলে মন্ত্ৰৰ বলেৰে জীয়াব পাৰে বুলি লোকবিশ্বাস এতিয়াও আছে। কোনোবা বৌদ্ধসিদ্ধ অথবা নাথসিদ্ধৰ চিকিৎসাত সাপে খোৱা মানুহে পুনৰ্জীৱন লাভ কৰা কাহিনীৰ ভিত্তিতে পাছত বেউলা-লখীন্দৰৰ পুনৰ্জীৱন দিওঁতাজনক ইন্দ্ৰ, আৰু পাছত পদ্মা-পুৰাণৰ কাহিনীত শিৱ বোলা হৈছে। অপভ্ৰংশ ভাষাত মৎস্যেন্দ্ৰ 'মছন্দৰ' হোৱাৰ দৰেই লক্ষ্যেন্দ্ৰৰ পৰাও 'লখীন্দৰ' শব্দ হ'ব পাৰে। লক্ষ্য+ইন্দ্ৰ= লক্ষ্যেন্দ্ৰ শব্দই ইন্দ্ৰক লক্ষ্য কৰি লৈ খোৱা মানুহ বুজাইছিল নেকি ভাবি চাবলগীয়া।

নেত বস্ত্ৰ বা পাট কাপোৰৰ লগত সম্পৰ্ক থকা 'নেতা' নামটোও এই প্ৰসঙ্গত মন কৰিবলগীয়া। কিৰাত গোষ্ঠীৰ পাট কাপোৰৰ ব্যৱসায়ী লোক এসময়ত বজ্ৰযানী বৌদ্ধ থকাটো অসম্ভৱ নহয়। ভোজপুৰী কাহিনীৰ ইন্দ্ৰ সম্ভৱতঃ বজ্ৰযানী সিদ্ধ আছিল। পাছত নাথ ধৰ্মৰ প্ৰচাৰ হ'লত ইন্দ্ৰৰ ঠাই শৈৱ নাথসিদ্ধই অধিকাৰ কৰিলে আৰু বঙ্গৰ শাক্ত সম্প্ৰদায়ে পদ্মাপুৰাণ ৰচনা কৰা সময়ত শৈৱ নাথসিদ্ধক স্বয়ং শিৱ বুলি ক'লে। তথাপি পৌৰাণিক দেৱতা শিৱ আৰু যোগসিদ্ধ পুৰুষৰ চাৰিত্ৰিক গাম্ভীৰ্য পদ্মাপুৰাণৰ শিৱত নাই। যৌন আবেদন-পূৰ্ণ নৃত্য-গীতৰ লগত শিৱৰ সম্পৰ্ক নাছিল, ইন্দ্ৰৰহে আছিল। ড° বাগ্চীয় বাগৰে বজ্ৰযানী বৌদ্ধসাধনাৰ ওপৰত যক্ষ সংস্কৃতিৰ প্ৰভাৱ পৰিছে বুলি অনুমান কৰিছে।* কাম-দহনকাৰী মহাযোগী শিৱক লম্পট ৰূপত দেখুৱাবলৈ যোৱা মন্ত্ৰ আৰু লোকসাহিত্যত

* ড° বাগ্চীয় বাবৰৰ 'প্ৰাচীন ভাৰতীয় পৰম্পৰা ঔৰ ইতিহাস' নামৰ গ্ৰন্থত এই সম্বন্ধে আলোচনা কৰা হৈছে। যক্ষ সম্বন্ধে এই লেখকেও মণিদীপত [ ৮ম বছৰ ১১।১২ সংখ্যা ] বহলাই আলোচনা কৰিছিল। যক্ষ সংস্কৃতিত যৌন-স্বতন্ত্ৰতা থকা আৰু বিলাসী পৰ্বতীয়া জনগোষ্ঠীৰ উপাদান প্ৰধান যেন ধৰণা হয়।

বজ্ৰযানী বৌদ্ধ সিদ্ধসকলৰ ওপৰত থকা যক্ষ সংস্কৃতিৰ গোপন প্ৰভাৱে কাম কৰিবও পাৰে। বজ্ৰযানী সিদ্ধসকলৰ পাছত নাথ সিদ্ধ আৰু শাক্ত-শৈৱ উভয় শ্ৰেণীৰে সন্ন্যাসীৰ লগত তন্ত্ৰ-মন্ত্ৰৰ সম্পৰ্ক থাকি গ'ল। সেইবাবে গোৰক্ষনাথ আৰু মৎস্যেন্দ্ৰ নাথৰ উল্লেখ মন্ত্ৰ সাহিত্যৰ বহুত ঠাইত পোৱা যায়। মন্ত্ৰবোৰত কেইবাটাও সংস্কৃতিৰ সংমিশ্ৰণৰ লক্ষণ দেখা যায়। হুং, ক্লীং প্ৰভৃতি শব্দ ভাৰতীয় সমভূমি অঞ্চলৰ ভাষাৰপৰা লোৱা হোৱা নাই। তিব্বত আৰু হিমালয় অঞ্চলৰপৰা তান্ত্ৰিক ধৰ্মলৈ অহা এই শ্ৰেণীৰ শব্দ অপভ্ৰংশ ভাষাৰ যুগৰপৰা এতিয়ালৈকে মন্ত্ৰত ব্যৱহৃত হৈ আহিছে। আদি নিৰঞ্জন, অনন্তশায়ী বিষ্ণু, ব্ৰহ্মা, শিৱ, দুৰ্গা, কালী প্ৰভৃতি দেৱী আৰু ইন্দ্ৰাদি দেৱতাৰ লগতে ৰাম-লক্ষ্মণ, হনুমান প্ৰভৃতি পৌৰাণিক দেৱ দেৱীসকলৰ উল্লেখ, আৰু কিছুমান সৰু-সুৰা কাহিনীও মন্ত্ৰত পোৱা যায়। মৎস্যেন্দ্ৰনাথ আৰু গোৰক্ষনাথক এইবিলাকৰ দৰেই মন্ত্ৰত ঠাই দিয়া কথাটো নিশ্চয় তাৎপৰ্যপূৰ্ণ বুলি ধৰিব পাৰি।

(খ) ময়নামতী-গোপীচান্দৰ কাহিনী অসমত বৰকৈ প্ৰচলিত নহয়। বাংলাদেশত এই কাহিনীৰ প্ৰচলন বেছি, আৰু ঘটনাৰ স্থানো তাতেই নিৰ্ণয় কৰা হৈছে। বাৰ বছৰতে আয়ুস শেষ হ'বলগীয়া গোপীচান্দে নাথ ধৰ্ম গ্ৰহণ কৰি সন্ন্যাসী হোৱা বাবে দীৰ্ঘ জীৱন লাভ কৰা কথাই যোগমাৰ্গৰ মাহাত্ম্য পোনপটীয়াভাৱেই প্ৰকাশ কৰিছে। যোগ আৰু সন্ন্যাসীৰ চমৎকাৰে মানুহক অন্ধবিশ্বাসী হোৱাত বহুত সহায় কৰিছিল। পুৰাণ আৰু মহাভাৰত-ৰামায়ণতো এনে অলৌকিক কাহিনীৰ পৰিমাণ বেছি; কিন্তু সেইবোৰৰ বহুতেই প্ৰতীক-ধৰ্মীও। পাছত প্ৰতীককে সত্য বুলি ধৰি লোৱা অদাৰ্শনিক লোকবিশ্বাস যিদৰে বাঢ়ি আছিল, সেইদৰে দাৰ্শনিক বা বৈজ্ঞানিক বিচাৰ-বুদ্ধিৰ বিকাশ নঘটিল। গতিকে কলাত্মক ৰুচি আৰু বৌদ্ধিক কৌতূহল উভয়কে চমৎকাৰপূৰ্ণ অলৌকিক কথা-বস্তুৱে হে'চা

[ ২০ পৃষ্ঠাৰ পিছৰপৰা ]

তাৰিখে শৰৎ চন্দ্ৰ গোস্বামীদেৱে কৈছিল : "বৰদলৈৰ চাৰিওখন নাটিকাৰ সাদৃশ্য আছে, আৰু উদ্দেশ্যও একে। নিৰ্দোষ নৃত্য-গীত-চৰ্চা আৰু তাৰ মাজেদি সোণালী অসমৰ প্ৰতি স্নেহৰ বিকাশ— এই দুই উদ্দেশ্য নাটিকা কেইখনৰপৰা ভালদৰে সিদ্ধ হৈছে।"

শ্ৰীত্ৰৈলোক নাথ গোস্বামীদেৱৰ মতে— "বৰদলৈ পিতা-পুত্ৰৰদ্বাৰা ৰচিত নাটিকা কেইখন অকল কাব্যিকতাৰ অলৌকিক বাহক হৈয়েই থকা নাই, আটাইকেইখনকে মঞ্চোপযোগী কৰি ৰচনা কৰা হৈছে।× × প্ৰত্যেকখন নাটিকাৰ মাজেদিয়ে এক শান্ত মাধুৰ্য মূৰ্ত হৈ উঠিছে। নাগ ৰাগিণীবোৰৰ বৈচিত্ৰ্য বিশেষভাৱে লক্ষ্যণীয়।"

উল্লেখযোগ্য কথা এই যে গীতক প্ৰাধান্য দি গীতি-নাটিকা সৃষ্টিৰদ্বাৰা বিষয়-বস্তু ৰমণীয়ভাৱে উপস্থাপন কৰাই আছিল চাৰিওখন নাটৰ প্ৰধান লক্ষ্য। চৰিত্ৰ-সৃষ্টি ইয়াত গৌণ হৈ আছে। প্ৰকৃতিৰ কাম্য-কানন, সঙ্গীতৰ লীলাভূমি প্ৰাচীন কামৰূপ ৰাজ্যত প্ৰকৃতিয়ে কেনেকৈ জীৱন্ত ৰূপ লৈ বিভিন্ন ভাওত খেলা দেখুৱাইছিল, সঙ্গীত-নাটিকা কেইখনৰ জৰিয়তে সঙ্গীতাচাৰ্য বৰদলৈয়ে তাকে প্ৰকট কৰিবলৈ যত্ন কৰিছিল। কামৰূপীয় সঙ্গীতৰ মৌলিকত্ব আৰু শ্ৰেষ্ঠত্ব প্ৰতিপাদন সঙ্গীতাচাৰ্য বৰদলৈৰ জীৱন-ব্যাপী সাধনা আছিল। এইজনা মহৎ লোকৰ জীৱন-যোৰা সাধনাৰ ফলত অসমীয়া সঙ্গীতে পোনতে সৰ্ব-ভাৰতীয় সঙ্গীতৰ চ'ৰাত এখন সুকীয়া আসন দাবী কৰিবলৈ সমৰ্থ হৈছিল। "কীৰ্তিৰ্যস্য সঃ জীৱতি।" ০ ০ ০



মাৰি ধৰিলে। ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত, কমলা কুঁৱৰীৰ গীত, জনা গাভৰুৰ গীত প্ৰভৃতিত যিবোৰ কথা-বস্তুৱে ঠাই পাইছে, সেইবোৰৰ পটভূমিত তন্ত্ৰ আৰু নাথপন্থী যোগমাৰ্গৰ প্ৰভাৱ থকা যেন মনে ধৰে। সেয়ে যদি হয়, তেতিয়া এইবিলাকৰ ৰচনা খ্ৰীঃ চতুৰ্দশ শতিকামানৰ ভিতৰতেই হ'ব পাৰে। মুখ বাগৰি আহোঁতে ভাষাই নতুন গঢ় লোৱাটো সুকীয়া কথা।

জনা গাভৰুৰ গীতত গোপীচনৰ চাৰিত্ৰিক চমৎকাৰ যোগসিদ্ধ পুৰুষৰ অনুৰূপ। সমগ্ৰ ভাৰত বিয়পি সতীৰ দেহ সিঁচৰতি হৈ পৰাৰ দৰে গোপীচনে অভিমনক বধ কৰোঁতেও অভিমনৰ দেহ ছিন্ন-ভিন্ন হৈ দূৰলৈ ছিটিকি পৰাৰ বৰ্ণনা দিছে। বুঢ়া বজাক পৰাস্ত কৰিবলৈ মায়াৰে কোনো ৰহল ভৰোৱা টেকেলিৰ কথাও কোৱা হৈছে। ইয়াত মায়াৰ স্বৰূপটো যাদু-মন্ত্ৰ আৰু হঠযোগৰ চমৎকাৰ সূচক। গোপীচন নামটোৱেও যোগী 'গোপীচান্দ'ৰ কথা মনলৈ আনে।

মণিকোঁৱৰ-ফুলকোঁৱৰৰ গীততো অলৌকিক চমৎকাৰ আছে। পুৰাণৰ অনুকৰণত উপদেৱতা জলকোঁৱৰ সৃষ্টি কৰা হৈছে। তন্ত্ৰ-মন্ত্ৰ আৰু যোগৰ সহায়েৰে কৰিব পৰা অসাধ্য সাধনৰ কল্পনাই সেই যুগৰ জনমানসক আনন্দ দিব পাৰিছিল। সেই উৰণীয়া ঘোঁৰা, ভোমোৰাৰ ৰূপ ধৰি মানুহ ফুলকোঁৱৰ প'চে-তুলীৰ নগৰত সোমোৱা প্ৰভৃতি চমৎকাৰপূৰ্ণ কথা-বস্তুৱে এই গীতত ঠাই পাইছে। কমলা কুঁৱৰীৰ কাহিনীতো উপদেৱতা জলকোঁৱৰৰ স্বপ্নাদেশ মতে কমলাক জলকোঁৱৰলৈ দান কৰি পানীৰ অভাৱ দূৰ কৰা কথা কৈছে। পাৰ্থিৱ জগতৰ আঁৰত অপাৰ্থিৱ দৈৱশক্তিৰ প্ৰভাৱ দেখুৱাৰ কাৰণে সেই সময়ৰ ধৰ্মীয় ব্যৱস্থাই যেনে শিক্ষা দিছিল, তেনে মনোভাৱেই লোকসাহিত্যতো প্ৰকাশ পোৱাটো স্বাভাৱিক। দেহ-বিচাৰ আৰু টোকাৰী গীতসমূহতো অপাৰ্থিৱ সত্তা আৰু ৰহস্যময়ী ভাৱনা স্পষ্ট ৰূপে দেখা যায়। নাথপন্থী সন্ন্যাসী-পৰম্পৰা সুৰক্ষিত নহ'লেও, সন্ন্যাসী-প্ৰভাৱিত গাঁৱৰ সাধু শ্ৰেণীৰ মাজেদি এই অপাৰ্থিৱ সত্তা সম্বন্ধীয় (দৰ্শন-পুৰাণ প্ৰভৃতি শাস্ত্ৰৰ বাহিৰত গঢ় লোৱা) চিন্তাধাৰাৰ আৰু ৰহস্য-ভাৱৰ পৰম্পৰা আজিলৈকে চলি আছে।

(গ) মন্ত্ৰৰ প্ৰসঙ্গত বেউলা-লখীন্দাৰৰ কাহিনীৰ ক্ৰম-বিকাশৰ ইঙ্গিত দিয়া হৈছে। শিৱ আৰু বিষ্ণুৰ লগত জড়িত দাৰ্শনিক তথা পৌৰাণিক শাক্ত মতৰ লগতে তান্ত্ৰিক শক্তি-উপাসনা পদ্ধতিও এই যুগত মিলি যাবলৈ ধৰিছিল। মূলাধাৰ চক্ৰত থকা কুল-কুণ্ডলিনী শক্তিযোগৰ সহায়েৰে জাগ্ৰত কৰি সহস্ৰাৰ চক্ৰস্থিত শিৱৰ লগত মিলোৱা কথাৰ ভিত্তিতে যোগমাৰ্গতো শক্তি-উপাসনাই খোপনি লবলৈ পালে। গতিকে যোগধৰ্ম গ্ৰহণ কৰাৰ পাছতো নানা জনগোষ্ঠীৰ মাজত প্ৰচলিত প্ৰাচীন শক্তি-পূজা চলি থাকিল। এই শ্ৰেণীৰ শক্তিপূজা সমাজৰ উচ্চ স্তৰৰ লোকৰ মাজত সোমাওঁতে অনেক সংঘাতৰ সৃষ্টি হৈছিল। মনসা পূজাৰ ক্ষেত্ৰত এনেকুৱা সংঘাতৰ উদাহৰণ মনসা কাব্য সমূহে দাঙি ধৰিছে। যোগৰ মাহাত্ম্যসূচক ঘটনাৰ ভিত্তিত বিকশিত হোৱা লোক-প্ৰচলিত কাহিনী পাছত শক্তি বা দেৱীৰ মাহাত্ম্যসূচক পুৰাণ ৰূপে গঢ় দিয়াৰ চেষ্টা ইয়াত স্পষ্টভাৱে ধৰা পৰিছে। তথাপি মনসা যে দেৱী হ'লেও প্ৰাচীন দেৱী নহয়, মনসাৰ সহায়েৰে এটা নতুন ধৰণৰ শাক্ত মত প্ৰচলনৰ চেষ্টা কৰা হৈছে, সেই কথাও গঙ্গা আৰু দুৰ্গাৰ লগত মনসাৰ বিবাদে দেখুৱাই দিছে। এইদৰে পঞ্চদশ-ষোড়শ শতিকামানত প্ৰবল হৈ উঠা নতুন শাক্ত মতে বঙ্গদেশত যোগ আৰু অন্যান্য শৈৱ-শাক্ত

দৰ্শনৰ মত তল পেলাই এটা সুকীয়া শাক্ত লোকধৰ্ম প্ৰচলন কৰিব পাৰিছিল ; কিন্তু যৌগিক চমৎকাৰৰ সহায় এই নতুন শাক্ত মতেও গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল। বেউলা আৰু লখীন্দৰ উভয়েই শেষত যোগী হৈ গোৰক্ষনাথৰ নাম লৈ যৌগিক শক্তি প্ৰদৰ্শন কৰিছে। ষোড়শ শতিকাত এই মনসা কাব্যৰ প্ৰচলন অসমতো হ'বলৈ ধৰিলে। স্থানীয় মাৰৈ পূজাৰ লগত মনসা পূজা একে হৈ এতিয়াও নামনি অসমত চলি আছে ; কিন্তু যোগমাৰ্গ আৰু নাথপন্থৰ লগত থকা তাৰ প্ৰাচীন সম্পৰ্ক হেৰাই গৈছে।

(ঘ) অসমৰ বৈষ্ণৱ সমাজ আৰু সাহিত্যত যোগ-মাৰ্গৰ প্ৰভাৱ বিশেষভাৱে মন কৰিবলগীয়া বস্তু। বৈষ্ণৱ গ্ৰন্থৰূপে স্বীকৃত সৰ্বভাৰতীয় সংস্কৃত গ্ৰন্থসমূহৰ আধাৰত ৰচনা কৰা অসমীয়া পুথিসমূহত যোগমাৰ্গ সম্বন্ধে উল্লেখ থকাটো স্বাভাৱিক ; কিন্তু তেনে গ্ৰন্থৰ বাহিৰেও আৰু বহুত ধৰ্মীয় পুথি উত্তৰ-শঙ্কৰী মহা-পুৰুষীয়াসকলৰ মাজত প্ৰচলিত হোৱা দেখা যায়। সেই পুথিসমূহৰ ব্যৱহাৰ অৰ্ধশিক্ষিত আৰু অশিক্ষিত স্তৰৰ ভকতীয়া লোকৰ মাজতেই বেছি। অস্পষ্ট ৰহস্যবোধক বিষয়-বস্তুৰ বাবে এই শ্ৰেণীৰ পুথিয়ে সাধাৰণ লোকৰ মন আকৰ্ষণ কৰাৰ উপৰিও শাস্ত্ৰাৰ্থতকৈ শ্ৰেষ্ঠ গূঢ়াৰ্থৰ কথা সেইবোৰত আছে বুলি অনেকে বিশ্বাস কৰে।• এই শ্ৰেণীৰ পুথিৰ ভিতৰত অমৃতাৰত্ন, গুপ্তমণি, ভক্তিৰত্নসিন্ধু, ভৱিষ্যপুৰাণ, গুপ্ত-সাৰ, আদিযামল, ষষ্মেৰ প্ৰভৃতি উল্লেখযোগ্য। এই পুথিবিলাকৰ ৰচয়িতা স্বৰূপে শঙ্কৰদেৱ, মাধৱ-দেৱ, বা তেওঁলোকৰ পৰৱৰ্তী অন্য কোনো প্ৰসিদ্ধ ধৰ্মগুৰুৰ নামো কোৱা হৈছে। প্ৰকৃততে সেই প্ৰসিদ্ধ গুৰুসকলে এই পুথিবোৰ ৰচনা কৰা নাই। তলত এই পুথিবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰা হৈছে।

নাথ আৰু বৈষ্ণৱ পৰম্পৰাৰ সংমিশ্ৰণ :— মহাপুৰুষীয়া বৈষ্ণৱ পৰম্পৰাত ষট্‌চক্ৰচিন্তনৰ ব্যৱস্থা আছে। এই ব্যৱস্থা শঙ্কৰদেৱৰ সময়ৰপৰা আছেনে নাই নিসন্দেহে ক'ব নোৱাৰি। পৰৱৰ্তী ভকতসকলকো চক্ৰৰ পদ্মত বহুৱাই ধ্যান কৰা ব্যৱস্থা শঙ্কৰদেৱ বা মাধৱদেৱে দিয়াটো সম্ভৱ নহয়। ষট্‌চক্ৰত সেই ভকতসকলক বহুৱাবলৈ আৰু শঙ্কৰদেৱক পৰমপুৰুষ ৰূপত ধ্যান কৰিবলৈ শঙ্কৰ-মাধৱৰ পাছৰ লোকেহে বিধান দিয়াটো সম্ভৱ। অষ্টদলকমলত গুৰু আৰু ভকতক বহুৱাই ধ্যান কৰা ব্যৱস্থা অমৃতাৰত্নত পোৱা যায়। এই পুথিৰ ৰচয়িতাজন মাধৱদেৱ বুলি ক'লেও মাধৱদেৱৰ বহুত পাছৰ ভকতৰ উল্লেখ থকা বাবে মাধৱদেৱৰ নাম জাল বুলি সহজেই ধৰিব পাৰি। বঙ্গীয় বৈষ্ণৱৰ প্ৰভাৱো পুথিখনত দেখা যায়। "কৃষ্ণ নিজ পূৰ্ণ তাতো কৰি পূৰ্ণ ৰাধা নামে কৈলোঁ আসি" উক্তিয়ে বঙ্গদেশী 'ৰাধা ভাৱৰ' ইঙ্গিত দিছে। 'ব্ৰহ্মগীতা আৰু চক্ৰ-ভেদ' নামৰ পুথিত ষট্‌চক্ৰ সম্বন্ধীয় বিৱৰণ গদ্যত দিয়া হৈছে। এই পুথিৰ লেখক পুথি-ভেদে শঙ্কৰ-দেৱ আৰু ৰত্নাকৰ মিশ্ৰ দুয়োটা নাম পোৱা যায়। শ্ৰীশ্ৰীআদি ভাগৱত নামৰ এনে ধৰণৰ এখন পুথিৰ লেখক উপেন্দ্ৰ।

'গুপ্তমণি' নামৰ পুথিত হৰি-হৰৰ অভেদত্ব স্বীকাৰ কৰা হৈছে। যোগমাৰ্গত হৰিতকৈ হৰৰ প্ৰাধান্য স্বাভাৱিকতে বেছি। তথাপি বৈষ্ণৱ আদৰ্শ-প্ৰধান সমাজত হৰি-হৰক অভিন্নভাৱে গ্ৰহণ কৰাটো বিধান যোগ্য। পদ্মপুৰাণ প্ৰভৃতি সংস্কৃত গ্ৰন্থতো হৰি-হৰৰ

• দেহবিচাৰৰ গীত, টোকাৰী গীত আদি ধৰ্ম-বিষয়ৰ লগত জড়িত গীতবোৰতো এই শ্ৰেণীৰ ৰহস্যানুগ আৰু অস্পষ্ট বিচাৰৰ পৰিচয় পোৱা যায়। সম্ভৱতঃ এনে বিচাৰবে ভিত্তিত এক শ্ৰেণীৰ লিখিত সাহিত্যও গঢ় লৈ উঠিছিল।



অভিন্নত্ব প্ৰতিপাদন ঠায়ে ঠায়ে কৰা হৈছে ; কিন্তু গুপ্তমণিৰ হৰি-হৰ সম্বন্ধীয় ধাৰণাত পৌৰাণিক পৰম্পৰাৰ বাহিৰৰ প্ৰভাৱ আছে। এই সম্পৰ্কে বিস্তৃত আলোচনা নকৰি মাত্ৰ কেইটামান বাক্য তলত উদ্ধাৰ কৰা হৈছে। তাৰপৰাই অশাস্ত্ৰীয় পৰম্পৰাৰ প্ৰমাণ পোৱা যাব।

পৰমাত্মাৰে আদ্য অনাদি তত্ত্বসাৰ।
শক্তি লৈয়া কেলি কৰে অনাদি ঈশ্বৰ।
কতো বেলি শক্তিৰস পৰে শৰীৰতে।
নপৰিলা গৰ্ভে ৰৈলা উৰু ওপৰেতে॥ ৬৬॥
বাম হাতে তুলি লৈলা পাছে নিৰঞ্জন।
তিনি ধাৰে তিনি দেৱ ভৈল উতপন।
ব্ৰহ্মা বিষ্ণু ৰুদ্ৰ উপজিলা তিনিজন।
মায়া সঙ্গে হৰি পাছে আছে ৰঙ্গ মন॥ ৬৭॥

ইয়াৰ পাছত ব্ৰহ্মা, বিষ্ণু আৰু শিৱক নিৰঞ্জন পুৰুষে এই বুলি আজ্ঞা দিলে যে—তেওঁলোকে প্ৰকৃতিক পত্নীৰূপে গ্ৰহণ কৰিব লাগে ; কিন্তু ব্ৰহ্মা আৰু বিষ্ণুৱে প্ৰকৃতিক মাতৃভাৱে গ্ৰহণ কৰা বাবে তেওঁলোকে নাৰায়ণ বা নিৰঞ্জন পুৰুষৰ আজ্ঞা লঙ্ঘন কৰা বোলা হৈছে। পাছত প্ৰকৃতিক পত্নী-ৰূপে গ্ৰহণ কৰিবলৈ শিৱক আদেশ দিওঁতে প্ৰকৃতিক মনসা বুলিও কোৱা হৈছে।

"দিলোঁ নিয়া প্ৰিয় ভাৰ্যা কৰি মনসাক
নকৰিবা আজ্ঞা ভঙ্গ মোহোৰ কথাক॥" ৭৬।

মনকৰৰ পদ্মপুৰাণত ধৰ্মদেৱতা ব্ৰহ্মা, বিষ্ণুৰ পৰীক্ষা ল'বৰ কাৰণে মৰা শ'ৰ ভাও ধৰি পানীত ওপঙি যোৱাৰ যি কাহিনী আছে, সেই কাহিনী গুপ্ত-মণিতো আছে ; কিন্তু গুপ্তমণিৰ মতে শিৱৰ লগত থকা প্ৰকৃতিয়েহে ধৰ্মদেৱতাক চিনিব পাৰি কান্দি-বলৈ ধৰিছে। পাছত সকলোৱেই গোট খাই নিৰঞ্জন পুৰুষৰ শৱদাহ কাৰ্য সম্পন্ন কৰিলে। তাৰ পাছত নিৰঞ্জন পুৰুষৰ ছাইখিনি কপিলী গায়ে খাই পেলালে। কপিলী গাই গুৰু হোৱাৰ এয়ে কাৰণ। কপিলী গাইৰ গোবৰ পুৰি ভস্মখিনি ব্ৰহ্মা, বিষ্ণু, শিৱই ভগাই ল'লে আৰু গাত ঘঁহিলে। সেইবাবে যোগী-সন্ন্যাসীয়ে গাত গোবৰৰ ভস্ম সানে।

যোগমাৰ্গৰ সাধন-ব্যৱস্থা আৰু যোগৰ লগত বেদৰ সম্পৰ্ক দেখুৱাবলৈকো চেষ্টা কৰা হৈছে। পদ-সংখ্যা ১৭৫ মানৰপৰা ২০৫ লৈকে এনে বিষয়ৰ বৰ্ণনা পোৱা যায়। যেনে :—

নাভি মূলে ঋগ্বেদ কৰন্ত প্ৰকাশ।
ললাটত যজুৰ্বেদ কৰন্ত নিৱাস॥ ২০৪
হৃদয়ত হন্তে সামবেদৰ বসতি।
মুখ মাজে অথৰ্বেদ ভৈল উৎপত্তি॥

এনেকুৱা অস্পষ্ট আৰু প্ৰচলিত শাস্ত্ৰৰ বাহিৰৰ কথাৰ লগতে নামঘোষা আৰু অনাদিপাতনৰ পদো ঠায়ে ঠায়ে দিয়া হৈছে। গুপ্তসাৰ আৰু আদিযামল নামৰ আন দুখন পুথিতো এনেকুৱা অশাস্ত্ৰীয় ৰহস্যপূৰ্ণ কথা আছে। এইবোৰত কেৱল নাথপন্থী যোগৰ কথাহে মিশ্ৰিতভাৱে আছে বুলি ক'ব নোৱাৰি। বঙ্গদেশী বৈষ্ণৱৰ ওপৰত থকা সহজীয়া মতৰ প্ৰভাৱ, কাপা-লিক প্ৰভৃতি শৈৱ মতৰ প্ৰভাৱ, আৰু অতি ক্ষীণভাৱে হ'লেও বজ্ৰযানী বৌদ্ধসকলৰ প্ৰভাৱো এইবিলাকত কিবা প্ৰকাৰে থাকিব পাৰে। গুপ্তমণিৰ পদত অমাৰ্জিত সম্বন্ধৰো ইঙ্গিত দিয়া হৈছে। প্ৰথমতে নিৰঞ্জন পুৰুষৰ পত্নীৰূপে থকা শক্তি বা প্ৰকৃতিয়েই নিৰঞ্জন পুৰুষৰ পুত্ৰ শিৱৰো পত্নীৰূপে গ্ৰাহ্য হোৱা কথাই বজ্ৰযানী বৌদ্ধসকলৰ যৌন বিকৃতিৰ কথা মনত পেলায়।

সংস্কৃত সাহিত্যৰ শাস্ত্ৰীয় পৰম্পৰাতকৈ যে সুকীয়া এটা উপলব্ধিৰ ওপৰত গুৰুত্ব দিয়া পৰম্পৰাও গঢ় লৈছিল, তাৰ উদাহৰণ স্বৰূপে 'ষষ্মেৰ'ৰ কথাকে ল'ব পাৰি। ইয়াৰ লেখক দ্বিজনাথ কোন, সেই কথা পোৱা নাযায়। 'ষষ্মেদ' শব্দটোৰ অৰ্থও

স্পষ্ট নহয়। অনুভৱগম্য সত্তা বা স্বৰূপ জ্ঞান—এনে অৰ্থত নাথপন্থী সাধকসকলে চৰম তত্ত্বজ্ঞানক 'স্বসংবেদ্যজ্ঞান' বুলি কৈছিল। পাছলৈ নিৰ্গুণপন্থী সন্তসকলৰ সময়ত এই শব্দই 'সুসংবেদ' ৰূপ ল'লে।• সম্ভৱত: এই 'সুসংবেদ' শব্দই আথৰ-জোঁটনিৰ বিকৃতিৰ ফলত 'যমস্বেদ' হ'বলৈ পালে। যমস্বেদৰ বিষয়-বস্তুৰ সামান্য পৰিচয় তলৰ পদসমূহৰ যোগেদি দিয়া হৈছে।

শুনা সভাসদ হৰগৌৰীৰ সংবাদ।
কোটি জনমৰ হৌক পাতক উদ্ধাৰ॥
চাৰি বেদ বাজে যমস্বেদ বুলি যাক।
সেহি কথা গৌৰী পূৰ্বে পুছিলা হৰক॥

\+ + + +

প্ৰথমতে পুৰুষৰ শূন্যে ভৈল জাত
তাহানেসে নাম আদি জানিবা সাক্ষাত॥
আদিৰ উদৰে আছে শূন্য অপ ৰস
তাক কহিবাক লাগি মোৰ নাই সাস॥
মধ্য শূন্যে প্ৰকাশ ভৈল আসি আদি।
তাহানেসে পুত্ৰ ভৈল জানিবা অনাদি॥

\+ + + +

সৃষ্টি কৰিবাক লাগি ভৈল তান মন।
জ্যোতি মনসাক দেখিলন্ত নিৰঞ্জন॥
মনে আলচিয়া বাম অঙ্গে হাত দিলা।
শৰীৰৰ মাংস পাই মুঠিত ধৰিলা॥
মুঠিৰ ভিতৰে তিৰি ৰূপে জাত ভৈলা।
অনাদি ঈশ্বৰে তাৰ মনসা নাম থৈলা॥

\+ + + +

বহুবিধ অণু ভৈল আপুনি অনাদি
মহাৰসে ভৈলা পাছে শুদ্ধ সত্ত আদি
পৰমাত্মা ৰূপে প্ৰবেশিলা গাৱে গাৱে
স্থূল শূন্য সূক্ষ্ম ৰূপে প্ৰকাৰণ ভাৱে
আদি অনাদিৰ নাম মনসা অতি সাৰ।
ৰাম কৃষ্ণ হৰি নাম জগত আধাৰ।

\+ + + +

কৃষ্ণৰ কিঙ্কৰে কহে শুনিয়ো সম্প্ৰতি
হৰি নাম বিনে নাই কলিত ভকতি

\+ + + +

চাৰি বেদ সাৰ যমস্বেদ আৰু জানি

গুপ্ততত্ত্বৰ পৰম্পৰা:— ভৱিষ্য সংগ্ৰহ বা ভৱিষ্য পুৰাণ নামৰ পুথিতো এনেকুৱা তত্ত্ব-কথা পোৱা যায়। পুথিৰ লেখক কৃষ্ণাচাৰ্য দ্বিজই এই তত্ত্ববোৰ সাধুসকলে পশ্চিমৰপৰা অহা সন্ন্যাসীৰ কথা শুনি লিখি থোৱা বুলিছে। পশ্চিমৰপৰা অহা শঙ্কৰ আৰু মাধৱ নামৰ দুজন সন্ন্যাসীয়েও কিছুমান গুপ্ত কথা অসমৰ সন্ত-সাধুসকলৰ মাজত প্ৰচাৰ কৰিছিল বুলি কোনো ক্ষেত্ৰত পোৱা যায়। ৰাতিখোৱা সম্প্ৰদায়ৰ গীততো সুকীয়া শঙ্কৰ-মাধৱৰ ইঙ্গিত আছে। 'গোটা ভাগৱত' বা 'পূৰ্ণ ভাগৱত' নামৰ আন এখন পুথিতো এনেকুৱা অশাস্ত্ৰীয় তত্ত্ব-কথা আছে। পূৰ্ণ ভাগৱতৰ লেখক কৃষ্ণানন্দ দ্বিজ ভৱিষ্য পুৰাণৰ লেখক কৃষ্ণচাৰ্য দ্বিজতকৈ সুকীয়া ব্যক্তি নে একেজনেই, সেইটোও মন কৰিবলগীয়া। সম্পূৰ্ণ অৰ্থত গোটা শব্দৰ প্ৰয়োগলৈ চালেও নামটোত বঙ্গীয় প্ৰভাৱ থকা বুলি বুজিব পাৰি। মহাপুৰুষীয়াসকলৰ ভিতৰতো পূৰ্ণভগীয়া বুলি এটা গোপন উপ-সম্প্ৰদায় আছে। ৰাতিখোৱা, গোপী ধৰা এনেকুৱা গোপন উপ-সম্প্ৰদায়বোৰৰ সুকীয়া সুকীয়া চিন্তা আৰু তত্ত্ববিচাৰৰ নামত অশাস্ত্ৰীয় চমৎকাৰপূৰ্ণ কথাবোৰৰ লগত এই পুথিবোৰৰ বিৱৰণসমূহৰ মিল আছে। গতিকে পশ্চিমৰ পৰা, বিশেষকৈ বঙ্গৰপৰা অহা সাধু-সন্ন্যাসী মুখত শুনা উপ-সম্প্ৰদায়ৰ কথাই অসমৰ এক শ্ৰেণীৰ ভকতীয়া লোকক প্ৰভাৱিত কৰা বুলি মানি ল'ব পাৰি। তদুপৰি এনে প্ৰভাৱৰ মাজত নাথপন্থী সকলৰ প্ৰভাৱো যথেষ্ট পৰিমাণৰ হ'ব পাৰে।

• দ্ৰষ্টব্য : ড° হজাৰীপ্ৰসাদ দ্বিবেদীৰ 'সহজ সাধনা', পৃঃ ২১, ৩৪।



উদাহৰণ স্বৰূপে ৰামানন্দৰ ৰচনা বোলা 'ভক্তিৰত্নসিন্ধু' নামৰ পুথিত বঙ্গীয় নাথ সম্প্ৰদায়ৰ পুথিৰ নাম উল্লেখ হোৱাটো চকুত লগা কথা। অসমৰ গাত লাগি থকা সুৰমা নদীৰ উপত্যকা অঞ্চলত পোৱা বঙ্গ-ভাষাত ৰচিত অনাদি পুৰাণ, হাড়মালা, শিৱ পুৰাণ প্ৰভৃতি খনদিয়েক নাথ সম্প্ৰদায়ৰ পুথিৰ বিচাৰৰ লগত অসমৰ গোপন উপ-সম্প্ৰদায়বোৰৰ বিচাৰৰ সাদৃশ্য মন কৰিবলগীয়া। তলত ভক্তিৰত্নসিন্ধুৰপৰা কেইটিমান পদ উদ্ধাৰ কৰা হ'ল।

ভক্তি সংস্থাপন মহাপাতক উচ্ছাদ
হাড়মালা নামে হৰ-গৌৰীৰ সংবাদ।২।
তাৰ সাৰোদ্ধাৰ নামে ভক্তিৰত্নসিন্ধু
যেন পদ্ম পৰাগৰ মকৰন্দ বিন্দু।•

বঙ্গ-ভাষাত ৰচিত মূল 'হাড়মালা'ৰপৰা কেইটিমান পদ অসমীয়া পদৰ বিষয়ৰ লগত থকা সাদৃশ্য বুজিবৰ কাৰণে তলত দিয়া হৈছে।

নিৰঞ্জন ৰূপে গোঁসাই সংসাৰেৰ সাৰ।
প্ৰণব ৰূপে নিৰাকাৰ সেই শূন্যাকাৰ॥১১৫

× × ×

প্ৰণব ৰূপ নিৰঞ্জন জান ভাল মতে॥ ++১১৭

হাড়মালাৰ 'খ' ভাগত আছে—

প্ৰথমত্ত নাৰায়ণ জগতেৰ কৰ্তা
অখিল ব্ৰহ্মাণ্ডপতি জগতেৰ ভৰ্তা॥

একস্যৰ্বে নিৰঞ্জন কৰিলেক মন
সংসাৰ সৃজিতে গুৰ্সাই কৰিলেক মন।

× × ×

হেনকালে য়নাদি জন্মিলা আচম্বিতে

গুহ্যস্থান নাভিদেশ আৰ ত্ৰিধয়।
কণ্ঠ তালুকা মৈদ্ধে এই স্থান ছয়॥
মূলাধাৰ অধিষ্ঠান আৰ মণিপুৰ।
অনাহত বিশদ্ধৰ আজ্ঞাচক্ৰ থল॥

মন কৰিবলগীয়া যে শঙ্কৰদেৱৰ অনাদিপাতন আৰু তেওঁৰ সমসাময়িক মনকৰৰ ৰচনা পদ্মাপুৰাণৰ সৃষ্টি সম্বন্ধীয় কথাৰ লগত নাথপন্থী অনাদিপুৰাণ প্ৰভৃতি পুথিবোৰৰ বৰ্ণনাত বহুত সাদৃশ্য আছে। নাথপন্থী পুথিত নিৰঞ্জন, শূন্য আৰু মনৰ স্বৰূপ সম্বন্ধে থকা কথাবোৰত প্ৰাচীন যোগমাৰ্গৰ বাহিৰেও নতুন যুগৰ অন্যান্য ধৰ্মীয় সম্প্ৰদায়ৰ প্ৰভাৱ থাকিব পাৰে। শঙ্কৰী যুগৰ পাছৰ যোগমাৰ্গী সাহিত্যত আৰু অসমৰ এই সময়ৰ সাহিত্যত অনাদি আৰু আদি সম্বন্ধে অস্পষ্ট ধাৰণা প্ৰকাশক কিছুমান বাক্য পোৱা যায়। আদিৰ পৰা অনাদিৰ সৃষ্টি হ'ল নে অনাদিৰপৰা আদিৰ সৃষ্টি হ'ল, এই সম্বন্ধে লেখকসকলৰ ধাৰণা সম্ভৱতঃ স্পষ্ট হোৱা নাছিল। তথাপি সত্তাৰ প্ৰথম অৱস্থাটো বুজাবৰ কাৰণে 'নিৰঞ্জন' শব্দ প্ৰয়োগ কৰা উদাহৰণ বহুত ঠাইত আছে।

গৃহৰ ভিতৰে আছে অনন্ত শয্যাত।
এক ৰূপে ঈশ্বৰ পুৰুষ আছে তাত॥
অনাদি ঈশ্বৰ তাঙ্কে বোলে নিৰঞ্জন।
তাতে হৰি কৰে জানা জলত শয়ন॥ ৪৯॥

(গুপ্তমণি)

নাথপন্থী পুথিত অনাদিপাতনৰ প্ৰভাৱ :— মহাপুৰুষ শঙ্কৰদেৱৰ অনাদিপাতনতো আদি,অনাদি আৰু নিৰঞ্জন শব্দৰ প্ৰয়োগ কৰা হৈছে। নাথপন্থী ওপৰত উল্লেখ কৰা সাহিত্যতো অনাদিপাতনৰ দৰে সৃষ্টিতত্ত্বৰ বৰ্ণনা দিয়া হৈছে। সম্ভৱতঃ কাছাৰ আৰু শ্ৰীহট্ট জিলাত পোৱা অনাদি পুৰাণ আদি নাথ সাহিত্যত কেনেবাকৈ শঙ্কৰদেৱৰ অনাদিপাতনৰ প্ৰভাৱ পৰিল। সেইবাবে

• ১৮৪১ চনত কাছাৰ জিলাৰপৰা সংগৃহীত আৰু ৺ৰাজমোহন নাথৰদ্বাৰা প্ৰকাশিত শত্ৰুঘ্ন দ্বিজ ৰচিত 'হাড়মালা' গ্ৰন্থৰ ৰচনাকাল অষ্টাদশ শতিকাৰ আগভাগ হোৱা সম্ভৱ। ভক্তিৰত্নসিন্ধুৰ উল্লেখৰপৰা বঙ্গ-ভাষাত ৰচিত এই পুথিৰ প্ৰচলন অসমতো আছিল বুলি বুজিব পাৰি।

নাথ পৰম্পৰাৰ সৃষ্টিতত্ত্ব আৰু মহাপুৰুষ শঙ্কৰদেৱৰ পৌৰাণিক পৰম্পৰাৰ সৃষ্টিতত্ত্বৰ সংমিশ্ৰণত নতুন গঢ় দিবলৈ যাওঁতে শব্দ প্ৰয়োগৰ ক্ষেত্ৰত কিছু বিভ্ৰান্তি ঘটিল। শঙ্কৰদেৱৰ পদত আছে—

একেশ্বৰে আছোঁ মই আদি নিৰঞ্জন।
সৃষ্টি যে নাহিকে মোক নকৰে শোভন ।৪১ ॥

\+ + +

সৃষ্টি কৰিবাক ঈশ্বৰৰ ইচ্ছা কায
পুৰুষৰ পৰা মহামায়া ভৈলা বাজ।
অনাদি ৰূপিণী ঈশ্বৰৰ অৰ্দ্ধকায়
ব্যক্ত ভৈল মহামায়া সৃষ্টিক ইচ্ছায় ।৪৫ ॥

ওপৰে ওপৰে চালে অনাদিপাতনৰ এই অংশৰপৰা এনে ধাৰণা হ'ব পাৰে যে নিৰঞ্জন পুৰুষেই আদি, আৰু প্ৰকৃতি বা মহামায়া অনাদি। কিন্তু পৌৰাণিক পৰম্পৰাৰ মহাপুৰুষীয়া বিচাৰত নিৰঞ্জন পুৰুষকহে অনাদি, আৰু প্ৰকৃতি বা মহামায়াক আদি বুলিহে কোৱা হয়। শঙ্কৰদেৱৰ আদি নিৰঞ্জন শব্দৰ তাৎপৰ্য এনে হোৱাহে সম্ভৱ। নিৰঞ্জন পুৰুষ বা পৰ চৈতন্য সত্তাটো জগৎ সৃষ্টিৰ আগতেও আছিল আৰু এতিয়াও আছে। গতিকে নিৰঞ্জন পুৰুষৰদ্বাৰা জগৎ সৃষ্টি হোৱাৰ পূৰ্বৰ অৱস্থা বুজাবৰ কাৰণেহে নিৰঞ্জন শব্দৰ লগত আদি বিশেষণ দিয়া হ'ল। 'আদি' শব্দটোৱেই ইয়াত নিৰঞ্জনৰ স্বৰূপ সূচক নহয়। সেইদৰে অনাদি পুৰুষ বা নিৰঞ্জনৰ অৰ্ধকায় অৰ্থাৎ মহামায়া বা আদ্যা শক্তি প্ৰকৃতিও অনাদি ৰূপিণী হ'ব পাৰে। এনে স্থলত অনাদিপাতন আৰু গুপ্তমণিৰ মাজত এই সম্বন্ধে মত-ভেদ নাই; কিন্তু অনাদি পুৰাণ আদি নাথপন্থী দুই-এখন পুথিত আদি'ক অনাদিতকৈ ওপৰলৈ তোলা যেন দেখা যায়। যযস্বেদতো "তাহাৰেসে পুত্ৰ ভৈলা জানিবা অনাদি" উক্তিয়ে আগৰ শাৰীত থকা আদিৰ পুত্ৰ বুলিয়েই অনাদিৰ কথা কোৱা যেন লাগে।

আদি-অনাদি সম্বন্ধীয় এই বিচাৰ নাথপন্থী দৰ্শনৰ লগতো মূলতে খাপ নাখায়। তলত এই কথা স্পষ্ট হ'বৰ কাৰণে অনাদিপাতনত থকা চৌবিছ তত্ত্বৰ দাৰ্শনিক সিদ্ধান্তৰ নিচিনা নাথপন্থী দাৰ্শনিক সিদ্ধান্তৰ সৃষ্টিতত্ত্বৰ এটি চিত্ৰ দিয়া হৈছে।

স্বয়ং শিৱ বা পৰ শিৱ

| | |
|---|---|
| অপৰ শিৱ | নিজা |
| পৰম শিৱ | পৰা |
| শূন্য | অপৰা |
| নিৰঞ্জন | সূক্ষ্মা |
| পৰমাত্মা | কুণ্ডলী • |

এই চিত্ৰ নাথপন্থী সৃষ্টিতত্ত্বৰ বিচাৰ মতে শিৱৰ পাঁচোটা অৱস্থা আৰু শক্তিৰ পাঁচোটা অৱস্থাৰ কথা কোৱা হৈছে। মন কৰিবলগীয়া যে—বেদান্ত মতে আৰু সাংখ্য মতেও শক্তি জড় বস্তু বুলি ধৰা হয়; কিন্তু নাথ সম্প্ৰদায়ৰ বিচাৰ মতে কুণ্ডলী শক্তিও চিৎৰূপিনী। আনহাতে এই চিত্ৰত আদি আৰু অনাদি বুলি একো তত্ত্বৰ কথা নাই। নিৰঞ্জন অৱস্থাও অনাদিপাতনৰ পৰম সত্তাৰ স্তৰৰ নহয়। অনাদিপাতনৰ নিৰঞ্জন সত্তা মহামায়া বা প্ৰকৃতি ৰূপিণী শক্তিৰো আধাৰ স্বৰূপ। এইবিলাক কথাৰ বহল আলোচনা কৰিলে নাথপন্থৰ একশ্ৰেণী গ্ৰন্থত মহাপুৰুষীয়া বা পৌৰাণিক পৰম্পৰাৰ সৃষ্টিতত্ত্বৰ প্ৰভাৱ থকাৰ সম্ভাৱনা অস্বীকাৰ কৰিব নোৱাৰি।

নাথপন্থ আৰু মহাপুৰুষীয়া পন্থৰ মাজত মিল :— নাথপন্থী সাহিত্যত মহাপুৰুষীয়া প্ৰভাৱৰ দৰেই মহাপুৰুষীয়া সাহিত্যৰ এখন বিশিষ্ট পুথি অনাদিপাতনতো নাথ-প্ৰভাৱ আছে নেকি, সেইটো বিচাৰ কৰি চাবৰ থল আছে। অনাদিপাতনৰ আধাৰ-গ্ৰন্থ ভাগৱতৰ তৃতীয় স্কন্ধৰ সেই প্ৰসঙ্গত 'পৰম পুৰুষ'ক নিৰঞ্জন বোলা নাই। তথাপি নিৰঞ্জন শব্দৰ প্ৰয়োগ এই ক্ষেত্ৰত অনুপযুক্ত নহয় কাৰণে শঙ্কৰদেৱে কিয় নিৰঞ্জন শব্দটো প্ৰয়োগ কৰিলে, তেনে প্ৰশ্ন মনলৈ নাহে। তথাপি নাথ সাহিত্যত নিৰঞ্জন শব্দৰ প্ৰাচুৰ্য, নিৰঞ্জন পুৰাণ নামৰ গ্ৰন্থ আৰু নিৰঞ্জনী সম্প্ৰদায় বুলি উত্তৰ ভাৰতত থকা এটা সন্ত সম্প্ৰদায় থকা বাবে কেতিয়াবা এনে ভাব হয় যে শঙ্কৰদেৱে সেই সম্প্ৰদায়ৰ লোকৰ লগত সম্পৰ্ক স্থাপন কৰিবৰ উদ্দেশ্যে নিৰঞ্জন শব্দৰ প্ৰয়োগ অনেক ঠাইত কৰিব পাৰে। তদুপৰি তলত দিয়া কথাবিলাকেও নাথ সম্প্ৰদায়ৰ লগত অসমীয়া বৈষ্ণৱ সমাজৰ সম্পৰ্ক থকাৰ ইঙ্গিত দিয়ে।

১। দুয়োটা সম্প্ৰদায়তে বেদৰ মান্যতা থাকিলেও সাধনাৰ ক্ষেত্ৰত বেদৰ গুৰুত্ব বৰ বেছি নহয়। মহাপুৰুষীয়া বৈষ্ণৱতকৈয়ো নাথ সম্প্ৰদায়ত বেদৰ গুৰুত্ব আৰু কম। "বেদৰ বিহিত যত আছে ধৰ্ম সংসাৰত নৱে হৰি নামৰ কিঙ্কৰ" বুলি নামঘোষাতো কোৱা হৈছে।

২। গুৰুৰ কৃপাৰ ওপৰত দুয়োটা সম্প্ৰদায়তে গুৰুত্ব দিয়া হয়। সহজ সমাধিৰ কাৰণে বেদ পাঠ, জ্ঞান, বৈৰাগ্য সকলোতকৈ গুৰুৰ চৰণ-সেৱাৰ ওপৰতহে নাথ পন্থই মহত্ত্ব আৰোপ কৰে। মহাপুৰুষীয়াসকলেও সাধনাৰ বিশেষ কাৰ্যক 'গুৰু সেৱা' বুলি কয়। গীত-মাত, নাম-কীৰ্তন, ভাওনা-সবাহ সকলোতকৈ 'গুৰু সেৱা'হে অপৰিহাৰ্য বস্তু বুলি ধৰা হয়।

৩। বৈদিক পৰম্পৰাৰ ধৰ্মত গুৰু পদত ব্ৰাহ্মণ জাতিৰ লোকহে অধিষ্ঠিত হৈ আহিছে। ব্ৰাহ্মণে আন জাতিৰ গুৰুৰ ওচৰত ধৰ্ম গ্ৰহণ কৰাৰ উদাহৰণ বৰ কম; কিন্তু নাথপন্থত গুৰুৰ জাতি-কুল বিচাৰ কৰা নহয়। মহাপুৰুষীয়া ধৰ্মত বৈদিক পৰম্পৰা স্বীকাৰ কৰিলেও অব্ৰাহ্মণ গুৰুৰ ওচৰত ব্ৰাহ্মণে ধৰ্মবস্তু গ্ৰহণ কৰাত বাধা-নিষেধ নাথাকিল। দামোদৰদেৱ, হৰিদেৱ প্ৰভৃতি ব্ৰাহ্মণে শঙ্কৰদেৱৰ ওচৰত ভক্তি-ধৰ্ম লোৱাৰ পাছতো পুৰুষোত্তম ঠাকুৰ, চতুৰ্ভুজ ঠাকুৰ, গোপাল আতা আৰু আই কনকলতায়ো প্ৰত্যেকেই দুজনকৈ ব্ৰাহ্মণ আৰু দুজনকৈ কায়স্থক ধৰ্ম-শিক্ষা দি ধৰ্ম প্ৰচাৰৰ বাবে আচাৰ্য পাতিছিল।•

৪। বিধি-বিধানৰ সামান্য পাৰ্থক্য থকা ১২ জন প্ৰৱৰ্তকৰ নামত চলা নাথ যোগীসকলক 'বাৰহপন্থী যোগী' বোলা হয়। মহাপুৰুষীয়াসকলৰ মাজতো বাৰজনকৈ গুৰু বা আচাৰ্য পতা দেখা যায়। ব্ৰহ্মা, শিৱ, মনু প্ৰভৃতি ১২ বৈষ্ণৱৰ আহিৰ লগতো ইয়াৰ সম্বন্ধ থাকিব পাৰে।

৫। নাথপন্থত সহজ সমাধিৰ অধিকাৰী হ'বৰ কাৰণে ব্ৰহ্মচৰ্য আৰু প্ৰাণায়ামৰ সহায়েৰে বিন্দুক ( শুক্ৰক ) উৰ্দ্ধমুখী কৰিব লাগে। বিন্দুক উৰ্দ্ধমুখী কৰিবৰ কাৰণে নাড়ী শুদ্ধিৰ প্ৰয়োজন। নাড়ী শুদ্ধিৰ বাবে ধৌতি, বস্তি, নেতি, ত্ৰাটক, নৌলি, কপালভাতি এই ছবিধ কাৰ্য বা ষট্‌কৰ্মৰ বিধান আছে। মহাপুৰুষীয়া ধৰ্মত সদাচাৰ আৰু চিত্তশুদ্ধিৰ ব্যৱস্থাহে আছে; কিন্তু দেহশুদ্ধি, দ্ৰব্যশুদ্ধি প্ৰভৃতি নানা প্ৰকাৰৰ কাল্পনিক বিধান আৰু চৰ্চনৰ প্ৰচলন অনেক ভকতৰ মাজত আছে। সম্ভৱতঃ সেইবোৰ প্ৰাচীন নাথপন্থৰ আহিত থাকি যোৱা বিকৃত প্ৰভাৱৰ ফল।

• হজাৰীপ্ৰসাদ দ্বিবেদীৰ 'নাথ সম্প্ৰদায়', পৃঃ ১০৪ দ্ৰষ্টব্য।

• অসমত গুৰু সূচক মহন্ত আৰু গোস্বামী বা গোসাঁই শব্দ দুটাও নাথ সম্প্ৰদায়ৰ আহিত চলি আহিছে। জিতেন্দ্ৰ সাধক অৰ্থাৎ যোগী-সন্ন্যাসীসকলক দক্ষিণ ভাৰততো গোসাঁই বোলা হৈছিল। মঠৰ অধিকাৰী সকলকো মহন্ত প্ৰথা ব্যাপকভাৱে আছে।

৬। নাথপন্থৰ মতে বিশ্বব্ৰহ্মাণ্ডত থকা সকলো বস্তু মনুষ্য শৰীৰ ৰূপী পিণ্ডতো আছে। পিণ্ডক ব্ৰহ্মাণ্ডৰ সংক্ষিপ্ত সংস্কৰণ বুলি ধৰিব প্যাৰি। সেইবাবে মনুষ্য শৰীৰৰ কোন কোন অংশত ব্ৰহ্মাণ্ডৰ কোন কোন অংশ লুকাই আছে, তাৰ বিচাৰ কৰা হয়। স্বৰ্গ, মৰ্ত্য, পাতাল, বিভিন্ন তীৰ্থ, গন্ধৰ্ব, যক্ষ, কিন্নৰ, নাগ, ভূত, পিশাচ আদিৰ ঠাঁয়ো শৰীৰতে দেখুৱাইছে। এনেকুৱা বিচাৰ মহাপুৰুষীয়া ধৰ্ম'ৰ ভকতসকলেও কৰা দেখা যায়। 'ক্ষুদ্ৰ-বিৰাট' আৰু 'ব্ৰহ্ম-বিৰাট' শব্দৰ সহায়েৰে সম্ভৱতঃ পিণ্ড আৰু ব্ৰহ্মাণ্ডৰ কথাকে বুজাব খোজে।

৭। ওপৰত উল্লেখ কৰা নাথপন্থী গ্ৰন্থতো বৈষ্ণৱ সূচক 'নাৰায়ণ' শব্দৰ প্ৰয়োগ [হাড়মালা] মন কৰিব লগীয়া। বৈষ্ণৱ প্ৰভাৱৰ ফলত নাথপন্থী গ্ৰন্থত নাৰায়ণক সৃষ্টিৰ মূল বুলি গ্ৰহণ কৰিব পাৰে। আন-হাতে বৈদিক আৰু পৌৰাণিক বৈষ্ণৱ পৰম্পৰাৰ গুৰিতো যোগী নাৰায়ণ ঋষিৰ অস্তিত্ব যোগ আৰু বৈষ্ণৱ ধৰ্মৰ সমন্বয় সূচক।

এনে ধৰণৰ বহুত সাদৃশ্য আৰু বৈসাদৃশ্য সেই সময়ৰ নাথ আৰু বৈষ্ণৱ ধৰ্মৰ সমাজ আৰু সাহিত্যৰ পট-ভূমিত বিচাৰ কৰিলে ওলাব। আমি এই ক্ষেত্ৰত কেৱল বিচাৰশীল লোকৰ দৃষ্টি আকৰ্ষণহে চেষ্টা কৰিলোঁ। গতিকে এইবিলাক কথা সিদ্ধান্ত স্বৰূপে গ্ৰহণ কৰিবলৈ নহয়।

(ড) আজান ফকীৰৰ জিকিৰত মহাপুৰুষীয়া প্ৰভাৱৰ দৰেই যোগমাৰ্গী প্ৰভাৱো দেখা যায়। তাৰপৰা বুজা যায় যে—মহাপুৰুষীয়া ধৰ্ম সবল হৈ থকা অৱস্থাতো সপ্তদশ শতিকাৰ অসমীয়া সমাজত নাথপন্থৰ প্ৰভাৱ নিশ্চয় আছিল। তলত জিকিৰৰপৰা কেইটা-মান উদাহৰণ দিয়া হ'ল।

১) মজনুদিল ফকিৰে গায় উৰি উৰি হংস যায়
ঘূৰি আছে নিৰঞ্জন পুৰি।

২) ইঙ্গলা-পিঙ্গলা দুই নলা বৈ আছে জান।

× × × ×

ছয় চক্ৰৰ মাজে পখী কোন ঠাই কৰে বাসা।
নিৰ্মল কোঠাৰ মাজে বাজে কিবা পখীৰ ধ্বনি।
ত্ৰিপানীত খেলা কৰে শিৱৰ মহা মুনি॥

হংস আত্মাৰ প্ৰতীক। মন্ত্ৰযোগ মতে উশাহ-নিশাহত হং আৰু সঃ বৰ্ণ উচ্চাৰিত হৈ থাকে। 'হং'-অত প্ৰাণবায়ু বাহিৰলৈ আহে আৰু 'সঃ'-অত ভিতৰলৈ যায়। এইদৰে জীৱই সদায় হং আৰু সঃ এই মন্ত্ৰৰ জপ কৰি থাকে। গুৰুবাক্য মানি লোৱাৰ পাছত সুষুম্না নাড়ীত এই মন্ত্ৰই ওলোটা ৰূপ লৈ 'সোঽহং' শব্দত পৰিণত হয়। গতিকে হংস বা প্ৰাণবায়ু ইড়া আৰু পিঙ্গলা নাড়ীৰ মধ্যস্থিত সুষুম্না নাড়ীয়েদি ঊৰ্দ্ধগতি হোৱা কাৰ্যকে হংস উৰা বোলা হয়। নিৰঞ্জনৰ স্বৰূপ আৰু অৱস্থিতি সম্বন্ধে আগতেই কোৱা হৈছে। কুণ্ডলিনী শক্তিৰ লগত প্ৰাণবায়ু বা হংস পখী ছয় চক্ৰ ভেদ কৰি ওপৰলৈ উঠা কথাও ওপৰৰ পদত আছে। 'নিৰ্মল কোঠা' শব্দই নাড়ী শুদ্ধিৰ পাছৰ অৱস্থাৰ ইঙ্গিত দিছে। 'গগণ মন্দিৰত পখীৰ ধ্বনি'য়ে মহাব্যোমৰ 'অনাহত নাদ'ৰ কথা বুজাইছে। ত্ৰিপানী অৰ্থাৎ ত্ৰিবেণীয়েও ইড়া-পিঙ্গলা আৰু সুষুম্নাৰ সঙ্গম স্থলকে বুজায়। এইদৰে ইছলামী অসমীয়া সাহিত্যতো নাথপন্থৰ প্ৰভাৱ বিচাৰ কৰিলে দেখা যায়।

বৈষ্ণৱ আৰু ইছলামী দুয়োধাৰাৰে লোকসাহিত্যৰ লগত সম্বন্ধ ৰখা কিছুমান যোজনা-ফকৰাতো নাথ প্ৰভাৱৰ লক্ষণ দেখা যায়। সাধাৰণ অৰ্থতকৈ ভিন্ন অৰ্থ প্ৰকাশ কৰা কিছুমান পদৰ অৰ্থ বুজিবৰ কাৰণে সামাজিক পটভূমি সম্বন্ধে জনা আৱশ্যক। 'ব্ৰাহ্মণে গৰু মৰা, ভকতে ভাই মৰা'ৰ নিচিনা কথাৰ মূলতো এনে সামাজিক পটভূমিৰ প্ৰভাৱ আছে। অসমত নাথপন্থ সম্বন্ধে যথেষ্ট গৱেষণা নহ'লে বহুত কথাই অস্পষ্ট আৰু ভ্ৰমাত্মক হৈ থাকিব বুলি আমাৰ বিশ্বাস। ০০০

# মধ্যযুগীয় অসমৰ লেখমালা

সংগ্ৰাহক : শ্ৰীনাৰায়ণ দাস

বিগত কালৰ বিজ্ঞানসম্মত সামাজিক আৰু সাংস্কৃতিক ইতিহাস প্ৰণয়নত শৈল কিম্বা তাম্ৰ লেখমালাই গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা দোহাৰিবৰ প্ৰয়োজন নাই। বুৰঞ্জী প্ৰণয়নৰ ক্ষেত্ৰত আগভাগ লোৱা ইন্দ্ৰবংশী আহোম নৃপতিমণ্ডলীয়ে প্ৰদান কৰা শাসনমালাক বুৰঞ্জী ৰচনা কৰ্মত ব্যৱহাৰ কৰা বুলি মনে নধৰে। পুৰণি আৰু মধ্যযুগীয় অসমৰ পুৰা-লেখ অধ্যয়নত পাশ্চাত্য পুৰাতত্ত্বপ্ৰেমীসকলে আগ-ভাগ লোৱাটো সৰ্বজনগ্ৰাহ্য কথা। অসম দেশ বহু পলমকৈ ইংৰাজৰ অধীনলৈ অহাত এই ভূ-খণ্ডত প্ৰাপ্ত পুৰালেখসমূহৰ অধ্যয়নৰ আৰম্ভ হয় বহু পলমকৈ। ঊনবিংশ শতাব্দীৰ তৃতীয় দশকত কেপ্তেন মিথীয়ে তেজপুৰ চহৰৰ নিকটৱৰ্তী স্থান-বিশেষত তিনিখন ফলকযুক্ত আঙঠিবদ্ধ তাম্ৰ শাসন এখনি পাই সেইখন তৎকালীন অসমৰ কমিছনাৰ জেন্‌কিন-ছলৈ প্ৰেৰণ কৰাত শাসনকৰ্তাজনে থলুৱা পণ্ডিতৰ হতুৱাই তাৰ পাঠোদ্ধাৰ কৰাব নোৱাৰি ফলিৰ প্ৰতিটো পিঠিৰে একোটাকৈ ছাপ কলিকতাস্থ 'এছিয়া-টিক ছোচাইটি অব বেঙ্গল'ৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰে আৰু ছোচাইটিৰ পণ্ডিতসকলে সেই ছাপৰ মোটামুটি পঠোদ্ধাৰ কৰি ইংৰাজী অনুবাদেৰে সৈতে তাক ছোচাইটিৰ ১৮৪০ চনৰ জাৰ্ণেলত প্ৰকাশ কৰে। ধুব সম্ভৱ, অসমীয়া পুৰালেখ অধ্যয়নৰ এয়ে প্ৰথম পদক্ষেপ। ইয়াৰ পাছত তালেকেইখন অসমীয়া পুৰালেখৰ পাঠ পোহৰলৈ আহে।

বিংশ শতাব্দীৰ প্ৰথম তিনিটা দশকৰ ভিতৰত ইংৰাজ, ভাৰতীয় আৰু অসমীয়া প্ৰত্নতাত্ত্বিকসকলৰ ঐকান্তিক যত্নত কিবোৰ তাম্ৰ আৰু শৈল লেখৰ পাঠ উদ্ধাৰ হয়, সিবোৰক জয়জয়তে বিজ্ঞানসম্মত পদ্ধতিৰে গ্ৰথিত কৰে মহামহোপাধ্যায় পদ্মনাথ বিদ্যাবিনোদ ডাঙৰীয়াই তেখেতৰ 'কামৰূপ শাসনাৱলী'ত (ৰংপুৰ, ১৩৩৮ চন)। প্ৰত্নতাত্ত্বিক সোণাৰাম চৌধুৰী, হেমচন্দ্ৰ গোস্বামী, সূৰ্যকুমাৰ ভূঞা, সৰ্বেশ্বৰ শৰ্মা কটকী, সৰ্বেশ্বৰ বৰুৱা প্ৰভৃতিয়ে পাঠোদ্ধাৰ কৰা মধ্যযুগীয় অসমৰ শিল আৰু তামৰ ফলিসমূহৰ পাঠ বিভিন্ন সাময়িকীৰ পিঠিত বিক্ষিপ্তভাৱে আৰু বেণুধৰ শৰ্মা সম্পাদিত 'হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী' (অসম সাহিত্য সভা, ১৯৭৪), শ্ৰীধৰণীকান্ত শৰ্মাৰ 'কামৰূপ তীৰ্থ' আৰু ডঃ সূৰ্যকুমাৰ ভূঞাৰ 'স্বৰ্গদেউ ৰাজেশ্বৰসিংহ' (১৯৭৫)ত ভালেখিনি মধ্যযুগীয় শিল আৰু তামৰ ফলিৰ পাঠ স্তুপীকৃতভাৱে প্ৰকাশ পায়। অৱশ্যে এই ক্ষেত্ৰত অধিক নিৰ্ভৰযোগ্য সংগ্ৰহ হ'ল ডঃ মহেশ্বৰ নেওগদেৱৰ 'প্ৰাচ্য-শাসনাৱলী' (১৯৭৪)। ইয়াত ১১২৭ শকৰপৰা ১৭৬৯ শকলৈকে প্ৰাচীন কামৰূপ, কোচ-বেহাৰ আৰু সৌমাৰৰ সৰ্বমুঠ ১৫৯ খনি ফলিৰ পাঠ সন্নিবিষ্ট হৈছে। ৰাজ্যিক চৰকাৰৰ কাচাৰীবোৰৰ মহাফেজখানা, অসম সচিবালয়ৰ অভিলেখ-কক্ষ আৰু অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ হাতে-লিখা বহীত ভালেমান তামৰ ফলিৰ পাঠৰ নকল থাকিলেও সিবোৰ সহজলভ্য আৰু বিজ্ঞানসম্মত

ৰীতিত সম্পাদিত নহয়। অসমৰ বিভিন্ন স্থানত এতিয়াও ভালেমান শিল আৰু তামৰ ফলি আছে— যিবোৰৰ পাঠ 'প্ৰাচ্য শাসনাৱলী'ৰ অন্তৰ্ভুক্ত হোৱা নাই। বৰ্তমান সংগ্ৰহত 'প্ৰাচ্য শাসনাৱলী'ত সন্নিবিষ্ট নোহোৱা (দুই-এখনৰ নকল অৱশ্যে কামৰূপ জিলাৰ মহাফেজখানাৰ 'মহজৰ বহী'ত সংৰক্ষিত আৰু অধুনালুপ্ত সাময়িকীত প্ৰকাশিত) কেইখনমান শিল আৰু তামৰ ফলিৰ পাঠ দিয়া হ'ল। পাঠ-গ্ৰহণত সাধাৰণতে ফলিৰ পাঠকেই ৰখা হৈছে, আৰু অপাঠ্য বা পঢ়িব নোৱাৰা অংশ পূৰণ চিহ্নৰে ( × ) বুজোৱা হৈছে। পুৰণি ফলিৰ পাঠ অধ্যয়ন এক কষ্টসাধ্য কাম। ইয়াৰ কাৰণে দীৰ্ঘম্যাদী পৰিশ্ৰম, ধৈৰ্য আৰু অভিজ্ঞতাৰ প্ৰয়োজন। উপৰোক্ত তিনিওটা গুণৰ অভাৱ সত্ত্বেও যোগ্যজনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বৰ্তমানৰ সংগ্ৰহটি আগবঢ়ালোঁ।

## ভণ্ডাৰী গোহাঁইৰ গড় নিৰ্মাণৰ শিলৰ ফলি

(শক ১৫৩৮)

ভোমোৰাগুৰি সংৰক্ষিত বনাঞ্চলৰ দক্ষিণ কোণত, তেজপুৰৰপৰা ভোমোৰাগুৰি পাৰঘাটলৈ যোৱা পথৰ বাওঁফালে এটি বিয়াগোম শিলৰ ওপৰত ক্ষোদিত লিপিয়েই ভণ্ডাৰী গোহাঁইৰ গড় নিৰ্মাণৰ শিলৰ ফলি।[১] ভোমোৰাগুৰিত বৰ্তমানলৈকে তিনিখনি শিলৰ ফলি উদ্ধাৰ হ'ল। প্ৰথম দুখন ফলিৰ পাঠ পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে সপ্তম বৰ্ষ দ্বাদশ সংখ্যা 'আলোচনী'ত 'চামধৰা গড়ৰ পদ্য' শীৰ্ষক প্ৰবন্ধৰ যোগেদি প্ৰকাশ কৰে। পণ্ডিত গোস্বামীয়ে দুডোখৰ শিলত দুখন ফলি খোদিত কৰা বুলিলেও আমি পিছে এটা স্তম্ভতহে ফলি দুখন দেখিবলৈ পাইছোঁ। ইয়াৰে প্ৰথমখন তেৰ শাৰীৰ আৰু দ্বিতীয়খন ছয় শাৰীৰ লেখা।[২]

ভোমোৰাগুৰিৰ তৃতীয়খন লিপিও দুশাৰীয়া। ফলিখনৰ এটি বৈশিষ্ট্য হ'ল— ইয়াত খোদিত চাৰিখনি চিত্ৰৰ সংযোজন। লিপিখনৰ প্ৰথম চাৰি শাৰী শিলটোৰ কাষৰপৰা মাজলৈ ব্যাপ্ত, আৰু ই মুঠতে ১০৫ চেঃ মিঃ × ৫৫ চেঃ মিঃ ঠাই আগুৰিছে। আখৰৰ দৈৰ্ঘ্য গড়ে ১০ চেঃ মিঃ। আন দুশাৰী লেখা প্ৰথম চাৰি শাৰীৰ পথালিকৈ সজোৱা। এই দুশাৰীৰ আখৰৰ দৈৰ্ঘ্য গড়ে ৫ চেঃ মিঃ, আৰু ৫৬ চেঃ মিঃ × ১৪ চেঃ মিঃ স্থানত শাৰী দুটা সমাপ্ত হৈছে।

লিপিখনৰ চতুৰ্পাশত খোদিত চিত্ৰ চাৰিখনৰ প্ৰথমখনত বাঘ আৰু হাতীৰ যুঁজ, দ্বিতীয়খনত বাঘটো আগবাঢ়ি যোৱা, তৃতীয়খনত বাঘটোৱে হৰিণ এটাৰ পিছ ফালে কামুৰি ধৰাত ভীত হৰিণটোৱে বাঘটোলৈ উভতি চোৱা দেখুৱা হৈছে, আৰু শেষৰখন হ'ল বাৰডাল সৰল ৰেখাই বিভক্ত কৰা এখন আয়তক্ষেত্ৰকাৰ নক্সা। প্ৰথম চিত্ৰত্ৰয় বেছ জীৱন্ত : আহোম-মোগলৰ যুদ্ধ যেন এই চিত্ৰ তিনিখনিৰ মাজেদি প্ৰকাশ হৈছে।

ঐতিহাসিক দৃষ্টিকোণৰপৰা এই ফলিখনৰ গুৰুত্ব নুই কৰিব নোৱাৰি। পণ্ডিত গোস্বামীদেৱে আঙুলিয়াই দিয়া মতে, এতিয়ালৈকে আৱিষ্কৃত আহোম নৃপতিসকলৰ অসমীয়া লিপিৰ ভিতৰত ভোমোৰাগুৰিৰ লিপিয়েই প্ৰাচীনতম। ফলিত উল্লেখিত 'ভণ্ডাৰি গোহাই'ৰ সম্পৰ্কে 'সাতসৰী অসম বুৰঞ্জী'ত আছে—

১ এই ফলিৰ পাঠ বৰ্তমান সংগ্ৰাহকে অধ্যাপক সতীশ চন্দ্ৰ ভট্টাচাৰ্য, ডঃ আনন্দ মোহন মুখোপাধ্যায় আৰু পূৰ্ণেশ্বৰ নাথৰ সহযোগত উদ্ধাৰ কৰে।

২ ফলি দুখনৰ সমীক্ষিত পাঠৰ কাৰণে বৰ্তমান সংগ্ৰাহকৰ 'শোণিতপুৰীয়া সংস্কৃতিৰ ৰূপৰেখা'ৰ (১৯৭৬) ১০—১১ পিঠি চাওক।



"বৰগোহাঁয়ে চুটিয়া বন্দী এটা আইকুঁৱৰীৰ লগত দিলে। পাচে আইকুঁৱৰী পৰ্ব্বতীয়া কুঁৱৰী হৈ তাকে মেলৰ অধিকাৰ পাতিলে। পাচে কথা-বাৰ্ত্তাত ভাল পাই ভণ্ডাৰি গোহাই নাম দি সৰাৰে অধিকাৰ পাতিলে।" (ছেদ-৭৬)। ভৰালী যুদ্ধত (খ্ৰীঃ ১৬১৫-১৬) ভণ্ডাৰী গোহাঁয়ে বিশেষ ভূমিকা গ্ৰহণ কৰাত স্বৰ্গদেৱ প্ৰতাপসিংহই তেওঁৰ ওপৰতে চামধৰা গড় নিৰ্মাণৰ গুৰু দায়িত্ব অৰ্পণ কৰে। চামধৰাৰপৰা লুইতলৈ আৰু লুইতৰপৰা ভোমোৰাগুৰিৰ চাকলি-দাকলিলৈ পৰ্বত কাটি গড় সাজি ১৫৩৮ শকত ভণ্ডাৰী গোহাঁয়ে বিয়াগোম গ্ৰেনাইট শিলৰ পিঠিত ক্ষোদিত কৰা লিপিখনৰ পাঠ হ'ল :—

(৺৭) স্বস্তি শ্ৰীশ্ৰী সকল ম
ঙ্গ লালয় স্বৰ্গনাৰায়
ন দেৱ। আগে জয়নক নিপা
ত কৰি পাচে পৰ্ব্বত কাটি গচ
শ্ৰীভণ্ডাৰি গোহাই কৰি
লেন্ত ॥ সক ১৫৩৮

## বিশ্বনাথৰ বিশ্বেশ্বৰ পূজন কৰ্মৰ তামৰ ফলি

(শক ১৬০৭)

অসমৰ 'কাশী' বিশ্বনাথ ক্ষেত্ৰলৈ বিভিন্ন আহোম নৃপতিয়ে মাটি, মানুহ দান দি আগবঢ়োৱা তাম্ৰফলি কেবাখনো। তাৰে কেইখনমানৰ পাঠে 'প্ৰাচ্য শাসনাৱলী'ত স্থান পাইছে। স্বৰ্গদেৱ গদাধৰসিংহই পূজা কৰ্ম সুচাৰুৰূপে চলাবলৈ পূজাৰ কেইপদমান পুৰণি সম্পদ নকৈ গঢ়াই পাইক আৰু নটিনী আগবঢ়োৱা তামৰ ফলি এখন এতিয়াও বিশ্বনাথৰ বৰঠাকুৰৰ ঘৰত সংৰক্ষিত হৈছে। ফলিখনৰ এপিঠিত অসমীয়া আৰু আন পিঠিত টাই লিপি খোদিত। ফলিৰ অসমীয়া পাঠ এনে ধৰণৰ :

স্বস্তি শ্ৰী মধিশ্বেশ্বৰ পদাম্বুজ মধুকৰ মলধৰ সোদৰ যশোৰাশি পৰিপূৰিত দিগন্তৰ নিৰন্তৰ বাসৱ বংসাৱতংস শ্ৰীস্বৰ্গদেৱ শ্ৰীগদাধৰ সিংহ নৰেন্দ্ৰেণ স্বৰ্ণ মকৰ কুণ্ডল যজ্ঞোপবিতা দিবলঙ্কৃত্য শ্ৰী বিশ্বেশ্বৰ পূজন কৰ্ম্মাণি শ্ৰীগোবিন্দ চক্ৰৱৰ্ত্তি বিপ্ৰঃ নিয়োজিতঃ। শ্ৰীশ্ৰী স্বৰ্গনাৰায়ণ দেৱ সৌমাৰেশ্বৰস্য গদাধৰসিংহ মহাৰজাৰ আজ্ঞাৰে শ্ৰীবিশ্বনাথৰ সমস্থি অলঙ্কাৰ নকৈ গঢ়াই দিয়ে। নাৰায়ণ কমলা ঠাকুৰৰ হাতে সোণাৰ কোষা ২ ৰূপৰ কোষা ৪ তামৰ দুণৰি ৪ অৰ্ঘা ২ ঘণ্টা ২ দৰা ২ শঙ্খ ২ কানহুল ৪ সেৱা পাইক ৪০ নটিনী ৮। শক ১৬০৭।[৩]

## কলিয়াবৰীয়া ভট্টাচাৰ্যৰ তামৰ ফলি

(শক ১৬২৩)

কলিয়াবৰীয়া ভট্টাচাৰ্য মধ্যযুগীয় অসম বুৰঞ্জীৰ এটি প্ৰখ্যাত নাম।[৪] কলিয়াবৰীয়া ভট্টাচাৰ্যৰ প্ৰকৃত নাম বাগীশ ভট্টাচাৰ্য। আক্ৰোহী ভট্টাচাৰ্য ৰূপেও এওঁক জনা যায়। জয়সিন্ধু প্ৰতিষ্ঠা উপলক্ষ্যে এইজনা ব্ৰাহ্মণলৈ আগবঢ়োৱা স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনীয়া মূল্যৱান তামৰ ফলিখন ঘৰপোৰা জুইত জাহ গ'ল। এই ভট্টাচাৰ্যৰ অধস্তন পুৰুষ ৰূপে দাবী কৰা জামুগুৰি দেৱালয়ৰ বৰঠাকুৰ শ্ৰীযুত প্ৰভাত চন্দ্ৰ ভট্টাচাৰ্যৰ পৰিয়ালত সংৰক্ষিত হাতেলিখা বংশাৱলীৰ মাজত ৰুদ্ৰসিংহ প্ৰদত্ত তাম্ৰপত্ৰৰ অংশবিশেষ লিপিবদ্ধ হৈছে এনেদৰে : "৺৭ স্বস্তি অখণ্ড দোৰ্দণ্ড প্ৰবল

৩ 'প্ৰাচ্য-শাসনাৱলী'ৰ (১৯৭৪) ৭নং ফলি দ্ৰষ্টব্য।

৪ এই ফলিৰ পাঠ বুৰঞ্জীবিদ বেণুধৰ শৰ্মা দেৱে 'ৰামধেনু'ৰ ১১ শ বছৰৰ ১২ শ সংখ্যাত 'টোকোৰা বাহৰ কুটা' প্ৰবন্ধৰ তলে প্ৰকাশ কৰে। (পিঠি ১০১৪)

৫ বেণুধৰ শৰ্মাৰ— দক্ষিণপাট সত্ৰ, পিঠি— ৫৩; নাৰায়ণ দাস— কলিয়াবৰীয়া ভট্টাচাৰ্যৰ তামৰ ফলি, মহাজাতি, ১৩ নৱেম্বৰ '৭৭।

প্ৰজা পালিত গঙ্গাজল নিৰ্ম্মল পবিত্ৰ কলেৱৰ বিবিধালঙ্কাৰ ভূষিত ধৰ্ম্মাধৰ্ম্ম বিচাৰ সাৰ সংগ্ৰহ প্ৰখৰ খৰোত্তৰ প্ৰজাহিত ৺গদাধৰাত্মজ শ্ৰীশ্ৰীৰুদ্ৰ-সিংহস্য পাণিনা জয়সিন্ধু প্ৰতিষ্ঠায়াং মৰ্ত্ত্যভূমি প্ৰসাধক পূজন-ভোজন চৈৱ দানচক্ৰে বিধিত্ৰাণ ক্ৰতিকৰ বিধি-বৃত্তি নন্দি সত্তু প্ৰৱৰ্ত্তিকা ষঠ গোতমস্য সংখ্যানি ষষ্ঠান্ নবিংশতি আক্ৰোস্য ভট্টবাগীশো গাৰ্গ্যগোত্ৰ দ্বিজোত্তৰ পুৰ'পৰায় ভূপায় মুহুঃ কুৰ্য্যাৎ নিৱেদনং এতাৱৎ দান নিৰক্ষাণি পূৰ্ব্বকাল সৰ্ব্বদা।"[৬]

অলপতে তেজপুৰ-চান্দমাৰীৰ শ্ৰীযুত প্ৰতুল ভট্টাচাৰ্য দেৱৰ ঘৰত মহাৰাজ ৰুদ্ৰসিংহৰ আজ্ঞাত দিহিঙ্গালয়ৰ ৰবৰুৱাই ১৬২৩ শকৰ আষাঢ় মাহত এইজনা ভট্টা-চাৰ্যলৈ আগৰঢোৱা মানুহ দানৰ তামৰ ফলি চোৱাৰ সুবিধা পাইছে[২]। ফলিখনৰ জোখ ৩৫ চেঃ মিঃ × ১৮ চেঃ মিঃ। ফলিৰ এফালে এঘাৰ শাৰীৰ অসমীয়া লেখা, ওলোটা ফালে অসমাক্ষৰ—ছয় শাৰীত খোদিত। ফলিৰ অসমীয়া পাঠ এনে ধৰণৰ :

(১) ৺৭ বিবুধ বৃন্দ বন্দ্য শ্ৰীগোবিন্দ পদাৰবিন্দ মকৰন্দ মধুব্ৰত শ্ৰী শ্ৰীমত্ স্বৰ্গ নাৰায়ণদেৱ (২) ৰুদ্ৰ-সিংহ মহী মহেন্দ্ৰেন কলিয়া ৰবিয়া ভট্টাচাৰ্য্যায় প্ৰদত্ত মনুস্যানাং দিহিঙ্গালয় বৃহ (৩) ধ্বড্ড্ৰাকমাজ্ঞাপ্যকাৰি তেষাং তাম্ৰী লিপি ৰ্ব্বিৰজতে। (৪) [ ওপৰৰপৰা তললৈ, প্ৰথম স্তম্ভ ] ব্ৰাহ্মণ/ বঙ্গাই ১ পোৱা- ভায়েক-ৰাম ১ হৰিচৰণ ১ টেঙাৰ ১ ৰামপতি ১ খাৰখোৱা ১ শক ১৬২৩ মাস আসাঢ় (৪) [ওপৰৰপৰা তললৈ, দ্বিতীয় স্তম্ভ] শূদ্ৰ মানিক ১ অচিন্তানন্দ ১ হৰিধন ১ কলাই নট ১ নেৰায়ণ ১ (৪) [ওপৰৰপৰা তললৈ, তৃতীয় স্তম্ভ] পটিয়া মোহন ১ জয়ৰাম ১ বলো ১ জগতা ১ বিজয় ১ টাঙিৰিয়া ১ (৪) [ ওপৰৰপৰা তললৈ, চতুৰ্থ স্তম্ভ ] বকুল বাঢ়ৈ ১ বলাই ১ দীঘলাকোঠৰ জগন্নাথ ১ হৰিচৰণ ১ নিঝৰি খাতৰ কুমাৰকলিতা কোহো ১

## নন্দিকেশ্বৰ দেৱালয়লৈ প্ৰদত্ত গণক ভাণ্ডাৰী বৰুৱা আৰু গুৱাল বৰুৱাৰ তামৰ ফলি

( শক ১৬৪৫ )

জামুগুৰি অঞ্চলৰ নন্দিকেশ্বৰ দেৱালয়লৈ স্বৰ্গদেৱ শিৱ-সিংহ মহাৰাজৰ আজ্ঞাত গণক ভাণ্ডাৰী বৰুৱা আৰু গুৱাল বৰুৱাই বাগীশ ভট্টাচাৰ্য ওৰফে আক্ৰোহী ভট্টাচাৰ্যৰ পুত্ৰ ৰঘুনন্দন বিদ্যানিবাসক ৰবঠাকুৰ পদত থাপি প্ৰদান কৰা তামৰ ফলি এখন ( জোখ ১২ চেঃ মিঃ × ২৩ চেঃ মিঃ ) এতিয়াও উপৰোক্ত দেৱা-লয়ৰ ৰবঠাকুৰ শ্ৰীযুত প্ৰভাত চন্দ্ৰ ভট্টাচাৰ্যৰ হাতত আছে।[৭] দুয়োপিঠিত অসমীয়া লিপিত খোদিত ফলিখনৰ পাঠ এনেকুৱা—

প্ৰথম পিঠি

৺৭ ১৬৪৫ সকৰ আষাঢ় মাসত শ্ৰীশ্ৰীশিৱ সিংহ মহাৰাজাৰ আজ্ঞায়ে গণক ভাণ্ডাৰী বড়ুৱা এ গুৱাল বড়ুৱা এ নন্দিকেশ্বৰৰ পুৰণি পদবস্তু ভাঙ্গি নকৈ গঢ়াই দিএ ৰঘুনন্দন বিদ্যানিবাসৰ হাতত

| | | | |
|---|---|---|---|
| সোণৰ | জোখা | ৰূপৰ | তামৰ |
| খুৰি ১টি | ১॥ তোলা | জোখাত | ঝৰা-১টি |
| ৰূপৰ | | তামি ১ খন ১১ তোলা | ছড়িয়া-১ |
| ছটিয়ালি ১ | ২২।. | কমণ্ডলু ১ ,, ॥ | ছটিয়ালি-১ |
| | | | কোশা-১ |

আগৰ নাভাঙ্গি ৰাখিছে



দ্বিতীয় পিঠি

| | | |
|---|---|---|
| তামি-২ | ক'চৰ | আৰু পুঃ চুৰামণি ৰা° |
| অৰ্ঘা-১ | কাহি-১ | পঃ গোধামৰা |
| কলহ-১ | ঘণ্টা-১ | উঃ গৰিয়াআলি |
| পিতলৰ | কছাৰি সৰাই-১ | দঃ কাৰঘলি ৰা° |
| কলহ-২ | টউ-১ | এই হদ কৰি মাটি মানুহ |
| ৰটা-১ | লোৰ গছা-২ | পূজনাৰ্থে ৰঘুনন্দনক ৰবঠাকুৰ পাতি দিলে। |

## চণ্ডিকা দেৱালয়ৰ শিলৰ ফলি

( শক ১৬৪৭ )

কামৰূপ জিলাৰ ছয়গাঁও কিংবদন্তীৰ চম্পক নগৰ। চণ্ডিকা চম্পক নগৰীৰ প্ৰখ্যাত দেৱালয়। এই দেৱা-লয়ৰ নিৰ্মাণ অথবা পুনৰ্নিৰ্মাণ কৰ্ম যে আহোম নৃপতি শিৱসিংহৰ দিনত সমাধা হৈছিল, তাৰ প্ৰমাণ বৰ্তমান দেৱালয়ত সংৰক্ষিত শৈল লেখখনি। শিলৰ ফলিখনৰ জোখ ২৮ চেঃ মিঃ × ৬০ চেঃ মিঃ। লিপি-খনৰ চাৰিওফালে লতা এডালৰ সুন্দৰ অলঙ্কৰণ। মুঠ চৈধ্য শাৰীত লিখা ফলিখনৰ আখৰবোৰ গোটা গোটা আৰু তুলি লিখা (Written in high relief) যদিও প্ৰাকৃতিক দুৰ্যোগত অধিকাংশ আখৰেই উঠি গ'ল। সৌভাগ্যবশতঃ ফলি প্ৰদানৰ শক আৰু বিগ্ৰহৰ নামটি অক্ষত অৱস্থাত আছে। ফলিখনৰ অসম্পূৰ্ণ পাঠ এনে ধৰণৰ :

১) ৺৭ স্বস্তি x প্ৰোতুঙ্গ সঙ্গ x x স্বৰাৰি
২) সংহাৰ সত্তৰ তৰ প্ৰ x x খৰ নখৰ x x চণ্ড
৩) x চণ্ডিকা চাৰু চৰ নৈ শ্ব x x নিজা সপ
৪) দ প্ৰজা তাম্ৰ x x বি x দোৰ্দ্দণ্ড প্ৰ x
৫) x শুভ্ৰ x x x জিদৰৰ প্ৰবৰক x x
৬) x বণী x x নিয়শোনি x ৰ্য্য
৭) অভিৰাম সুধা x x ন ত্ৰাম x fx x
৮) ৰধা ৰাম x x x x স্বৰ্গ x
৯) ৰ শিৱসিংহ নৰেন্দ্ৰ x x x
১০) সমায় মহিত সৰ x x x শ্ৰি তা খিল নি
১১) পঙ্ক পঙ্কধৰ লোধৰ x স্বৰ্গ x x x ৰে
১২) ৰ কন ত্ৰয়ৰে x জানি নত x শ্ৰীশ্ৰীম নি
১৩) ৰ্য্য শোভন ভৱ x নথি x ন
১৪) স ৰসেন্দু শাকে ১৬৭৭॥ x x

## ৰামধন পূজাৰীৰ যৰক্ষাৰ বিক্ৰয়ৰ তামৰ ফলি

( শক ১৬৫০ )

নলবাৰীৰ 'পূৰ্বভাৰতী'য়ে সংগ্ৰহ কৰা স্বৰ্গদেৱ শিৱ-সিংহ মহাৰজাৰ দিনৰ এই তামৰ ফলিখন একপিঠিত লিখা আৰু মুঠ শাৰীৰ সংখ্যা হ'ল ১৫। দীঘে দীঘে ফলিখন ফটাত ইয়াৰ ভালেকেইটি শব্দ পাঠৰ অযোগ্য হৈ পৰিছে[৮]। ফলিৰ পাঠ এনে ধৰণৰ :

শ্ৰীশ্ৰীভৃঙ্গীশ্বৰ

১) স্বস্তি নিজ ভুজ বিক্ৰমাক্ৰান্ত নৃপাল জাল
২) মহীধৰ ধীৰ ক্ষীৰ হিণ্ডীৰ যশোনিকৰ প
৩) য়োনিধি গম্ভীৰ শ্ৰীশ্ৰী স্বৰ্গনাৰায়ণ শিৱসিং
৪) হ নৃপস্তম্মহিষী বৃহদ্ৰাষ্ট্ৰ ফুলেশ্বৰী দেব্যাদ্
৫) কমল মধুকৰ স্থিত পৰম ধাৰ্ম্মিক শ্ৰীযুত দ্বি
৬) হি জিয়া বৃহৎফুকনেন দত্ত তাম্ৰ পত্ৰিকেয়ং।
৭) ৺ কামৰূপ দেশৰ বড়ুৱা ৰৰকায়স্থ ও চৌধাৰি
৮) পাটো য়াড়ি ও তালুকদাৰ ঠাকুৰিয়া আদো সকলে
৯) সাৱধানে জানিব ৺ৰ পূজাৰি ৰামধন ব্ৰহ্মণক
১০) যৱক্ষাৰ বিক্ৰয়াৰ্থে সুদিয়াৰ এ ডণ্ডা ৰিক
১১) সাড়াক এই সকলক হাট ফাট চকি মাটি ও গ
১২) য়বহ সৱাতে ৺পূন্যাৰ্থে আদানি কৰি দিয়া হৈল
১৩) ব্ৰাহ্মণৰ ক x x x ধৰিব নাপাই
১৪) x ধৰ্ম্ম x জে অন্যথা কৰে সি সৰ্ব্বতো ভ্ৰষ্ট
১৫) হৈবেক। ইতি সক ১৬৫০ জেষ্ঠ॥ তাৰিখ x

৬ হংসধৰ ভট্টাচাৰ্যই বসৰাজ বেজবৰুৱা সম্পাদিত 'বাঁহী'ৰ চতুৰ্থ বছৰৰ নৱম সংখ্যাত লিখা বাগীশ ভট্টাচাৰ্যৰ জীৱন-বৃত্তত ফলিৰ এই পাঠাংশ বহুতো ভুলেৰে প্ৰকাশ কৰে।

৭ দেৱালয়ৰ বহল বিৱৰণিৰ কাৰণে সাপ্তাহিক 'মহাজাতি'ত ( ১৩শ বছৰ, ১৭শ সংখ্যা ) প্ৰকাশিত আমাৰ 'নন্দিকেশ্বৰ দেৱালয়ৰ বিষয়ে আৰু নতুন কথা' শীৰ্ষক প্ৰবন্ধ দ্ৰষ্টব্য।

৮ পূৰ্বভাৰতীৰ সচিব অধ্যাপক শশী শৰ্মাৰ সৌজন্যত। এই ফলিখনক 'পূৰ্বভাৰতী'য়ে 'বংশৰৰ ফলি'ৰূপে চিনাক্ত কৰিছে।

## ভৱদেৱ চক্ৰৱৰ্ত্তীৰ তাম্ৰৰ ফলি

( শক ১৬৬২ )

"ভৱদেৱৰ পূৰ্বপুৰুষ বিশ্বনাথ সিদ্ধান্ত বিদ্যাবাগীশ বাস কৰিছিল কামৰূপৰ হেলচাত। পিতৃদেৱ ধৰাধৰৰ গুণ-বিদ্যা-বুদ্ধি যি ৰূপ আছিল, তেওঁবো সেই ৰূপেই। বিদ্যা-প্ৰতিভাত মুগ্ধ হৈ গদাধৰসিংহ স্বৰ্গদেৱে এওঁক কামৰূপত ৪ বিহি মাটি তাম্ৰৰ ফলি কৰি দান কৰে। ...১৬০৫ শকত গদাধৰসিংহই ভৱদেৱ চক্ৰৱৰ্ত্তীক যি ব্ৰহ্মোত্তৰ মাটি দান কৰি তাম্ৰৰ ফলি দিছিল, সেই ফলি নষ্ট হোৱাত শিৱসিংহ স্বৰ্গদেৱৰ আজ্ঞাৰে তৰুণ দুৱৰা বৰফুকনে ১৬৬২ শকত নতুন কৰি কৰাই দিয়ে।"[৯] নতুনকৈ দিয়া ফলিখনৰ জোখ ১৩ চে: মি: × ২৮ চে: মি:। এপিঠিত লিখা ফলিখনৰ শাৰী-সংখ্যা হ'ল ২৫। কিছুদিনৰ আগলৈকে ফলিখন টিহুৰ ওচৰৰ কমাৰকুছিৰ বনমালী চক্ৰৱৰ্ত্তীৰ ঘৰত আছিল। এতিয়া 'পূৰ্বভাৰতী'ত সংৰক্ষিত। ইয়াৰে পাঠ এটি শ্ৰীযুত বেণুধৰ শৰ্মা ডাঙৰীয়াই প্ৰকাশ কৰিছিল।[১০] মূল ফলিৰ পাঠ এনে ধৰণৰ :—[১১]

শ্ৰীৰাম ১) ওঁ স্বস্তি নৃপতি কৰ শিৰোমণি মণ্ডিত পা
২) দাৰ বিন্দ মহাৰাজাধিৰাজ স্বৰ্গদেৱ ৩) গদাধৰ
সিংহ প্ৰাগদত্ত ব্ৰহ্মোত্তৰস্য ৪) মহী মহেন্দ্ৰ শ্ৰী শ্ৰী
শিৱসিংহ পদাজ্ঞ ৫) মধুব্ৰত পৰমোদাৰ শ্ৰীমত্ তৰুণ
৬) দুৱৰা বৃহৎ ফুকনেন দত্তা জীৰ্ণ পত্ৰস্য প্ৰমা
৭) ণ তাম্ৰ পত্ৰিকেয়ং ॥

৮) কামৰূপ দেশৰ বড়ুৱা বৰকায়স্থ ও চৌধাৰি ৯)
ও পাটোয়াৰি ও তালুকদাৰ ঠাকুৰিয়া আনো ১০)
সকলে সাৱধানে জানিৰ নাম বৰভাগ পৰগ
১১) ণাৰ কমাৰকুচি গ্ৰামৰ অজ জঙ্গলা বাড়ি পকা
১২) আদনিহি অজ জঙ্গলা পকা ৪ চাৰি বিহিৰ জ
১৩) মি (।) ইহাৰ হদ পূৰ্ব্বে সন্ধলিৰ বাঁহ পশ্চিমে
ধূ ১৪) লাৰ ভজাজলাৰ জান উত্তৰে পুখুৰি আৰ
পিট ১৫) দক্ষিণে ভেস বাড়ি এহি চতুৰ্হদে উ ১৬)
কত ও ঘৰ সহিতে ভৱদেৱ চক্ৰৱৰ্ত্তিক সোল্ল শ পা
১৭) চ সকত পূৰ্ব্বে ৺ সিংহ চাৰ কৰি ব্ৰহ্মোত্তৰ দি
১৮) চিল সেই পত্ৰ জিৰ্ণ হৈল কাৰণ তাম্ৰ পত্ৰিকা
ক ১৯) ৰি দিয়া গৈল ৺ আসিৰ্ব্বাদ কৰি পুত্ৰ পো
২০) ত্ৰাদি ক্ৰমে ভোগ্য কৰিবেক [।] ইহাৰ কৰ
কাটল পদ প ২১) ৰুক বেঠ বেগাৰ চোৰ চিনালা
ধুমুসি মাড়েসা জলকৰ ২২) জৰক্কাৰ চকি হাট ঘাট
২৩) দান মুত দণ্ড বন্ধ সৰ্ব্বৰাৰ পৰিত্যাগ ২৪)
হৈল। ইতি শক ১৬৬২ তাৰিখ ২১ ২৫) ভাদ্ৰ মাস।

## বৈদ্য বিশাৰদ ৰামাচাৰ্য উপাধ্যায়ৰ তাম্ৰৰ ফলি

( শক ১৬৭১ )

কামৰূপ দেশৰ হুয়োকূলৰ বিভিন্ন দ'ল-দেৱালয়, নগাঁৱৰ শিলঘাট আৰু কলিয়াবৰৰ শক্তিপীঠৰ উপৰি দৰং দেশৰ দক্ষিণপাট সত্ৰলৈকে দেৱোত্তৰ-ব্ৰহ্মোত্তৰ জমী আগবঢ়াই দিয়া শিল আৰু তাম্ৰৰ যি কেইখন স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনৰ ফলিয়ে 'প্ৰাচ্যশাসনাৱলী'ত স্থান পাইছে, সেই আটাইকেইখনেই নৃপতিজনাৰ স্বহস্ত প্ৰদত্ত নহয়— "প্ৰমত্ত সিংহ নৃপজন্ম্যা" "শ্ৰীমৎ তৰুণ দুৱৰা বৃহৎ ফুকনেন" আগবঢ়োৱাহে। স্বৰ্গদেৱ শিৱসিংহৰ দিনৰেপৰা ৰাজেশ্বৰসিংহ মহাৰাজাৰ দিনলৈকে সুদীৰ্ঘ এৰৈছ বছৰ কাল বৰফুকনৰ খিতাপ খোৱা বিজয় বৰফুকনৰ পুত্ৰ ডেকাজনা ওৰফে গদাধৰ তৰুণ দুৱৰাই ফলিত "তৰুণ দুৱৰা বৃহৎ ফুকন" নাম পাইছে। বৰ্তমানলৈকে স্বৰ্গদেৱ প্ৰমত্তসিংহই নিজে আগবঢ়োৱা তাম্ৰৰ ফলি এখন সংৰক্ষিত হৈছে—

৯ বেণুধৰ শৰ্মা— 'গদাধৰ সিংহৰ ব্ৰহ্মোত্তৰ দান,' ৰামধেনু, ২হাগ, ১৮৮৮ শক, পিঠি ৪৯-৫০।
১০ বেণুধৰ শৰ্মা— উক্ত প্ৰবন্ধ।
১১ সচিব শ্ৰীযুত শশী শৰ্মাৰ সৌজন্যত ফলিৰ পাঠ লোৱা হৈছে।



উত্তৰ কামৰূপৰ মাধিবাহা গাঁৱৰ প্ৰখ্যাত 'ডেকা খেৰ ঘৰ' ওৰফে ভট্টাচাৰ্য পৰিয়ালত এই ফলিখনৰ নকল কামৰূপৰ মহাফেজখানাৰ মহজৰ বহীৰ (১৩২ নং) উপৰি বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সংৰক্ষিত শিল আৰু তাম্ৰৰ ফলিৰ নকল-বহীতো [পিঠি ১৫০] আছে, আৰু অসম সাহিত্য সভাৰ ত্ৰিচত্বাৰিংশ টিহু অধিৱেশনৰ স্মৃতি-গ্ৰন্থৰ যোগেদি ইয়াৰ আলোকচিত্ৰ প্ৰকাশ পাইছে।

এপিঠিত মুঠ বাৰ শাৰীত লিখা ফলিখনিৰ সেঁফালৰ ৰাজকীয় মোহৰত চাৰি শাৰীৰ লেখাত আছে— "শ্ৰী শ্ৰী মদ মহেশ্বৰো জয়তি শ্ৰীশ্ৰী স্বৰ্গ নাৰায়ণদেৱ প্ৰমত্ত সিংহ নৃপাণাং"। লেখাৰ ঠিক তলতে সিংহছাপ। মূল ফলিৰ পাঠ এনে ধৰণৰ :- ১] ৺৭ স্বস্তি স্ফুৰত কান্তি জিতস্মৰ শ্ৰীপ্ৰমত্ত সিংহো নৃপতি মহোজা:। সৌমাৰ পীঠা সমৰাজ কল্প শ্ৰীশ্ৰী স্বৰ্গ নাৰায়ণ দেৱ ধ ২] ৰ্য ॥ নৃপতি মুকুট কোটি শ্যাম ৰাতুল দিয়াল বিলসিত পদ পদ্মো নীতি ৰত্নৈক সিন্ধুঃ। ক্ষিতিতল সুৰশাখা কাশংম [৩] জল কীৰ্তি অক্ষয় সময়নিৰ সুত কাণ্ড চণ্ড প্ৰতাপঃ। ধাৰ্ম্মিকোঽসৌ নৃপঃ শ্ৰীমান সমদত্ত পত্ৰিকামিদং। ৪) দ্বিজয়াস্মিন কামৰূপে ব্ৰহ্ম বৃত্তি প্ৰদায়িনীং। কামৰূপ দেশৰ বড়ুৱা ও বড় কায়স্থ ও চৌধাৰি ৫) ও পাটোৱাৰি ও তালুকদাৰ ও ঠাকুৰিয়া আনো সকলে সাৱধানে জানিব থাত্তা পৰগণাৰ গমাবিম্ ৬) ৰি তালুকৰ দিপৰ গ্ৰামৰ জঙ্গলাজমী ৩২ পুড়া বাড়ি মাটি ৮ পুড়া ৰামাচাৰ্য্য উপাধ্যা এক আৰু ৭) নাম বড়ভাগ পৰগণাৰ সুৰাদি তালুকৰ টোকাগ্ৰামৰ জঙ্গলজমী ৩০ পুড়া বাড়ি মাটি ৪ পুড়া ৮) বজালি পৰগণাৰ ভোজকুচি গ্ৰামৰ জমী সমেত পাইক ১ টা বৈদ্য বিশাৰদ ব্ৰাহ্মণক ৯) ৺ৰ পুণ্যাৰ্থে ব্ৰহ্মোত্তৰ কৰি দিলে। পুত্ৰ পৌত্ৰাদিক্ৰমে ভোগকৰি ৺ৰ কুশল চিন্তি থাকিব। ১০) ই ঘৰ কৰ কাটল পদ পক্ক বেঠ বেগাৰ জলকৰ জৰক্কাৰ চোৰ চিনাল ধুমুচি মাৰেসা ৰাজ দণ্ডাইৰা ১১) তিৰেক সৰ্ব্ব কৰ পৰিত্যাগ হৈল। ইয়াত যদি কোনোজনে অন্যথা কৰে দণ্ডাই হবেক পাইক গিৰিজায়। ১২) ভোজকুচি গ্ৰামৰ ১ ক্ৰোসা। ১ ঘৰ ৰাতুলা। ১ ঘৰ চেটিয়া। ১ কেওঁট। ১ এক তলখনা বেজ। শক ১৬৭১ মাস ফাগুণ ॥[১২]

## শ্ৰীযজ্ঞেশ্বৰ সদাশিৱ দেৱালয়ৰ তাম্ৰৰ ফলি

( শক ১৬৮১ )

বিশ্বনাথৰ প্ৰায় ছয় কিলোমিটাৰ উত্তৰে থকা শ্ৰীযজ্ঞেশ্বৰ সদাশিৱৰ দেৱালয়লৈ স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ মহাৰাজে আগবঢ়োৱা তাম্ৰৰ ফলিখন এতিয়া বিশ্বনাথৰ ব্যক্তিবিশেষৰ ঘৰত সংৰক্ষিত হৈছে। ফলিখনৰ জোখ ৩৪ চে: মি: × ১৬ চে: মি:। দুয়ো পিঠিত লিখা ফলিখনৰ এপিঠিত এঘাৰ শাৰীৰ অসমীয়া লেখা, আৰু আন পিঠিত ন শাৰীত টাইলিপি। ফলিখনৰ পাঠ 'প্ৰাচ্য-শাসনাৱলী'ত সন্নিবিষ্ট হোৱা নাই যদিও সৰ্বানন্দ ৰাজকুমাৰ ডাঙৰীয়াই 'মণিদীপ'ৰ পঞ্চম বছৰৰ তৃতীয় সংখ্যাত 'এখনি তাম্ৰৰ ফলি' শীৰ্ষক প্ৰবন্ধত ইয়াৰ সবিশেষ দিছে। ফলিৰ পাঠ এনেদৰে আছে—

(১) স্বস্তি শ্ৰীযৰ ভূ স্বৰাৰ্চ্চন মনা দানাৱলী নিৰ্জ্জিত্য: শাখীসু য শশ্বতাং বণিতলঃ প্ৰোদ্দামিদো বিক্ৰম:। অস্তা (২) স্ত্ৰা শ্ৰিত নীতিকো দিনকৰ প্ৰথৰ প্ৰতাপোজ্জ্বলঃ শ্ৰীৰাজেশ্বৰ ভূ পৰিহৰঃ সুৱাম সন্তানজ:। অয়ং ধৰ্ম্মৰ (৩) তো ব্ৰহ্ম নিয়োগ বৃত্তি ৰক্ষিণীং। তাম্ৰস্য পত্ৰিকা মেতাং সমদাদগ্ৰজন্মনে। চন্দ্ৰষ্টবস ভূ শাকে ১৬৮১ (৪) এতত প্ৰপক্ক: শ্ৰী৺ ৰে কাকতি

১২ ফলিখনৰ ঐতিহাসিক গুৰুত্বৰ সবিশেষ চতুৰ্দশ বৰ্ষ দ্বিতীয় সংখ্যা 'মহাজাতি'ত প্ৰকাশিত 'প্ৰমত্তসিংহ প্ৰদত্ত এখনি তাম্ৰৰ ফলি' শীৰ্ষক প্ৰবন্ধত পাব।

ৰমানাথক মুখ্য কৰি ভাত্ৰক ৰাম হৰি ভক্তিজাক নাৰায়ণ এই ব্ৰাহ্মণ ঘৰক (৫) গাংগত বোৰত্তি মাটি ১০ পুৰা দি বিশ্বনাথ ক্ষেত্ৰৰ শ্ৰীজজ্ঞেশ্বৰ সদাশিবৰ পূজা কৰ্ম্মত পুত্ৰ পৌত্ৰাদিক্ৰমে (৬) নিয়োজন কৰিবলৈ আৰু কাকতি ৰমানাথক ব্ৰহ্মোত্তৰ কৰি বোৰত্তি মাটি ৫০ পুৰা বেবেজিয়া মানুহ (৭) ১৫ পোৱা দিলে। মাটি গাংগত ৩০ পু° ঢেকিয়াল গাঞ্জত ৮ পু° বিহালিত বহতিয়াৰ কোথত ১২ পু°। মানুহ (৮) কলিতা নিৰ্ম্মলৰ ১ জয়। ভোলাই। কেওট কল্কিৰ ২। কেথাইৰ ১। ৰামহৰি। চেংগাই। (৯) কোচ পানিৰৰ। ধোবা কহাৰ ১ আকে ব্ৰাহ্মনে পুত্ৰ পৌত্ৰাদি ক্ৰমে উপভোগ কৰি ও ৺ক (১০) আশীৰ্ব্বাদ কৰি থাকিব। সৰোজ্জ বৰ্য্যাঃ সময়াচ ভৈদং ভবিষ্যত্তো ভূমিপতী নত্তীব। পুণ্যোৎপত্তি ব্ৰহ্ম (১১) নিয়োগবৃত্তি ভবন্তিবেত্তে পৰিলক্ষণীয়ে। এতদৰ্থ-বিজ্ঞাপক মাচামাক্ষমেতত পৰপৃষ্ঠে ॥

## নীলাচল পাহাৰৰ বৰদেউৰীৰ তাম্ৰৰ ফলি

(শক ১৬৮৬)

স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ দিনৰ বহুসংখ্যক শিল্প আৰু তাম্ৰৰ ফলিৰ পাঠ ড° সূৰ্যকুমাৰ ভূঞা ডাঙৰীয়াৰ 'মহাৰাজ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ' গ্ৰন্থৰ উপৰি 'প্ৰাচ্য-শাসনাৱলী'ত সন্নিবিষ্ট হৈছে। আজি কিছু দিনৰ আগেয়ে অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে উপৰোক্ত দুয়োখন প্ৰামাণিক গ্ৰন্থত অন্তৰ্ভুক্ত নোহোৱা তাম্ৰৰ ফলি এখন কামাখ্যাৰপৰা সংগ্ৰহ কৰি আনে। ফলিখন দুয়ো পিঠিত লিখা— এপিঠিত অসমীয়া আৰু আন পিঠিত টাই লিপি। অসমীয়া লিপিখনত শাৰীৰ সংখ্যা ২৩। ফলিখনৰ কেইটামান আখৰ উঠি যোৱাত পাঠৰ অযোগ্য হৈ পৰিছে।[১৩] কামৰূপৰ দক্ষিণ কূলৰ পৰগণা আৰু বিভিন্ন গ্ৰামৰ উল্লিখনে ফলিখনৰ গুৰুত্ব বঢ়াইছে। ইয়াৰ পাঠ এনে ধৰণৰ :

১] ৺৭ স্বস্তি শ্ৰীজিত কন্দৰ্প দৰ্পানল্প গুণালয়ঃ শ্ৰীৰাজেশ্বৰ সিংহাখ্যঃ স্বৰ্গনাৰায়ণ নৃপঃ। নৰপাত্ত-কুল মৌলি ভ্ৰাজমানাঙ্ঘ্ৰি পাঠ তকৰ ২] ৰ বন্ধুঃ শত্ৰুগজাৰ্ণৱেন্দু ॥ শশধৰ হৰ হীৰ ক্ষীৰ হিণ্ডীৰ কীৰ্ত্তি স্নিগ্ধ ভুজ যুগ তেজো নিৰ্জ্জিতা ৰাত্ৰি ৰ গ'ঃ ॥ কীৰ্ত্তি পালন তাম্ৰীয় পত্ৰীকেয়ম্ম মদীয় ৩] তাং দ্বিজাদ্যাং কামৰূপস্য তদ্বিপ্ৰভয় নাশিনী ॥ কামৰূপ দেশৰ ৰকৱা ও ৰৰকায়স্থ ও চৌধাৰী ও পাটোৱাৰি ও তালুকদাৰ ও ঠাকুৰিয়া ও গয় ৪] ৰহ সকলে সাৱধানে জানিব ৰৰৰঙ্গেশৰ পৰগণাৰ ৰৰগোগ গ্ৰামৰ ৰোপিত জমি পকা ১ বিহি বড়ি ৰাৰি ৮ পুৰা ৰঙ্গেশৰ পূৰে তিনি খু ৫] টিয়া শিল ৰৰ নিজৰা পশ্চিমে দেও দুৱাৰৰ ভূক্তি উত্তৰে আলিগুৰৰ ভূক্তি দখিণে কাটনি পাৰাৰ ভূক্তি আৰে ভিতৰত পৰ্ব্বত ১ খন নী ৬] লাচলৰ ৰৰদেউৰি হৰিনাথ ব্ৰাহ্মণক ৺ৰ ৰৰজনা কৰাই ৺ৰে পুণ্যাৰ্থে ব্ৰহ্মোত্তৰ কৰি পুত্ৰ পৌত্ৰাদিক্ৰমে ভোগ কৰিবৰ নিমিত্তে ৭] দিয়া এই মাটি পৰ্ব্বতৰ আৰু ৰৰৰঙ্গেশৰ মৃং ৰৰগোগ গ্ৰামৰ ৰোপিত জমি পকা ২ বিহি বড়ি ৰাৰি ৪ পুৰা দলনি পথাৰ (।) পশ্চিম পাৰৰ ৮] কুমাৰ পাড়া গ্ৰামৰ ৰোপিত জমি পং ২ বিহি বড়ি ৰাৰি ৮ পু° বেলতলাৰ দুৱাৰ ৰঙ্কু গ্ৰামৰ ৰোপিত জমি পুং ২ বিহ বড়ি ৰা ৯] বি ১৬ পুৰা ওদাল-ৰাকৰা গ্ৰামৰ ৰোপত্ত জমি পুং ১ বিহি বাড় ৰাৰি ১০ পু° (।) পূৰ পাৰ পুং দুভিয়া বঙ্গৰা গ্ৰামৰ পূৰে বঙ্গস্বয়া ১০] মেধিৰ পুৰণি ৰাৰি পচিমে চোনদা দখিনে নীলাচলিয়া ৰাম্ভণৰ সীমা উত্তৰে গাচ ৰাৰি— এই চতুৰ্দ্দাৰিচ্ছিন্ন হাৰি মা ১১] টি বড়ি ১ বি° মাড়ে গ্ৰামৰ ৰো° জমি পকা ১ বি° বড়ি ৰাৰি ২০ পু° চা লোত্তা গ্ৰামৰ ৰো° জমি ১২ পু° বড়ি ৰাৰি

১৩ মূল ফলি আৰু ফলিৰ আলোক চিত্ৰ পৰীক্ষা কৰিবলৈ দি বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ অধিকৰ্তা আৰু শ্ৰীযুত হেমৰথ বৰ্মণ বৰ্তমান সংগ্ৰাহকৰ কৃতজ্ঞতাৰ ভাগী হৈছে।



৮ পুৰা চকদ ১২] ৰ প° গোটানগৰ গ্ৰামৰ ৰো° জমি ১২ পু° বড়ি ৰাৰি ৫ পু° ৰমাৰ গ্ৰামৰ পৰ্ব্বত ১ খন ৰো° জমি পকা ১ বি° বড়ি ৰাৰি ১৩] ৮ পু° চয়-নিয়া পুং মনি স্বৰি গ্ৰামৰ ৰো° জমি পকা ২ বি° বড়ি ৰাৰি ২০ পু° ॥ মানুহ চমৰিয়া পং ২ পাইক ক্ষেত্ৰি ১৪] পং ২ পাইক বড় সিকং ১ পাইক চয়-নিয়া পং ১দ পোৱা ৰৰৰঙ্গেশৰ প° শালৰ গ্ৰামৰ গৌ ৰাম টো গোলে বেটা ॥ ১৫] পো° ভেদাটো°। পো° পোটয়াটো° মোঘা ভাই ॥ পো° পু° পাৰ পং আঠগ্ৰামৰ ৰায় কৃষ্ণ কো° চানাপত্তি ॥ পো° ১৬] গোবিন্দ পুৰ গ্ৰামৰ ভকত ধূলি সীং বিকা ভাই ॥ পো° মদনা কো°। পো° সক ৰঙ্গেশৰ প° গদ্ধিয়াদি গ্ৰামৰ সকধনৰ দুই ভা ১৭] ই ॥ পো° হৰিধনৰ ৰামনাৰায়ণ ভাই ॥ পো° অভয় কো°। পো° ৰঙ্গেশৰৰ নিজৰ দেশৰ গ্ৰামৰ আদা কৈ° আনন্দৰাই ॥ পো° টোটয় ১৮] কৈ° ॥ পো° হৰগোবি কৈ:। পো° ৰঙ্গেশ্বৰৰ সক ৰঙ্গেশৰ পুং নিজ ৰঙ্গেশৰ গ্ৰামৰ হৰি কৈ অমৃত ভাই ॥ পো° গ ××× দিয়াৰ কোচপাৰা ১৯] গ্ৰামৰ ৰূপৰাই অঙ্গদ ভাই ॥ পো° নীলাচলৰ ৰৰদেউৰি ধনেশ্বৰক পুণ্যাৰ্থে ব্ৰহ্মোত্তৰ কৰি দিয়া এই মাটি পৰ্ব্বত মানুহৰ আৰু ধনেশ্বৰৰ ২০] ××××। ধনেশ্বৰৰ পুত্তেক ৰগেশ্বৰ হৰদত্তক ৺ৰে এই তাম্ৰৰ ফলি কৰি দিলে। এই দুই ব্ৰাহ্মণে পুত্ৰ পৌত্ৰাদি ক্ৰমে ভোগ ২১] কৰি ৺ৰক আশিৰ্ব্বাদ কৰি থাকিব। ইহাৰ কৰ কাটল পদ পঞ্চক বেঠ বেগাৰ জলকৰ জৰক্ষাৰ চোৰ চিনলা ধুমুসি মাৰেছা ২২] হাট ঘাট চকি ফাট দান খুত ৰাজদণ্ডাৰ্হ ব্যতিৰেক সৰ্ব্বৰাৰ পৰি-ত্যাগ হৈল। ইহাত যদি কোনোজনে অন্যথা কৰে দণ্ডাৰ্হ হবেক। ইতি শক ১৬৮৬ ২৩] মাস ১২ শ্ৰাৱণ ॥ এতদৰ্থ বিজ্ঞাপক মা শামাক্ষৰ মেতৎ পৃষ্ঠে ॥

সিংহ ছাপৰ ওপৰৰ ৰাজকীয় মোহৰৰ লেখা : শ্ৰী শ্ৰী স্বৰ্গ নাৰায়ণ দেৱ ৰাজেশ্বৰ সিংহ নৰেশ্বৰাণাং ॥

## হৰিদেৱ পন্থী ৰণিয়াকুছি সত্ৰৰ তাম্ৰৰ ফলি

(শক ১৬৯২)

আহোম স্বৰ্গদেৱ চুনোওফা ওৰফে লক্ষ্মীসিংহৰ ৰাজ-ভোগ সময়ৰ লেখেৰে মাত্ৰ এঘাৰ বছৰ হ'লেও ঐতিহাসিক ঘটনা সংঘটনৰ ফালৰপৰা তেওঁৰ ৰাজত্বকাল বিশেষ তাৎপৰ্যপূৰ্ণ। ৰাজনীতিৰ কপট পাশাখেল খেলাৰ লগতে এইজনা স্বৰ্গদেৱে বিভিন্ন সংস্কৃতি-মূলক কাৰ্য সম্পাদনতো আত্মনিয়োগ কৰাৰ নিকা নিদৰ্শন হ'ল—বিভিন্ন দেৱধাম আৰু সত্ৰানুষ্ঠানলৈ আগবঢ়োৱা দেৱোত্তৰ, ব্ৰহ্মোত্তৰ আৰু ধৰ্মোত্তৰ ভূমিসমেত পাইক দানৰ ফলিসমূহ। ড° নেওগ দেৱে "প্ৰাচ্য-শাসনাৱলী'ত এইজনা নৃপতিৰ ৰাজত্ব-কালত প্ৰদান কৰা ন খনি তাম্ৰলেখৰ পাঠ দিছে যদিও এতিয়াও বহুসংখ্যক তাম্ৰৰ ফলিয়ে প্ৰকাশৰ মুখ দেখা নাই। অপ্ৰকাশিত আলোচিত তাম্ৰৰ ফলি খন কামৰূপ জিলাৰ নলবাৰী মহকুমাৰ টিহু মৌজাৰ নতুন ৰণিয়াকুছি সত্ৰৰ শ্ৰীযুত শৰৎ চন্দ্ৰ দেৱগোস্বামী দেৱৰ ঘৰত সংগৃহীত হৈছে। টিহুৰ ১নং নাথকুছি গাঁৱৰ শিক্ষাবিদ শ্ৰীযুত দামোদৰ গোস্বামী দেৱৰ সৌজন্যত ছাপ আৰু পাঠ প্ৰাপ্ত এই ফলিখন হৰি-দেৱ পন্থী ৰণিয়াকুছি সত্ৰৰ জয় দেৱক লক্ষ্মীসিংহ স্বৰ্গদেৱে তেওঁৰ ৰাজত্বৰ দ্বিতীয় বৰ্ষত প্ৰদান কৰে। ফলিখনৰ জোখ ৪৭ চে: মি: × ১৭ চে: মি:। অসমীয়া হৰফত লিখা ফলিৰ এফালে ওঠৰ শাৰীৰ লেখা আৰু অপৰ পিঠিত 'অসমাক্ষৰেণ লিখিতং' ছয় শাৰীৰ টাইলিপি উৎকীৰ্ণ হৈছে। ঘৰ-পোৱা জুইত ফলিখনৰ কিছু অংশ, যাইকৈ অসমীয়া লিপিৰ অষ্টাদশ শাৰীৰ একাধিক অক্ষৰ ক্ষয়প্ৰাপ্ত হোৱাটো মন কৰিবলগীয়া। ফলিখনত একাধিক সংক্ষিপ্ত ৰূপৰ প্ৰয়োগ আৰু বানান-বিভ্ৰাট সহজে চকুত পৰে। ফলিৰ পাঠ এনে ধৰণৰ :

শিৰোলেখ = শ্ৰীৰাম ।।

১) স্বস্তি শ্ৰীযুত কামাখ্যা পদ পদ্ম মধুব্ৰত: । শ্ৰী লক্ষ্মী সিংহ ভূপাল পুৰন্দৰ কুলোদ্ভৱঃ । ৰিপু ন্ৃপ কুল মত্ত ২) শ্ৰেনি বিন্যস্ত মস্ত হ্যমনি সমমণি শ্ৰীস্মেৰ পদাৰবিন্দ: (।) হিমকৰ কৰ কীৰ্ত্তি: কাম সংকাষ মূৰ্ত্তিঃ সুনয় নি ৩) চয় তল্লো দত্তি কল্পদ্ৰুম কল্প: (।।) অসৌ ধৰ্ম্মৰত: পাদাত্ত্ কামৰূপ নিৱাসিনে ইদং তাম্ৰময়ং পত্ৰং দ্বিজয়ে বৃত্তি ৰক্ষণীং । ৪) কামৰূপ দেসৰ বড়ুয়া ও বৰকায়স্থ ও চৌধাৰি ও পাটোয়াৰি তালুকদাৰ ঠাকুৰিয়া আৰা স ৫) কলে সাৱধানে জানিবেক সকক্ষেত্ৰি পৰগনাৰ লখুপুৰ তালুকৰ বনিয়া-কুচি বড় আমৰী খো ৬) য়া হুয়ো গ্ৰামৰ উৰাৰ ভিনি গুনিৰ দৰে ১৯ পুৰা ফৰিজ্জতি মাটী আৰে হদ পুৰে ৰ্ক ৭) কৰিয়া ডৰাৰ পশ্বিম কন্ধা দখিনে খোয়ামাৰি ডোবা পশ্বিমে বগৰিখোয়া জান উ ৮) ত্তৰে বড়ুয়া বন্ধা আলি বজালি পৰগনাৰ বাহিৰখাতা তালুকড় বড়াৰা গ্ৰামৰ অজ জঙ্গলা মাটিৰ হদ প্ূৰে চপাগুৰি ৯) ৰ আলি অ'াহুতৰ গচ পশ্বিমে বৌ মাৰি বিলৰ পশ্বিম পাৰ দক্ষিনে পাকৰি গুৰিৰ ডৰা উত্তৰে ৰাজ-গনকৰ ১০) বাৰিৰ উত্তৰ কন্ধাৰ হিদল গচ আৰু ৰৌমাৰি বিল ১ খন (।) উত্তৰ পাৰ তালুকড় পিপিলা গ্ৰামৰ ৰোপিত মাটি ১২ প্ূৰা তা ১১) ৰে হদ পুৰে দত্তয়াকুৰৰ জান পশ্বিমে জান উত্তৰে দৰা গো সায় আৰু ভকত নিৰ্ম্মলাকং ১ ১২) সীং । পোয়া প্ুন্ন্যা কং ১ সিং । পোয়া সুকমলা কং ১ সিং ।। পোয়া তিনি কৰিয়া কৈং ১ সিং । পোয়া কলিয়া কং ১ সিং ।। ১৩) পোয়া বিষ্ণয়া কেং ১ সীং । পোয়া কলিয়া কং ১ সিং । পোয়া ধনবড় কং ১ সীং । পোয়া গেন্ধা কৈং ১ সীং । পোয়া পৰৰা কৈং ১৪) ১ সিং । পোয়া কৈল্যানাফং ১ সীং ।। পোয়া নিধিয়া ফুং ১ সীং ।। পোয়া দয়ালাচং ১ সীং । পোয়া বাস্পতি চং ১ সীং । পোয়া ভাটলু ১৫) হাৰি ১ সীং । পোয়া কিনামিনাত্তং ১ সীং ।। পোয়া সুচা ১৬ ষোল গীৰি ৫ ।। পোয়া এই মাটি মানুহ ৺ স্বৰ্গ দেৱৰ পৃ ১৬) ত্বে হৰিদেউ পন্থৰ বনিয়াকুচি সত্ৰৰ জয়দেউ মহাজনক ধৰ্ম্মৰ তলে দিয়া গ'ল । প্ুত্ৰ পৌত্ৰাদিক্ৰমে শ্ৰৱণ কিৰ্ত্তন ধৰ্ম্ম প্ৰৱৰ্ত্তা ১৭) ই পৰম সুখে ভোগ কৰি থাকিবেক । ইহাৰ কৰ কাণ্ডল পদ পঞ্চক ৰেঠ বেগাৰ চোৰ চিনলা ধুমুসি মাৰেসা ১৮) জলকৰ জৰক্কাৰ চকি হাট ঘাট ফাট সৰ্ব্ব বাৰ মাফ × × দিব ২২ মাঘ × ×

সে'া ফালৰ সিংহ-ছাপৰ ওপৰৰ ৰাজকীয় মোহৰৰ লেখা—

শ্ৰী শ্ৰীল ল্মী সিংহন ৰে ধৰানাং

০ ০ ০


## টলষ্টয়

বিশ্ববিশ্ৰুত ৰুছ ঔপন্যাসিক আৰু চিন্তাবিদ লিও টলণ্টয়ৰ জীৱন আৰু প্ৰতিভাৰ পৰিচয়-জ্ঞাপক গ্ৰন্থ । এই মহান লেখকজনৰ শৈশৱৰপৰা জীৱনৰ শেষ দিনবোৰলৈকে সকলো সংবাদ যেনেকৈ গ্ৰন্থখনে দিছে, তেনেকৈ তেওঁৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ স্বৰূপটোও গ্ৰন্থখনত সুন্দৰকৈ প্ৰতিফলিত হৈছে । অসম সাহিত্য সভাৰদ্বাৰা প্ৰকাশিত অধ্যাপক শ্ৰীশশী শৰ্মাৰ এই গ্ৰন্থখনে অসমীয়া ভাষাৰ এটি বহুদিনীয়া অভাৱ প্ূৰণ কৰিলে ।

প্ৰায় ১৩০ পৃষ্ঠাৰ গ্ৰন্থখনৰ মূল্য মাত্ৰ ৬·০০ টকা ।


# ঘিণাই বৰফুকনৰ গীত

শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা

বৰফুকনৰ গীত ড° ৺ সূৰ্যকুমাৰ ভূঞা ডাঙৰীয়াই ১৯২৫ চনত প্ৰথমে সম্পাদন কৰি প্ৰকাশ কৰে । এই গীত তেখেতে উত্তৰ লক্ষীমপুৰ চহৰৰ ওচৰৰ এখন গাঁৱৰ এজন লোকৰ মুখত শুনিছিল, আৰু সেই মতেই প্ৰকাশ কৰিছিল। এই গীত খুব সম্ভৱ শিৱসাগৰ জিলাৰ যোৰহাট অঞ্চলত কোনো টুকৰীয়া কবিয়ে ৰচনা কৰি চাই চাই কোনো কোনো ডা-ডাঙৰীয়াৰ ঘৰত গাই শুনাইছিল ।

আমি সকতে যোৰহাট অঞ্চলৰ কেইবা ঠাইতো মাজে মাজে বৰফুকনৰ গীত গোৱা শুনিছিলো । আমি শুনা গীতৰ লগত এই সম্পাদিত গীতৰ কিছু অমিল দেখা যায় । বুৰঞ্জীবিদ শ্ৰীবেণুধৰ শৰ্মাদেৱৰ হাতত তেখেতে শুনি লিখি থোৱা বৰফুকনৰ গীতৰ কিছু অংশ আছে বুলি গম পাইছো । কিন্তু মই জনাত তেখেতে সেইখিনি ক'তো প্ৰকাশ কৰা নাই । স্কুলীয়া অৱস্থাত এই সংগ্ৰহ-কাৰ্যৰ গুৰুত্ব অনুভৱ কৰা নাছিলো । যেতিয়া জনা-বুজা হলো, তেতিয়া এই গীত গাব জনা মানুহ বিচাৰি পোৱা নগ'ল । আমি আশা কৰো, যদি কোনোৱে এই গীত সম্পূৰ্ণকৈ বা আংশিকভাৱে পাইছে, সেইবিলাক সংগ্ৰহ কৰি বৰফুকনৰ গীতৰ এটা নতুন সংস্কৰণ উলিওৱা কামত সহায় কৰিব ।

বৰফুকনৰ ঘটনাৰ স্থলী যোৰহাট, আৰু সেই অঞ্চলৰ কোনো গাঁৱলীয়া কবিয়ে এই গীত ৰচনা কৰাটো স্বাভাৱিক । তাৰপৰা ক্ৰমে ক্ৰমে মুখ বাগৰি ঠায়ে ঠায়ে বিয়পি পৰিল । উত্তৰ লক্ষীমপুৰ অঞ্চলত কেনেকৈ এই গীত ওলালগৈ, সিও ভাবিবলগীয়া । খুব সম্ভৱ শিৱসাগৰ জিলাৰপৰা উত্তৰ পাৰলৈ উঠি যোৱা কোনো লোকৰ মুখত এই গীত লুইত পাৰ হ'বলৈ পালে ।

বুৰঞ্জীবিদ শ্ৰদ্ধেয় ড° সূৰ্যকুমাৰ ভূঞাদেৱে এই গীত সংগ্ৰহ, সম্পাদন আৰু প্ৰকাশ কৰি আমাৰ সাহিত্য-সমাজক ঋণী কৰি থৈছে । এই গীতৰ নতুন সংস্কৰণ এটা নোলাবও পাৰে । কিন্তু আমাৰ আশা যে অসম সাহিত্য সভাৰ শাখাসমূহৰ যোগেদি বৰফুকনৰ গীত আৰু আন তেনে গীত সংগৃহীত হ'ব ।

অসমীয়া সাহিত্যৰ বুৰঞ্জীত এই গীত একক বস্তু । লোকগীতৰ ভিতৰত বুৰঞ্জীৰ বিখ্যাত লোকসকলৰ বিষয়ে কিছুমান গীত আছে ; কিন্তু এতিয়ালৈকে জনাত সংখ্যাত সৰহ নহয় । সেই গীতবোৰত সমসাময়িক ৰাজনৈতিক আৰু সামাজিক বুৰঞ্জী আৰু লগতে বৰ্ণিত পুৰুষজনাৰ চৰিত্ৰও ধৰা থাকে । বৰফুকনৰ গীত এই শ্ৰেণীৰ প্ৰতিনিধিমূলক গীত । বৰাগী বা টুকৰীয়াই বাদ্য-যন্ত্ৰৰ লগত এই গীত গাইছিল । সেই কাৰণে সাধাৰণ ছন্দ-বিশ্লেষণৰ ৰীতিৰে ইয়াৰ ছন্দৰ কথা বুজিব নোৱাৰি । ইয়াৰ

ভাষা সৰ্বসাধাৰণৰ ভাষা, উপমা থকৰা ।

বৰফুকনৰ হত্যা আৰু এই গীতৰ ৰচনাৰ মাজত অন্ততঃ দুকুৰি-ডেৰকুৰি বছৰৰ ব্যৱধান হ'ব লাগিব । পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ সমৰ্থক দলৰ প্ৰভাৱ চলি থকা সময়ত এনে গীত ৰচনাৰ পৰিবেশ হ'ব পাৰে বুলি মনে নধৰে । ভূঞাদেৱৰ সংস্কৰণ মতে গীতৰ শেষত বৃটিছৰ ৰাজত্বক সম্বৰ্ধনা জনোৱা হৈছে । অৱশ্যে এই অংশ বৃটিছৰ অনুগ্ৰহ-প্ৰাৰ্থী কোনো গায়কৰ সংযোজনো হ'ব পাৰে । সি যি হওক, বৃটিছৰ ৰাজত্ব অলপ দৃঢ় হোৱাৰ সময়ত এই গীত ৰচনা কৰা সম্ভৱ ।

বৰফুকনৰ গীত আহোম ৰাজত্ব আৰু আধুনিক অসমীয়া সাহিত্যৰ মাজৰ সংক্ৰান্তি যুগৰ এক বিশেষ ৰচনা । এই যুগটো বিদেশী প্ৰভাৱৰ যুগ আৰু মানবিকবাদী যুগ বুলিব পাৰি । ইংৰাজী সাহিত্যৰ ৰমাণ্টিক কবিসকলৰ বাহিৰেও পুৰণি-নতুন বহুত কবিৰ প্ৰভাৱ এই কালৰ সাহিত্য-কাব্যত লীন হৈ আছে । যিসকলে আধুনিক যুগক 'ৰমাণ্টিক্' যুগ বুলি সুখ পায়, তেখেতসকলৰ মতে বিচাৰ কৰিবলৈ হ'লে বৰফুকনৰ গীতত পূৰ্ব যুগৰ সাহিত্যৰ আদৰ্শৰপৰা ফালৰি কাটি অহা ৰমাণ্টিক্ সাহিত্যৰ লক্ষণ বিদ্যমান । বৈষ্ণৱ যুগৰ পদ-পয়াৰ, দুলড়ী-লেচাৰিৰ ব্যৱহাৰ ইয়াত নাই । ইয়াৰ বিষয়-বস্তু ৰাজনৈতিক ঘটনা, চৰিত্ৰ চকুৰ আগত দেখি থকা তেজ-মঙহৰ মানুহ । বৈষ্ণৱ কবিতাৰ আৰম্ভণিত বিষ্ণু-কৃষ্ণৰ বন্দনা; আন দেৱী-দেউৰ উল্লেখ নাই । বৰফুকনৰ গীতত জয়ে জয়ে আই সংচণ্ডি দেৱী পাৰেৰতীলৈ সেৱা আৰু মাননী । নীলাচলৰ কামাখ্যা মাতৃকো কবিয়ে সেৱা এটি জনাই লৈহে যিগাই বৰফুকনৰ গীত জুৰিছে । মোৱামৰীয়া বিদ্ৰোহত দেশ ৰক্ষা কৰা পিতৃ বুঢ়াগোহাঁইক এই গীতত নৰকী । কবিৰ সহানুভূতি মান অনা বদনৰ ফালৈ ঢাল লৈছে । অসমীয়া সাহিত্যৰ আধুনিক যুগৰ প্ৰথম ৰচনা বুলিও ইয়াক ধৰিলে দোষ নাই ।

মণিৰাম দেৱানৰ গীতৰ লগত ইয়াৰ সাদৃশ্যও লক্ষ্য কৰিবলগীয়া । দুয়োটা গীতৰ ৰচক একেজনেই হ'বও পাৰে । এইবোৰ গীতৰ প্ৰেৰণাতেই বেজবৰুৱা আৰু আগৰৱালাই পাছৰ কালত 'বৰাগী আৰু বীণ' আৰু 'বীণ-বৰাগী' ৰচনা কৰে । আগৰৱালাৰ কবিতাত ওৱাল্টাৰ স্কটৰ, বেজবৰুৱাৰ মিত্ৰা-কবিতাত ওৱাৰ্ড্‌ছৱাৰ্থ আৰু কালিদাসৰ প্ৰতিধ্বনি শুনি । বীণৰ ব্যৱহাৰ অসমীয়া বৰাগী ককায়ে কৰা যেন নালাগে । অসমীয়া বৰাগীৰ টোকাৰীহে । এই দুই গীত অসমীয়া কাব্যৰ ইতিহাসত কাব্য-সঙ্গীতৰ মিলনৰ শেষ দৃষ্টান্ত । স্কটে ক'বৰ দৰে "soft is the note and sad the lay"— অৰ্থাৎ কোমল কবিতাৰ আধাৰত বিষাদ-কাহিনীৰ মিলনৰ উদাহৰণ দিবলৈ ইয়াৰ পিছত আৰু নাই ।

০ ০ ০

# স্বনাম-ধন্য কালিৰাম মেধি

শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা

বৃটিছ আমোল আৰম্ভ হোৱাৰ লগে লগে যেতিয়া তেওঁবিলাকৰ শাসন প্ৰৱৰ্তিত হ'ল, সেই সময়ত চৰকাৰী চাকৰি কৰিবলৈ প্ৰায়বিলাক বিভাগতে বঙালী বিষয়া নিয়োগ কৰা হ'ল । তেওঁবিলাকৰ কথা মতেই বৃটিছ শাসকসকলে বঙলা ভাষাকে অসমীয়াৰ মাতৃ-ভাষা বুলি ধৰি ললে । চৰকাৰী কাম-কাজ আৰু পঢ়াশালিবিলাকত বঙলা ভাষা চলাবলৈ ধৰিলে । প্ৰাণতকৈও প্ৰিয় মাতৃ-ভাষা এনেদৰে বিলুপ্ত হোৱাৰ আশঙ্কাত স্বদেশ-প্ৰেমিক সাহিত্যিকসকলৰ মনত বিদ্ৰোহৰ জুই জ্বলিল । অসমীয়া ভাষাৰ স্বকীয়া অস্তিত্ব প্ৰমাণ কৰিবলৈ হেমচন্দ্ৰ বৰুৱাই অভিধান, ব্যাকৰণ আৰু পাঠ্যপুথি প্ৰণয়ন কৰিলে । অৰুনোদই কাকতে চকু মোকলালে । লগে লগে যাদুৰাম ডেকা বৰুৱা, গুণাভিৰাম, লম্বোদৰ বৰা আদি এচাম লোকৰ লেখনীয়ে নতুন নতুন প্ৰেৰণা যোগালে । ইং ১৮৭২ চনৰপৰা অসমীয়া ভাষা এটা স্বকীয়া ভাষা বুলি বৃটিছ চৰকাৰ পতিয়ন গ'ল আৰু চৰকাৰী কামকাজ, পঢ়াশালি আদিত অসমীয়া ভাষাই ঠাই পালে । ঊনবিংশ শতিকাৰ শেষৰ তিনি দশকত জন্ম হোৱা ভালেমান সাহিত্যিকৰ প্ৰাণত অদম্য উৎসাহ জন্মিল । অসমীয়া সাহিত্যৰ ঐশ্বৰ্য বাঢ়ি আৰু ভাষাৰ নিজ ৰূপ প্ৰকাশ কৰিবলৈ প্ৰত্যেকজনৰ সাহিত্য-উদ্যম অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীত লিপিবদ্ধ হ'ল । সুদূৰ কলিকতা মহানগৰীত 'জোনাকী'ৰ জন্ম হ'ল । অসমীয়া ভাষাৰ নিজস্ব ৰূপ অসমীয়া ভাষা-বিৰোধীসকলক দেখুৱাবলৈ শ্বেক্সপীয়েৰৰ 'কমেডি অৱ্ এৰৰ্‌ছ'ৰ অনুবাদ 'ভ্ৰমৰঙ্গ'ৰ অভিনয় কৰা হ'ল । চেনেহী মাতৃ-ভাষাৰ প্ৰেমত লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেম গোস্বামীকে ধৰি চিৰ-বৰেণ্য সাহিত্যিকসকল উদ্বুদ্ধ হ'ল ।

জোনাকীয়ে দেখুৱাই দিয়া বাটেদি ইজনৰ পাছত সিজনকৈ আদি পৰ্যায়ত যিসকল সাহিত্যিকে অসমীয়া ভাষা-মন্দিৰৰ ভেটি স্থাপন কৰিলে, যিসকল আজি আমাৰ মানত দেৱতা স্বৰূপ হৈ আছে, সেইসকলৰ মাজতে আছিল এজন স্বনামধন্য মহান ভাষা-প্ৰেমিক কালিৰাম মেধি । নামৰ আগে-পিছে একো বিশেষণ নলগোৱাকৈ যিজন অকল পিতৃ-দত্ত নাম 'কালিৰাম মেধি' হৈয়েই আমাৰ মাজত আজিও জীয়াই আছে আৰু আগলৈও থাকিব, সেইজন মহান চিন্তা-নায়ক, সাহিত্যিক, ভাষাতত্ত্ব-ব্যাকৰণৰ পণ্ডিত । তেখেতৰ জন্ম-শতবাৰ্ষিকীত আজি আমি নিজ নিজ শক্তি অনুসৰি আমাৰ শ্ৰদ্ধাৰ শৰাই আগবঢ়াইছোঁ । অন্তৰভৰা কৃতজ্ঞতাৰে তেখেতৰ পবিত্ৰ স্মৃতিত তেখেতৰ অশৰীৰী ব্যক্তিত্বলৈ এটি প্ৰণিপাত জনাইছোঁ । আজি-কালি নবীন লেখকসকলক কোনো কাকত-পত্ৰই প্ৰবন্ধ-পাতি লিখিবলৈ অনুৰোধ কৰিলে তেওঁবিলাকে উত্তৰ দিয়ে : "মোৰ সময় নাই ।" কালিৰাম মেধি ডাঙৰীয়া অসম চৰকাৰৰ এজন প্ৰশাসনীয় বিষয়া

আছিল। বাল্যকুৰি চৰকাৰী কামত দিনৰ মান দিনটো ব্যস্ত হৈ থাকি ভাষাতত্ত্ব আৰু ব্যাকৰণৰ দৰে গ্ৰন্থ গভীৰ অধ্যয়ন কৰি ৰচনা কৰিবলৈ সময় কেনেকৈ পাইছিল ? চৰকাৰী বিষয়া হিচাপেও তেখেতৰ কাম-কাজ পাতলৰা বিধৰ নাছিল। গধুৰ দায়িত্বপূৰ্ণ সকলো কাম নিয়াৰিকৈ কৰিব পৰা বাবেই বৃটিছ ওপৰৱালাৰ দৃষ্টিত তেখেত এজন নিজস্ব শাসন-ক্ষমতা থকা দৈপণত বিষয়া বুলি পৰিচিত। তেখেতৰ কৰ্ম-কুশলতা, ভদ্ৰ আচৰণ আৰু ব্যক্তিত্বৰ স্বীকৃতি স্বৰূপ বৃটিছ চৰকাৰে 'ৰায়বাহাদুৰ' খিতাপো দিছিল। কিন্তু তেখেতে তাৰ বাবে একো গৌৰৱ বোধ কৰা নাছিল। তেখেতৰ জীৱনৰ কাৰ্যাৱলী পৰ্যালোচনা কৰি চালে আৰু তেখেতৰ লেখা পঢ়িলেও বুজিব পাৰি— তেখেত এজন গুণী আৰু জ্ঞানী সৎ লোক আছিল ; গীতাত কোৱা দৰে কোনো প্ৰকাৰৰ আকাংক্ষা নথকা, নিৰহংকাৰ আৰু বিনয়ী পুৰুষ আছিল। এই মহৎ গুণৰাশি তেখেতে বাল্যকালৰে-পৰা এটা সাত্বিক পৰিবেশত লাভ কৰিছিল। বৰপেটা সত্ৰৰ শাখা বামদিহাৰ বৰবিবাদী সত্ৰৰ মেধি-পৰিয়ালত জন্ম লৈ বাল্যকালৰেপৰা মহাপুৰুষীয়া সংস্কৃতিৰ পৱিত্ৰ পৰিবেশত আমাৰ ঐতিহ্য-পৰম্পৰাৰ প্ৰতি তেখেত সজাগ হৈ আছিছিল।

মহাপুৰুষ শঙ্কৰদেৱৰ অমৰ নাট্য-প্ৰতিভাই তেখেতক আকৰ্ষণ কৰা বাবেই তেখেতে আটাইকেউখন নাট গোটাই 'অঙ্কাৱলী' প্ৰকাশ কৰিছিল। অসমীয়া ভাষাৰ নিজস্ব বৈশিষ্ট্য ৰক্ষা কৰিবৰ উদ্দেশ্যে ভাষা-তত্ত্ব আৰু ব্যাকৰণ ৰচনা কৰিলে।

মেধি ডাঙৰীয়াৰ দৰে চৰকাৰী উচ্চ বিষয়া হৈও হেম-চন্দ্ৰ গোস্বামীয়ে সাত খণ্ডত সম্পূৰ্ণ কৰি 'অসমীয়া সাহিত্যৰ চানেকি' প্ৰণয়ন কৰি কলিকতা বিশ্ববিদ্যালয়ৰ যোগে প্ৰকাশ কৰায়। ইয়াৰ উদ্দেশ্যও অসমীয়া ভাষা-সাহিত্যৰ সম্পদৰাজি জগতক দেখুউৱা। আনন্দৰাম বৰুৱাই এখন জিলাৰ দায়িত্ব লৈ চিভিল ছাৰ্ভিচ কৰিও নিচেই চমু জীৱন এটাত যাউতিযুগীয়া পাণ্ডিত্যৰ পৰিচয় সংস্কৃত অভিধান, মহাবীৰ চৰিত্ৰ, সৰস্বতী কণ্ঠাভৰণম্ আদি সংস্কৃত সাহিত্য কেনেকৈ কোন সময়ত লিখিলে,— এই কথা আজিৰ নবীন লেখকসকলে ভাবি চাবৰ সময় হ'ল। কেইখনমান উপন্যাস আৰু গল্পৰ পুথিৰেই অসমীয়া সাহিত্য চহকী কৰিব নোৱাৰি। এতিয়াও গৱেষণা কৰিবলৈ বহুত বাকী আছে। তাৰ উপৰি তেওঁ-বিলাকে আমাৰ পূৰ্ববৰ্তী সাহিত্যৰথীসকলৰ আহিৰে অসমীয়া ভাষা সৰল-সহজ কৰিবলৈ মন দিবৰ হ'ল। বৰ্তমান এনে এটা অসমীয়া ভাষা সৃষ্টি হ'ব লাগিছে, যিটো আগলৈ এটা মিশ্ৰিত ভাষা হোৱাৰ সম্ভাবনা আছে।

প্ৰকাশন পৰিষদে মেধি ডাঙৰীয়াৰ শতবাৰ্ষিকীৰ শ্ৰদ্ধাৰ্ঘ্য স্বৰূপে 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' গ্ৰন্থখনি সুন্দৰকৈ উলিয়ালে। সেইটো এটা প্ৰশংসনীয় কাম হ'ল।

শ্ৰদ্ধাৰ্ঘ্য

এটি নাম— কালিৰাম মেধি
স্বৰ্ণাক্ষৰে লিখি থোৱা হিয়াৰ ফলিত,
জন্ম-শতবাৰ্ষিকীত পুষ্পাঞ্জলি দান
ইয়াকেই শ্ৰদ্ধাৰে কৰিলোঁ প্ৰদান ॥

০ ০ ০

# মহাকবি ডাণ্টেৰ সাহিত্যত বিয়েট্ৰিছৰ দাৰ্শনিক তাৎপৰ্য

শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য

মহাকবি ডাণ্টেৰ সাহিত্যত বিয়েট্ৰিছে এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। এই মনোৰম চৰিত্ৰৰ সুষমা, গাম্ভীৰ্য আৰু মৃদুতাই যুগে যুগে সকলো সাহিত্য-প্ৰেমীকে আকৰ্ষণ কৰিছে। ডাণ্টেৰ সাহিত্যৰ এই মূল চৰিত্ৰটোৰ দাৰ্শনিক তাৎপৰ্যই মহকবিৰ কাব্যিক অৱস্থানটো স্ফটিকৰ দৰে উজ্জ্বল কৰি ৰাখিছে।

১২৬৫ খ্ৰীষ্টাব্দত উত্তৰ ইটালীৰ ফ্লোৰেন্স নগৰীত ডাণ্টে এলিঘিয়েৰিয়ে জন্ম গ্ৰহণ কৰে। তেওঁৰ পৰিয়ালটো মধ্যবিত্ত শ্ৰেণীৰ আছিল। বাল্যকালত তেওঁ সেই যুগৰ সকলো উচ্চ শিক্ষা লাভ কৰিছিল। প্ৰকৃততে সেই সময়ত ফ্লোৰেন্স নগৰী শিক্ষা, সাহিত্য, চাৰুকলা, সংস্কৃতি সকলো বিষয়তে অতি আগবঢ়া আছিল। তৰুণ যুৱক ডাণ্টেই এৰিষ্টোটল, প্লেটো, টোলেমি, ভাৰ্জিল, ষ্টেটিয়াছ, বনাভেন্টুৰা, চেণ্ট্‌ টমাছ একুইনাছ আদি কবি-সাহিত্যিক আৰু দাৰ্শনিক সকলৰ কিতাপ পঢ়াৰ উপৰিও সেই যুগৰ সকলো উচ্চ শিক্ষা, তত্ত্ব আৰু তথ্য, জ্যোতিৰ্বিদ্যা আৰু কবিতা আদিৰ বা-বতাহৰ মাজেৰে নিজৰ বৌদ্ধিক জীৱন গঢ়ি তুলিছিল। তেওঁৰ যৌৱন-কালৰ পণ্ডিত শিক্ষকজন হ'ল ব্ৰুনেটো লেটিনি।

ডাঙৰ হ'লত তেওঁ ৰাজকীয় বিষয়ো ভোগ কৰিছিল। তেওঁৰ যেতিয়া বয়স ৩৫ বছৰ, তেতিয়া ১৩০০ খ্ৰীষ্টাব্দত ফ্লোৰেন্স নগৰীৰ ছজন উচ্চ বিচাৰক-শাসকৰ ভিতৰত তেওঁ এজন হৈছিল। এবাৰ তেওঁ ৰোম নগৰীৰ পোপৰ ওচৰলৈ ৰাষ্ট্ৰদূত হৈয়ো গৈছিল।

সেই কালত ইটালীত কোনো এটা কেন্দ্ৰীয় চৰকাৰ নাছিল। দেশৰ বিভিন্ন অঞ্চল বিভিন্ন নগৰ-ৰাষ্ট্ৰ কিছুমানত বিভক্ত আছিল। তেওঁৰ জন্ম-নগৰী ফ্লোৰেন্সো এনে এখন নগৰ-ৰাষ্ট্ৰহে আছিল। নৱ-জাগৰণৰ ঢৌৰ মৃদু খলকনি দূৰত শুনাৰ সময়ত এই কালত বেহা-বেপাৰ আদিৰ জৰিয়তে ভেনিচ, ফ্লোৰেন্স, জেনোৱা আদি নগৰ-ৰাষ্ট্ৰবোৰৰ প্ৰতি-পত্তি ক্ৰমে বাঢ়ি গৈছিল, আৰু সেইবোৰত শিক্ষা-দীক্ষা, চাৰু-কলা শিল্প, চিত্ৰ-ভাস্কৰ্য, দৰ্শন-ৰাজনীতি আদিৰো উন্নত, তত্ত্বমূলক চৰ্চা-গৱেষণা চলিছিল। মধ্যযুগ আৰু বৰ্তমান যুগৰ এনে এটা সজীৱ সন্ধি-ক্ষণত জন্ম গ্ৰহণ কৰি মেধাৱী আৰু চেতনা-চঞ্চল যুৱক ডাণ্টেই সেই যুগৰ সকলো উচ্চ আস্পদৰ লগত নিজক জড়িত কৰিব পাৰিছিল। নগৰ-ৰাষ্ট্ৰবোৰত ক্ৰমে অভ্যুদয় হোৱা ক্ষমতাশালী মধ্যবিত্ত বৌদ্ধিক শ্ৰেণীটো পোপৰ স্বেচ্ছাচাৰ আৰু দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বী হৈ উঠিছিল। এই দুই শক্তিৰ মাজত ক্ষমতা আৰু প্ৰতিপত্তিৰ বাবে ৰক্তাক্ত যুদ্ধও হৈছিল।

ডাণ্টেৰ জন্ম-নগৰী ফ্লোৰেন্সত এই কাজিয়াই দুটা বিবদমান দলৰ সৃষ্টি কৰিছিল। কিছুমানে ৰজাৰ সহায়ত পোপক দমন কৰিবলৈ বিচাৰিছিল, আৰু এওঁলোকক 'গুয়েল্‌ফ' বোলা হৈছিল। অন্য দলটোৱে মধ্যবিত্ত দলৰ প্ৰাধান্য স্থাপন কৰিবলৈ চেষ্টা কৰিছিল, আৰু এওঁলোকক 'ঘিবেলিন' আখ্যা দিয়া হৈছিল। গুয়েল্‌ফ আৰু ঘিবেলিন দল দুটাৰ মাজত ঘনাই দলত্যাগ আদিও হৈছিল। একেখন নগৰতে নাইবা একেটি চুবুৰীতে দুই ফৈদৰ প্ৰতিপত্তিশালী জমিদাৰবিলাক বাস কৰিছিল আৰু এওঁলোকৰ ভৱনবিলাক একোটা দুৰ্গত পৰিণত হৈ পৰিছিল। এওঁলোকৰ ভিতৰত হোৱা তীব্ৰ কাজিয়া, অত্যাচাৰ, প্ৰপীড়ন, নৰহত্যা, খণ্ডযুদ্ধ, প্ৰতিহিংসা— এইবোৰেই সমসাময়িক জীৱনৰ দস্তুৰ হৈ পৰিছিল। এজন লোকেই স্বাৰ্থৰ খাতিৰত বিভিন্ন সময়ত 'গুয়েল্‌ফ' বা 'ঘিবেলিন' হৈ পৰিছিল।

ডাণ্টে নিজে গুয়েল্‌ফ ফৈদত আছিল। এই ফৈদৰ হকে ১২৮৯ খ্ৰীষ্টাব্দত কেম্পাল ডিনো যুদ্ধ-ক্ষেত্ৰত ডাণ্টেই নিজেও যুদ্ধ কৰিছিল। কিন্তু পাছত এই ফৈদটো দুটা উপশাখাত বিভক্ত হ'ল : এটা শাখা 'শ্বেত গুয়েল্‌ফ', আৰু এওঁলোক অপেক্ষাকৃতভাৱে শান্ত; অন্য শাখাটো কৃষ্ণ গুয়েল্‌ফ', আৰু এই শাখাৰ লোকসকল উগ্ৰপন্থী। ৰাজকাৰ্যত ডাণ্টে ১৩০১ চনত ৰোমৰ পোপৰ ওচৰলৈ যাওঁতে তেওঁৰ পক্ষ অৰ্থাৎ শ্বেত গুয়েল্‌ফ ফৈদক পৰাস্ত কৰি কৃষ্ণ গুয়েল্‌ফ ফৈদে নগৰীৰ ক্ষমতা হস্তগত কৰিলে আৰু অন্য কেইজনমান লোকৰ লগতে ডাণ্টেকো কিবা অস্পষ্ট আৰু মনে-সজা দুৰ্নীতিৰ অপৰাধত ফ্লোৰেন্স নগৰীৰপৰা নিৰ্বাসিত কৰিলে। এই আদেশ অমান্য কৰি নগৰীত প্ৰবেশ কৰিলে তেওঁক জীয়াই জীয়াই পুৰি পেলোৱাৰ আদেশ হ'ল। ১৩০১ খ্ৰীষ্টাব্দৰপৰা ১৩২১ খ্ৰীষ্টাব্দত তেওঁৰ মৃত্যু হোৱা কাললৈকে জীৱনৰ শেষৰ কুৰি বছৰ কাল তেওঁ প্ৰিয় জন্মভূমি ফ্লোৰেন্স নগৰীৰপৰা নিৰ্বাসিত হৈ থাকি উত্তৰ ইটালীৰ টুস্কানী আৰু ৰোমাগ্নাৰ বিভিন্ন নগৰত অধৰী হৈ কষ্ট আৰু দাৰিদ্ৰ্যৰ মাজতে জীৱন কটালে। প্ৰিয় নগৰী ফ্লোৰেন্সলৈ উভতি আহিবলৈ এবাৰ তেওঁ সশস্ত্ৰ আক্ৰমণো কৰাইছিল। কিন্তু সেই চেষ্টা কৃতকাৰ্য নহ'ল। আবেগিক কষ্ট, দাৰ্শনিক চিন্তা, দাৰিদ্ৰ্য, সন্মান হানি—এইবোৰৰ পোটক তুলিবলৈ তেওঁ সাহিত্য সাধনাতে মন দিলে আৰু তাৰ মাজেৰে প্ৰাণৰ বেদনা প্ৰকাশ কৰি প্ৰতিষ্ঠা লাভ কৰিলে। ১৩২১ চনত ৰেভেনা নগৰীত তেওঁৰ মৃত্যু হয় ৫৬ বছৰ বয়সত। তেওঁৰ মৃত্যুৰ ২০ বছৰৰ ভিতৰতে অৱশ্যে ফ্লোৰেন্স নগৰীয়ে তেওঁক তাৰ শ্ৰেষ্ঠ সন্তান হিচাপে স্বীকাৰ কৰিলে। ৰেভেনা নগৰীত থকা তেওঁৰ দেহাৱশেষ পাছত ফ্লোৰেন্স নগৰীয়ে ওভতাই আনিবলৈ কৰা প্ৰস্তাৱ অৱশ্যে ৰেভেনাই মঞ্জুৰ নকৰিলে।

অধৰী জীৱন যাপন কৰা সময়ত তেওঁ পেৰিছ আদি নগৰলৈ গৈছিল। আনকি এই সময়ত তেওঁ অক্স-ফোৰ্ডলৈ যোৱা বুলিও কিছুমানে অনুমান কৰে।

ডাণ্টেৰ বয়স যেতিয়া মাত্ৰ ন বছৰ, তেতিয়া এদিন তেওঁ ফ্লোৰেন্স নগৰীৰ এজন ধনী নাগৰিকৰ কোমল বয়সৰ দুহিতা বিয়েট্ৰিছ পোৰ্টিনাৰিক দূৰৈৰপৰা দেখি-ছিল। ছোৱালীজনীৰ ৰূপ-লাৱণ্য, কমনীয়তা আৰু নিৰ্দোষ জ্যোতি দেখি তেওঁ প্ৰেমত পৰে। ইয়াৰ ন বছৰৰ পাছতহে বিয়েট্ৰিছে তেওঁৰ লগত পোন প্ৰথম বাৰৰ বাবে কথা কয়। বিয়েট্ৰিছে তেওঁৰ লগত কথা কোৱাৰ দিনৰেপৰা তেওঁ ''কবি' হৈ পৰিল।

কিন্তু গাভৰু হ'লত বিয়েট্ৰিছৰ ছিমন-ডি-বাৰ্ডি নামৰ অন্য এজন লোকৰ লগতহে বিয়া হ'ল। সেয়ে হ'লেও ডাণ্টেই দূৰৈৰপৰা মনতে বিয়েট্ৰিছক



পূজা কৰি থাকিল। অন্য দিনে ২৮ বছৰ বয়সত ডাণ্টেই নিজেও গেম্মা ডোনাটি নামৰ গাভৰু এগৰাকীক বিয়া কৰালে। এই বিয়াৰ ফল স্বৰূপে তেওঁ'ৰ দুজন ল'ৰা আৰু এজনী ছোৱালী জন্মিল। এই ছোৱালীৰ নাম বিয়েট্ৰিছ ৰখা হ'ল।

১২৯০ খ্ৰীষ্টাব্দত তেওঁক অনুপ্ৰাণিত কৰা ৰূপহী বিয়েট্ৰিছ প্লেগ ৰোগৰত পৰি অকালতে স্বৰ্গী হ'লত ডাণ্টেৰ মনত গভীৰ শোক জন্মিল। তেওঁ'ৰ স্মৃতি সম্বলিত ৩১ টা 'চনেট' আৰু 'কেনজনি' শ্ৰেণীৰ গীতিকবিতা লিখি তাৰ নাম 'ভাইটা ন'ভা' ('নতুন নাইবা যুৱা জীৱন') দি এই দুখ প্ৰকাশ কৰা হ'ল।

এই কবিতাত বিয়েট্ৰিছক এগৰাকী দয়াৱতী, করুণা-ময়ী স্বৰ্গীয় দূত হিচাপে কল্পনা কৰা হৈছে ; ডাণ্টেক আৰু সমষ্ট মানৱ জাতিক দিব্যজ্যোতি দিবৰ বাবে এয়া যেন স্বৰ্গীয় দূত।

কবিতাকেইটিক অৱশ্যে গদ্যৰ পটভূমিত সংযুক্ত কৰা হৈছে। তিনিটা শাখাত বিভক্ত এই কবিতা ৰাজিৰ প্ৰথম দহোটা কবিতাত বিয়েট্ৰিছৰ ৰূপ-লাৱণ্যই কবিজনাৰ মনত যি গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল, তাৰ বৰ্ণনা আছে। দ্বিতীয় শাখাৰ অন্য দহোটি কবিতাত বিয়েট্ৰিছৰ আত্মাৰ জ্যোতিয়ে কবিজনাৰ মনত যি নৈসৰ্গিক প্ৰভাৱ জন্মাইছিল, তাক কোৱা হৈছে। তৃতীয় শাখাত বিয়েট্ৰিছৰ অকাল পৰলোক-প্ৰাপ্তি আৰু কবিজনাৰ মনত থকা তেওঁ'ৰ স্মৃতিৰ কথা আছে। তৃতীয় শাখাৰ শেষৰ দিনে কবিজনাই বিয়েট্ৰিছক স্বৰ্গীয় প্ৰেমৰ প্ৰতীকত পৰিণত কৰিবলৈ আৰম্ভ কৰা পৰিলক্ষিত হয়। এই কবিতাৰ শেষৰ স্তৱকত ডাণ্টেই এটা ইংগিত দিলে— বিয়েট্ৰিছৰ বিষয়ে বেছি মৰ্যাদাৰে লিখিবলৈ সামৰ্থ্য আহৰণ নকৰা পৰ্যন্ত তেওঁ এই বিষয়ে লিখা স্থগিত ৰাখিব। তেওঁ আশা প্ৰকাশ কৰিলে যে প্ৰস্তুতিৰ পাছত তেওঁ বিয়েট্ৰিছৰ বিষয়ে এনে উচ্চ মনোৰম পৰ্যায়ৰ কথা লিখিব যে তেনে কথা কোনো নাৰীৰ বিষয়ে আগতে কোনোৱেই লিখা নাই। এই ইংগিতত তেওঁ'ৰ বিয়েট্ৰিছ বিষয়ৰ ধাৰণা সম্পৰ্কে কিছু পূৰ্বা-ভাস পোৱা যায়, আৰু হয়তো ইয়েই তেওঁ'ৰ অমৰ কবিতা 'ডিভাইন কমেডি'ৰ অস্পষ্ট পূৰ্ব সংকেত। সেই কালত কথিত ইটালীয় ভাষাত কোনো ভাল কিতাপ লিখা নহৈছিল। সুপ্ৰতিষ্ঠিত, উন্নত আৰু মৰ্যাদা-বিশিষ্ট লেটিন ভাষাতে সকলো উচ্চ সাহিত্য ৰচনা কৰা হৈছিল।

ডাণ্টেই পোনতে এই ৰীতি ভঙ্গ কৰি কথিত ইটালীয় ভাষাত সাহিত্য ৰচনা কৰিবলৈ সাৰোগত কৰিলে আৰু মাতৃ-ভাষাৰ হকে যুক্তি দাঙি ধৰি 'ডি ভাল-গাৰি ইলোকুৱেণ্টিয়া' নামৰ গ্ৰন্থ প্ৰণয়ন কৰিলে। ইয়াৰ পাছত মাতৃ-ভাষাতে 'কন ভাইটো' নামৰ পুস্তিকাত দৰ্শনৰ কথা কিছুমান সৰলভাৱে লিখি পাঠকৰ আগত দাঙি ধৰিলে। ইয়াৰ উপৰিও 'ডি মনাৰ্কি' নামৰ ৰাজনৈতিক গ্ৰন্থত ৰাজনৈতিক স্থৈৰ্যৰ কাৰণে উন্নত ৰাজতন্ত্ৰক সমৰ্থন কৰি লেটিন ভাষাত এখন গ্ৰন্থ প্ৰণয়ন কৰিলে।

কিন্তু তেওঁ'ৰ চেতনা-চঞ্চল কবি-প্ৰাণৰ খু-হুৱনিবোৰে মন ভাৰাক্ৰান্ত কৰি ৰাখিলে। নীৰ্জাত চলা দুৰ্নীতি, আত্মম্ভৰিতা, ৰাজনৈতিক দলবোৰৰ স্বাৰ্থপৰ যুঁজ-বাগৰ, দম্ভ, নিষ্ঠুৰতা, হিংসা, প্ৰতিশোধ পৰায়ণতা, নাগৰিকসকলৰ পাপ, অশান্তি, অস্থৈৰ্য, অতপালি, অধঃপতন, তেওঁৰ আশ্ৰয় দাতাসকলৰ প্ৰতি কৃতজ্ঞতা, বিয়েট্ৰিছৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম, মানৱ-জীৱনৰ ঘাত-প্ৰতিঘাত, কবি-প্ৰাণৰ তীব্ৰ অনুভূতি আৰু আক্ষেপ— এনে অসংখ্য শক্তিৰ সমাহাৰ স্বৰূপে তেওঁৰ

মনত 'ডিভাইন কমেডি'ৰ যোজনাই আকৃতি গ্ৰহণ কৰিলে।

এই অমৰ কবিতাটো এটা সপোন। সপোনত তেওঁ দেখিলে যে জীৱনৰ সোঁ-মাজতে তেওঁ পথ হেৰুৱাই গৈ এখন অন্ধকাৰ হাবিত সোমাল। উপত্যকাৰ অন্তত গৈ তেওঁ এখন পৰ্বতৰ নামনিত (=আধ্যাত্মিক জীৱন) উপনীত হ'ল। কিন্তু তেওঁ তাত উঠিবলৈ গৈ দেখিলে যে তাত এটা নাহৰফুটুকী বাঘ বাট বন্ধ কৰি ৰহি আছে। তেওঁৰ মনত ভয় লাগিল। তেতিয়া অৱশ্যে ক্ৰমে ৰাতি পুৱাব ধৰিলে আৰু পূবৰ পিনে সূৰ্যৰ পোহৰ ওলোৱাৰ উপক্ৰম হ'ল। পোহৰৰ আগমনত তেওঁৰ মনত কিছু সাহস জন্মিল। ইতিমধ্যে তেওঁ আঁতৰি অহাৰ কথা চিন্তা কৰোঁতেই এজন পুৰুষক তেওঁৰ পিনে অহা দেখিলে। এইজন হ'ল— মহাকবি ভাৰ্জিলৰ আত্মা। ভাৰ্জিলে (= মানৱীয় জ্ঞান আৰু বুদ্ধি-যুক্তি) দয়া কৰি নিজৰ সাহায্য আগবঢ়ালে, আৰু কবিজনাক তেওঁৰ যাত্ৰাত পথ-প্ৰদৰ্শন কৰিবলৈ গাত ললে।

এওঁলোকে প্ৰথমে গৈ নৰকৰ গাঁতত (= ইনফাৰ্নো) নামিবলৈ আৰম্ভ কৰিলে। এই গাঁতত ওপৰৰপৰা তললৈ বহুতো খলপ। ইয়াত পাপীসকলক অবৰ্ণনীয় শাস্তি দিয়া হয়। যিমানেই তললৈ যোৱা যায়, সিমানেই বেছি শাস্তি ভোগ কৰা দেখা যায়। কবি দুজনাই ইয়াত বহুতো আত্মাক পৃথিৱীত কৰি অহা পাপৰ কাৰণে তীব্ৰ যন্ত্ৰণা আৰু শাস্তি ভোগ কৰি থকা দেখিলে। ইয়াত যে কেৱল ইটালীৰ লোককহে লগ পালে, নাইবা কোনো বিশেষ শ্ৰেণীৰ লোককহে দেখিলে, তেনে নহয়। সকলো যুগৰ, সকলো দেশৰ, সকলো স্তৰৰ, সকলো ধৰণৰ নৰ-নাৰীক তাত পাপ অনুসাৰে বিভিন্ন তীব্ৰতৰ শাস্তি ভোগ কৰি আৰ্তনাদ কৰি থকা দেখা পালে। (ইনফাৰ্নো অন্ত)।

নৰক ('ইনফাৰ্নো')ৰপৰা সুকভাবে ভাৰ্জিলে কবিজনাক বাট দেখুৱাই উলিয়াই লৈ গৈ 'পাৰ্গেটৰী' পৰ্বতৰ নামনিত উপনীত হ'ল। এই পৰ্বত শুধ-ৰণিৰ পৰ্বত, ই পৃথিৱীতে অৱস্থিত। এই পৰ্বতত তলৰপৰা ওপৰলৈ মুঠতে সাতোটা খলপ বা স্তৰ আছে। এই খলপবোৰত অনুতপ্ত পাপীসকলৰ পৰিশোধন হয়। ইয়ালৈ অহা পাপীসকলৰ ইতিমধ্যে কিছু পৰিশোধন হৈছে, আৰু তেওঁলোক ক্ৰমে সজ পথলৈ আহিছে। এই পৰ্বতটোৰ সৰ্বোচ্চ খলপটোতে ভূস্বৰ্গ; এখন হাবিয়ে অৰণ্যে তাক ঢাকি ৰাখিছে। ভাৰ্জিলৰ সস্নেহ পৰিচালনাত আমাৰ কবি এটা এটাকৈ এই খলপকেইটাত উঠি গৈ থাকিল। বিভিন্ন খলপত লগ পোৱা আত্মা-বিলাকৰ কিছুমানক ডাণ্টেই আগতে জানিছিল: কাৰণ তেওঁলোক সমসাময়িক পুৰুষ-স্ত্ৰী আছিল। এওঁলোকৰ লগত পাপ-পুণ্য, কৰ্ম-অকৰ্ম, ভ্ৰম-ভ্ৰান্তি, পবিত্ৰ প্ৰেমৰ মূল উৎস, হেতু আৰু প্ৰকৃতি, মানৱৰ "মুক্ত ইচ্ছা-শক্তি" লাভ ইত্যাদিৰ বিষয়ে তেওঁৰ কথোপকথন হৈ গ'ল। স্থান-বিশেষে ডাণ্টেৰ মনৰ সন্দেহ ভঞ্জন কৰি দিছে তেওঁৰ গুৰুদেৱ ভাৰ্জিলে।

'পাৰ্গেটৰী'ৰ ছটা স্তৰ ওপৰলৈ উঠাৰ পাছত ডাণ্টেই এটা দিব্যজ্যোতি দেখি চমকিত হ'ল, তেওঁ চকু মুদি দিলে। ভাৰ্জিলে তেওঁক আশ্বাস দি কলে: সেই দিব্যজ্যোতি বিয়েট্ৰিছৰ। তেওঁ ঈশ্বৰৰ ওচৰৰ-পৰা ডাণ্টেক পথ দেখুৱাই নিবলৈ আগবাঢ়ি আহিছে। গতিকে ডাণ্টে তাক দেখি ভীত-চকিত হ'ব নালাগে। তদুপৰি যিহেতু ইতিমধ্যে ডাণ্টেৰ "মুক্ত ইচ্ছা-শক্তি" লাভ হৈছে, সেইহেতু ভাৰ্জিলে এতিয়া আৰু ওপৰলৈ তেওঁক পথ দেখুৱাব নোৱাৰে। এতিয়া তেওঁক পথ



দেখুৱাব পাৰিব একমাত্ৰ বিয়েট্ৰিছেহে (=স্বৰ্গীয় অনুকম্পা)। একমাত্ৰ মানৱীয় জ্ঞান আৰু বৌদ্ধিক সম্বলে মানৱক চৰম উপলব্ধি প্ৰদান কৰিব নোৱাৰে। ডাণ্টেৰ "মুক্ত ইচ্ছা-শক্তি" লাভ হোৱা হেতুকেহে বিয়েট্ৰিছে আগবাঢ়ি তেওঁক পথ দেখুৱাবলৈ আহিছে।

আমাৰ কবিয়ে তেতিয়া বিয়েট্ৰিছৰ পদ অনুসৰণ কৰিলে। দুয়ো উঠি গৈ পোনতে ভূ-স্বৰ্গ পালে। ডাণ্টেই এই ভূ-স্বৰ্গৰ অনুপম সৌন্দৰ্য দেখিলে। এতিয়াৰপৰা তেওঁলোকৰ আৰোহণ অপেক্ষাকৃতভাৱে সহজ হৈ আহিল। তলৰ স্তৰবোৰত ইয়াতকৈ বহুত বেছি কষ্ট হৈছিল। (পাৰ্গেটৰীও অন্ত)।

ইয়াৰ পাছতে তেওঁলোকৰ যাত্ৰা আৰম্ভ হ'ল বহিঃস্বৰ্গলৈ (এম্পিৰিয়ান : পেৰাডাইছো)। সেই স্বৰ্গ বিভিন্ন নক্ষত্ৰেৰে ক্ৰমে ওপৰলৈ উঠি গৈছে। ৰতাহৰ ৰোকোচাত উঠি দুয়ো গৈ ক্ৰমে শুক্ৰ, মঙ্গল, বৃহস্পতি, শনি আদি বিভিন্ন ওপৰমুখী স্তৰ অতিক্ৰম কৰি অৱশেষত 'এম্পিৰিয়ান'ৰ চৰম লক্ষ্যত উপনীত হ'ল। যাওঁতে বাটত প্ৰত্যেক জ্যোতিষ্কতে লগ পোৱা বিভিন্ন স্তৰৰ শুদ্ধ, সদাচাৰী, সন্ত, সাধু আৰু উদ্দীপ্ত আত্মাসৱৰ লগত আমাৰ কবিৰ সংক্ষিপ্ত অথচ তাৎপৰ্যপূৰ্ণ কথোপকথন হৈছে, আৰু মানৱাত্মাৰ প্ৰকৃত অৱস্থান, পাপ, বিবেক, শুদ্ধ আচৰণ, ক্ষমা, দয়া, কাৰুণ্য, বৌদ্ধিক সততা, গভীৰ খ্ৰীষ্টান ধৰ্মীয় শাস্ত্ৰালাপ, পেগান ধৰ্ম, মানৱৰ পতন আৰু উত্থান আদিৰ বিষয়ে তত্ত্বপূৰ্ণ কথা জানি লৈছে।

ডাণ্টেৰ মনত জন্মা সঙ্কোচ, দ্বিধা, বিতৰ্ক, অজ্ঞতা, ভ্ৰম আদিত বিয়েট্ৰিছ অসন্তুষ্ট নহৈ বৰং সহনশীলতা, ধৈৰ্য আৰু দয়াৰ মিচিকিয়া হাঁহি মাৰি তেওঁক শুদ্ধ তত্ত্ব বুজাই দি শুদ্ধ পথ দেখুৱাই দিছে। সেই যুগৰ অতি তীক্ষ্ণধী আৰু চেতনা-চঞ্চল কবি এজনাৰ মনত আধ্যাত্মিক তত্ত্বৰ সূক্ষ্মাতিসূক্ষ্ম যিবোৰ প্ৰশ্নৰ উদয় হৈছে, সেইবোৰত ৰেখাপাত কৰি অকৃত্ৰিম প্ৰেমৰ জৰিয়তে স্বৰ্গীয় সুখ-শান্তি লাভ কৰাৰ স্তৰ আৰু ক্ৰমবিলাক বিয়েট্ৰিছে সংক্ষিপ্ত, নিৰ্ভুল আৰু প্ৰাঞ্জলভাৱে দেখুৱাই দিছে, আৰু অৱস্থাৰ এই সমাহাৰত ডাণ্টেয়ো শেষত প্ৰশান্ত আনন্দেৰে স্বৰ্গৰ প্ৰশস্তি গাইছে।

এইটো স্পষ্ট যে ডাণ্টেৰ এই 'সপোনত' মানৱাত্মাৰ যাত্ৰায়েই ৰূপকত অঙ্কিত হৈছে। ডাণ্টে যিখন পৰ্বতত উঠিবলৈ গৈ অন্ধকাৰ হাবিত সোমাল, আৰু পৰ্বতৰ নামনিত পোনতে যি হিংস্ৰ বাঘ, সিংহ আদি দেখি ভয় খালে, সেই পৰ্বত যে উন্নত আধ্যাত্মিক জীৱন-যাত্ৰাৰ পৰ্বত, আৰু হিংস্ৰ জন্তুবোৰ যে মানৱৰ ৰিপুৰূপ প্ৰতিবন্ধকবোৰ, তাক সহজে অনুমান কৰিব পাৰি। তেওঁ লগ পোৱা প্ৰথম পথ-প্ৰদৰ্শক ভাৰ্জিলো যে মানৱীয় জ্ঞান আৰু বিচাৰ-বুদ্ধিৰ প্ৰতীক, তাক নকলেও হয়। এই মানৱীয় জ্ঞান আৰু বিচাৰ-বুদ্ধিৰ প্ৰতীক ভাৰ্জিলে ডাণ্টেক ওপৰৰ কোনো এটা স্তৰলৈ লৈ যোৱাৰ দৰে মানৱ জীৱনক কিছু ওপৰলৈ নিব পাৰে, তাৰ পাছত নোৱাৰে। তাৰ পাছত অৰ্থাৎ মানৱৰ "মুক্ত ইচ্ছা-শক্তি" লাভ হোৱাৰ পাছত পথ-প্ৰদৰ্শন কৰিব পাৰে— বিয়েট্ৰিছ ৰূপী ঐশ্বৰিক দয়া-কৰুণাইহে। ডাণ্টেৰ সাহিত্যত বিয়েট্ৰিছৰ এয়ে তাৎপৰ্য। এই দয়া স্বয়ংসম্পূৰ্ণ, স্বয়ংপ্ৰণোদিত, প্ৰেমময়, অযৌক্তিক আৰু অহৈতুকী। খৰচ কৰিলেও ই আগৰ পৰিমাণ পুনৰ লাভ কৰে। কাৰণ, যি স্তৰত ইয়াৰ আগমন হয়, সেই স্তৰত মানৱীয় হেতু, যুক্তি, সীমা, মাপ-দণ্ড, পৰিমাণ ইত্যাদিৰ প্ৰশ্ন নুঠে। এই সূক্ষ্মাতিসূক্ষ্ম তত্ত্ববোৰ কৰুণাময়ী বিয়েট্ৰিছে আৰু জ্যোতিষ্কসৱত বাস কৰা পবিত্ৰ আত্মাসৱে ব্যাখ্যা কৰি আমাৰ কবিৰ মনৰ অসংখ্য প্ৰশ্নৰ সমাধান দিছে, আৰু

সন্দেহো আঁতৰাইছে। এইদৰে এই 'সপোনে' অধ্যাত্ম বিষয়ে কবিতাই ঢুকি পোৱা সকলো উচ্চতা লাভ কৰিছে।

অথচ, এনে এটা উচ্চ পৰ্যায়ৰ আলোচনা ডান্টেই কি যাদুৰে যে কবিতাৰ স্তৰত ৰাখিছে, তাক চিন্তা কৰি বিস্মিত হ'ব লাগে। অন্য এজনৰ হাতত যিবোৰ কথা অতি সহজে নীৰস দৰ্শনত পৰিণত হ'লহেঁতেন, সেইবোৰক ডান্টেই অতুলনীয় কবিতা ৰূপে প্ৰকাশ কৰিছে। তেওঁৰ কবিতাৰ সঙ্গীতময়তা, সৰস উপমা, বাছকবনীয়া শব্দ-সংগ্ৰহ, ঘটনাৰ গতিশীলতা, মাৰ্জিত ৰুচিৰ পৰাকাষ্ঠা, জীৱন নিৰীক্ষণৰ সূক্ষ্মতা, প্ৰাকৃতিক বৰ্ণনাৰ বিচক্ষণতা, মন-বুদ্ধি-আবেগ আদিৰ বিভিন্ন স্তৰৰ নিখুঁত বৰ্ণনা ইত্যাদিৰ জৰিয়তে এই সপোনটোক এক অবিস্মৰণীয় কাব্যিক সুষমাৰ আকৰ কৰি পেলাইছে। পশ্চিমীয়া ৰূপকবিলাকক সাধাৰণতঃ কোনো পূৰ্ব-প্ৰসিদ্ধ ঘটনা বা আখ্যানক অৱলম্বন কৰি ৰূপায়িত কৰা হৈছিল। স্পেন্সাৰৰ 'ফেয়াৰি কুইন' আৰু পাছত বুনিয়নৰ 'পিলগ্ৰিম্‌ছ প্ৰগ্ৰেছ' আদিলৈ মন কৰিলেই এইটো দেখা পোৱা যায়। কিন্তু ডান্টেই তেওঁৰ ৰূপকটো নিজে ৰচনা কৰি তেওঁ[2] স্বয়ং নিজে তাৰ প্ৰধান চৰিত্ৰ এটা হৈ পৰিল। তদুপৰি, এই ৰূপকটোত বাস্তৱ আৰু সমকালীন নাইবা ঐতিহাসিক চৰিত্ৰবোৰৰ সমন্বয় সাধন কৰি তাত বাস্তৱৰ উদ্দীপ্ততা প্ৰদান কৰিলে। এইটো লক্ষ্য কৰিবলগীয়া যে বাস্তৱ শৰীৰেৰে গৈ ডান্টেই ঐশ্বৰিক কৃপাৰ প্ৰতীক বিয়েট্ৰিছক লগ পাইছিল। মহাকবিয়ে হয়তো ইয়াকেই বুজাব খুজিছে যে সেই চৰম শান্তি-সম্ভোগ আৰু উদ্বুদ্ধতা বাস্তৱ জীৱনতো সম্ভৱপৰ। বাস্তৱ আৰু আদৰ্শৰ ই এক নিৰ্ভীক সমন্বয়।

মহাকবিৰ আকাশ-পাতাল জোৰা এই নিৰীক্ষণৰ ব্যাপকতা, পৰ্যাপ্ততা আৰু বিদগ্ধতা দেখি স্তব্ধ হ'ব লাগে। টাইবাৰ-গঙ্গা, খ্ৰীষ্টিয়ান-আৰব, যোদ্ধা-সেনাপতি, ৰজা-প্ৰজা, 'হিথেন'-'পেগান', নৰহন্তা-সন্ন্যাসী, পুৰুষ-স্ত্ৰী, ধনী-ভিক্ষুক, শিপিনী-বোৱনী, দাৰ্শনিক-কবি এই সকলো স্তৰৰ জীৱনকে আৰু বস্তুকে তেওঁ নিৰীক্ষণ কৰিছে। মহাকবি শ্বেক্সপীয়েৰৰ বিচিত্ৰতা আৰু ব্যাপকতাতকৈয়ো ই যেন বিশালতা বিষয়ত চহকী, আৰু এই নিৰীক্ষণৰ লগত আছে প্ৰাকৃতিক নিৰীক্ষণ। ইটালীৰ স্থানীয় প্ৰকৃতি, সমুদ্ৰ, চৰাই-চিৰিকতি, মঠ-মন্দিৰ, পুৱা-মধ্যাহ্ন-গধূলিৰ বিভিন্ন পলত সূৰ্যৰ ৰশ্মিৰ বিভিন্ন জেউতি, গ্ৰাম্য জীৱন, নগৰীয়া জীৱন, ঘৰুৱা জীৱন ইত্যাদিয়ে সংক্ষিপ্ত অথচ আপ্ত প্ৰয়োগৰদ্বাৰা এই কবিতাৰ জৰিয়তে ৰূপ সৃষ্টি কৰাৰ লগতে তেওঁৰ চকু-মনৰ স্পৃহাৰ আভাস দিছে। কি অতুলনীয় ধৰণে যে সেইবোৰ মূল কথাৰ লগত সাঙোৰ খাই পৰি মানৱ-অস্তিত্বৰ সম্পদৰাশি আৰু চৰম সন্ধান দুয়োটাকে ফুটাই তুলিছে, তাক ভাবিলেও আচৰিত হ'ব লাগে। ডান্টেৰ যুগৰ নক্ষত্ৰ-বিদ্যা, বিশ্ব ব্ৰহ্মাণ্ডৰ ধাৰণা আদিৰ সীমাবদ্ধতাখিনি পাহৰি পেলালেও এই কবিতাত নিহিত থকা আৰু মানুহৰ বিবেকত সূচিত হোৱা সৎ-ৰৰ সকলো ত্ৰুটী-বিচ্যুতি-আকাঙ্ক্ষা ইত্যাদিক কাব্যিক ভাষাত ৰূপায়িত কৰি মানৱৰ চৰম চিন্তা-শক্তি আৰু কাব্যিক প্ৰকাশ-ভঙ্গীৰ যি নমুনা তেওঁ দাঙি ধৰিলে, সি চিৰকালৰ বাবে পুৱতি তৰাৰ দৰে প্ৰায় অকলশৰে জিলিকি থাকিব। তেওঁৰ আকাশ-পাতালৰ বিভাজনবোৰ সহজে অৱজ্ঞা কৰিব পাৰি। কিন্তু বিয়েট্ৰিছক কেন্দ্ৰ কৰি তেওঁ মানৱাত্মাৰ যি গভীৰ উপলব্ধি কাব্যিক ভাষাত ব্যক্ত কৰি গ'ল, তাৰ বিশ্বজনীন আৰু চিৰন্তন আবেদন ৰৈ যাব। সকতে দেখা পোৱা এই ৰূপহী আৰু পবিত্ৰ ছোৱালী জনীৰ দৈহিক লাৱণ্য আৰু মানসিক দয়া, গাম্ভীৰ্য,

( ৫২ পৃষ্ঠাত চাওক )

# তিৱা ( লালুং ) জনজাতিৰ বিহু

শ্ৰীগণেশ চন্দ্ৰ সেনাপতি

অসমীয়া লোক-সংস্কৃতিত মুখ্য স্থান লাভ কৰা লোক-উৎসৱ হ'ল বিহু। বিহুৰ উৎপত্তি সম্বন্ধে বিভিন্ন লেখক আৰু পণ্ডিতে বিভিন্ন মত দাঙি ধৰিছে। এতিয়াও অসমৰ বিভিন্ন প্ৰাচীন জনগোষ্ঠীৰ মাজত অতীত আৰু বৰ্তমানত চলি থকা বিহু সম্পৰ্কে অনুসন্ধান কৰিলে নিশ্চয় নতুন তথ্যৰ সন্ধান পোৱা যাব। এইবিলাকে অনুসন্ধিৎসু লেখক আৰু পণ্ডিত সকলক নতুন তথ্য-পাতি পোৱাত সহায় কৰিব পাৰে। এই প্ৰবন্ধত তিৱা জনজাতিৰ মাজত অতীতত কেনে ধৰণৰ বিহুৰ প্ৰচলন আছিল আৰু বৰ্তমানতো কেনে ধৰণৰ বিহুৰ প্ৰচলন হৈ আছে, তাকে দাঙি ধৰাৰ চেষ্টা কৰা হৈছে।

তিৱাসকলৰ বিহু সম্পৰ্কে আলোচনাৰ লগতে তেওঁলোকৰ ভৌগোলিক অৱস্থিতিৰ বিষয়েও জনাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। বৰ্তমান তিৱাসকলে নগাঁও জিলাৰ সমগ্ৰ অঞ্চলত, কাৰ্বি আংলং, মেঘালয়, কামৰূপ জিলাৰ একাংশত, শিৱসাগৰ জিলাৰ তিতাবৰ অঞ্চলৰ আশে-পাশে, লক্ষীমপুৰ জিলাৰ ধেমাজী অঞ্চলত আৰু দৰং জিলাৰ হেলেমৰ আশে-পাশে বসতি কৰি আছে। ইয়াৰ ভিতৰত নগাঁও জিলাৰ ভৈয়াম আৰু দ'তি-কাষৰ অঞ্চল, কাৰ্বি আংলং, মেঘালয় আৰু কামৰূপ জিলাত থকা তিৱাসকলৰ মাজতেই তেওঁলোকৰ কৃষ্টি-সংস্কৃতি জীয়াই আছে। নগাঁও জিলাৰ ভৈয়াম অঞ্চল এসময়ত তিৱাসকলৰ উৰ্বৰ ভূমি আছিল; কিন্তু আহোমে প্ৰতিষ্ঠা কৰা পাঁচোৰজা আৰু সাতোৰজা।[1] বহুবছৰ আগতে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি কোচ সম্প্ৰদায়ভুক্ত হৈ যোৱাত অতীতৰ কৃষ্টি-সংস্কৃতি বহুখিনি লোপ পালে। ৰজা-ভেদে বিহু উৎসৱ উদযাপনতো পৰিবৰ্তন ঘটিল। তিৱা ভাষাত বিহুক 'বিচু' বোলে। ঠাই-বিশেষে 'পিচু'ও বোলে। কিন্তু আচলতে 'বিচু' শব্দৰ 'ব'ৰ উচ্চাৰণ অধিক সংখ্যক তিৱা লোকৰ মুখত 'প' আৰু 'ব' ধ্বনিৰ মাজৰ যিটো উচ্চাৰণ, ঠিক তেনে ধৰণৰহে; তেনেকৈ 'চু'ৰ উচ্চাৰণ 'ছু'ৰ নিচিনাহে।

বিহু উদযাপন কৰা অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰেই তিৱাসকলেও তিনিটা বিহু উদযাপন কৰে। ইয়াৰ ভিতৰত ৰহাগ বিহুৰ আড়ম্বৰেই অধিক। ৰহাগ বিহুক 'বৈচাক বিচু', মাঘ বিহুক 'ভমাচি' বা 'মাখ বিচু' আৰু কাতি বিহুক 'খাতি বিচু' বোলে।

বিহু উদযাপনৰ দিন : সকলো তিৱা জনজাতিয়ে একে তাৰিখ বা দিনত বিহু উদযাপন নকৰে। বিহু বুলিয়েই নহয়, অন্যান্য পূজা-পাৰ্বণ আৰু উৎসৱবো অঞ্চল-ভেদে উদযাপনৰ তাৰিখ বেলেগ বেলেগ। অকল তিৱা জনজাতিৰেই নহয়, অসমৰ অন্যান্য জনজাতিৰো পূজা-পাৰ্বণ আৰু উৎসৱ আদিত সৰ্বজনগৃহীত নিৰ্দিষ্ট তাৰিখ এতিয়াও ঠিক হোৱা নাই। নিজৰ আঞ্চলিক সুবিধা অনুসৰিয়েই উদযাপন

কৰি আহিছে। বিহুৰ ক্ষেত্ৰতো এই সত্য প্ৰযোজ্য হৈ আছে। তিৱা জনজাতিৰ মাজত ৰজাৰ অঞ্চল-ভেদে বিহু উদযাপনৰ দিন বেলেগ বেলেগ। কিন্তু কাতি বিহু অন্যান্য সম্প্ৰদায়ৰ দৰে সকতে ( সংক্ৰান্তিতে ) পালন কৰে। কেৱল মাঘ আৰু বহাগ বিহু উদযাপনৰ দিন-বাৰতহে ব্যতিক্ৰম। পঁাচোৰজীয়া অঞ্চলত মঙ্গলে-বুধে বিহু কৰা হৈছিল। মাঘ আৰু বহাগ মাহৰ যি কোনো সপ্তাহৰ মঙ্গল আৰু বুধবাৰে বিহু পাতিছিল। ৰজা আৰু বিষয়াসকলৰ ইচ্ছাই আছিল বিহুৰ দিন-বাৰ। সেইবুলি পূৰ্বাপৰ চলি অহা বাৰৰ সালসলনি কৰিব নোৱাৰিছিল। অৱশ্যে কেতিয়াবা সকতে দিন-বাৰ মিলি গলে সকতে বিহু কৰাৰ উদাহৰণো আছে। কিন্তু এই পঁাচোৰজা যেতিয়াই ধৰ্মান্তৰিত হৈ কোচ সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত হ'ল, তেতিয়াৰপৰা তেওঁলোকে পূৰ্বৰ ৰীতি এৰি সংক্ৰান্তিতে বিহু পালন কৰা হ'ল। তিৱা জনজাতিকে আদি কৰি অন্যান্য জনজাতিসকলে পূৰ্বৰ ৰীতি মতে মঙ্গলে-বুধে বিহু কৰি থাকিল। এই অঞ্চলত আজিৰপৰা প্ৰায় ১৫/১৬ বছৰ আগৰপৰাহে জনজাতিসকলে সংক্ৰান্তিতে বিহু কৰাৰ নিয়ম চলি আহিছে। বাৰপূজীয়া অঞ্চলত ১৯৬২ চনত হোৱা মাঘ বিহুৰপৰাহে সংক্ৰান্তিতে বিহু কৰা নিয়ম চলি আহিছে। •

সাতোৰজীয়া অঞ্চলত সংক্ৰান্তিতে বিহু কৰা নিয়ম আগৰেপৰা চলি আহিছে বুলি জনা গৈছে। কামৰূপ জিলাৰ তিৱাসকলেও সংক্ৰান্তিতে বিহু উদযাপন বহু বছৰৰপৰাই কৰি আহিছে।

পাহাৰৰ দঁাতি-কাষৰীয়া অঞ্চলৰ কেৱল খলা (বৰ্তমান শিলচাং) অঞ্চলতহে মঙ্গলে-বুধে বিহু কৰে। এই নিয়ম এতিয়াও বিদ্যমান। পাহাৰৰ দঁাতি-কাষৰৰ গোভা আৰু নেলী অঞ্চলত মাঘ আৰু বহাগ মাহৰ যি কোনো সপ্তাহৰ শনি আৰু দেওবাৰে বিহু উদযাপন কৰে। নেলী অঞ্চলে বিহু কৰাৰ পাছতে গোভা অঞ্চলে বিহু কৰে। চহৰী অঞ্চলত মাঘ বিহু মঙ্গল আৰু বুধবাৰে, আৰু বহাগ বিহু শনি-দেওবাৰে উদযাপন কৰে। ১৯৭৪ চনৰপৰা চহৰী অঞ্চলতো তিৱাসকলে সংক্ৰান্তিতে বিহু কৰিবলৈ লৈছে। এইবোৰ অঞ্চলতো পূজা-পাৰ্বণৰ কাম সমাধা হ'লে আৰু দিন-বাৰ মিলি গলে সংক্ৰান্তিতো বিহু কৰাৰ নিদৰ্শন আছে। মাথো ৰজা-বিষয়াসকলে আলোচনাক্ৰমে মত দিলেই হ'ল। পাহাৰৰ দঁাতি-কাষৰ অঞ্চলত বিশেষকৈ বহাগ বিহুৰ ক্ষেত্ৰত থান আৰু উপাস্য দেৱ-দেৱীৰ পূজা-অৰ্চনা সম্পাদনৰ ওপৰতেই বিহু উদযাপনৰ দিন-বাৰ নিৰ্ভৰ কৰে। পূজা-অৰ্চনা সময়মতে নহ'লে বহাগ বিহু আষাৰ মাহত কৰাৰো নিয়ম আছিল ; আৰু এনেকুৱা নিদৰ্শনো আছে যে ৰজাই গাজ টেঙাৰ লগত শ'ল মাছৰ পোনা খাবলৈ নোপোৱালৈকে বিহু নাপাতিছিলেই।

বিহু প্ৰধানত: কৃষি-প্ৰধান উৎসৱ। কৃষি-কাৰ্যক কেন্দ্ৰ কৰিয়েই বিহুৰ জন্ম। তিৱা জনজাতিৰ মাজত কৃষিৰ

( ৫০ পৃষ্ঠাৰ পিছৰপৰা )

মৃহতাৰ জৰিয়তে ডান্টেই যেন ঈশ্বৰৰেই অংশ এটা দেখা পাইছিল। তাকেই তেওঁৰ সাহিত্যত ফুটাই তুলিছে। এগৰাকী গাভৰুৰে এইদৰে এজনা কবিক আধ্যাত্মিক আনন্দ আৰু জ্যোতি প্ৰদান কৰাত কবিজনাৰ মনৰ দিগন্ত এটাও পোৱা যায়। কি যাদুৰে যে ডান্টেই কবিত্ব, উচ্চ আধ্যাত্মিকতা, সঙ্গীত আৰু কমনীয়তা ৰক্ষা কৰিছে, সি এক বিস্ময়। এই বিস্ময়ৰ প্ৰত্যুত্তৰ সেই করুণাময়ী, লাৱণ্যময়ী, গৰিমাময়ী নাৰী বিয়েট্ৰিচ নিজেই। এই চৰিত্ৰই সকলো সাহিত্যপ্ৰেমী লোকক পূৰ্ণ তৃপ্তি প্ৰদান কৰিছে। ০ ০ ০

• লেখকৰ মতে তিৱাসকলৰ মাজত 'বিহু কৰা' কথাষাৰহে প্ৰচলন বেছি। —সম্পাদক।





লগতে ধৰ্মীয় অনুষ্ঠানৰো প্ৰধান ভূমিকা আছে। এই ধৰ্মীয় অনুষ্ঠানক বাদ দি বিহুৰ পূৰ্ণাঙ্গ ৰূপ কল্পনাই কৰিব নোৱাৰি। বিহুৰ ভিতৰত কাতি বিহুৱেই আটাইতকৈ অনাড়ম্বৰ।

**কাতি বিহু :** কাতি বিহু অন্যান্য সম্প্ৰদায়ৰ দৰে সংক্ৰান্তিতে উদযাপন কৰা হয়। বিহুৰ দিনা পুৱা ভাগতে পথাৰত ধাননিৰ মাজত আগলি বাঁহৰ চিমনা পুতি ৰবাব টেঙাৰ বাকলি চটিয়ায়। ঠাই-বিশেষে পথাৰত চাকি-বন্তি জ্বলায়। কোনো কোনো ঠাইত কৃষিৰ সঁজুলি নাঙল-যুৱলি আদি ৰৰঘৰত একেলগ কৰে আৰু বিহুকৰ্মীৰ ( বিশ্বকৰ্মা ) নামত চৰাই এটা বলি দি খেতি-বাতিৰ মঙ্গলৰ বাবে আশীৰ্বাদ মাগে। সন্ধ্যা ঘৰত 'নিৰত' ( নৈবেদ্য ) দিয়ে। গোহালি, বান্ধনী-শাল, ভঁৰাল আৰু তাঁত-শালত বন্তি প্ৰজ্বলন কৰে।

**ধৰ্মীয় অনুষ্ঠান :** কাতি বিহুত ঠাই-বিশেষে ৰৰঘৰ আৰু থানত উপাস্য দেৱ-দেৱীৰ উদ্দেশ্যে ন-তামোল-পাণ আগবঢ়ায়। কোনো কোনো ঠাইত ভাদ মাহতে ন-তামোল-পাণ ৰৰঘৰত উপাস্য দেৱ-দেৱী আৰু মৃত পিতৃ মাতৃলৈ আগবঢ়ায়। ইয়াকে 'দেও সেৱা' বোলে। ৰৰঘৰক 'নুবাৰ'ও বোলে। ৰৰঘৰ বা নুবাৰ হ'ল কুল বা 'খুটা'ই প্ৰতি থকা উপাস্য দেৱ-দেৱী আৰু মৃত পিতৃ মাতৃক উপাসনা কৰা গৃহ। 'খুটা' বুলিলে একেটা ৰৰঘৰতে পূজা-অৰ্চনা কৰা একে কুলৰ পৰিয়ালবৰ্গৰ গোটক বুজায়।

ন-তামোল-পাণ উপাস্য দেৱ-দেৱী আৰু মৃত পিতৃ-মাতৃক আগ নবঢ়ায় মানে ৰৰঘৰৰ 'জেলা', 'হাড়ীকুঁৱৰী', ৰজা, বা-বিষয়া আৰু থানৰ দেউৰীয়ে ন-তামোল-পাণ মুখত দিব নোৱাৰে। 'জেলা' হ'ল ৰৰঘৰৰ উপাস্য দেৱ-দেৱী আৰু মৃত পিতৃ-মাতৃক পূজা-অৰ্চনা কৰা পুৰুষ পূজাৰী। হাড়ীকুঁৱৰী হ'ল ৰৰঘৰৰ মহিলা পূজাৰী। এৱেঁই ৰৰঘৰৰ পূজাৰ বেদী লিপা-পোচা কৰি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিব লাগে। 'হাড়ীকুঁৱৰী' হোৱাৰো এটা বৈশিষ্ট্য আছে। এঘৰলৈ উলিয়াই দিয়া জীয়ৰী বা আন এঘৰৰপৰা বোৱাৰী হৈ অহা ছোৱালী হাড়ীকুঁৱৰী হব নোৱাৰে। গভীয়া ( ঘৰ-জোঁৱাই ) চপাই দিয়া জীয়ৰীহে ৰৰঘৰৰ হাড়ীকুঁৱৰী হ'ব পাৰে। ৰৰঘৰত দুখন আসন থাকে। এখন উপাস্য দেৱ-দেৱীৰ, আনখন মৃত পিতৃ-মাতৃৰ আসন। দুয়োখনতে 'ৰংড'খৰী' আৰু 'মাইড'খৰী' থোৱা থাকে। 'ৰংড' মানে চাউল। ৰৰঘৰত প্ৰতি বছৰে ন-খেতিৰ ন-চাউল একোটা টেকেলীত ভৰাই পূজাৰ বেদীৰ ওচৰতে থোৱা হয়। টেকেলীত থোৱা এই বিশেষ চাউল খিনিকহে ৰংড'খৰী বোলা হয়। সেইদৰে আন এখন বেদীৰ ওচৰত মাইড'খৰী থোৱা হয়। 'মাইড' মানে ধান। বেদীৰ ওচৰত এটা 'টপা' বা 'ৰবা' (টোম) ত ন-খেতিৰ ন-ধান ভৰাই থোৱা হয়। টপাত থোৱা এই বিশেষ ধানখিনিক মাইড'খৰী বোলা হয়। ৰংড'খৰী আৰু মাইড'খৰী কৃষিৰ প্ৰতীক।

**মাঘবিহু :** মাঘবিহুত দুই-তিনি সপ্তাহৰ আগৰেপৰা গৰখীয়াসকলে নৰাৰে মেজি সাজে। মেজি সজা আৰু ভেলাঘৰ সজাৰ সম্পূৰ্ণ দায়িত্ব বৰ গৰখীয়াৰ। পাহাৰৰ দঁাতি-কাষৰ অঞ্চলত গৰখীয়া আৰু মেজি সজাৰ দায়িত্বত থকা জনক 'মহাল' বোলে।

মেজি সজাৰ ঘাই থলীত ৰজা, কুঁৱৰী আৰু সেনাপতিৰ নামত ওখ আৰু ডাঙৰকৈ মেজি একোটা সাজে ৰজা-সেনাপতিৰ নামত মেজি সজাৰ নিয়ম ভৈয়াম অঞ্চলত বৰ্তমান নাই। পাহাৰৰ দঁাতি-কাষৰৰ গোভা, নেলী, খলা আৰু চহৰী অঞ্চলত এই প্ৰথাৰ প্ৰচলন এতিয়াও আছে। নিশাটো ডেকাসকলে বিহু কৰাৰ

পাছত ধলপুৱাতে ৰজা-সেনাপতি আৰু বিষয়াসকলক আগবঢ়াই লৈ আহে। ৰজা-সেনাপতিয়ে মাহ-হালধিৰে গা ধুই তেওঁলোকৰ নামত সজা মেজিত অগ্নি সংযোগ কৰে। গৰখীয়াসকলে মেজিৰ খেৰত জুই লৈ গা ধোৱে। গা ধুবৰ সুবিধাৰ বাবে মেজিবিলাক সাধাৰণতে পুখুৰী, বিল বা নৈৰ পাৰত সুবিধা অনুসৰি সাজে। মেজিপোৰা কাৰ্য শেষ হ'লে ৰজা আৰু বিষয়াসকল 'পাটচ'ৰা'লৈ আহে। পাটচ'ৰা হ'ল ৰজাৰ সাজ-পাৰ'পিন্ধা গৃহ। তাতে ৰজাক সেৱা জনাই ঘৰা-গৰি যায়। খাচ পাহাৰ অঞ্চলত দাঁতিপাৰ আৰু ভৈয়ামৰ দৰে মেজি সজা পদ্ধতি নাই।

ঠায়ে ঠায়ে, বিশেষকৈ বাৰপুজীয়া অঞ্চলত কাঠমেজি পুৰি নিশাৰ বিহু আৰম্ভ কৰে। কাঠমেজিত জুই দিয়াৰ লগে লগে বিহুগীতৰ দীঘলীয়া ৰাগিণী মাৰি যুৰীয়া বা ততোধিক 'পিচুগ্ৰাম্' ( বিহুঢোল বা পাটি ঢোল ), তাল আৰু যুৰীয়া ম'হ-শিঙৰ পেঁপাৰ 'ঝোনাৰে' বিহু আৰম্ভ কৰে। ঝোনা হ'ল যুৰীয়া বা ততোধিক পাটিঢোল, তাল আৰু ম'হ-শিঙৰ পেঁপাৰে বিহু গীতৰ ৰাগিণীৰ লগে লগে বজোৱা সুৰ-সমলয়। বিহুথলীত কাঁহী-নাচো হয়। হাতত এখন, বা দুয়োখন হাতত দুখন কাঁহী লৈ ঢোল-পেঁপাৰ ছেৱে ছেৱে নাচে। আজি-কালি কাঁহী-নাচৰ প্ৰচলন হেৰাই গৈছে।

ঠাই-বিশেষে মেজিৰ শাৰীৰ মাজতে নৰাখেৰ ওভোতাই বান্ধি ডাঙৰকৈ এটা ওভোতা মেজি সাজে। সেই মেজিটো পোৰাৰ সময়ত বিহু কৰা সকলো ৰাইজ বহি বছৰৰ বিহুসম্পৰ্কীয় সকলোবিলাক দোষ-ত্ৰুটী আলোচনা কৰি পানীয় গ্ৰহণ কৰে। মেজি পুৰি গৈ মেজি সজা ঘাই থলীৰ মূৰত সজা 'ঘাট-মেজি'ত জুই দি তাতে বিহু-হাট পাতে। গৰখীয়াসকলে নৰাখেৰত জুই লৈ গা ধোৱে আৰু জলকেলি কৰে। বিহু-হাটত ঢোলৰ যোৱা, পেঁপাৰ যোৱা আৰু বিহু নামৰ যোৱা লাগে। ডেকাসকলৰ মাজত মাল যুঁজো পাতে। আজি-কালি এই প্ৰথাৰ প্ৰচলন নোহোৱা হৈছে। বিহুত গ্ৰাম বাব' ( ৰবঢোল ), গমনা ( গগনা ), ডগ্‌ৰা ( এবিধ ঢোল ), বিচুগ্ৰাম ( বিহু ঢোল বা পাটি ঢোল ), ম'হ-শিঙৰ পেঁপা, ঠকা ( টকা ), তাল আৰু ৰবতৰ চৰাই আদিয়েই নৃত্য-গীতৰ প্ৰধান সামগ্ৰী। মাঘ বিহুত ৰবঢোলৰ ব্যৱহাৰ ভৈয়াম অঞ্চলত নকৰে। ৰবতৰ চৰাইও ভৈয়াম অঞ্চলতে সীমাবদ্ধ। ৰবতৰ চৰাই হ'ল তেতেলীয়া ৰজাৰ পৃষ্ঠপোষকতাত পুহ মাহৰ পূৰ্ণিমাত পতা উহা ৰবত ( উষা ব্ৰত ? ) নামৰ বিশেষ নৈশ উৎসৱত ব্যৱহাৰ কৰা কাঠেৰে কটা চৰাই এটাৰ তল অংশত প্ৰায় এক-ডেৰ ফুট দৈৰ্ঘ্যৰ ৪/৬ ফাল সৰু বাঁহেৰে সমান্তৰালকৈ লগ লগাই ৰচী টানি বজোৱা এবিধ বাদ্যযন্ত্ৰ। তেতেলীয়াত এই উৎসৱ প্ৰতি বছৰে হৈছিল। আজি-কালি উৎসৱটো প্ৰতিবছৰে নকৰি কেইবা বছৰৰ মূৰত কৰা হৈছে। উৎসৱটো বৰ আমোদজনক।

ঢোল-পেঁপাৰে বিহু কৰা বাদ দি আজি-কালি ঠাই-বিশেষে খোল, ভোৰতাল, নাগেৰা আদি লৈ সংকীৰ্তন কৰি বিহু কৰে। খোল, ভোৰতালেৰে বিহু কৰাটো তিৱা জনজাতিৰ অধিকাংশই পছন্দ নকৰে। কিয়নো খোল-তাল বিহুৰ ঐতিহ্য ৰখা সামগ্ৰী নহয়; ইয়াৰদ্বাৰা পূৰণি বিহুৱে বিকৃত ৰূপ লৈছে। গমনাৰ ব্যৱহাৰ তিৱা জনজাতিৰ মাজৰপৰা প্ৰায়েই উঠি গ'ল। সকলো মেজি পোৰাৰ শেষত ঘাই মেজি দুটাত অগ্নি সংযোগ কৰি বিহু-হাটৰ সামৰণি মাৰে।

মাঘ বিহুত আবেলিৰপৰা ডেকা-গাভৰুসকলে সপ্তাহ কাল জুৰি ঢোপ খেলে। আজি-কালি ঠায়ে ঠায়ে ঢোপ খেলৰ প্ৰথা উঠি গৈছে।



**ধৰ্মীয় অনুষ্ঠান :** মাঘ বিহুত সকলো ঘৰে ঘৰে বছৰৰ খেতিৰ খান্দহ ( সান্দহ ), পিঠা-পনা আৰু জু ( মদ ) আদি উপাস্য দেৱ-দেৱী আৰু উপৰি-পুৰুষলৈ আগবঢ়াই আশীৰ্বাদ ভিক্ষা কৰে। সচৰাচৰ ঘৰতো ঠাই-বিশেষে পিঠা-পনা আৰু জু আগবঢ়াই গদিতা জনায়। সন্ধ্যা সকৰে জ্যেষ্ঠজনক সেৱা-সৎকাৰ কৰি আহাৰ গ্ৰহণ কৰে। দিনটোৰ ভিতৰত ভাত নাখায়। সন্ধ্যা সকলোৱে আহাৰ গ্ৰহণ কৰাৰ আগতে আগলি কলপাতত মৃত পিতৃ-মাতৃলৈ ভাত আৰু মদ আগবঢ়ায়। বান্ধনী-শাল, ভঁৰাল, গোহালি আৰু তাঁত-শালত বন্তি প্ৰজ্বলন কৰে।

**পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ সাঁকো গোভাৰ জনবিল হাট :** পৰ্বত-ভৈয়াম জনজাতিক একেলগ কৰা সম্প্ৰীতিৰ মিলন-ক্ষেত্ৰ হ'ল গোভাৰ জনবিল হাট। এই জনবিল হাটক জনবিল বজাৰ বা জনবিল মেলাও বোলে। 'জনবিল' বোলাৰ উপৰিও 'জনবিলা'ও বোলে। গোভাৰ মাঘ বিহু আজি-কালি মাঘ মাহৰ দ্বিতীয় বা তৃতীয় সপ্তাহৰ শনি আৰু দেওবাৰে কৰে। বিহুৰ দুদিন আগৰেপৰা অৰ্থাৎ বৃহস্পতিবাৰৰ নিশাৰপৰা হাট আৰম্ভ হৈ শনিবাৰে সন্ধ্যা হাট ভাগে। দিনে-ৰাতিয়ে সমানে বস্তু বিনিময় আৰু বেচা-কিনা হয়। পাহাৰীয়া জনজাতিসকলে পাহাৰত হোৱা তিল, আদা, হালধি, কচু, আলু, লা, ধনা, জলকীয়া, কপাহ, বেতেনা আৰু বাঁহ-বেতৰ বিভিন্ন বস্তু ভৈয়ামৰ জনজাতিৰ কেঁচা মাছ, শুকান মাছ, সান্দহ আৰু পিঠা-পনাৰ লগত বিনিময় কৰে। তাকে নি পাহাৰত বিহু কৰে। পাহাৰীয়া তিৱাসকলৰ পূজা-পাৰ্বণতহে গুৰুত্ব অধিক। হাটলৈ আহোঁতে গোভাৰ ৰজালৈ প্ৰত্যেকেই সকলো বস্তুৰে একোটিকৈ টোপোলা কৰ-ভাৰ আৰু উপহাৰ হিচাপে অনাৰ নিয়ম এতিয়াও চলি আছে। এসময়ত ৰাজ্যৰ সকলো প্ৰজাই জাতি-বৰ্ণ-নিৰ্বিশেষে কৰ-ভাৰ দিয়াৰ লাগিছিল। বৰ্তমানো হাটত বহা জনজাতি আৰু অ-জনজাতিৰ দোকান-পোহাৰৰপৰা দান-বৰঙনি আৰু কৰ তোলে। বৰ্তমান এই বজাৰৰ সম্প্ৰসাৰণ ঘটিছে।

হাট বহাৰ আগদিনা বৃহস্পতিবাৰে জনবিল মৰা হয়। ৰজা আৰু বিষয়াসকলে মিলি ইয়াৰ পাৰতে সামূহিকভাৱে ন-ভাত খায়। ইয়াকে 'নোৱান ঝাৱা' ( ন-খোৱা ) বোলে। পূৰ্বতে ৰজাই বিহুৰ আগতে বিলৰ পাৰত শ'ল মাছেৰে ন-ভাত খোৱা নিয়ম আছিল। বিল মৰা ৰাইজে উপহাৰ হিচাপে ৰজাক মাছ দি যায়। এতিয়াও এই প্ৰথা বৰ্তমান।

**জনবিল নামৰ বৈশিষ্ট্য :** বিলখনৰ আকৃতি কাঁচিজন ( কাঁচি জোনৰ ) নিচিনা কাৰণে ইয়াৰ নাম 'জনবিল' হৈছে বুলি জনশ্ৰুতি চলি আহিছে। এই 'জনবিল' জাগীৰোডৰপৰা উত্তৰ-পূবে প্ৰায় তিনি কিলোমিটাৰ মান দূৰত 'মেতৰ' নামৰ গড়কাপ্তানী আলিটোৰ দাঁতিতে অৱস্থিত।

**বহাগ বিহুৰ প্ৰাৰম্ভিক প্ৰস্তুতি : থান আৰু উপাস্য দেৱ-দেৱীৰ পূজা :—**

বহাগ বিহু পাতিবৰ বাবে প্ৰাৰম্ভিক পৰ্যায়ত বিভিন্ন থানত উপাস্য দেৱ-দেৱীবিলাকৰ পূজা কৰিব লাগে। চ'ত মাহৰ প্ৰথম সপ্তাহৰপৰাই পূজা আৰম্ভ হয়। সাতোৰজা আৰু পাঁচোৰজাৰ অঞ্চলত বহাগ বিহুৰ আগতে থানত বিভিন্ন দেৱ-দেৱীৰ পূজা কৰাৰ নিদৰ্শন একো নাই। কেৱল নেলী, খলা, চহৰী আৰু গোভা অঞ্চলত বহাগ বিহুৰ আগতে থান পূজাৰ প্ৰচলন এতিয়াও বিদ্যমান। অৱশ্যে গোভা অঞ্চলত পূজাৰ আগ-পাছৰ তাৰতম্যও পৰিলক্ষিত হৈছে। পূজা কৰিব নোৱাৰিলে বিহুকেই পতা নহয় বুলি উল্লেখ কৰা হৈছে। বিহু নকৰিলে মেলাও নুমিলায়।

বিহুৰ আগতেনো কোন কোন অঞ্চলত কি কি পূজা কৰা হয়, আলোচনা কৰা হওক। নেপী অঞ্চলত বৰদেও বা মাহাদেও (মহাদেৱ), মহামাই (পাৰ্বতী), ঝংকং, ভগৱতী, কালিখা, কেঁচাই খাইতী, ৰণচালি বা ৰণচণ্ডী; খলা অঞ্চলত বুঢ়াৰামচা (মহাদেৱ), ভগৱতী, কালিখা, ৰণচালি বা ৰণচণ্ডী, চাৰিভাই, কেঁচাই খাইতী, ফৰিমছৰ (সূৰ্য দেৱতা); গোভা অঞ্চলত মহাদেও, চাৰিভাই, ভগৱতী, কেঁচাই খাইতী, স্বপ্নমল্লিকা (বস্তৰৰ দেৱী), কালিখা; চহৰী অঞ্চলত মহাদেও, বসুন্ধৰী, গণেশ, কাৰ্তিক, ভগৱতী, ৰণচালি বা ৰণচণ্ডী বা বাউলী খুঙৰী (কুঁৱৰী) আদি দেৱ-দেৱীৰ পূজা চলে। উল্লেখযোগ্য যে উক্ত দেৱ-দেৱীসকলৰ নামেৰে একো একোখন থানৰ নামকৰণ কৰা হৈছে। দুই-এক পূজা আজি-কালি পাঁচ বছৰৰ মূৰে মূৰে কৰা হৈছে। যেনে, ফৰিমছৰ পূজা খলা অঞ্চলত পাঁচ বছৰৰ মূৰত কৰাৰ নিয়ম হৈছে। এই প্ৰত্যেক থানত উপাস্য দেৱ-দেৱীৰ উদ্দেশ্যে বতৰে ন-বস্তু অৰ্পণ কৰিহে ৰজা, বিষয়া আৰু দেউৰীসকলে গ্ৰহণ কৰিব পাৰে।

খলা অঞ্চলত অন্যান্য সকলো পূজা সমাপন কৰাৰ পাছত ব্যক্তিগতভাৱে ৰজা আৰু সেনাপতিয়ে যথাক্ৰমে হজাইদেও আৰু মহাদেৱৰ পূজা কৰে। মহাদেৱৰে অন্য এটা নাম হজাইদেও। চহৰী অঞ্চলত বিহুৰ দিনাই বসুন্ধৰী, গনেশ আৰু কাৰ্তিকৰ পূজা কৰে। ৰজাই নিজ হাতে বসুন্ধৰী দেৱীৰ মূৰ্তিৰ বুকুত কপৰ ফুল এপাহ দিয়ায়। ইয়াৰ আগতে মহাদেৱৰ বুকুত কপৰ ফুল এপাহ দিয়ায়। এই সকলোবিলাক পূজা প্ৰজাই খাদ্য সামগ্ৰী কৰ-ভাৰ হিচাপে ৰজাক যোগোৱাৰ পাছতহে কৰা হৈছিল

বহাগ বিহুৰ উৰুকাৰ দিনা তামোল-পাণ আৰু নাৰিকল আদি গছ ধানখেৰেৰে বান্ধে। কোনো কোনো ঠাইত বিহুৰ দিনাহে তামোল-পাণ আদি বান্ধে। সেই সেই নিশা তামোল-পাণ আদি গছ-গছনি গঙ্গাত স্নান কৰিবলৈ যায় বুলি বিশ্বাস কৰে। গ'তেই তামোল-পাণৰ লাগন কম হয় বুলি ভাবে। উৰুকাৰ দিনা বা বিহুৰ দিনা নতুনকৈ পেলোৱা ধান খেতিৰ ওপৰত ভাং আৰু পচতীয়া পোতাৰ নিয়ম পূৰ্বাপৰ চলি আহিছে। বিহুৰ দিনা বাঁহৰ গুৰিত মাটি জপাই দিয়ে।

মূল বিহু দিনাৰ ধৰ্মীয় অনুষ্ঠান আৰু অন্যান্য কাম: বিহুৰ দিনা আগবেলা খুটাই প্ৰতি থকা বৰঘৰত বংশৰ সকলোৱে লগ লাগি গৰুৰ গাত মাৰিবৰ বাবে লাও, বেঙেনা, খেকেৰা টেঙা কুটে, আৰু তিনি-চাৰিডালীয়া বাঁহৰ কাঠিত সীয়ে। বৰ গৰখীয়া বা মহালে ৰজাক ন-পথা তুলি দিয়ে। তৈয়াম অঞ্চলত এই প্ৰথা উঠি গৈছে। বৰঘৰ আৰু ঠাই-বিশেষে বৰঘৰৰ উপৰিও বৰঘৰৰ সন্মুখত থকা 'খলা'ত উপাস্য দেৱতাৰ ওচৰত আগন্তুক বছৰৰ খেতি-বাতি, সা-সম্পদ, গৰু-গাই, পা-পৰিয়ালৰ মঙ্গলাৰ্থে পূজা-অৰ্চনা কৰা হয়। 'খলা' উপাসনাৰ মুকলি থলী। গৰু-গাই আৰু গৰখীয়াৰ অপকাৰ নকৰিবৰ বাবে অন্যান্য উপাস্য দেৱ-দেৱীৰ লগতে বাঘ ৰজা পূজাৰো নিয়ম দুই এক খুটাৰ আছে। বাৰীৰ ভিতৰত সা-সম্পদ, গৰু-গাইৰ অধিষ্ঠাতা দেৱতা কুবিৰ (কুবেৰ)ৰ পূজা কৰে।

সকলো পূজাতে চৰাই বলি দিয়ে। মহাদেৱক কুকুৰা বলি দিয়াৰ উপৰি মাহ-প্ৰসাদ লৈ 'নিৰস্ত' দিয়ে। বলিৰ চৰাইৰে আগন্তুক বছৰৰ শুভাশুভ নিৰ্ণয় কৰে। বলিৰ চৰাই ওপৰলৈ মুখ কৰি পৰিলে খৰাং বতৰ, তললৈ মুখ কৰি পৰিলে বতৰ ভাল



আৰু মহাদেৱলৈ আগবঢ়োৱা চৰাইটো পশ্চিমলৈ তল মুখ কৰি পৰিলে বতৰ পলমকৈ হয় বুলি বিশ্বাস। পূজাত পিঠাগুৰি পানীত গুলি ৰবমলা পাতেৰে পৰিয়ালৰ সকলোটিয়ে ভঁৰাল, গোহালি, ৰান্ধনী-শাল আৰু তাঁত-শালত ছটিয়ায়। পিঠাগুৰি কৃষিৰ প্ৰতীক।

পূজাৰ শেষত সৰিয়হ-তেল আৰু ছাইৰ মিশ্ৰণেৰে ব-চুঙা বা জাতিলাওৰে ছাৰ কাটি গৰুৰ গা ফুলায় আৰু মাহ-হালধি ঘঁহে। ম'হ-শিঙাৰে ডাক দিয়াৰ লগে লগে গৰু মেলি নিয়া হয়। গা ধুউৱাৰ থলীত বছৰে বছৰে বৃদ্ধি হ'বলৈ মাহ-হালধি ঘঁহি গৰুৰ গাত লাও-বেঙেনা মাৰে। পৰস্পৰে পৰস্পৰৰ লগত ন-পথা একোডাল সলায়। পাছত যাঠী খেল খেলে। তামোলৰ চকুৰাৰে বন্ধা লাও-বেঙেনাৰ অঁটি এটা নিৰ্দিষ্ট দূৰত্বত থৈ তালৈ লক্ষ্য কৰি লক্ষ্যভেদৰ বাবে যাঠী খেলৰ প্ৰতিযোগিতা পাতে। ঠাই-বিশেষে কলপুলি পুতি লক্ষ্যভেদৰ প্ৰতিযোগিতা পাতে। কুল (গোত্ৰ) অনুপাতে প্ৰতিযোগিতা হয়। সঘন লক্ষ্যভেদ কৰা কুলেই বিজয়ী বুলি ঘোষিত হয়। খেলৰ শেষত কোনো কোনো ঠাইত নিৰ্দিষ্ট বৰঘৰত কচুপাতৰ লগত কুকুৰা বা শুকান মাছেৰে অতিপাত্ত জাল দিয়া আঞ্জাৰে পানীয় গ্ৰহণ কৰে। দুপৰীয়া বৰঘৰত জেলা আৰু হাড়ীকুঁৱৰীয়ে উপাস্য দেৱ-দেৱী আৰু পিতৃ-মাতৃক সান্দহ, পিঠা-পনা আৰু মদ আদি অৰ্পণ কৰি নতুন বছৰৰ মঙ্গলৰ বাবে প্ৰাৰ্থনা কৰে। সচং ঘৰতো ঠাই-বিশেষে সান্দহ, পিঠা-পনা, মদ আদি আগবঢ়ায়।

ঝোৰা তোলা: প্ৰতি বছৰে বহাগ বিহুত ৰাজকুঁৱৰীয়ে নতুন বছৰৰ বাবে পুৰণি ঝোৰা সলাই 'ন-ঝোৰা' বৰঘৰত বান্ধে। ঝোৰা হ'ল কৌ-পাত আৰু আগলি কলপাতেৰে আৰৈ চাউল, তুলসী আৰু দূৰৰিৰে বন্ধা 'মটা' (টোপোলা।—সম্পাদক)। বৰঘৰত ঝোৰা বন্ধাৰ পাছত ৰজাৰ ঘৰত পুৰণি ঝোৰা সলাই ন-ঝোৰা বান্ধে। নতুন বছৰৰ বাবে ন-ঝোৰা তুলি নতুন বছৰৰ খেতি-বাতিক আদৰণি জনায়। ঝোৰা শস্যৰ প্ৰতীক। ১৯৭৩ চনত ঐতিহাসিক পাঁচো ৰজাৰ টোপাকুছি অঞ্চলত বিহু সম্পৰ্কে অনুসন্ধান কৰোঁতে টোপাকুছি ৰাজবংশৰ শেষ কুঁৱৰী (ৰজা আৰু বাইজে বিধিগত হিচাপে পতা কুঁৱৰী) ৺বেকী কুঁৱৰীয়ে টোপাকুছিৰ ৺কাম্দুৰা ৰজাৰ দিনলৈকে ৰজাৰ ঘৰত গৈ ঝোৰা তুলিছিল। ৰজা মছৰং কুলৰ আছিল। ৺কুঁৱৰীৰ মতে ৰজা ধৰ্মান্তৰিত হৈ গলেও বহাগ বিহুত ৰজাৰ কুলে প্ৰতিবছৰে বহাগ বিহুৰ বাবে ৫ পুৰাকৈ ধান দিয়াৰ নিয়ম আছিল। ন-খেতি ওলালে এখেতসকলে বৰঘৰত আগবঢ়াইহে ন-খোৱাৰ নিয়ম আছিল।

গৰখীয়াসকলে উৰুকাৰ দিনাৰপৰাই গৰু ৰখিবৰ বাবে বাঁহৰ এচাৰিৰ সললি জালি গছ, ভেটাই, মাখিলতি, দীঘলতি আদি গছ ব্যৱহাৰ কৰা নিয়ম। সন্ধ্যা গৰু-গাই ঘৰলৈ অহাৰ আগমুহূৰ্তত পদূলিত তুঁহ-জুই ধৰি বিহলঙনি জুইত পোৰে। গৰু অহাৰ সময়ত বিচনীৰে বিচি দিয়ে। ঘটি বা লোটাত পানী লৈ গৰুৰ ঠেঙত পানী ছটিয়ায়। গোহালিত ন-পথা দি পিঠা-সান্দহ আদি খুৱায়। ন-পথাত জবা আৰু ওদালৰ সূত ব্যৱহাৰ কৰে। ন-পথাৰ মাজে মাজে তুলসীও ব্যৱহাৰ হয়।

সন্ধ্যা গোহালি, পদূলি, তাঁত-শাল, পাণৰ গুৰি, ভঁৰাল ঘৰ আৰু ৰান্ধনী-শালত বন্তি প্ৰজ্বলন কৰে। নিজৰ নিজৰ বংশৰ সকলোৰে কৃষিৰ সঁজুলি নাঙল-যুঁৱলি আদি, আৰু তাঁত-শালৰ যঁতৰ, উঘা, চেৰেকী আদি বৰঘৰৰ চোতালত গোট খুৱায়। পদূলি বন্তি প্ৰজ্বলন কৰি আগন্তুক বছৰৰ খেতি-বাতি

গৰু-গাই আদিৰ মঙ্গলাৰ্থে কুবেৰ আৰু বিশ্বকৰ্মাৰ পূজা কৰে। বগা কুকুৰা এটা বলি দিয়ে। তাৰ মঙহেৰে মদ্যপান কৰে। পিঠাগুৰি পানীত গুলি বনমলা পাতেৰে নাঙল, যুৱলি আদি গোট খুউৱা বস্তুত আৰু গোহালিত ছটিয়ায়।

এই কাৰ্য সমাপনৰ পাছত সকলে বৰজনক সেৱা-সংকাৰ কৰে আৰু বিহুৱান আগবঢ়ায়। কোনোৱে দিনৰ ভাগতে বিহুৱান দিয়ে। সেইদিনা গোটেই দিন ধৰি ভাত নোখোৱাকৈ ব্ৰত পালন কৰি জ্যেষ্ঠ-জনক সেৱা-সংকাৰ কৰিহে সন্ধ্যা আহাৰ গ্ৰহণ কৰা নিয়ম। বিহুদিনাৰ বাবে তিৱাসকলৰ কাৰণে কুকুৰাৰ মঙহ, কচুশাকৰ আঞ্জা পৰম্পৰা অনুসৰি চলি অহা প্ৰিয় খাদ্য। ইয়াৰ লগতে পচতীয়া, দুবৰি, তুলসী, বিহলঙনি, মনুগামাৰি (কচু জাতীয় উদ্ভিদ ; ইয়াৰে জাল খায়), কৈলতি (এবিধ শাক; জাল খাবৰ বাবে উপযুক্ত) কাঁয়পতীয়া (এবিধ শাক), পৰজালতি (এবিধ লতা ; ইয়াৰে শাক খোৱাৰ উপৰি বাখৰ তৈয়াৰ কৰা হয়। 'বাখৰ' হ'ল মদ তৈয়াৰ কৰিবৰ বাবে পৰজালতি আৰু অন্যান্য তিতা-জাতীয় উদ্ভিদেৰে পিঠাগুৰিৰে সজা এবিধ ঘূৰণীয়া খিলা পিঠা), দোবোণ, পোঁৱাতী বাঘিনীৰ আলু (হালধি-জাতীয় এবিধ উদ্ভিদ ; ইয়াৰ আলু আৰু কুকুৰাৰ মঙহ বা শুকান মাছেৰে জলা আঞ্জা ৰান্ধি প্ৰসূতিক খুউৱা হয়), বিভিন্ন কচু, বিহঢেঁকীয়া, মহানিম, বাহকা তিতা, ভেকুৰীতিতা, মানিমুনি, লাইজাবৰি, আগৰা পুলি, গোন্ধ তুলসী, ভেবেলী লতা (ভেদাই) আদি প্ৰত্যেক বিধৰে কম পৰিমাণে লৈ কুকুৰাৰ মঙহেৰে জাল খায়। আজি-কালি এই বস্তুবিলাক দুষ্প্ৰাপ্য হৈ পৰিছে। এইবোৰ শাকৰ উপৰি কঠালৰ মুচি, নীলুকঠ আৰু অন্যান্য দ্ৰব্যৰে এবিধ ঔষধ খোৱা হয়। ইয়াক খালে পেটৰ অসুখ নহয় বুলি ভাবে। ইয়াৰ বাহিৰেও বছৰটোলৈ সৰ্প-ভয় নাথাকে বুলি বিশ্বাস।

বিহুৰ দিনাৰপৰা সপ্তাহ-জুৰি ঘৰে ঘৰে হুঁচৰি গায়। আগৰ দৰে হুঁচৰিৰ আড়ম্বৰ আজি আৰু নাই। ঠাই-বিশেষে সংকীৰ্তনে তাৰ ঠাই লৈছে। মাঘবিহুৰ দৰে ডেকা-গাভৰুৱে সপ্তাহ ধৰি চোপ খেলে।

ৰজাৰ ভেটিভাৰ : ভেটিকঢ়া : বহাগ বিহুৰ পাছতে ভেটি-ভাৰ দিয়া আৰু ভেটিকঢ়া উৎসৱ হয়। ৰজা-লৈ সেইদিনা প্ৰজাবৰ্গই বিভিন্ন ঠাইৰপৰা ভেটি-ভাৰ আনে। আজি-কালিও জনজাতীয় প্ৰজাই বিহুত ভেটি-ভাৰ আনে। গোভা, নেলী, চহৰী আৰু খলা অঞ্চলত এই ভেটি-ভাৰ দিয়া উৎসৱ চলি আছে। ভেটিৰ সামগ্ৰী চাউলৰ টপা বা ৰবা, কপাহ, হালধি, বেঙেনা, জলকীয়া, লা, কেঁচা মাছ, শুকান মাছ, গাঞ্জ টেঙা ইত্যাদি। আজি-কালি গাজটেঙা অনা প্ৰথা নাই। এই উৎসৱ ভৈয়াম অঞ্চলত নাই। ভেটি-ভাৰৰ বস্তুবিলাক ৰজা, কুঁৱৰী, সেনাপতি আৰু আয়তী-বায়তীসকলৰ মাজত বিতৰণ হয়। ভেটি-ভাৰবিলাকৰ লগত সৰু সৰু সাজীত সকলো বিলাক খাদ্য-সামগ্ৰী ক্ষুদ্ৰ ক্ষুদ্ৰ অংশ কৰি ভৰাই আনে। সেইবিলাক ৰজাৰ চ'ৰাত গোট খুউৱা হয়। ৰজা-সেনাপতিক ঢোলে-ডগৰে আয়তী-বায়তী আৰু বা-বিয়ৈসকলে আগবঢ়াই আনাৰ পাছত বিহুৰ সম্পৰ্কে আলোচনা হয়। শেষত সৰু সৰু সাজীৰ লগত এক-ডেৰ ফুট দৈৰ্ঘ্যৰ সৰু সৰু কলপুলিৰ টুকুৰা গোট খুউৱা হয়। সবল-সুস্থ ডেকা ল'ৰা দুদল উলিওৱা হয়। এদলে ভেটিৰ সাজী আৰু কলৰ টুকুৰাবিলাক লৈ আগবাঢ়ে। আনদলে নিৰ্দেশ পোৱাৰ লগে লগে সিদলক আক্ৰমণ কৰে। দুয়োদলৰ মাজত ভেটি-ভাৰ কঢ়া-আঁজোৱা হয়। আঁজুৰি আঁজুৰি সাজী আৰু কলৰ টুকুৰাবোৰ



'পাটচ'ৰা'ৰ ওপৰেদি দলিয়াই দি প্ৰতিবাৰতে সমূহীয়াকৈ— "তাৰে ফাবা পিচু লিউ, পিচু লিউ উ'ই" (আজিৰপৰা বিহু যায়, বিহু যায় অ'ই) বুলি ধ্বনি দিয়ে। এইদৰে ভেটি-ভাৰ কাঢ়ি নোহোৱা পৰ্যন্ত ধ্বনি দি থাকে। পুনৰ "তাৰে ফাবা পিচু লিউ, পিচু লিউ উ'ই" বুলি বিহুৰ সামৰণি মাৰে। সন্ধ্যা সাজীত থকা বস্তুৰে ডেকাইতে প্ৰীতিভোজ খাই বিহুক বিদায় দিয়ে।

টোকা :-

(১) স্বৰ্গদেৱ জয়ধ্বজসিংহই (১৬৪৮ খ্ৰীঃ—১৬৬৩ খ্ৰীঃ) শাসনৰ সুবিধাৰ কাৰণে বহাগু ডেখেতৰ শহুৰেক টেলেকা সন্দিকৈৰ তত্ত্বাৱধানত চকী স্থাপন কৰি ডেখেতক বহা চকীৰ বৰুৱা পাতে। টেলেকা সন্দিকৈৰ দিনত বহাৰপৰা চাৰে-চাৰি কিলোমিটাৰ উত্তৰ-পশ্চিমে 'বুঢ়াগাঁও' নামৰ এখন গাঁৱত (এই গাঁও বৰ্তমান নিজ বাৰপূজীয়াৰপৰা ২ ফাৰ্লং মান দক্ষিণত অৱস্থিত ; বৰ্তমান ইয়াত জন-বসতি নাই) জয়ন্তীয়া ৰাজ্যৰপৰা অহা ১২ ঘৰ মিকিৰ, ১২ ঘৰ লালুঙে গাঁও পাতি বহিছিল— "মিকিৰ ১২ বাৰে ঘৰ, লালুঙ ১২ বাৰে ঘৰ আহি বুঢ়াগাঁৱতে বহিলে। মিকিৰ বাৰেঘৰ গোভা সতো আহি তিহু-লীয়া বিলৰ কোষতে গাম' বহিলে" (দেওধাই অসম বুৰঞ্জী, পৃষ্ঠা ১৩৩)। মানুহ বহাৰ গম পাই বহীয়াল বৰুৱাই ৰৰাইতৰ হতুৱাই অনুসন্ধান কৰালে— "বৰুৱা বোলে,— 'অ' বাৰু ৰৰাইত দ'তিয়ালত সোধা তাহাতৰনো ৰাজাৰ পো-চা আছে নাই।" মিকিৰে বোলে; —'আমাৰ বংশাংপো ৰাজাকুল, ৰাজা হ'ব পাই।' তেতিয়াই বৰুৱাই ৰৰাইতক আজ্ঞা কৰিলে, বোলে, —'৺দেৱৰ আজ্ঞা শুনাই ৰাজা পাতাগৈ।' চকীয়াল ৰৰাই ৺দেৱৰ আজ্ঞা শুনাই ৰাজা পাতিলে।" এই মিকিৰ ৰজাৰ বংশধৰ এতিয়াও নিজ মিকিৰ গাঁৱ'ত আছে। বৰ্তমান তেওঁলোক কোচ সম্প্ৰদায়ভুক্ত।

"আৰু লালুঙ বাৰে ঘৰ পালতাই পঠাই খলাৰ পৰা ডেকা দুটা আনিহে ৰজা পাতিছে। পৰেহে টপ-গুছীয়াৰ বুঢ়া কুঁৱৰী আহিলে। বুঢ়া ৰাজাৰ এই তিনি ৰজা সন্মান।" (দেওধাই অসম বুৰঞ্জী, পৃষ্ঠা ১৩৪—১৩৫)। এই দুজন কোঁৱৰৰে এজনক টোপাকুছিত আৰু আনজনক বাৰপূজীয়াত ৰজা পাতে। স্বৰ্গদেউ ৰাজেশ্বৰসিংহৰ (খ্ৰীঃ ১৭৫১ — খ্ৰীঃ ১৭৬৯) দিনত আৰু দুজন লালুঙক ৰজা পাতে— "নিয়া সুধা ফুকন ৰৰবৰুৱা দিনত কীৰ্ত্তিচন্দ্ৰ বৰ-বৰুৱাৰ দিনত সৰা, থাহিগ'য়া দো ৰাজাক সমান কৰি পাক্ক ৰাজা কৰিলে।" (পৃষ্ঠা ১৪৩, দেওধাই অসম বুৰঞ্জী)। মিকিৰ ৰজাৰ বাহিৰে বাকী চাৰিওজন ৰজাৰ কুল মছৰং। কাৰণ, খলাৰ ৰাজ-কুল মছৰং।

স্বৰ্গদেউ ৰাজেশ্বৰসিংহৰ দিনত আগীত সাতৰাজ থাপনা কৰে— "কীৰ্ত্তিচন্দ্ৰ ৰৰবৰুৱা দেৱে বোলে 'আগীত সাত ৰজা, বহাতো পাক্কৰজা পাতিছে।" (পৃষ্ঠা ১৪৩, দেওধাই অসম বুৰঞ্জী)। সাতৰাজ হ'ল— তেতেলীয়া, কুমৈ, বঘৰা, তৰানি কলবাৰী, শুশনা-গোগ, ঘগুৱা, আৰু কছাৰীগাঁও। ইয়াৰে শুশনা-গোগৰ ৰজা দৰঙৰ কোচ ৰাজবংশৰ, ঘগুৱাৰ ৰজা মিকিৰ, কছাৰী গাঁৱৰ ৰজা কছাৰী। বাকী কেইজন তিৱা (লালুং) সম্প্ৰদায়ৰ। তেওঁলোক সকলো বৰ্তমান কোচ সম্প্ৰদায়ভুক্ত। এই সাতোৰজা অঞ্চল বৰ্তমান মলহা, তেতেলীয়া, ঘগুৱা, মৰিগাঁও আৰু বোকনি মৌজাৰ অন্তৰ্ভুক্ত। পাঁচোৰজাৰ অঞ্চল বহা, বাৰপূজীয়া, চৰাইবাহী, আৰু শিলপুখুৰী মৌজাৰ অন্তৰ্ভুক্ত হৈছে।

(৬১ পৃষ্ঠাত চাওক)

# তাঁতী সম্প্ৰদায়ৰ বিবাহ-প্ৰথা

শ্ৰীকিশোৰ কুমাৰ শৰ্মা

ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধ। ১৮২৩ চন। মুকলি-মূৰীয়াকৈ উজনি অসমৰ হাবিত নাচি থকা চাহ গছ ৰবাৰ্ট ব্ৰুচ চাহাবৰ চকুত পৰিল। পৰীক্ষা-নিৰীক্ষাৰ বাবে নিজ দেশ লণ্ডনলৈ পঠাই দিলে অসমত চাহ খেতি কৰাৰ অভিপ্ৰায়ে। ১৮৩৫ চনমানত অসমত প্ৰথম চাহ ৰোৱা হয় বৰ্তমান ডিব্ৰুগড় জিলাৰ চাবুৱা নামে ঠাইত। এই চাহ খেতিৰ উদ্ভাৱনৰ কাৰণ প্ৰধানতঃ দুটা বুলি ধৰিব পৰা যায়। প্ৰথমটো হৈছে, অসমত বনৰীয়া চাহ গছৰ আৱিষ্কাৰ, আৰু দ্বিতীয়তে, ১৮৩৩ চনত চীন দেশত থকা চাহ-ব্যৱসায়ত বৃটিছ একনায়কত্বৰ অৱসান।

অসমত চাহ-শিল্পৰ আদিতে বৃটিছ পৃষ্ঠপোষকসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল; বিশেষকৈ বাগিচাত বনুৱা নিয়োগৰ ক্ষেত্ৰত। সেই সময়ত অসমৰ জনসংখ্যা বেছি নাছিল। থলুৱা লোকসকলে নিজৰ প্ৰয়োজনৰ জোখাৰে মাটি-বাৰী থকা হেতুকে খেতি-বাতিকে জীৱিকাৰ প্ৰধান সম্বল হিচাপে লৈছিল, আৰু বৃটিছৰ অধীনত চাহ বাগিচাত মজুৰ হিচাপে কাম কৰিবলৈ ইচ্ছুক নাছিল। বৃটিছে উপায়ান্তৰ নাপাই হাবি চাফ কৰা, খেতিৰ মাটি প্ৰস্তুত কৰা, চাহ-বীজ ৰপন আদি কামৰ বাবে দেশৰ অন্যান্য প্ৰান্তৰপৰা বিভিন্ন জনগোষ্ঠীৰ লোকক অনাৰ ব্যৱস্থা কৰিলে। এই লোকসকল যাইকৈ বঙ্গ, বিহাৰ, উৰিষ্যা, মধ্য-প্ৰদেশ, অন্ধ্ৰ প্ৰদেশ, তামিলনাডু আদি ঠাইৰপৰা অহা, আৰু বেছি ভাগেই কোল গোষ্ঠীৰ অন্তৰ্ভুক্ত। চাহ মালিকসকলে প্ৰথমতে যদিও এই লোকসকলক 'গিৰমিট' ব্যৱস্থাৰে কেইবছৰমানৰ বাবেহে আনিছিল, পাছলৈ এওঁলোকৰ সৰহ ভাগেই অসমতে নিগাজীকৈ বাস কৰিবলৈ ল'লে। হিচাপ কৰি পোৱা গৈছে যে, অসমত এনে বনুৱা বৰ্তমানে প্ৰায় ১৫ লাখ। অসমৰ চাহ-শিল্পবোৰত কাম কৰা দৈনিক শ্ৰমিকৰ সংখ্যা গড়ে ৩,৯৭,৫৭০ জন।[1] আমাৰ দেশত চাহ-শিল্পৰ অগ্ৰ-গতিৰ কথা পি, চি, গোস্বামীয়ে এনেদৰে ব্যক্ত কৰিছে, "The history of the tea plantations in India and more particularly in Assam is a fascinating story of enterprising enterpreneur's endeavour, colonial Government's patronage and sacrifice of immigrant labourers."[2]

অসমলৈ অহা বনুৱাসকল মূলতঃ কোল গোষ্ঠীৰ হ'লেও কেইবাটাও জাতত বিভক্ত। বৰ্তমান মজদুৰ হিচাপে পৰিচিত এই চাহ-বনুৱাৰ জাতবিলাক এনে ধৰণৰ: বয়া, ককৱা, কন্ধ, কামাৰ, কাহাৰ, কালিন্দী, কিচান, কুৰ্মী, কুম্হাৰ, কৈঁউট, কৈৱী, খাড়িয়া, খেকৱা, খণ্ডাইত, খদাল, গড়, গড়াইত, গঞ্জু, গদৱা, গোৱালা, ঘাটোৱাৰ, ঘাঁসী, চাণ্ডাল, চাওঁৰা, চামাৰ, চিক্ বৰাইক, ডম, তাচা, তাঁতী, তেলী, তুৰহী, দুশাদ্, ধানোৱাৰ, পাত্ৰ, পানীকা, পৰ্জা, বৰাইক, বাউৰি, বাগতি, ভূমিজ, ভুঁইঞা, ভুঁই-মালী, মানকী, মাহিলী, মাল্দাৰ, মাল, মাল পাহাৰীয়া, মুণ্ডা, মোদী, ৰজক, ৰবিদাস, ৰাজোৱাৰ, ৰাজপুত, লহৰা, শবৰ, হাড়ি, ওৰাওঁ।[3] এই জাতবিলাকৰ সৃষ্টি নিজা বাসভূমি বা জীৱিকা-বৃত্তিৰপৰা হোৱা বুলি ঠাৱৰাব পাৰি।

যুগৰ পৰিবৰ্তনৰ লগে লগে প্ৰত্যেকটো জাতি-উপজাতিৰ জীৱনত যথেষ্ট পৰিবৰ্তন ঘটে। উল্লিখিত প্ৰত্যেকটো জাতৰে একালত স্বকীয় ৰীতি-নীতিৰে বান্ধ খাই থকা সমাজ-ব্যৱস্থাৰ আমূল পৰিবৰ্তন বৰ্তমানে আমাৰ চকুত নপৰা নহয়। পূৰ্বতে বিয়া-বাৰুৰ ক্ষেত্ৰত এওঁলোক নিজ জাতৰ ভিতৰতে বৈবাহিক সম্বন্ধ সীমাবদ্ধ নাৰাখি অন্য জাতৰ লগতো এই সম্বন্ধ গঢ়ি তোলাৰ পক্ষপাতী। অসমৰ মাটিত এশ বছৰৰো অধিক কাল ধৰি বাস কৰি অহা চাহ মজদুৰসকলৰ জীৱনত অসমীয়া সংস্কৃতিৰ ছাপো কিছু পৰিমাণে পৰিছে। এই প্ৰবন্ধটিত পাঠক-পাঠিকাসকললৈ সিংভুঁইয়া তাঁতী সম্প্ৰদায়ৰ মাজত প্ৰচলিত বিবাহ-প্ৰথাৰ এটি আভাস দাঙি ধৰাৰ চেষ্টা কৰা হ'ল। এই লোকসকল সিংভূম অঞ্চলৰপৰা অহা বাবে সিংভুঁইয়া তাঁতী নামে জনাজাত হ'ল। সিংভুঁইয়াৰ বাহিৰে তাঁতীসকলৰ অন্যান্য ভাগকেইটা হ'ল: পুৰুলিয়া, কানজাৰিয়া, বুক টামাৰ, মৰ-ভুজিয়া, বীৰভুঁইয়া, কালাহান্দি, চম্বলপুৰীয়া, পান আদি।

সিংভুঁইঞা তাঁতীয়ে পোনতে সিংভুঁইয়া তাঁতীৰ মাজতেই বৈবাহিক সম্বন্ধ সীমিত ৰাখিছিল। এওঁলোকৰ মাজত কেইবাটাও গোত্ৰ আছে— ১) ধোত্ৰা, ২) দশভায়া, ৩) পাঁচভায়া, ৪) বাৰভায়া, ৫) কেচ্-ৰাৰি, ৬) খিচিঙ্গীয়া, ৭) বেন্কুৰা ৮) দন্দ্পতিয়া, ৯) উৰ্ধাকুড়ি, ১০) চামজাৰ্, ১১) মলুৱা, ১২) হানজাৰ্ আৰু ১২) ভানজাৰ্। প্ৰতিটো গোত্ৰৰ লোকসকলে একেটা ঠালৰেপৰা সৃষ্টি হোৱা বুলি বিশ্বাস কৰে আৰু তেওঁলোকৰ মাজত বিবাহ নিষিদ্ধ। আকৌ একেটা গোত্ৰৰ মাজত বিবাহৰ প্ৰচলন আছে যদিও, বিশেষ কেইটামান গোত্ৰৰ ভিতৰত বৈবাহিক সম্বন্ধ ঘটিব নোৱাৰে। দশভায়া, পাঁচভায়া আৰু বাৰভায়াৰ মাজত বিবাহ সংঘটিত হ'ব নোৱাৰে। ঠিক সেইদৰে হানজাৰ্ আৰু ভানজাৰ্ৰ মাজতো বিবাহ নিষিদ্ধ। বাকীবিলাক গোত্ৰৰ ক্ষেত্ৰত এই নিষেধ নাই।

[1] Tea Statistics, 1972-73 : Tea Board of India, Calcutta.

[2] Problem of Export Promotion in Tea : P. C. Goswami : Indian Journal of Agricultural Economics, vol, xxv. No. 4, 1969.

[3] কৰম পূজা আৰু ঝুমুৰ গীত: কল্পধৰ গোহাঁই (সঙ্কলিত আৰু সম্পাদিত), অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত, ১৯৭৪ চন।



( ৫৯ পৃষ্ঠাৰ পিছৰপৰা )

(২) পাচোঁ ৰজাৰ ৰাজবংশধৰ ( মিকিৰ ৰজাক বাদ দি ) যিহেতু খলাৰপৰা অহা, গতিকে খলাৰ পূৰ্ব-পৰম্পৰা ৰক্ষা কৰি এই পাঁচোৰজীয়া অঞ্চলত মঙ্গলে-বুৰে বিহু কৰা প্ৰথা চলি অহাটো স্বাভাৱিক। বাৰ-পুজীয়া, টোপাকুছিৰ পূৰ্বৰ ৰাজকুমাৰক খলা ৰাজ্যৰ-পৰা অনাৰ উপৰিও এই অঞ্চলৰ অধিক সংখ্যক তিৱা লোকেই খলাৰপৰা আহিছিল বুলি আৰু এটা কথাৰ-পৰা ঠাৱৰাব পাৰি। খলা ( বৰ্তমান শিলচাং ) ৰপৰা ডেৰ কিলোমিটাৰ মান পূবে ৰাষ্ট্ৰীয় পথৰপৰা দক্ষিণে ১ ফাৰ্লং মান দূৰত চহৰী আমচৈলৈ যোৱা গড়কাপ্তানি বিভাগৰ ৰাস্তাৰ দাঁতিতে বাৰপুজা বা বাৰপুজীয়া নামৰ ঠাই এডোখৰ এতিয়াও আছে। সেই ঠাইৰ মানুহ আহি ইয়াত বসতি কৰাৰ কাৰণে ইয়াৰ নাম বাৰপুজীয়া হ'ব পাৰে।

০০০

সিংভূ'ইয়া তাঁতীৰ মাজত বিবাহ-কাৰ্য দৰা-কন্যা উভয় পক্ষৰ আলাপ-আলোচনাৰ যোগেদি সম্পাদিত হয়। সাধাৰণতে, ল'ৰাৰ ১৯/২০ বছৰ আৰু ছোৱালীৰ ১৫/১৬ বছৰ বয়স পাৰ হ'লেহে বিবাহৰ উপযুক্ত বুলি গণ্য কৰা হয়। তেওঁলোকৰ সমাজত এগৰাকীৰ সৈতে বিয়া হোৱাই সচৰাচৰ নিয়ম। দৰাঘৰীয়াই আগবাঢ়ি কন্যা বিচাৰি যায়। প্ৰথম অৱস্থাত দৰাঘৰৰপৰা এজন বয়সস্থ লোক কন্যা-ঘৰলৈ কথা-বতৰা হ'বৰ বাবে আহে। এই লোক-জনক 'আগুৱা' বুলি কোৱা হয়। 'আগুৱা'জনে সকলো শুভ-পিতি ভাল লক্ষণ দেখিলে পুনৰ অন্য এদিন ল'ৰাৰ বাপেক আৰু দুজনমান বয়োবৃদ্ধ লোকৰ সৈতে ছোৱালীঘৰলৈ আহে। দুয়োঘৰৰ মাজত আলাপ-আলোচনা চলে। এই আলোচনাত দুই-এজন 'পৰামিন' মানুহো (অইন জাতৰ মানুহ) সাক্ষী হিচাপে থাকে। 'আগুৱা'জনে তেওঁলোকৰ উদ্দেশ্যৰ কথা ইঙ্গিতেৰে ব্যক্ত কৰা বিশেষ মন কৰিবলগীয়া : "হাম্‌ৰা ৰাস্তা-চলা মানুষ্‌। বহুত দূৰ্‌সে চলে চলে আসছি। পিয়াচে হামদেৰ ছাতি শুকাই যাইছে। দেখলি, ৰাস্তাৰ কিনাৰে একটা পানীৰ কোঁৱা। ঐ কোঁৱাৰ পানী এক ঘটিৰ আশ্ৰায় হাম্‌ৰা তদেৰ ঠিনে আস্‌লি। হাম্‌দেৰ ওপৰ যদি তদেৰ দয়া-মায়া হয়, তবে এক ঘটি পানী দেয়কে হাম্‌ৰাকে বাচাও।" (আমি পথিক। বহুত দূৰৰপৰা বাটকুৰি বাই আহিছোঁ। পিয়াহত অণ্ঠ-কণ্ঠ শুকাই গৈছে। দেখিলোঁ, বাটৰ কাষতে এটা পানীৰে পৰিপূৰ্ণ নাদ। সেই নাদৰ এঘটি পানীৰ আশাৰে আমি আপোনালোকৰ কাষ চাপিছোঁ। আমাৰ প্ৰতি যদি আপোনালোকৰ দয়া-মমতা হয়, তেন্তে এঘটি পানী দি আমাক ধন্য কৰে যেন)। কথা শুনি ছোৱালীঘৰৰ মানুহে কন্তেক মৌনতা প্ৰকাশ কৰি তাৰ প্ৰত্যুত্তৰ দিয়ে এনেদৰে :— "ঠিকেই কহছ। হাম্‌ৰা ৰাস্তা-চলা মানুষ্‌দেৰ খাতিৰেই কোঁৱা তাড়ে ৰাখেছি। কিন্তু, তদেৰ ছাড়া আৰ এখনও কেও নাই আসেছে। যদি তদেৰ পানীৰ একদমেই দৰকাৰ, তবে দিতে পাৰি ; কিন্তু একটা বাত আছে ; ওৱাৰ আগে হাম্‌ৰা বিচাৰ কৰে দেখ্‌ব তৰা পানী খাতে পাৰ কি নাই পাৰ। যদি তদেৰ খাতে পাৰবাৰ শক্তি আছে, তবেহলেত সব্‌দিনকেৰ খাতিৰ এই কোঁৱাৰ পানী থাকে যাবেক। নাই হলে পিয়াসেই ঘুৰতে লাগবেক।" (হয়, আমি পথিকৰ বাবেইতো সেই নাদ খান্দি থৈছোঁ। কিন্তু, আপোনালোকৰ বাহিৰে আজিলৈকে কোনো অহা নাই। যদি আপোনালোকৰ পানীৰ নিতান্তই প্ৰয়োজন, তেন্তে দিব পাৰো ; কিন্তু তাৰ আগেয়ে আপোনালোক পানী খোৱাৰ যোগ্য হয়নে নহয়, তাক বিচাৰ কৰি চাব লাগিব। পানী খোৱাৰ যোগ্য বুলি বিবেচিত হ'লে এই নাদৰ পানী আপোনালোকৰ বাবে চিৰদিনলৈ থাকিব। নচেৎ, পিয়াহতে উলটিব লাগিব)।

এইদৰে ৰং-ধেমালিৰ মাজেদি দুয়োপক্ষই আলোচনাত ৰত হয়। আলোচনাত জাত-বংশৰো বিচাৰ হয়। উভয় পক্ষৰ মাজত বুজা-বুজি হোৱাৰ পাছত ছোৱালীক আঙঠি পিন্ধোৱাৰ দিন স্থিৰ কৰা হয়।

সিংভূ'ইঞা তাঁতীৰ মাজত ছোৱালীক আঙঠি পিন্ধোৱাটো 'পিন্ধান' বা 'বড়কুট্‌ম' নামে জনা যায়। এই 'বড়কুটুম'ত ল'ৰাপক্ষৰ পাঁচজন, সাঁতজন বা নজন লোক আৱশ্যকীয় দুই-এপদ বস্তুসহ ছোৱালীক আঙঠি পিন্ধাবলৈ যায়। বস্তুৰ ভিতৰত 'ফুলহাড়ি'টো উল্লেখ-যোগ্য।[৪] সেইদিনা ছোৱালীঘৰত নিজৰ জ্ঞাতি-কুটুম্বৰ বাহিৰেও ওচৰ-চুবুৰীয়াক নিমন্ত্ৰণ কৰা হয়।

৪ 'ফুলহাড়ি' হৈছে চাউলৰ গুড়িৰে আঁক-বাঁক কৰি লোৱা এটা মাটিৰ কলহ। এই কলহটো চিৰা, মুড়ি, গুড় আদিৰে পৰিপূৰ্ণ কৰি ৰখা হয়।



ছোৱালীৰ অভিভাৱকে ঘটি এটাত পানী লৈ তলে-ওপৰে কোঁপাত বা কলপাতেৰে ঢাকি ওপৰত চজিনাৰ ডাল, ধঁপাত, পাণ-তামোল লৈ বাটজৰ আগত থিয় হয়। সেইটোকে 'ঘটি-পানী' বোলে। ইয়াৰ পাছত তেওঁ 'বড়কুটুম'ৰ উদ্দেশ্য ব্যাখ্যা কৰে। এই সময়ত ছোৱালীজনীৰ বা ছোৱালীৰ পৰিয়ালৰ কোনো এজনৰ যদি সামাজিক দায়-দোষ থাকে, তাক জৰিমনাৰ যোগেদি প্ৰায়শ্চিত্ত কৰা হয়। অন্তত, ভোজ-ভাতৰ দিহা কৰা হয়। পাছদিনা পুৱা ছোৱালীজনীৰ 'পিন্ধান' হয়। ল'ৰাঘৰৰপৰা পঠোৱা বস্ত্ৰ কেইপদেৰে ছোৱালীজনীক সজোৱা হয়। 'পিন্ধান'ৰ পাছতে ল'ৰাপক্ষৰ লোকসকলে বিদায় লয়। ছোৱালীৰ দৰে ল'ৰাৰো 'পিন্ধান' হয়।

'পিন্ধান'-পৰ্বৰ পাছত বিবাহৰ দিন স্থিৰ কৰা হয়। তেওঁলোকৰ মাজত কন্যাৰ গা-ধন নাম মাত্ৰ হ'লেও দিয়াৰ নিয়ম আছে। সচৰাচৰ গা-ধন হিচাপে ১·২৫ টকা লোৱা দেখা যায়। লগতে কাপোৰ পাঁচখনো বিচৰা হয়। কাপোৰকেইখন হৈছে— শালা ধুতী, বিষয় পিন্ধা, আই শাড়ী, নানী শাড়ী আৰু আজি শাড়ী।

সিংভূ'ইঞা তাঁতীৰ মাজত 'ৰাস্তা-পূজা'ৰ নিয়মটো বিশেষ মন কৰিবলগীয়া। দৰা-কন্যাৰ বাটত কোনো অপায়-অমঙ্গল নহ'বৰ বাবে তেওঁলোকে এই পূজা বিবাহৰ আগেয়ে কৰে। এই পূজা সাধাৰণতে দৰা-ঘৰৰপৰা কন্যাঘৰলৈ যোৱা আলিৰ মাজ ভাগতে হয়। ৰাস্তা-পূজাত দৰাঘৰৰ মানুহে একলহ মদ, চাউল, তেল, নিমখ, হালধি আৰু এটা ৰঙা মতা কুকুৰা নিয়ে। কন্যাঘৰৰপৰা ক'লা মাইকী কুকুৰা, চাউল, তেল, হালধি, মচলাসহ এজন পূজাৰী যায়। এই পূজা সাধাৰণতে বয়োবৃদ্ধ লোকে সমাধা কৰে। পূজা-পাতলৰ অন্তত সেইবোৰ তাতে সকলোৱে ৰান্ধি-বাঢ়ি খাই নিজ নিজ ঘৰলৈ ৰাওনা হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে, সেইদিনা কন্যাঘৰৰ এজন মানুহ দৰাঘৰলৈ আৰু দৰাঘৰৰ এজন মানুহ কন্যাঘৰলৈ যোৱাৰ নিয়ম আছে। এনে কৰিলে দৰা-কন্যাৰ বাটত কোনো বিঘিনি নহয় বুলি তেওঁলোকে বিশ্বাস কৰে।

বিয়াৰ 'লগণ' লোৱা নিয়ম তেওঁলোকৰ মাজত আছে। 'লগণ' লোৱা দিনৰেপৰা বিয়াৰ দিনালৈকে দৰা-কন্যা উভয়ৰ লগতে একোজনকৈ সখী থাকে। এওঁলোকক 'লগদিন' বোলে। 'লগণ' সাত দিন, পাঁচ দিন বা তিনি দিনৰ হয়। 'লগণ' শেষ হোৱাৰ লগে লগে বিয়া আৰম্ভ হয়। দৰা-কন্যা উভয়কে 'লগণ'ৰ দিন অনুযায়ী 'লগণ-গাঁঠি' দিয়া হয়। প্ৰত্যেক দিনে এটাকৈ গাঁঠি খুলি যাব লাগে। অতীজতে তেওঁলোকে দিন-বাৰৰ হিচাপ ৰাখিবলৈকে এই গাঁঠি দিছিল বুলি অনুমান কৰিব পাৰি। গাঁঠিৰ বাহিৰেও দৰাৰ হাতত তামোল কটা 'যাঁতি'[৫] আৰু কন্যাৰ শাড়ীৰ আঁচলত আৰৈ চাউল আৰু 'কাজল পাতি'[৬] বন্ধা থাকে। বয়োবৃদ্ধসকলে ইয়াৰ কাৰণ এনেদৰে বিশ্বাস কৰে : চান্দ সদাগৰে মনসাৰ ভয়ত বেউলা-লখিন্দৰক লোৰ গৃহত ৰাখোঁতে লখিন্দৰৰ ভোক লগাত বেউলাই আঁচলত বন্ধা চাউলেৰে নাৰিকল-পানীৰ সহায়ত ভাত ৰান্ধিছিল আৰু 'কাজল পাতি'কেই ৰন্ধন-পাত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। 'যাঁতি'পাটৰ বিষয়ে তেওঁলোকৰ ধাৰণা যে তক্ষক নাগে লখিন্দৰক দংশন কৰি পলাই যাওঁতে বেউলাই সেই 'যাঁতি'ৰেই নাগৰ নেগুৰ কাটি ৰাখিছিল। সেয়েহে, বিপদ-আপদৰ সময়ত সহায় হ'ব বুলি তেওঁলোকে এই বস্তুকেইপদ ৰাখে।

সিংভূ'ইয়া তাঁতীৰ মাজত বিবাহ-কাৰ্য আৰম্ভ হোৱাৰ

৫ এবিধ কটাৰী।

৬ পূজাত ব্যৱহৃত অৰ্ঘাপাটৰ দৰে।

আগেয়ে দৰা-কন্যাই বিশেষ নিয়ম পালন কৰে। ইয়াৰ ভিতৰত 'পানী চাহা' আৰু 'মাটি চাহা' উল্লেখযোগ্য। 'পানী চাহা' আমাৰ বিয়াৰ 'পানী তোলা' প্ৰথাৰ লগত মিলে। 'মাটি চাহা'ত ৰভাৰ তলত বেদী সাজে। এই বেদীৰ বাবে দৰাক লগত লৈ সাধাৰণতে তিৰোতাসকলে মাটি আনিবলৈ যায়। ইয়াৰ বাবে কোনো নিৰ্ধাৰিত ঠাই নাথাকে। মাটি খন্দাৰ পূৰ্বে দেউৰী বা পূজাৰীয়ে ধূপ-ধূনা, সেন্দুৰ, ফুল, চাউল আৰু এটা বগা মতা কুকুৰাপোৱালি বলি দি আই বসুমতীৰ নামত উচৰ্গা কৰে আৰু মাটি ভিক্ষা কৰে। ইয়াৰ পাছত দৰাই কুমাৰী ছোৱালী তিনিজনীৰ সৈতে একেলগে কোৰ ধৰি প্ৰথম তিনি খাপ মাটিত মাৰে। প্ৰয়োজনীয় মাটি অনাৰ পাছতে তিৰোতাসকলে ৰভাৰ তলত নিৰ্দিষ্ট ঠাইত বেদী সাজে। কিছু সময়ৰ পাছত বেদীৰ ওচৰত প্ৰণাম কৰি দৰাই বাকী লোকৰ সৈতে কন্যাঘৰলৈ যাত্ৰাৰম্ভ কৰে। দৰাৰ লগত পুৰোহিত, নাপিত আৰু বাদ্য-বাদকো যায়। তেওঁলোকক সাধাৰণতে খোজ কাঢ়ি বা যানবাহনেৰে যোৱা দেখা যায়। সাজ-পাৰৰ ক্ষেত্ৰত দৰাই সাধাৰণতে হালধি ৰঙৰ ধুতী আৰু বগা পঞ্জাবী পিন্ধে। মূৰত পাগুৰি বা মুকুট পিন্ধাৰ প্ৰচলনো আছে।

দৰা কন্যাঘৰ পোৱাৰ পাছতে কন্যাক গা ধুওৱা হয় আৰু সাজ-পাৰ পিন্ধাই ৰভাৰ তললৈ অনা হয়। ৰভাৰ তলত কন্যাই আম-পাতৰ ঠাৰি এটুকুৰা মুখত লৈ মাকৰ হাতত মুখৰপৰা উলিয়াই দিয়ে। মাকে সেইডোখৰ নিজৰ মুখত দি পেলাই দিয়ে। ইয়াকে 'আম মুকুল খোৱা' বোলে। এই নিয়ম ৩ বা ৭ বাৰ কৰাৰ পাছত কন্যাক ঘৰৰ ভিতৰলৈ নিয়া হয়। এই সময়ত 'পণ ভঙ্গা' হয়। পণ-টকা নল'লে মাক-বাপেকে ছোৱালীৰ হাতেৰে আহাৰ খাব নোৱাৰে। সেয়ে, পণ-টকা কন্যাৰ অভিভাৱকে দৰাৰ অভিভাৱকলৈ আগবঢ়ায়। এই পণ-টকা সাধাৰণতে ১·২৫ টকা। পাছৰ পৰ্ব হৈছে 'গুৱা হবিলা ভঙ্গা'। ইয়াত দৰাৰ যি গোত্ৰ, কন্যাৰো সেই গোত্ৰ কৰা হয়। দৰাঘৰৰ মানুহে এটা তামোল বা চুপাৰি হাতৰ কিলাকুটিৰে ভাঙি এই পৰ্ব শেষ কৰে। ইয়াৰ পাছত দৰা-কন্যা উভয়কে বিয়াৰ মণ্ডপলৈ আনি হোমৰ গুৰিত বহুৱাই পুৰোহিতে মন্ত্ৰ পাঠ কৰে।

কিছু সময়ৰ পাছত বিয়াৰ কাৰ্য সমাধা হয়। দৰা-কন্যাই পুৰোহিত, মাক-বাপেক আৰু বয়সস্থ লোকক আঁঠুকাঢ়ি প্ৰণাম কৰি আশীৰ্বাদ লয়। সিংভূ'ইঞা তাঁতীৰ মাজত বিশ্বাস আছে যে, ছোৱালী উলিয়াই দিলে ঘৰৰ লক্ষ্মীক উলিয়াই দিয়া যেন হয়। সেই গতিকে, বিদায়ৰ আগমুহূৰ্তত লক্ষ্মী লোৱাৰ নিয়ম আছে। ঘৰৰ দুৱাৰ মুখত ছোৱালীৰ মাক বাহিৰলৈ চাই বহিব। মাকৰ কোচত দৰা, আৰু দৰাৰ কোচত কন্যাক বহুৱা হয়। কন্যাৰ মাকৰ হাতৰ ওপৰত দৰাৰ হাত, আৰু দৰাৰ হাতৰ ওপৰত কন্যাৰ হাত ৰাখি তাত ধান দি পিছ ফালৰপৰা কন্যাক ঘৰৰ ভিতৰলৈ ধানখিনি সিঁচি দিবলৈ কোৱা হয়। এই নিয়ম ৩ বাৰ কৰা হয়। ইয়াৰ পাছতে দৰা-কন্যাক বিদায় দিয়া হয়।

দৰাঘৰত দৰাই কন্যাক লোৰ খাৰু পিন্ধোৱাটো অতি তাৎপৰ্যপূৰ্ণ। এই লোৰ খাৰুক সিংভূ'ইঞা তাঁতীয়ে বিশেষ গুৰুত্ব দিয়ে। খাৰু পিন্ধালেহে বিয়া সম্পূৰ্ণ হয় আৰু দৰাই কন্যাৰ সম্পূৰ্ণ অধিকাৰ পায় বুলি তেওঁলোকে বিবেচনা কৰে। ইয়াৰ পাছত দৰা-কন্যাৰ মাজত খেল-ধেমালি আৰম্ভ হয়। খেলৰ ভিতৰত পাশাখেল, কুমাৰীৰ ওৰণি গুচোৱা আৰু দৰা-কন্যাৰ লৰ মৰা-মৰিয়েই প্ৰধান। খেলৰ শেষত দৰা-কন্যাক নৈৰ ঘাটলৈ বা নাদৰ পাৰলৈ নিয়া হয়। তাত এটা পুখুৰীৰ নিচিনা কৰি দৰা-কন্যাই আঙঠি



বা 'কাজল পাতি' পানীত লুকা-লুকি কৰে। এই নিয়ম আমাৰ বিয়াত চাউলৰ মাজত দৰা-কন্যাই আঙঠি লুকুৱাৰ লগত মিলে। এইদৰে দৰা-কন্যা উভয়ে ৩ বাৰকৈ কৰাৰ পাছত দৰাই কন্যাৰ গাত পানী ঢালি গা ধুৱাই দিয়ে। ইয়াৰ পাছত দুয়ো নতুন কপোৰ কানি পিন্ধি ঘৰ অভিমুখী হয়। কন্যাই এঘটি পানী মূৰত তুলি লৈ আগে আগে যায়, আৰু দৰাই ধনু-কাঁড় লৈ চিকাৰীৰ নিচিনাকৈ অনুসৰণ কৰে। ঘৰ পাই কন্যাই লৈ যোৱা ঘটিৰ পানীৰে ঘৰৰ মান্যবৰসকলক ভৰি ধুৱাই দি সন্মান প্ৰদৰ্শন কৰে। এইদৰে তেওঁলোকৰ মাজত বিবাহ কাৰ্য সমাধা হয়।

বিয়াৰ তিনি দিনৰ পাছত দৰা-কন্যা পুনৰ কন্যাঘৰলৈ যায়— আমাৰ 'আঠ মঙ্গলা' খাবলৈ যোৱাৰ দৰে। তেওঁলোকৰ মাজত বাল্য বিবাহৰ প্ৰচলন নাই। বিধৱা-বিবাহ মাজে সময়ে হোৱা দেখা যায়। এয়ে হ'ল সিংভূ'ইঞা তাঁতীসকলৰ বিবাহ-প্ৰথা।

প্ৰাকৃতিক সম্পদত অতি চহকী অসমৰ বুকুত আজি চাহ-শিল্পই গা কৰি উঠিছে। অসমৰ চাহ-শিল্পৰ ভূমিকা ভাৰতবৰ্ষৰ অৰ্থনৈতিক উন্নয়নত বিশেষ উল্লেখযোগ্য। ১৯৭১ চনৰ পিয়লৰ মতে ভাৰতৰ সৰ্বমুঠ চাহ-উৎপাদনৰ ৫১·৩৬ শতাংশ অসমৰে।[৭] মজদুৰ ভাই-ভনীয়ে কপালৰ ঘাম মাটিত পেলাই দেশৰ চাহ উৎপাদনত দিয়া শ্ৰমৰ বৰঙনি অসীম। অসমৰ বুকুত অসমীয়া সংস্কৃতিৰ সাৰ-পানীৰে ডাঙৰ-দীঘল হোৱা চাহ-বনুৱাৰ মুখত বৰ্তমানে অসমীয়া গীত-মাতৰ কলি প্ৰায়েই শুনা যায়। বিহু-উৎসৱত মজদুৰ ডেকা-গাভৰুৱে ঢোল, পেঁপা লৈ বিহু গাই ফুৰাটো সঁচাকৈয়ে আমাৰ কাৰণে অতি আনন্দৰ কথা।

৭ Economic Survey, Assam, 1973-74 : Department of Economics and Statistics, Assam.

অসম সাহিত্য সভাৰ নতুন প্ৰকাশন

## দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী

স্বনাম-ধন্য কবি-নাট্যকাৰ ৺দুৰ্গেশ্বৰ শৰ্মাৰ পূৰ্ব-প্ৰকাশিত আৰু অপ্ৰকাশিত ৰচনাৰ এই সামগ্ৰিক সঙ্কলনটো অসম সাহিত্য সভাৰ ১৯৭৮ চন বছৰটোৰ ভিতৰত প্ৰকাশিত গ্ৰন্থসমূহৰ অন্যতম। ড° মহেন্দ্ৰ বৰাৰদ্বাৰা সু-সম্পাদিত এই ৰচনাৱলীৰ ৭০ পৃষ্ঠা জোৰা 'অৱতৰণিকা' অংশত ড° বৰাই অনন্য-সাধাৰণ মিঠা ভাষা আৰু অননুকৰণীয় ৰীতিৰে আগবঢ়োৱা দুৰ্গেশ্বৰ শৰ্মাৰ জীৱন-বৃত্ত আৰু সাহিত্য-কৃতিৰ সম্যক বিচাৰ-বিশ্লেষণ অসমীয়া সাহিত্যৰ অন্য এটি বহুমূলীয়া সম্পদ। প্ৰতিভাধৰ কবি-নাট্যকাৰজনৰ একাধিক প্ৰতিকৃতি আৰু হস্তাক্ষৰৰ প্ৰতিলিপি গ্ৰন্থখনৰ আন এটি আকৰ্ষণ। ছপা-বন্ধা মনোৰম। প্ৰায় ৬১০ পৃষ্ঠাৰ এই বৃহৎ গ্ৰন্থৰ মূল্য মাত্ৰ ২৫·০০ টকা।

# নগাভূমিৰ ভাষা আৰু নাগামিজ

শ্ৰীভীষ্ম কান্ত বৰুৱা

নগাভূমিৰ ভাষাৰ অধ্যায়টো অতি আমোদজনক। কিয়নো নগাভূমিত বাস কৰা নগাসকল মূলতে মঙ্গোলীয় ঠালৰ হলেও তেওঁলোকৰ মাজত পৰস্পৰৰ ভাষাৰ মিল মুঠেই নাই। সেইবাবে নগাভূমি পাৰস্পৰিক বোধগম্যতাহীন বহুভাষাৰ ৰাজ্য। ইয়াৰ চৈধ্যটা প্ৰধান উপজনজাতি হ'ল আঙ্গামী, চেমা, লোঠা, আও, ৰেংমা, চাখেচাঙ, চংতাম, কন্যাক, চাঙ্, ফোম্, য়িমচুংগ্ৰাৰ, খিন্‌মুঙগান্, জেলিয়াং আৰু কুকি। এই চৈধ্যটা প্ৰধান উপজনজাতিৰ মাজতো কিছুমান সৰু সৰু ঠাল পোৱা যায়। উদাহৰণস্বৰূপে জেমি আৰু লিয়াংমেই দুটা বেলেগ বেলেগ ভাষা কোৱা নগা জনগোষ্ঠী। জেলিয়াং বুলিলে এই দুয়োটা উপ-গোষ্ঠীকেই বুজায়। জেলিয়াং শব্দটো জেমি আৰু লিয়াংমেই শব্দ দুটাৰ সংযোগত সৃষ্ট। তেনেকৈয়ে চাখেচাঙ্ উপজনজাতিয়ে তিনিটা উপগোষ্ঠীক সাঙুৰি পেলায়। সেইকেইটা হ'ল চোকৃৰি, খেঝা আৰু চংতাম-পচুৰি। তিনিওটা উপগোষ্ঠীৰে বেলেগ বেলেগ নিজা ভাষা আছে। অৱশ্যে তিনিওটাৰ ভিতৰত চোকৃৰি ভাষাৰেই প্ৰাধান্য। চাখেচাঙ্ শব্দটো এই তিনিওটা উপজনগোষ্ঠীক বুজোৱা শব্দকেইটাৰ সংমিশ্ৰণত সৃষ্ট— ( চোকৃৰি + খেজা + চংতাম-পচুৰি > চোখেচং বা চোখেচঙ্ > চাখেচাঙ্ )। আওসকলৰ ভিতৰতো চুংলি আৰু মংচেন নামৰ দুটা প্ৰধান ঠাল আছে। ইয়াৰ বাহিৰেও চাঙ্কি আওসকলৰে অন্য এটা ঠাল। এই তিনিওটাৰ মাজতো ভাষাৰ সামান্য পাৰ্থক্য দেখা যায়। এই তিনিওটা ঠালৰ ভিতৰত চুংলিসকলৰ ভাষাৰেই প্ৰাধান্য। এইবোৰৰ উপৰি বোংমেই, কছাৰী, মকৱাৰ, তিৰখিৰ, চিন, মাও, নেপালী ভাষা-ভাষী লোকৰ ঠালো পোৱা যায়। এনেকৈ হিচাপ কৰি চালে নগাভূমিত কমেও কুৰিটাৰ অধিক সম্প্ৰদায় আৰু প্ৰায় একুৰি ছটামান ভাষাৰ ঠাল পোৱা যাব। এই-বোৰৰো আকৌ প্ৰত্যেকৰে উপভাষাগত পাৰ্থক্য আছে। নকলেও হ'ব, নগাভূমিৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য হ'ল ঠাই-বিশেষে একোটা বিশেষ সম্প্ৰদায় থকাটো। গতিকে একোটা বিশেষ অঞ্চলত একোটা বিশেষ ভাষাভাষী সম্প্ৰদায়হে পোৱা যায়। তেওঁলোকে নিজৰ মাজত ভাবৰ আদান-প্ৰদানৰ বাবে নিজা নিজা কথিত ভাষাকেই ব্যৱহাৰ কৰে। এহাতেদি প্ৰকৃতিৰ বাধা, আৰু অন্যহাতেদি আক্ৰমণ তথা মূৰ-চিকাৰৰ ভয় ( ১৯৫৮ চনত শেষ মূৰ-চিকাৰ পোৱা গৈছে ); এইবোৰৰ বাবেই নগাসকল তেওঁলোকৰ বিভিন্ন জন-গোষ্ঠীৰ সান্নিধ্যলৈ আহিব পৰা নাছিল। ফলস্বৰূপে নিজ জনগোষ্ঠীৰ মাজতেই সীমাবদ্ধ হৈ থকা তেওঁ-লোকৰ প্ৰত্যেকৰে ভাষাবোৰ পৰস্পৰৰ বাবে একো-টাইত বিৰাট প্ৰাচীৰৰ দৰে থিয় হৈ ৰ'ল। একোটা জনগোষ্ঠীৰ ভাষা অন্য এটা জনগোষ্ঠীয়ে সমূলি নুবুজে।

কিন্তু সময়ৰ চকৰি ঘূৰাৰ লগে লগেই চৰকাৰী প্ৰশাসনীয় ব্যৱস্থাই নগাপাহাৰত গা-কৰি উঠিল। লাহে লাহে 'নগাপাহাৰ আৰু টুৱেনচাং অঞ্চল'



( 'Naga Hills and Tuensang Area', NHTA ) নগাভূমিলৈ ( Nagaland ) পৰিবৰ্তিত হ'ল। ভাৰতীয় সংবিধানত ষোড়শ ৰাজ্যৰূপে স্বীকৃতি পালে। লগে লগেই বিভিন্ন উন্নয়নমূলক আঁচনি কাৰ্যকৰী হবলৈ ধৰিলে। খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ প্ৰচেষ্টা চলিল, যাতায়াতৰ সুচল হ'ল, দোকান-পোহাৰৰ ব্যৱস্থা হ'ল, পঢ়াশালি স্থাপিত হ'ল, থলুৱাই হওক বা নগাভূমিৰ বাহিৰৰেই হওক, বিভিন্ন ঠাইৰ লোকক চাকৰিৰ বাবে মকৰল কৰা হ'ল। ফলস্বৰূপে নগাসকল দৈনন্দিন জীৱনত অন্য ভাষাভাষী লোকৰ লগত ভাবৰ আদান-প্ৰদান কৰি চলিব লগা হ'ল। স্বাভাৱিকতে বহিৰাগতৰ বা অন্য ভাষীৰ লগত নগা-সকলৰ ভাবৰ আদান-প্ৰদানৰ সমস্যা আহি পৰিল। বহিৰাগতৰ লগত দেখা দিয়া এই সমস্যাটো থলুৱা বিভিন্নভাষী নগাসকলৰ মাজতো দেখা দিলে। এই-খিনিতে উল্লেখযোগ্য যে ভৈয়ামৰ কাষৰীয়া পাহাৰৰ নগাসকলৰ লগত অসমীয়াৰ দীৰ্ঘদিনীয়া সম্পৰ্ক আছিল।[1] তদুপৰি বৃটিছ চৰকাৰৰ দিনত নগাভূমিৰ প্ৰাথমিক স্কুলত অসমীয়া ভাষাৰ শিক্ষা দিয়া হৈছিল। আকৌ, প্ৰশাসনীয় সুবিধাৰ বাবে বৃটিছ চৰকাৰে নগাভূমিত নথা 'আছাম ৰাইফলছ' আদিৰ বেছিভাগ মানুহেই ভৈয়ামৰ অসমীয়া। ফলস্বৰূপে দুই-এটা ভগা ছিগা অসমীয়া কব পৰা নগাসকলে ভগা ভগা অসমীয়াৰেই অন্যভাষীৰ লগত পাৰ্যমানে ভাব প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিল। এটা ভাষা কোৱা নগা-জনগোষ্ঠীৰ বাবে অন্য এটা ভাষা কোৱা নগা জন-গোষ্ঠীৰ লোকো বহিৰাগতৰ দৰেই পৰিগণিত হৈছিল। গতিকে বহিৰাগত বা অন্যভাষীৰ লগত ভাবৰ আদান-প্ৰদান কৰিবলৈ হ'লেই এই ভগা অসমীয়া মাধ্যম-টোকে গ্ৰহণ কৰিছিল। এইদৰে যুগ যুগ ধৰি ভগা ভগা অসমীয়াৰেই ভাবৰ আদান-প্ৰদান কৰাৰ ফলত তাত অসমীয়া ভাষাই এটা নতুন ৰূপত বিকাশ লাভ কৰে, যিটোক তেওঁলোকে 'নাগামিজ'[2] বুলি চিনাকি দিয়ে। নগাসকলে কয়, "Never mind our bad Assamese, we speak good broken Assamese."

নাগামিজ ভাষাটোৰ শব্দমালাৰ অধ্যয়ন অত্যন্ত আমোদজনক। কিয়নো, পশ্চিম প্ৰশান্ত মহাসাগৰীয় অঞ্চলত কথিত বীচ-লা-মাৰ, নাইবা বিস্তৃতভাৱে চীনদেশত ব্যৱহৃত আৰু কমকৈ হলেও জাপান আৰু কেলিফোৰ্ণিয়াত কথিত Pidgin English-অৰ শব্দ-গ্ৰহণ পদ্ধতিৰ দৰেই নাগামিজতো শব্দ গ্ৰহণ কৰিছে। বীচ-লা-মাৰ ভাষাত bulopenn ( Eng. 'blue paint' ), Nusipepa ( Eng. 'Newspaper' ), আৰু চীনদেশৰ Pidgin English-অত hap/hab ( Eng. 'have' ), Plopa ( Eng. 'Proper') আদিৰ দৰেই নাগামিজতো টিং/ঠিং ( অসমীয়া 'ঠেং' ), বালা ( অসমীয়া 'ভাল' ), পাকলা ( অসমীয়া 'পগলা' ), বক ( অসমীয়া 'বোপ' ) আদি পোৱা যায়। তাৰ উপৰি বীচ-লা-মাৰ ভাষাত ইংৰাজী 'পিয়ানো' ( Piano ) অৰ্থ বুজাবলৈ যিদৰে "big fellow bokus ( box ) you fight him he cry"-ৰ দৰে এটা বাক্যৰ আৱশ্যক হৈছে, সেইদৰে নাগামিজতো ছাত্ৰ অৰ্থ বুজাবলৈ 'হিখা কোৱা লোৱা', ইংৰাজীৰ Balcony-ৰ অৰ্থ বুজাবলৈ 'উখ' বোহা ঝাগা/জাগা', অন্তৰ ( heart ) বুজাবলৈ 'বুকু ধ'ক ধ'ক কোৱা', স্বাভাৱিক অৰ্থ বুজাবলৈ 'ঠিক হিচাপ কোৰি চোলি থাকা/ তাকা' আদি পোৱা যায়। গতিকে 'Heart beating is normal' বাক্যটো নাগামিজত হ'ব এইধৰণৰ— 'বুকু ধ'ক ধ'ক কোৱাটো ঠিক হিচাপ কোৰি কিনা/কেনা চোলি আছে।' আকৌ

১ অসম সাহিত্য সভা পত্ৰিকাৰ চতুস্ত্ৰিংশ বছৰৰ দ্বিতীয় সংখ্যাত প্ৰকাশিত লেখকৰ প্ৰবন্ধ দ্ৰষ্টব্য।

২ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ তথা গ্ৰন্থাগাৰত সংৰক্ষিত লেখকৰ 'The Nagamese Language' গ্ৰন্থ দ্ৰষ্টব্য।

অপ্ৰত্যাশিতভাৱে এজন বন্ধুক লগ পাই অত্যন্ত সুখী অৰ্থ বুজাবলৈ 'খুব খুচি', 'একদ'ম খুচি' আদিৰ বাহিৰেও এটা বাক্যৰ জৰিয়তে কিদৰে মনৰ ভাব সবলকৈ প্ৰকাশ কৰিছে, তলৰ বাক্যটোৱেই তাৰ নিদৰ্শন দাঙি ধৰিব— 'আপ্‌নি আহাতে একদ'ম মোৰে কিনা বাচা নিচিনাহে খুচি পাই আছে।'

নাগামিজ ভাষাটোৰ বাক্য-গঠন অসমীয়া ভাষাৰ দৰে হলেও ধ্বনি, ৰূপ-ৰচনা আৰু শব্দমালাৰ ক্ষেত্ৰত থলুৱা প্ৰয়োগ আৰু থলুৱা ৰূপ গ্ৰহণ কৰাত ভাষাটো প্ৰথম অৱস্থাতে সহজে বুজাত অসমীয়াৰ বাবেই জটিল হৈ পৰিছে। এইক্ষেত্ৰত Landtman-এ Pidgin English-অৰ কথা কওঁতে কৈছে— "the native use of Pidgin English lays down the rules by which the Europeans let themselves be guided when learning it. Even Englishmen do not find it quite easy at the begining to understand Pidgin English, and have to learn it before they are able to speak it properly." এইবাৰ কথা নাগামিজৰ বেলিকাও প্ৰযোজ্য।

নাগামিজ ভাষাটোৰ নগাভূমিত দ্ৰুত প্ৰসাৰণ ঘটিছে। ৰাজনীতিকে বিভিন্ন জনগোষ্ঠীৰ মাজত নিজৰ প্ৰভুত্ব বিস্তাৰৰ বাবে, অন্য ভাষা কোৱা শিক্ষকে থলুৱা ছাত্ৰক বুজাবৰ বাবে, সদনত প্ৰশ্ন উত্থাপন কৰোঁতে, বিভিন্ন কাৰ্যালয়ত বিভিন্ন পৰ্যায়ৰ কৰ্মচাৰীৰ লগত কাম-কাজ চলোৱাৰ সুচলৰ বাবে, বহিৰাগতৰ লগত ভাবৰ আদান-প্ৰদান আৰু দোকান-পোহাৰ আদিৰ বাবে নাগামিজ ভাষাৰ বহুল প্ৰয়োগ মন কৰিবলগীয়া। ইংৰাজী ভাষা চৰকাৰী কাৰ্যালয়ৰ ভাষা হলেও নাগামিজ ভাষাও চৰকাৰী প্ৰশাসনীয় কাম-কাজত আংশিকভাৱে ব্যৱহাৰ কৰা হয়। এই-ভাষাটোৰ প্ৰসাৰণ কি কি পৰিস্থিতিত ঘটিছে, তাক বিশ্লেষণ কৰিলে তিনিটা পৰিস্থিতি দেখা যায় :

(ক) এটা নগাভাষা কোৱা উপজনজাতিৰ লগত অন্য এটা নগাভাষা কোৱা উপজনজাতিৰ ভাবৰ আদান-প্ৰদান। ( নগা+নগা )।

(খ) নগাসকলৰ লগত অনা-নগাসকলৰ ভাবৰ আদান-প্ৰদান। ( নগা+অনা-নগা )।

(গ) এটা বেলেগ ভাষা কোৱা অনা-নগাৰ লগত অন্য এটা ভাষা কোৱা অনা-নগাৰ ভাবৰ আদান-প্ৰদান। ( অনা-নগা+অনা-নগা )।

এই তিনিওটা পৰিস্থিতিতেই নাগামিজ ভাষাটোৱে দ্ৰুত প্ৰসাৰণ লাভ কৰিছে।

নাগামিজ ভাষাটোৱে থলুৱা নগা ভাষাবোৰৰ শব্দমালাত কিদৰে প্ৰভাৱ বিস্তাৰ কৰিছে, সেইটোও মন কৰিবলগীয়া। এই সম্পৰ্কে বিস্তৃত অধ্যয়নৰ থলো নোহোৱা নহয়। প্ৰাথমিক অধ্যয়নৰপৰা দেখা গৈছে যে প্ৰতিটো নগা ভাষাতেই কম-বেছি পৰিমাণে হ'লেও অসমীয়া ভাষাৰ শব্দ ব্যৱহৃত হয়। অৱশ্যে কেতিয়াবা ধ্বনিৰ সামান্য বিচ্যুতিও ঘটিছে। উদাহৰণস্বৰূপে আঙ্গামী ভাষাত কটাৰী, চাকি, বেঙেনা, ( বিলাহীক বুজায় ), মিঠাতেল (মিঠাতেল), সিংধ ( সিংহ ), গোৰা ( ঘোঁৰা ), দাল ( দাইল ), পইচা আদি। আওসকলৰ ভাষাত হিচাপ, কেচেৰা, ( খেচেৰা ), পেঙেনা ( অসমীয়া 'বেঙেনা'; কিন্তু বিলাহীক বুজায় ), নাচপোতি ( নাচপতি ফল ), নোকচেন ( লোকচান ), আলি ( সৰু বাট ), খেল ( আহোম যুগৰ 'খেল' অৰ্থত ) আদি। আকৌ সপ্তাহটোৰ প্ৰতিটো বাৰকে বুজাবৰ বাবে আওসকলৰ ভাষাত শব্দ থাকিলেও তেওঁলোকে সাধাৰণতে অসমীয়া বাৰবোৰকে ব্যৱহাৰ কৰে। সেইদৰে চেমাসকলৰ ভাষাতো নাচপতি আদি শব্দ পোৱা গৈছে। এইবোৰৰ উপৰি দোবাচি (দোভাষী),

( ৭০ পৃষ্ঠাত চাওক )

# ধুলাপাদুং বাগিচাৰ মুদ্ৰা

শ্ৰীসতীশ চন্দ্ৰ ভট্টাচাৰ্য

১৯৭৭ চনৰ ৮ মে' তাৰিখৰ 'দৈনিক অসম'ত প্ৰাচীন অসমৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ সম্পদ উদ্ধাৰ হোৱাৰ বাতৰি ফটোসহ প্ৰকাশ পায়। তাৰ আগতে ৫ মে' তাৰিখে তেজপুৰৰপৰা প্ৰায় ২৭ কিলোমিটাৰ দূৰৰ ধুলাপাদুং বাগিচাৰ কৰ্তৃপক্ষই দৰং জিলাৰ তৎকালীন উপায়ুক্ত বীৰেন্দ্ৰ সিং জাফাৰ হাতত উক্ত বাগিচাৰ মাটিৰ তলৰপৰা উদ্ধাৰ কৰা ভালেমান মুদ্ৰা ভগ্ন তাম্ৰপাত্ৰসহ অৰ্পণ কৰে। এই গুৰুত্বপূৰ্ণ সম্পদৰাজিৰ বিষয়ে আজিকোপতি কোনো অসমীয়া আলোচনীত একো প্ৰবন্ধ-পাতি প্ৰকাশ নোপোৱাটো মন কৰিবলগীয়া কথা। এইবোৰৰ সামগ্ৰিক পৰিচয় দি লিখা আৰু 'দৈনিক অসম'ৰে ২৭/১১/৭৭ তাৰিখৰ সংখ্যাত প্ৰকাশ পোৱা বৰ্তমান লেখকৰ 'ধুলাপাদুং বাগিচাত আবিষ্কৃত মুদ্ৰা' শীৰ্ষক প্ৰবন্ধৰ বাহিৰে সংবাদ-পত্ৰতো তেনে কোনো আলোচনা-বিলোচনা হোৱা নাই। ফলত আমাৰ পাঠকসকল এই মূল্যৱান ঐতিহাসিক আহিলাখিনিৰ সম্পূৰ্ণ পৰিচয়ৰপৰা বঞ্চিত হৈ আছে বুলিলেও ভুল নহ'ব।

ধুলাপাদুং বাগিচাত এটি ভগ্ন অৱস্থাত প্ৰাপ্ত তাম্ৰপাত্ৰসহ মুঠ ৩৩ টা অভগ্ন আৰু কিছু সংখ্যক ভগ্ন মুদ্ৰা পোৱা হৈছিল। উক্ত প্ৰবন্ধত আমি ইবোৰৰ এনেধৰণে সাধাৰণ পৰিচয় প্ৰদান কৰিছিলোঁ : "মুদ্ৰাকেইটা আকৃতিত অ-সমভাৱে ঘূৰণীয়া। প্ৰত্যেকটোৰে একোপিঠিত একোটাকৈ অক্ষৰ খোদিত। দেখাত কোনোটো অলপ ডাঙৰ, কোনোটো সৰু। ওজনৰ ফালৰপৰা যথেষ্ট তাৰতম্য লক্ষ্য কৰা যায়। দুই-এটা আকৌ অন্য কোনোবাটোৰ দ্বিগুণতকৈও অধিক ওজনৰ। একেটা মুদ্ৰাৰে এফালে ডাঠ, অন্যফালে হয়তো পাতল। বহুকেইটা আকৌ ঠিক ঘূৰণীয়া নহৈ ঈষৎ বেঁকা-বেঁকি হৈ থকাও দেখা গৈছে" ইত্যাদি।

সম্পদৰাজি উদ্ধাৰ হোৱাৰ পাছত এইবোৰ চিনাক্তকৰণৰ প্ৰথম প্ৰচেষ্টা কৰিছিল ইতিহাসপ্ৰেমী শ্ৰীচিদানন্দ বৰুৱাই। "এনে অক্ষৰযুক্ত মোহৰ পূৰণি ধৰ্মীয় শিক্ষানুষ্ঠানত শিক্ষা প্ৰদানাৰ্থে ব্যৱহাৰ কৰা হৈছিল" বোলা তেওঁৰ অনুমানৰ কথাও সম্পদখিনি সংগ্ৰহৰ সংবাদৰ লগতে কাকতত প্ৰকাশ পাইছিল। ধৰ্মীয় শিক্ষা দিয়াৰ উদ্দেশ্যে মুদ্ৰাৰ ব্যৱহাৰৰ কথা সাধাৰণতে জনা নাযায়। গতিকে এই মত নৰজিল। তথাপি ঐতিহাসিক আহিলাখিনিৰ চিনাক্তকৰণৰ প্ৰথম প্ৰচেষ্টা কৰা বাবে শ্ৰীবৰুৱা নিশ্চয় ধন্যবাদাৰ্হ।

মুদ্ৰাখিনি চিনাক্তকৰণৰ ক্ষেত্ৰত দ্বিতীয় ইঙ্গিত দান কৰে শ্ৰীনাৰায়ণ দাসে। 'তেজপুৰৰ সাংস্কৃতিক ঐতিহ্য' ( সদৌ অসম ছাত্ৰ সন্থাৰ সপ্তম বাৰ্ষিক অধিৱেশনৰ স্মৃতিগ্ৰন্থত প্ৰকাশিত, তেজপুৰ, আগষ্ট, ১৯৭৭ ) শীৰ্ষক নিবন্ধত এই মুদ্ৰাৰ প্ৰসঙ্গত তেওঁ লিখিছে, "মুদ্ৰা-পৃষ্ঠত খোদিত অক্ষৰে কোনোবা নৃপতিৰ নামৰ প্ৰথম ধ্বনিক

নাইবা মুদ্ৰা-মূল্যবাচক শব্দৰ প্ৰথম অক্ষৰৰ দ্যোতনা কৰিছে নেকি—তাকো অনুসন্ধান কৰিবলগীয়া। এই মুদ্ৰাসমূহৰ অধ্যয়নৰ পূৰ্ণতাই পুৰণি অসমৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত যে নতুন আলোক সম্পাত কৰিব, সেই বিষয়ে আমি নিঃসন্দেহ।" পাছত সাপ্তাহিক কাকত 'মহাজাতি'ৰ দুটা সুকীয়া সংখ্যাত এইজনা লেখকে ধূলাপাদুং বাগিচাৰ মুদ্ৰা সম্পৰ্কত দুটা সংক্ষিপ্ত টোকা লিখিছে যদিও আলোচ্য প্ৰসঙ্গত তেওঁৰ এই মন্তব্য অধিক ইঙ্গিতবহ। সেই বছৰৰে চেপ্তেম্বৰ মাহৰ দ্বিতীয় সপ্তাহত (১১ চেপ্তেম্বৰ) কামৰূপ অনুসন্ধান সমিতিৰদ্বাৰা 'অসমৰ ইতিহাস আৰু সংস্কৃতিৰ বিভিন্ন দিশ' শীৰ্ষক আলোচনা চক্ৰ গুৱাহাটীত অনুষ্ঠিত হৈ যায়। ইয়াত যশস্বী পুৰাতত্ত্ববিদ তথা ঐতিহাসিক পণ্ডিত ড° দীনেশ চন্দ্ৰ সৰকাৰে ভাষণ দিয়ে। আলোচ্য মুদ্ৰাবাজি প্ৰাথমিকভাৱে পৰীক্ষা কৰাৰ অন্তত তেখেতে কয় : "The copper coins, discovered in a T. E. near Tezpur would also throw some light on the Pre-Ahom history of Assam. Such type of valuable coins were also found in Tripura and Arakan." ( The Assam Tribune, তাৰিখ : ২০-৯-৭৭ ইং )।

পৰৱৰ্তী মাহ অক্টোবৰত এই সম্পদৰাজিৰ বিষয়ে নিৰ্ভৰযোগ্য আৰু প্ৰায় নিশ্চিত মতামত পাব পৰা হৈছে। মুদ্ৰাখিনি পৰীক্ষা কৰি অসমৰ ঐতিহাসিক আৰু প্ৰত্নতাত্ত্বিক অধ্যয়ন বিভাগৰ সঞ্চালক শ্ৰীবিজয় ভূষণ হাজৰিকা আৰু এই সংস্থাৰ প্ৰাক্তন সঞ্চালক, যশস্বী পণ্ডিত ড° প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে মত প্ৰকাশ কৰে যে এই মুদ্ৰাকেইটাৰ ২৯ টাত 'ৱ' আখৰ আৰু বাকী ৪ টাত 'হ' আখৰটো আছে। তাৰপৰা তেখেতসকল এই সিদ্ধান্তত উপনীত হৈছে যে মুদ্ৰাকেইটা হৰ্জৰ বৰ্মণ (৮১৫-৮৩৫ খ্ৰী: ) আৰু বনমাল বৰ্মদেৱৰ (৮৩৫-৮৬৫ খ্ৰী: ) দিনৰ। হৰ্জৰ বৰ্মণৰ দিনৰ মুদ্ৰাত 'হ' আৰু বনমাল বৰ্মদেৱৰ দিনৰ মুদ্ৰাত 'ৱ' আখৰ ব্যৱহাৰ কৰা হৈছে।

এই মতৰ সমৰ্থনত আমাৰ পূৰ্ব-উল্লেখিত প্ৰবন্ধটি প্ৰকাশ পায়। উক্ত সিদ্ধান্ত সমৰ্থন কৰিবলৈ আমি তিনিটা যুক্তি বিচাৰি পাইছিলোঁ : (১) মুদ্ৰাৰ নৃপতিৰ নামৰ প্ৰথম আখৰ ব্যৱহাৰৰ দৃষ্টান্ত ধূলাপাদুং মুদ্ৰাৰ বাহিৰে অন্যত্ৰও পোৱা গৈছে, (২) নৱম শতিকাৰ শৈললিপি আৰু তাম্ৰলিপিত প্ৰাপ্ত অসমীয়া লিপিৰ গঢ়ৰ লগত ধূলাপাদুঙৰ অক্ষৰৰ গঢ় অভিন্ন, আৰু (৩) মুদ্ৰাবাজিৰ অনুন্নত তথা অসম আৰু বিশৃঙ্খল গঢ়লৈ চাই তাক নৱম শতিকাত স্থাপন কৰাৰ সম্ভাৱনা।

এতিয়ালৈ গৱেষক দুগৰাকী তথা আমাৰ মতৰ কোনেও বিৰোধিতা নকৰাত আৰু তাৰ সপক্ষেহে কোৱাত এই মতৰ গুৰুত্ব বাঢ়ি আহিছে। বৰ্তমানলৈকে এই সিদ্ধান্তকে শুদ্ধ বুলি ধৰি লোৱা হৈছে। অৱশ্যে শৈল শাসন, তাম্ৰশাসন আদি পুৰাতাত্ত্বিক সাক্ষ্য অথবা কোনো সাহিত্যিক প্ৰমাণৰদ্বাৰা উক্ত সিদ্ধান্ত সমৰ্থিত নোহোৱাটো সত্য। এনে প্ৰমাণৰদ্বাৰা প্ৰমাণিত হলে উক্ত সিদ্ধান্ত সৰ্বাংশে শুদ্ধ বুলি গ্ৰহণ কৰিব পৰা যাব।

ভাৰতীয় মুদ্ৰা পৰিষদৰ পঞ্চষষ্টি অধিৱেশন উত্তৰ-পূৰ পাৰ্বত্য বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণক্ৰমে ১৯৭৭ চনৰ ২৯ নৱেম্বৰৰপৰা ৩০ নৱেম্বৰলৈ শ্বিলঙত অনুষ্ঠিত হৈ যায়। অধিৱেশনৰ লগতে অনুষ্ঠিত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মুদ্ৰা সম্পৰ্কীয় আলোচনা-চক্ৰত নৱাবিষ্কৃত ধূলাপাদুঙৰ মুদ্ৰাবাজিয়ে গুৰুত্বপূৰ্ণ মৰ্যাদা পাইছিল। ইয়াত পঠিত ড° দীনেশ চন্দ্ৰ সৰকাৰৰ 'Money in Pre-Ahom Assam and its neighbourhood' নামৰ নিবন্ধত উক্ত মুদ্ৰাবাজিৰ কথাও আলোচিত হৈছিল। তেখেতে ধূলাপাদুং বাগিচাৰ মুদ্ৰাবাজি হৰ্জৰ বৰ্মণ আৰু বনমাল বৰ্মণৰ হোৱাৰ সম্ভাৱনা মানি লয়। 'ৱ' আৰু 'ব' অক্ষৰৰ সেই কালত ভিন্নতা নথকা বাবে কিছু মুদ্ৰা বলবৰ্মণৰ বুলিও যুক্তি প্ৰদৰ্শনৰ সম্ভাৱনা তেখেতে স্বীকাৰ কৰে।

এই আলোচনা-চক্ৰতে ড° ৰবীন দেৱ চৌধুৰীয়ে 'A note on the newly discovered coins from Dhulapadung T. E.' নামৰ নিবন্ধ পাঠ কৰে। এই প্ৰবন্ধতো ড° সৰকাৰৰ সদৃশ মতকে প্ৰকাশ কৰা হৈছে। [1]

উক্ত অধিৱেশনৰ অন্তত ডিচেম্বৰৰ প্ৰথম সপ্তাহত ভাৰতীয় মুদ্ৰা পৰিষদৰ সভাপতি ড° বি. এন. মুখাৰ্জী আৰু উপসভাপতি ড° এ. এন. লাহিড়ীয়ে কামৰূপ অনুসন্ধান সমিতিৰদ্বাৰা আয়োজিত সভাত ক্ৰমে 'নৱাবিষ্কৃত পূৰ্ব ভাৰতীয় মুদ্ৰা' আৰু 'ভাৰতীয় মুদ্ৰা আৰু উত্তৰ-পূৰ ভাৰতীয় মুদ্ৰা'ৰ ওপৰত দুটি তথ্য-সমৃদ্ধ বক্তৃতা দিয়ে। ইয়াৰে প্ৰথমটোত ধূলাপাদুঙৰ মুদ্ৰাবাজিয়ে বিশেষ স্থান লাভ কৰিছিল। ড° মুখাৰ্জীয়ে তেখেতৰ ভাষণত বাংলাদেশৰ হৰিকেলত প্ৰাপ্ত, সপ্তম শতিকাৰ বুলি অনুমান কৰা এপিঠি খালী থকা মুদ্ৰাৰ পৰা ধূলাপাদুঙৰ মুদ্ৰাই আহি লোৱাৰ সম্ভাৱনা প্ৰকাশ কৰে। [2] মুদ্ৰাবাজিৰ কাল কিম্বা মুদ্ৰা মৰোৱা নৃপতিৰ প্ৰসঙ্গত ড° মুখাৰ্জীয়ে কোনো মতামত প্ৰকাশ নকৰাত তেখেতে উপৰোক্ত মতকে মানি লোৱাটো সূচাইছে।

এই গুৰুত্বপূৰ্ণ সম্পদৰাজিৰ ওপৰত শেহতীয়াভাৱে আৰু এটি ব্যাখ্যা পঢ়িবলৈ পোৱা গৈছে। এই ব্যাখ্যা আগবঢ়াইছে ধূলাপাদুং মুদ্ৰাক প্ৰথম চিনাক্তকৰণৰ প্ৰচেষ্টা কৰা পূৰ্ব-উল্লেখিত শ্ৰীচিদানন্দ বৰুৱাই তেওঁৰ 'Dance and Dramatic Performance in Prag-Jyotisha Kamarupa' নামৰ নিবন্ধত। [3] তেখেতৰ মতে, "মুদ্ৰা আকৃতিৰ এই তাম্ৰৰ টুকুৰাসমূহ"ক কিছুমান পণ্ডিতে কোৱাৰ দৰে হৰ্জৰ বৰ্মণ আৰু বনমাল বৰ্মণৰ মুদ্ৰা বুলি কোৱাটো যথেষ্ট সন্দেহযুক্ত। প্ৰবন্ধ-লেখকৰ ভাষাত, "These are not coins, but may be 'ag terma' or 'treasure' containing 'rNyingma doctrinal writings' by Padmasambhava or by

( ৭৩ পৃষ্ঠাত চাওক )

( ৬৮ পৃষ্ঠাৰ পিছৰপৰা )

গাঁওবুঢ়া সকলোৱে ব্যৱহৃত শব্দ।

ভালকৈ বিশ্লেষণ কৰিলে দেখা যায় নাগামিজ ভাষাটোৱেই নগাভূমিৰ বিভিন্ন ভাষাভাষী লোকৰ মাজত কথোপকথনৰ মাধ্যম হিচাপে শিক্ষিত আৰু অশিক্ষিতভেদে ব্যৱহৃত হয়। নাগামিজ ভাষাটোক কোনোৱে Pidgin বুলি কোৱাৰ চেষ্টা কৰিলেও ইয়াৰ সাৰ্বজনীন ৰূপটোৰ কথা কোনেও নুই কৰিব নোৱাৰে। Pidgin-অতকৈ ইয়াৰ স্থান বহুতো উৰ্দ্ধত। সেই দৃষ্টিভঙ্গীৰপৰা চালে ইয়াক সম্পূৰ্ণৰূপে সংযোগী ভাষাৰূপে ( lingua-franca ) স্বীকৃতি দিব পাৰি। সেয়ে Hutton চাহাবৰ ভাষাৰেই সামৰিব পাৰি—"......... it ( Nagamese ) makes a far better lingua-franca for the Hills than Hindustani or English would, the substitution of which Assamese has been occasionally suggested." ০ ০ ০



১ দ্ৰষ্টব্য : 'উত্তৰ-পূৰ ভাৰতৰ মুদ্ৰা অধ্যয়নৰ পৰিচয়'— ড° ৰবীন দেৱ চৌধুৰী, অসম সাহিত্য সভা পত্ৰিকা, পঞ্চত্ৰিংশ বছৰ, দ্বিতীয় সংখ্যা।

২ এই সংবাদৰো উৎস ড° ৰবীন দেৱ চৌধুৰী উক্ত প্ৰবন্ধ।

৩ 'The Brahmaputra', স্মৃতি-গ্ৰন্থ, উত্তৰ-পূৰ ভাৰত জ্যোতি সোঁৱৰণী নাট্য প্ৰতিযোগিতা, তেজপুৰ, আগষ্ট ১৯৭৮, পৃষ্ঠা ৯৭-৯৮।

# জাতীয়তাবাদী কবি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাৰ ধ্বনিকাব্যত এভুমুকি

(পূৰ্বানুবৃত্তি)

ড° সৰ্বেশ্বৰ ৰাজগুৰু

**ইতিহাসৰ উদগনি : একালৰ বৃন্দাবন**

সাহিত্য আৰু ইতিহাসৰ মিলন মণি-কাঞ্চনৰ মিলন; ইহঁতৰ মিলনত যি শক্তিৰ উদ্ভৱ হয়, তাৰ তুলনা নাই :

“আগত সাহিত্য পাছত শক্তি
বুৰঞ্জীৰ মহাবাণী,
সেয়েহে বীণে কৰই লাগিছে
বহুকাল ধৰি জানি।”

(বীণৰ সুৰ : শঙ্খধ্বনি)

বুৰঞ্জীৰ বৰণীয় বীৰসকলৰ কাৰ্যাৱলীৰ ওপৰত আৰু বুৰঞ্জীৰ মহাবাণীৰ ওপৰত ৰচিত সাহিত্যই যুগে যুগে বিপন্ন জাতিক আত্মপ্ৰতিষ্ঠা কৰাত অফুৰন্ত প্ৰেৰণাৰে সহায় কৰি আহিছে। ৰাণা প্ৰতাপ, লাচিত বৰফুকন, শিৱাজী, চিৰাজুদ্দৌলা, টিপু চুলতান আদি ভাৰতৰ বিভিন্ন অঞ্চলৰ জাতীয় বীৰসকলক লৈ ৰচনা কৰা বিভিন্ন আঞ্চলিক সাহিত্যই জাতীয়তাবাদী ভাৱধাৰাৰ প্ৰসাৰত আৰু জাতীয়তাবাদী আন্দোলনৰ অগ্ৰগতিত অদমনীয় উৎসাহ যোগাইছিল। সাহিত্যৰ যোগেদি প্ৰকাশ হোৱা বুৰঞ্জীৰ বাণীৰ ক্ষমতা যে অসীম, সেই বিষয়ে কবি অৱহিত; সেয়ে কবিয়ে কৈছে, এই বাণীয়ে—

“অবোধ হিয়াকো বিকশিত কৰি
সিঁচিছে মহান জ্ঞান।
এই কবিতাৰ সঙ্গীতৰ ধাৰ
শুনি শুই থকা জাতি,
বুকুত গোটায় অসীম সাহস
সহস্ৰ অপায় কাটি।
এই ধ্বনি শুনি শিৰত যেতিয়া
বয় শোণিতৰ ধাৰ,
ৰক্ত পিপাসু শানিত অস্ত্ৰয়ো
মানিব যে লাগিব হাৰ।”

(বীণৰ সুৰ : শঙ্খধ্বনি)

চাৰণ কবি বৰুৱাদেৱে অতীতৰ স্মৃতি চাৰণ কৰি ইতিহাস আৰু কিংবদন্তিৰ আধাৰত ভালেমান জাতীয়তাবাদী কবিতা ৰচনা কৰিছে, আৰু এই কবিতাবোৰে বৰুৱাদেৱক “চাৰণ কবি” বুলি অভিহিত কৰাৰ সাৰ্থকতা বা যথাৰ্থতা প্ৰতিপন্ন কৰিছে। এই পৰ্যায়ৰ কবিতাবোৰৰ ভিতৰত বৰুৱা দেৱৰ ভালেকেইটি কবিতা ভাৱ, ভাষা আৰু ছন্দৰ ফালৰপৰা অসমীয়া সাহিত্যৰ নিঃসন্দেহে শ্ৰেষ্ঠ সম্পদ। এই কবিতাবোৰক আকৌ সূক্ষ্মভাৱে জীৱনীমূলক, ঐতিহাসিক আৰু কিংবদন্তিমূলক আদি ভাগত ভগাব পাৰি। জীৱনীমূলক কবিতাৰ ভিতৰত আছে শঙ্খধ্বনিৰ অন্তৰ্গত— ‘মহাপুৰুষ’ (শঙ্কৰদেৱ); প্ৰতিধ্বনিৰ অন্তৰ্গত— ‘লক্ষ্মীনাথ’ আৰু জয়ধ্বনিৰ অন্তৰ্গত ‘তিলকৰ বিচাৰ’, ‘শ্ৰীমন্ত শঙ্কৰদেৱ’, ‘আনন্দৰাম’, ‘দেশভক্ত’ (তৰুণৰাম ফুকন) আৰু ‘জৱাহৰলাল’।



কিংবদন্তিমূলক কবিতাৰ ভিতৰত আছে প্ৰতিধ্বনিৰ অন্তৰ্গত -- ‘নজনা বীৰৰ সুৰ’ আৰু ‘সোণামুৱা’। ঐতিহাসিক ঘটনা বা তথ্যৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা কবিতাৰ ভিতৰত আছে শঙ্খধ্বনিৰ অন্তৰ্গত ‘শ্মশান’, ‘সৈনিকৰ আক্ষেপ’, ‘গোবিন্দ কোঁৱৰ’, ‘শৰাইঘাট’, ‘ডিমাপুৰ’ আৰু ‘মোগল দূতৰ প্ৰতি লাচিত’। প্ৰতিধ্বনিৰ অন্তৰ্গত ‘ৰঙপুৰ’, ‘ৰত্নামুৱা বীৰ’, ‘আগীয়াঠুটিৰ বীৰ’, ‘গড়গাঁও’, ‘ধনা শৰাইঘাট’ আৰু ‘জয়দৌল’; জয়ধ্বনিৰ অন্তৰ্গত ‘বাহাদুৰ গাঁওবুঢ়াৰ কবৰ’, ‘ইতিহাসে কৰে পৰিহাস’ আৰু ‘কোৱা শৰাইঘাট’।

মহাপুৰুষ শঙ্কৰদেৱে ভক্তি ধৰ্ম, নাম ধৰ্মৰ প্ৰচাৰ, সমাজ সংস্কাৰমূলক কাম আৰু এক সাংস্কৃতিক নৱজাগৰণেৰে কোচ, হাজো আৰু অসম এই তিনিওখন ৰাজ্যৰ লোকক একেডালি এনাজৰীৰে বান্ধি এখন ডাঙৰ আৰু শক্তিশালী অসমীয়া সমাজ তথা এটা অসমীয়া জাতি গঢ়ি তোলাৰ ক্ষেত্ৰত যি ঐতিহাসিক অৱদান যোগাই থৈ গ’ল, তাৰ তুলনা নাই। সেইজনা মহাপুৰুষৰ স্মৃতিত কবিয়ে ভক্তিৰ শ্ৰদ্ধাঞ্জলি আগবঢ়াই অসমীয়া জাতিক মহাপুৰুষজনাই দি থৈ যোৱা বান্ধোনত আবদ্ধ হৈ থাকিবলৈ আহ্বান জনাইছে :

“অসমৰ জাতি গুৰু শ্ৰীমন্ত শঙ্কৰে
বান্ধিলে উজান-ভাটী এডালি ডোলেৰে
সেই জৰীডালি সবে কৰে অনুভৱ
কোনফালে, কেনি আছে বুজা মাথোঁ টান,
অসমৰ সকলোকে ভাতৃ-ভাৱ দিয়া
এনাজৰী ডালি সেই মহাপুৰুষৰ।”

(মহাপুৰুষ : শঙ্খধ্বনি)

সংহতি বা একতাই জাতীয় জীৱনৰ মূল ভেটি, মূল ৰহস্য। ইয়াৰ অভাৱ হ’লে জাতীয় জীৱনৰ বান্ধ শিথিল হয়। কবিয়ে কোৱাৰ দৰে “নিজৰ সন্মান ৰক্ষা নিজে নিজে কৰি, সমাজৰ টান বান্ধ অত দিনে থকা, যিজনে কৰিলে দান অসম ভূমিক, অসমৰ সমাজৰ মহাগুৰু তেওঁ।” সেইজন মহাপুৰুষৰ দান এই “টান সমাজ বন্ধন” যেতিয়াই ছিগি যাব, তেতিয়াই হয় অসমত আকৌ কোনো নতুন মহাপুৰুষৰ আৱিৰ্ভাৱ হ’ব লাগিব, নহয় অসমীয়া সমাজ, অসম দেশ ছাৰখাৰ হ’ব বুলি কবিয়ে সাৱধান বাণী শুনাইছে :

“যিদিনা ছিগিব সেই বান্ধ সমাজৰ
হয় কোনো পুৰুষৰ হ’ব অৱতাৰ
নহয় অসম দেশ হ’ব ছাৰখাৰ।”

(মহাপুৰুষ : শঙ্খধ্বনি)

---

(৭১ পৃষ্ঠাৰ পিছৰপৰা)

some other Lama, who had propagated Tantric Buddhism in Tibet from the later part of the 8th century onwards. The discovery of those tabloids i. e. “treasures” at Dhulapadung, Tezpur, simply suggests that the Tibetans used to come down to the plains of Assam valley even in those days.” লেখকে তেখেতৰ নিবন্ধৰ পাদটীকাত বিষয়টো স্থানান্তৰত বিস্তৃতভাৱে আলোচনা কৰিব বুলি জানিবলৈ দিছে। আলোচ্য সম্পদৰাশি হৰ্জৰ বৰ্মণ আৰু বনমাল বৰ্মণৰ মুদ্ৰা বুলি অসম তথা বাহিৰৰ বিশেষজ্ঞসকলে মানি লোৱাৰ পৰিপ্ৰেক্ষিতত শ্ৰীবৰুৱাৰ এই বিশ্লেষণ নিশ্চয় তাৎপৰ্যপূৰ্ণ হ’ব।

ধূলাপাদুং বাগিচাৰপৰা উদ্ধাৰ কৰা মূল্যৱান ঐতিহাসিক সম্পদখিনি বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, কামৰূপ অনুসন্ধান সমিতি আদি বিভিন্ন স্থানত পৰীক্ষা-নিৰীক্ষাৰ সন্মুখীন হোৱাৰ অন্তত সম্প্ৰতি দৰং জিলাৰ উপায়ুক্তৰ তত্ত্বাৱধানত তেজপুৰত সুৰক্ষিত হৈ আছে।

০ ০ ০

এয়া কবিৰ কেৱল আবেগপূৰ্ণ বাণীয়েই নহয়, ইয়াৰ অন্তৰালত ঐতিহাসিক সত্যও নিহিত আছে। জয়-ধ্বনি কবিতা পুথিৰ অন্তৰ্গত 'তিলকৰ বিচাৰ' নামৰ কবিতাতো তিলকৰ মুখেদি কবিয়ে এটি সনাতন সত্যৰ কথাকে ঘোষণা কৰিছে; অৱশ্যে তিলকৰ মুখেদি ব্যক্ত কৰোৱা এই সত্য কবিৰ কল্পনা নহয়: এয়া ভাৰতৰ স্বাধীনতা আন্দোলনৰ সন্দৰ্ভত হোৱা এক ঐতিহাসিক বিচাৰত মাৰাঠা-কেশৰীৰ সম্পাদক মাৰাঠা কুলতিলক বালগঙ্গাধৰ তিলকে ন্যায়াধীশৰ আগত কৰা এক শাশ্বত ঐতিহাসিক মন্তব্য— যি মন্তব্য এদিন বাস্তৱত পৰিণত হ'ল। এফালেদি বিচাৰ-কক্ষৰ কাঠ-গৰাত দণ্ডায়মান লক্ষ লক্ষ জনতাৰ মূৰ্তিমান প্ৰতিনিধি, 'স্বাধীনতা মোৰ জন্মগত স্বত্ব' বীজমন্ত্ৰৰ উদ্ঘোষক মহান পুৰুষ তিলক; আনফালেদি বিচাৰকৰ আসনত স্বজাতিৰ স্বাৰ্থ আৰু প্ৰীতি-সাধনৰ অভিলাষ আৰু ন্যায় বিচাৰৰ মহান দায়িত্ব পালনৰ নৈতিক কৰ্তব্যৰ আহ্বান: এই দুয়োৰে মাজত উদ্ভৱ হোৱা অন্তৰ্দ্বন্দ্বত ন্যায়াধীশ দোদুল্যমান। ইতিহাসৰ পৰিহাস: "থোকাথুকি মাতে দিলে বিচাৰকে ৰায়—তিলকৰ উচিত দণ্ড ৰাজ বিদ্ৰোহৰ।" অৱশ্যে বিচাৰকে তিলকক তেওঁৰ অভিমত বিচাৰ-কক্ষত প্ৰকাশ কৰিব পাৰে বুলিও অভিমত দিলে। সেই বিচাৰ-কক্ষত মহামতি তিলকে যি অভিমত প্ৰকাশ কৰিলে, সি পৰাধীন ভাৰতীয় জাতিৰ অৱনত শিৰ উন্নত কৰি তোলাৰ আৰু ভাৰতীয় জাতিক স্বাধীনতা লাভৰ মহান উদ্দেশ্যত অকথনীয় নিৰ্যাতনকো আওকাণ কৰি সগৰ্বে আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগোৱাৰ উপৰিও যুগে যুগে স্বাধীনতাকামী পৰাধীন জাতি মাত্ৰকে অনুপ্ৰেৰণা যোগাই থাকিব। ভাৰতবাসীয়ে এদিন বাস্তৱত ৰূপায়িত কৰি তোলা মাৰাঠা-কেশৰীৰ দীপ্ত কণ্ঠৰ সেই উক্তিক কবিয়ে তেওঁৰ কাব্যত অমৰত্ব দান কৰি কৈছে:

"বিচাৰত কদাপিও সন্তুষ্ট নহওঁ মই
ৰাজদ্ৰোহী দোষী মই নহওঁ কদাপি,
× × × ×
মোৰ এই নিৰ্যাতনে জগাব ভাৰতবাসী
জাগিব মাৰাঠা দেশ পৰ্বতে কন্দৰে
বিচাৰৰ ভাৰ লব জনতাই নিজে,
আনিব মাতৃৰ মুক্তি মোৰ নিৰ্যাতনে।"

বৰুৱাদেৱৰ ঐতিহাসিক ঘটনা বা তথ্যসম্বলিত কবিতাবোৰৰ ভিতৰত 'শ্মশান', 'গড়গাঁও', 'আগীয়াঠুটিৰ বীৰ', 'মোগল দূতৰ প্ৰতি লাচিত' আদি কবিতাবোৰ বিশেষভাৱে উল্লেখযোগ্য। শঙ্খধ্বনিৰ অন্তৰ্গত 'শ্মশান' নামৰ কবিতাটি যেন বৰুৱাদেৱৰ অন্তৰত লুকাই থকা দেশপ্ৰেমৰ এক অগ্নিবৰ্ষী জ্বালামুখী। এই কবিতাত দেশপ্ৰেমিক কবি এক শ্মশান-বলিয়া বৰাগীৰ ভাৱত অৱতীৰ্ণ হৈছে। বৰাগীৰ মুখেদি যেতিয়া কবিয়ে— অতীত অসমৰ গৌৰৱপূৰ্ণ কাহিনী আৰু চিত্ৰ দাঙি ধৰে, তেতিয়া দেশবাসী সকলোৰেই গৌৰৱ-গৰৱত দেদীপ্যমান হৈ উঠে। কিন্তু যেতিয়া কবিয়ে—

"আজি ৰংপুৰ শোকপুৰ হ'ল কাৰেং দেৱাল
ভাগি যে প'ল
ৰংঘৰ গুচি পথাৰৰ টঙ্গি হেৰোৱা কালৰ
চিনটি ৰ'ল।"

বুলি অসম জননীৰ দুখ-দৈন্যভৰা, দুৰ্দশাগ্ৰস্ত, বিষাদ-পূৰ্ণ চিত্ৰ দাঙি ধৰে, তেতিয়া শ্মশানৰ চাৰিওফালে লেলিহান শিখা মেলি থকা কাল-অগনিৰ জ্বালাময়ীৰ তাপত দেশবাসীৰ অন্তৰ ক্লিষ্ট আৰু দগ্ধ হয়, হতাশা আৰু নিৰাশাৰ ঘূৰ্ণিবায়ুৰ ঘাত-প্ৰতিঘাতত দিশহাৰা হয়। কোৱা নিষ্প্ৰয়োজন যে কবিয়ে বা বৰাগীয়ে এই অসমখনকেই শ্মশান বুলি অভিহিত কৰিছে; এদিন এই অসমতে সাহে-পিটে তুলনা নোহোৱা, ভাৰতৰ ভিতৰতে আত্মমৰ্যাদা অক্ষুণ্ণ ৰখা এটা জাতি বাস কৰিছিল; কিন্তু সেই জাতি আজি আৰু নাই। কবিৰ ভাষাত:



"চাৰিদিশে তই দেখিছ যি দেশ গোটেইখনেই শ্মশান
মোৰ;
ইয়াতেই থাকোঁ শ্মশান-বৰাগী তইত কোনেও নাপাৰ
ওৰ।
শুনচোন ৰাক ঠৰ লাগি বৈ চিতাৰ জুইযে নুমুৱা নাই,
গুমগুমনি উঠিছে চৌপাশে ডাঙৰ মূৰৰ মগজু খাই।
এই শ্মশানত এজাতি আছিল সাহ-পিট যাৰ তুলনা নাই,
এতিয়াও জুয়ে পুৰিব লাগিছে অলপতে কিন্তু নুমাব
হায়।"

বৰুৱাদেৱৰ 'শ্মশান' কবিতাটো পঢ়িলে চাৰ ওৱাল্‌টাৰ স্কটৰ 'The Last Minstrel' নামৰ কবিতাৰ কথা মনলৈ আহে; শ্মশানৰ বৰাগীয়ে স্কটৰ মিনষ্ট্ৰেলৰ চিত্ৰ সোঁৱৰাই দিয়ে:

"The last of all the Bards was he,
Who sung of Boarder chivalry;
For, welladay! Their date was fled,
His tuneful brethern all were dead;
And he, neglected and oppress'd
Wish'd to be with them, and at rest."

"সীমান্ত অঞ্চলৰ বীৰত্বপূৰ্ণ কাহিনীবোৰ গীত হিচাপে গাই ফুৰা চাৰণ কবিসকলৰ তেৱেঁই শেষজন কবি। কিন্তু হায় তেওঁলোকৰ এতিয়া আৰু সেইদিন নাই, গীত গাই তেওঁৰ সকলো বন্ধুৱেই ঢুকাল; সকলোৰে দ্বাৰা অৱহেলিত আৰু উৎপীড়িত হৈ তেওঁ এতিয়া তেওঁলোকৰ লগলৈ গৈ শান্তি লবলৈহে কামনা কৰিছিল মাত্ৰ।" শ্মশানৰ বৰাগীয়ে স্কটৰ মিনষ্ট্ৰেলৰ কথা সোঁৱৰালেও স্বীকাৰ কৰিব লাগিব যে বৰুৱাদেৱৰ বৰাগী কথাই-বাৰ্তাই, পোছাকে-পৰিচ্ছদে, সাহে-পিটে, ধৰণে-কৰণে সম্পূৰ্ণ অসম দেশৰ অসমীয়া বৰাগী, আৰু তেওঁৰ চিত্ৰও অধিক উজ্জ্বল, আৰু শ্ৰোতা বা পাঠকৰ ওপৰত এই বৰাগীৰ প্ৰভাৱো অনন্য:

"বৰাগীৰ গাত মিৰজাই চোলা ওলমি পৰিছে
ছিৰলী ফটা,
কোনোবা কলীয়া মুগাৰ চুৰিয়া কঁকালত টঙ্গালি টানকৈ
আঁটা
ফুলাম গামোচা কাণত পেলাই কঁকালত খোঁচে
ভালোঙ্গা খনি;
গেৰুৱা তামোলৰ লাখুটি হাতত ডিঙিত ওলমি পৰিছে
মণি।"

কবিতাটোত বাস্তৱাত্মক অসমীয়া জাতীয় চৰিত্ৰৰ যিটো ৰসসঞ্চাৰী কাব্যিক চিত্ৰ বৰুৱাদেৱে অঙ্কণ কৰিছে, সি তেখেতৰ অসমীয়া সংস্কৃতিৰ লগত থকা সুগভীৰ পৰিচয়ৰ উপৰিও গভীৰ দেশপ্ৰেম আৰু সাৰ্থক কাব্য-প্ৰতিভাৰ নিদৰ্শনকে দাঙি ধৰিছে।

শৰাইঘাটৰ যুদ্ধৰ ঐতিহাসিক কাহিনীক ভিত্তি কৰি কৰা বৰুৱাদেৱৰ কেইবাটাও কবিতা আছে। এই-কেইটা কবিতাৰ ভিতৰত শঙ্খধ্বনিৰ অন্তৰ্গত 'মোগল দূতৰ প্ৰতি লাচিত' আন এটি শ্ৰেষ্ঠ কবিতা। এই কবিতাত স্বাধীনতা ৰক্ষা আৰু স্বাধীনচিতীয়া মনোভাৱ পোষণৰ দৃঢ় আত্মপ্ৰত্যয়ৰ যি বাণী কবিয়ে মহাবীৰ লাচিতৰ মুখেদি শুনাইছে, সি স্বাধীনতা প্ৰিয় প্ৰত্যেক জাতিৰ লোকৰ অন্তৰতে দৃঢ় আত্মশক্তিৰ সঞ্চাৰ কৰিব। যুদ্ধৰ ক্ষতিপূৰণ তিনি লাখ টকা লৈ গুৱাহাটীকে ধৰি গুৱাহাটীৰ পশ্চিম অঞ্চল এৰি দিয়ক, নহ'লে ভীম সদৃশ মোগল সেনাই অসমীয়া জাতিৰ অস্তিত্ব বিলোপ কৰিব বুলি মোগল দূতে অনা ৰাজপুত বীৰ অম্বৰাধিপতি ৰামসিংহৰ ভীতি প্ৰদৰ্শনমূলক চিঠিৰ উত্তৰত লাচিতে প্ৰত্যুত্তৰ দিলে:

"অসমৰ স্বৰ্গদেউৰ বিষয়া লাচিতে—
ৰাজ আজ্ঞা কোনো মতে নকৰে লঙ্ঘন
সাগৰ সঙ্কাশ সেনা দিল্লী সম্ৰাটৰ,
যুদ্ধ কৰি মানাহৰ কৰি দিব পাৰ।
অসমৰ স্বাধীনতা হৰিবৰ হকে—
আহক পৃথিৱী সাজি নাই ভয় তাত,
জাতিৰ অস্তিত্ব বেচি, পৰৰ পাৰত

কোৱা দূত কি সাৰ্থক থাকিব ধৰাত ?"

অবিচঞ্চিত চিত্ত, অনাড়ম্বৰ স্পষ্ট ভাষা, জলদ গম্ভীৰ স্বৰ আৰু প্ৰতিপক্ষৰ সেনাপতিৰ প্ৰতি যথোচিত সন্মানেৰে উত্তৰ দিয়া এই কাব্যিক উক্তিত কবিয়ে শৰাইঘাটৰ যুদ্ধত অসমৰ প্ৰধান সেনাপতি মহাবীৰ লাচিত বৰফুকনৰ ব্যক্তিত্বপূৰ্ণ বীৰোচিত চৰিত্ৰ সাৰ্থকভাৱে ফুটাই তুলিছে। সৰল, অনাড়ম্বৰ হ'লেও এই ভাষা দুইফালে ধাৰ থকা অস্ত্ৰৰ দৰে। "জাতিৰ অস্তিত্ব বেচি পৰৰ পাৰত, কোৱা দূত কি সাৰ্থক থাকিব ধৰাত" আদি উক্তিৰদ্বাৰা নিজৰ স্বাধীনতা ৰক্ষাৰ প্ৰতি দৃঢ় ভাৱ পোষণৰ ইঙ্গিত দিয়াৰ উপৰিও অশ্বৰাধিপতি ৰামসিংহক লক্ষ্য কৰি কবিয়ে পৰোক্ষে স্বাধীনতা আন্দোলনৰ শত্ৰুতাচৰণ কৰি বৃটিছ সাম্ৰাজ্যবাদীৰ লগত যোগ দিয়া ঘৰ-বিভীষণবোৰৰ প্ৰতিও তীব্ৰ কটাক্ষপাত কৰিছে।

বৰুৱা দেৱৰ অভিনৱ ছন্দ-সজ্জাৰ আন দুটি ঐতিহাসিক তথ্য-সম্বলিত কবিতা হ'ল 'ৰঙপুৰ' আৰু 'গড়গাঁও'। এই কবিতা দুটাত পদ-লালিত্যত অসমীয়া ভাষাৰ আচল সুৰ বা জতুৱা ঠাঁচৰ সুৰ শুনিবলৈ পোৱা যায়। গড়গাঁও কবিতাত ৰাজধানীৰ ৰাজকাৰেং আৰু ৰাজসভাৰ যি বৰ্ণনা কবিয়ে দিছে, সি সম্পূৰ্ণ বুৰঞ্জীমূলক। কবিয়ে এই বৰ্ণনাত মীৰজুমলাৰ লগত অহা বুৰঞ্জীলেখক চাহাবুদ্দিন তালিছে গড়গাঁৱৰ ৰাজকাৰেঙৰ বিষয়ে লিপিবদ্ধ কৰি থৈ যোৱা টোকাৰ তথ্য লৈ তাক আনুভূতিক সংযোগ আৰু অভিনৱ ছন্দ-সজ্জাৰে কাব্যিক ৰূপত ৰূপায়িত কৰিছে। এসময়ত উদয়গিৰি ৰাজ্যৰ ৰাজধানী গড়গাঁৱৰ অতুল বিক্ৰম আছিল, গড়গাঁৱৰ কথা সাঁথৰৰ দৰে হৈছিল আৰু গড়গাঁৱৰ কাহিনী পৌৰাণিক কাহিনীৰ দৰেই জনসমাজত পৰম্পৰাগতভাৱে প্ৰচাৰ হৈছিল। কবিয়ে সেই গড়গাঁৱৰ অতুলনীয় চিত্ৰ অপূৰ্ব নাটকীয় ভাষাৰে অঙ্কন কৰিছে।

ভাষাৰ নাটকীয় আৰু জতুৱা ঠাঁচে পাঠক বা শ্ৰোতাক বৰ্তমানৰপৰা অজানিতে আঁতৰাই আনি অতীতৰ গড়গাঁও নগৰত প্ৰবেশ কৰোৱাইছে :

"ওলট পালট দেশ কথাৰে নহয় শেষ
কটাৰীৰ ভাৱে তাৰ কাটে,
বাঘ গৰু হালে হালে একে ঘাটে পানী খাপে
নগৰৰ দেও লগা ঘাটে
দেও তাৰ ফুৰে হাটে-বাটে।"

সেইদৰে অতীতৰ ৰংপুৰ নগৰৰ অপূৰ্ব দৃশ্যও কবিয়ে তেওঁৰ ছন্দোময় চিত্ৰত সজীৱ কৰি অঙ্কণ কৰিছে :

"ৰঙপুৰ ! ৰঙপুৰ !
ৰঙে ৰসে ভৰপুৰ !
ৰঙেৰে ৰাঙলী ৰঙচ'ৰা,
পথিকৰ মন-প্ৰাণ হৰা ;
ৰঙপুৰ ৰঙৰ নিজৰা
আছে তাত ৰঙৰ সঁফুৰা।"

কিন্তু কবিয়ে যেতিয়া ৰংপুৰৰ সেই দৃশ্য পৰিবৰ্তন কৰি বৰ্তমানৰ ৰংপুৰ নগৰৰ দীন-ভিকহু, কৰুণ চিত্ৰ দাঙি ধৰি কয়হি :

"পথাৰ পিটনি হ'ল
নগৰ মৰহি গ'ল,
কাৰেঙে কুটীৰ বেশ ধৰি
আছে যেন জীয়াতেই মৰি,
নৰ-নাৰী নাহে ভয় কৰি।"

তেতিয়া ৰংপুৰৰ সেই বিষাদ-ক্লিষ্ট দৰিদ্ৰ চিত্ৰ দেখি অন্তৰত দেশপ্ৰেমৰ কণিকা মাত্ৰও থকা প্ৰতিজন অসমীয়া লোকেই ৰংপুৰৰ কিয় এই অৱস্থা হ'বলৈ পালে, তাক ভাবি কবিৰ দৰেই জহি-পমি যাব লগা হয় : কাৰণ ঈশ্বৰে এই মানুহ জাতিৰ অন্তৰত ভৰা শক্তি দিছে। স্বাধীনতা ভাল পোৱা প্ৰতি জাতি, প্ৰতি ব্যক্তিকেই এসময়ৰ গৌৰৱপূৰ্ণ শক্তিশালী নগৰ এখনৰ শোকাবহ কৰুণ পৰিণতিয়ে নিশ্চয় ভবাই তুলিব।



"বিনন্দ কবিতাৰ ...... জতুৱা ছাব"

অসমৰ প্ৰাকৃতিক সৌন্দৰ্যক অৱলম্বন কৰি ৰচনা কৰা কবিতাও বৰুৱাদেৱৰ ভালেমান আছে; ধ্বনিকবি অসমৰ প্ৰাকৃতিক সৌন্দৰ্যৰদ্বাৰাও যথেষ্ট প্ৰভাৱান্বিত। এই সম্পৰ্কত আমি ইয়াত বিশেষ আলোচনা নকৰোঁ। যদিও উল্লেখ কৰি থোৱা ভাল হ'ব যে এই প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা থকা কবিতাবোৰৰ ভাষাও স্বাভাৱিকতেই কোমল আৰু সৰল, আৰু আনহাতেদি বৰ্ণনাবোৰো অতি মনোৰম আৰু অন্তৰস্পৰ্শী। ধ্বনিকবিৰ ভাষাত অসমীয়া ভাষাৰ জতুৱা ঠাঁচ এটা আৰু অসমীয়াৰ নিজস্ব সুৰদি-সুৰীয়া সুৰ এটা সততেই পোৱা যায়। অৱশ্যে সংস্কৃতীয়া শব্দৰ প্ৰয়োগো কোনো কোনো কবিতাত বিশেষভাৱে দেখা যায়। সাধাৰণতে বীৰৰসপূৰ্ণ কবিতাবোৰতেই তেখেতে সংস্কৃতীয়া বা তৎসম শব্দ বেছি প্ৰয়োগ কৰিছে। এনেবোৰ কবিতাত নিহিত বীৰৰসৰ ধ্বনিয়ে পাঠক বা শ্ৰোতাক ছন্দে ছন্দে ওপৰলৈ তুলি নিয়ে। এনে কবিতা বৰুৱাদেৱে প্ৰধানকৈ দেশৰ পাৰ্থ শক্তি যুদ্ধ-শক্তিক লক্ষ্য কৰিয়ে ৰচনা কৰিছে, যাৰ উদাহৰণ আমি ওপৰত দি আহিছোঁ।

বৰ্তমান সন্দৰ্ভত আলোচনাটি যিটো শীৰ্ষক দি আৰম্ভ কৰা হৈছে, সেই কথাষাৰ বনফুলৰ কবি স্বৰ্গীয় যতীন্দ্ৰ নাথ দুৱৰা দেৱৰ। তেখেতে বৰুৱাদেৱৰ কবিতাৰ "জতুৱা ছাব" আৰু অসমীয়া সুৰদি-সুৰীয়া মাতৰ বিষয়ে 'প্ৰতিধ্বনি' নামৰ কবিতা পুথিখনৰ পাতনিত লিখিছে : "বিনন্দ কবিতাৰ সৰহ ভাগ খাইকৈ এটি কথাৰ কাৰণে মোৰ ভাল লাগে। সেয়ে হৈছে তেওঁৰ কবিতাবিলাকৰ 'জতুৱা ছাব', ইংৰাজীত যাক বোলা হয় Racy. অসমীয়া সুৰদি-সুৰীয়া মাতৰ পৰা আঁতৰি দূৰ বিদেশত থাকি যেতিয়া আধুনিক অসমীয়া গল্পৰ মাজত দেখোঁ অনা-অসমীয়া নায়ক-নায়িকাৰ ৰচকী পখিলা নাচোন, গদ্য ৰচনাত পাওঁ ইংৰাজী শব্দ-যোজনাৰ ভাঙনি, কবিতাত শুনো নতুন ছন্দৰ নতুন ভাষাৰ নতুন ভাব,— তেতিয়া কেতিয়াবা এনেকুৱা হাড়ে-হিমজুৰে অসমীয়া কবিতা পঢ়িবলৈ কেনে ভাল লাগে, তাক মোৰ নিচিনা অকলশৰীয়া প্ৰবাসুৱাইহে বুজিব।"

প্ৰকৃতিৰ বিনন্দীয়া সৌন্দৰ্যত নিজক পাহৰি যোৱা সুন্দৰৰ উপাসক, বিনন্দীয়া মনৰ অধিকাৰী এই কবিয়ে প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনা কৰি অতি প্ৰাঞ্জল ভাষাত বৰাগীৰ গীতৰ সুৰত 'বৰাগীৰ গীত' বুলি যিটি কবিতা লিখিছে, তাৰ প্ৰতি স্তৱকতেই ওপৰৰ ছেদত উল্লেখ কৰা জতুৱা ঠাঁচ আৰু অসমীয়া সুৰদি-সুৰীয়া সুৰৰ ধ্বনি প্ৰতিধ্বনিত হৈছে। প্ৰাঞ্জল ভাষা আৰু যোজোনাৰ সংযোজনত কেনে অনুপম চিত্ৰ অঙ্কণ কৰিব পাৰি, তাৰ অপূৰ্ব উদাহৰণ দেখা যায় 'বৰাগীৰ গীত' নামৰ কবিতাত। উদাহৰণ স্বৰূপে :

"কুৰ'লীৰ মুঁৰলি আঁতৰাই পুৱাতে
সোণৰ পানী চৰা বেলি,
তোমাৰ ই ধৰাকে কৰে সোণোৱালী
আন্ধাৰৰ ঢাকনি ঠেলি, মোৰ প্ৰভু ঐ
আন্ধাৰৰ ঢাকনি ঠেলি।
জুৰকৈ বলিলে জহত বা এছাটি
ধৰালৈ আনিলে শাঁতি,
মেঘৰ চকুপানী টুকি ধৰাখনি
শইছে পেলালে ছাটি, মোৰ প্ৰভু ঐ
শইছে পেলালে ছাটি।" ইত্যাদি

ধ্বনিকবিৰ এই প্ৰাঞ্জল ভাষাই আমাক অসমী আইৰ আন এজন সুযোগ্য গীতিকবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতৰ অনুপম শুৱলা ভাষাৰ কথা মনত পেলাই দিয়ে।

মুঠতে মাতৃ-ভূমিৰ শত-গৌৰৱৰ উজ্জ্বল কাহিনী আৰু অনাবিল প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা মাতৃ-ভাষাৰ শুৱলা সুৰদি সুৰেৰে কবিৰ বীণত ঝঙ্কৃত কৰি দেশবাসীক দেশপ্ৰেম তথা জাতীয়তাবোধেৰে উদ্বুদ্ধ কৰি তোলাই

চাৰণ কবি বৰুৱাদেৱৰ জীৱনৰ লক্ষ্য। 'বাজ বীণ' নামৰ কবিতাত নিজকে কবিয়ে নিজেই আহ্বান কৰি কৈছে :

"বাজ বীণ বাজ সুদিন আহিছে
পূৰৱ পোহৰ সৌ,
অতি মৰমৰ মাতৃ-ভাষাৰ
গাজেৰে বৰষি মৌ।
(বাজবীণ : প্ৰতিধ্বনি)

জননীৰ সুদিন অহাৰ যি পূৱালী পোহৰৰ বেঙনি কবিয়ে এদিন দেখিছিল, সি বাস্তৱত পৰিণত হ'ল। কবিয়ে কোৱাৰ দৰে, পৰাধীন জাতিক কৰাৰ দৰে "অসত্যক সত্য কৰি ভয়ৰ ছন্দেৰে" আমাৰ কবিবো আজি ' কবিৰ নোৱাৰে তাৰ ( কবিতাৰ ) ছন্দ পতন" ( সেই আজি ৰচিম কবিতা : জয়ধ্বনি )। অসমীয়া ভাষা-সংস্কৃতিৰ লগত ঘনিষ্ঠ সম্বন্ধ থকা ধ্বনিকবিৰ জীৱন-বীণখনিও যেন জনমভূমি আৰু ভাষা-জননীৰ জয়গান বৰষি দেশবাসীক, বিশেষকৈ তৰুণ-তৰুণীসকলক, দেশপ্ৰেমেৰে উদ্বুদ্ধ কৰি ৰাখিবলৈকে বাজি থাকক — এয়ে আমাৰ ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা। কবিক কণ্ঠ, কবি তোমাৰ বীণৰ সুৰদি সুৰেৰে—

"জনমভূমিৰ জাতীয় সত্তাৰ
জাতি-গৌৰৱৰ চিন
যুগ যুগান্তৰ ধৰা সমুখত
কালত নকৰি লীন।"
(বাজবীণ : প্ৰতিধ্বনি)।

০ ০ ০

অসম সাহিত্য সভাৰ নতুন প্ৰকাশন

**অসমীয়া গল্পগুচ্ছ**

ডঃ মহেশ্বৰ নেওগ, যোগেশ দাস আৰু নাৰায়ণ শৰ্মাৰদ্বাৰা সম্পাদিত লক্ষ্মীনাথ বেজবৰুৱা, শৰৎ চন্দ্ৰ গোস্বামী, নগেন্দ্ৰনাৰায়ণ চৌধুৰী, নকুল চন্দ্ৰ ভূঞা, লক্ষ্মীনাথ ফুকন, মহীচন্দ্ৰ বৰা, ৰমা দাশ, বীণা বৰুৱা, চন্দ্ৰ ৰাম ডেকা, লক্ষ্মীধৰ শৰ্মা, ত্ৰৈলোক্যনাথ গোস্বামী, চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, মহিম বৰা, ভবেন্দ্ৰনাথ শইকীয়া, লক্ষ্মীনন্দন বৰা, হোমেন বৰগোহাঞি আৰু সৌৰভকুমাৰ চলিহা— এই ঊনৈছগৰাকী অমৰ আৰু লব্ধপ্ৰতিষ্ঠ গল্পকাৰৰ বাছকবনীয়া ঊনৈছটা গল্পৰ সঙ্কলন। চুটি গল্পৰ প্ৰকৃতি আৰু অসমীয়া চুটি গল্প সম্পৰ্কীয় প্ৰায় কুৰি পৃষ্ঠা জোৰা আলোচনা আৰু অপূৰ্ব-সুন্দৰ বেটুপাতেৰে দিমাই আকাৰৰ ২৭৮ পৃষ্ঠাৰ এই গ্ৰন্থখনৰ মূল্য মাত্ৰ ৭০.০০ টকা।

# অঙ্কীয়া নাটৰ উৎস-বিচাৰ

শ্ৰীবদন চন্দ্ৰ শইকীয়া

ভাৰতীয় নাট্য-জগতত শঙ্কৰদেৱৰ অঙ্কীয়া নাটবিলাকৰ এক গুৰুত্বপূৰ্ণ ঐতিহাসিক মূল্য আছে। কাৰণ প্ৰাদেশিক ভাষাত ৰচিত পূৰ্ণাঙ্গ নাটকৰ ভিতৰত অঙ্কীয়া নাটৰ তিহাই সবাতোকৈ প্ৰাচীন। এই অঙ্কীয়া নাট-ভাওনাৰ উৎপত্তিৰ উৎস বিচাৰি নানা জনে নানা মত প্ৰকাশ কৰিছে। ডঃ মনোমোহন ঘোষে অঙ্কীয়া নাট-ভাওনাক প্ৰাগৈতিহাসিক যুগত প্ৰচলিত এক শ্ৰেণীৰ নাট্যৰূপৰ নিদৰ্শন হ'ব পাৰে বুলি অনুমান কৰিছে।[1] ডাৱনিচাচৰ কোৱাছ গীতৰপৰা গ্ৰীক নাটক,[2] আৰু পুতলা নাচ, ছায়া নাট আদিৰপৰা সংস্কৃত নাটক[3] উৎপত্তি হোৱা মতবাদৰ সমান্তৰাল চিন্তাৰে কোনো কোনোৱে অঙ্কীয়া নাট মধ্যযুগৰ উত্তৰ আৰু দক্ষিণ ভাৰতীয় কিছুমান লোক-নৃত্য নাট্যানুষ্ঠানৰ[4] আৰ্হি বা প্ৰেৰণাত উৎপত্তি হোৱা বুলি ভাবে। শঙ্কৰদেৱৰ বাৰ বছৰ জোৰা তীৰ্থ-ভ্ৰমণে এই মতৰ পোষকতা কৰে'তাসকলৰ যুক্তিত অৰিহণা যোগায়।

৺কালিৰাম মেধি ডাঙৰীয়াই কিন্তু অনা-অসমীয়া নাট্যানুষ্ঠানৰ প্ৰভাৱ অস্বীকাৰ কৰি একমাত্ৰ স্থানীয় উপাদানৰপৰা,[5] বিশেষকৈ ওজা-পালিৰ প্ৰভাৱত শঙ্কৰদেৱে অঙ্কীয়া নাট সৃষ্টি কৰিলে বুলি মন্তব্য কৰিছে।[6] অধ্যাপক মহিম বৰাই গোৱালপাৰা অঞ্চলত প্ৰচলিত ভাৰীগান, কুশানগান, গোৱালিনী যাত্ৰা[7] আদিয়েও শঙ্কৰী নাট সৃষ্টিত অৱদান যোগাইছে বুলি ভাবে।[8] অৱশ্যে এইবিলাকৰ প্ৰাচীনতা সম্পৰ্কে সন্দেহৰ অৱকাশ আছে। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই অসমীয়া-অনা-অসমীয়া দুয়োবিধ প্ৰভাৱকে স্বীকাৰ কৰি লৈ এইদৰে মন্তব্য কৰিছে, "It may, therefore

১ Contributions to the History of Hindu Drama, পৃষ্ঠা — ১৪।
২ W. H. Hudson-ৰ 'An Introduction to the Study of Literature'-অৰ ২৩১ পৃষ্ঠা চাওক।
৩ A. B. Keith-ৰ 'The Sanskrit Drama'-ৰ ২৫৭ পৃষ্ঠা চাওক।
৪ মধ্যযুগীয় উত্তৰ ভাৰতীয় নাট্যানুষ্ঠান :– যম পট্টক, ৰাসলীলা, ৰামলীলা, ধমাৰ, যাত্ৰা, কীৰ্তনীয়া নাটক, চপ-কীৰ্তন ইত্যাদি। দক্ষিণ ভাৰতীয় নাট্যানুষ্ঠান :— কুট্টু, কথাকলি, যক্ষগান, ভাগৱত মেল, পচ্, ভাৱই, কলিত্তা কোল নাটম (সিংহল) ইত্যাদি।
৫ ৺মেধি ডাঙৰীয়াই উল্লেখ কৰা প্ৰাচীন অসমৰ নাট্যানুষ্ঠান :– ঢুলীয়াৰ ভাও, ভাৱৰীয়া ধেমালি, ওজা-পালি, দেওধনি নাচ আৰু পুতলা নাচ। (অঙ্কাৱলী : ভূমিকা III–XI)
৬ অঙ্কাৱলী : ভূমিকা XIV. ৭ দ্ৰষ্টব্য :— ডঃ বীৰেন্দ্ৰনাথ দত্তৰ 'গোৱালপাৰাৰ লোকনাট্য' শীৰ্ষক প্ৰবন্ধ (সংলাপ : ১ম বছৰ ১ম সংখ্যা) আৰু তৰুণ চন্দ্ৰ খাখলাৰীৰ 'গোৱালপাৰাৰ ওজা-পালি আৰু ভাৰীগান।' (ৰামধেনু ১২ শ বছৰ ৪ৰ্থ সংখ্যা)। ৮ চিন্তা-বিচিত্ৰা : পৃষ্ঠা ২০-২১/৩৭-৩৮।

be reasonably presumed that the recital of Kavyas, Ojha-pali choral singing and spectacular shows of other parts of India might have contributed to the rise of the fully developed drama in Assamese. (অঙ্কীয়া নাট : ভূমিকা, পৃষ্ঠা X)

ড° সত্যেন্দ্ৰনাথ শৰ্মাই মধ্যযুগীয় ভাৰতীয় নাট্যধৰ্মী-অনুষ্ঠান কিছুমানৰ লগত অসমীয়া নাট-ভাওনাৰ সম্বৰ-পৰ সাদৃশ্যবোৰ দেখুৱাই পুতলা নাচ আৰু ওজা-পালিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে, আৰু লগতে কেৰলৰ কুট্টু আৰু সিংহলৰ কোলম নাটৰ প্ৰভাৱৰ কথাও দাঙি ধৰিছে।[৯] সদ্য প্ৰকাশিত এটি প্ৰবন্ধত[১০] তেখেতে মহানাটক গীত-গোবিন্দ, শ্ৰীকৃষ্ণকীৰ্ত্তন, চৈতন্য ভাগ-ৱতত উল্লেখিত চৈতন্যদেৱৰ অঙ্কবন্ধন, মৈথিলী আৰু মৈথিলী নেৱাৰী নাটক আদিৰ প্ৰসঙ্গ উল্লেখ কৰিছে যদিও কোনো স্থিৰ সিদ্ধান্তত উপনীত হ'ব পৰা নাই। ড° মহেশ্বৰ নেওগে 'হনুমন্তী কাব্য'ৰ প্ৰভাৱৰ সম্ভাৱনা দেখুৱাইছে যদিও কাব্য শাস্ত্ৰ আবৃত্তি, পুতলা নাচ আৰু ওজা-পালিৰ কথাও উলাই কৰা নাই।[১১] ড° জগদীশচন্দ্ৰ মাথুৰে নাট্যশাস্ত্ৰ, সাহিত্য-দৰ্পণ আদিত উল্লেখ নথকা সঙ্গীতক[১২] নামৰ এক শ্ৰেণীৰ 'স্বল্পখ্যাত' প্ৰযোজক নাটকৰ প্ৰভাৱ আছে বুলি অনুমান কৰিছে।[১৩] ড° কৃষ্ণনাৰায়ণ প্ৰসাদ মাগধে তেওঁৰ 'শঙ্কৰদেৱ : সাহিত্যকাৰ আৰু বিচাৰক' গ্ৰন্থত 'প্ৰেৰণা আৰু প্ৰভাৱ' শিৰোনামেৰে ৫টা পৰম্পৰাৰ[১৪] সম্ভাৱনাৰ কথা বিচাৰ কৰি চাইছে আৰু সঙ্গীতক পৰম্পৰাৰেই শঙ্কৰী নাটৰ উৎস হ'ব পাৰে বুলি মন্তব্য কৰিছে। (পৃষ্ঠা ৪৩০)

সঁচা কথা, অঙ্কীয়া নাট তৎকালীন ভাৰতৰ নাট্যধৰ্মী অনুষ্ঠানৰ একক বা অকলশৰীয়া বিকাশ নহয়। একে যুগ, আদৰ্শ আৰু বাতাবৰণত গঢ়ি উঠা বিভিন্ন প্ৰান্তীয় অনুষ্ঠানৰ মাজত দুই-এক ঐক্য ওলাই পৰা অস্বাভাৱিক কথা নহয়। তথাপি শঙ্কৰী নাটৰ সৃষ্টিত স্থানীয়, প্ৰান্তীয় বা দূৰ ভাৰতীয় প্ৰভাৱ আছিল বুলি ভাবিবৰ মন নাযায়।

মহাপুৰুষ শঙ্কৰদেৱে ১৯ বছৰ বয়সতে চিহ্নযাত্ৰা নাটৰ অভিনয় কৰোৱা কথাষাৰ যদি সত্য হয়,[১৫] তেনেহ'লে শঙ্কৰী নাটৰ ওপৰত অনা-অসমীয়া কাব্য, নাটক বা নাট্যানুষ্ঠানৰ প্ৰভাৱ ভিত্তিহীন বুলি দেখদেখকৈয়ে প্ৰমাণিত হয়। কিয়নো সেইকালত শঙ্কৰদেৱে মথুৰা-বৃন্দাবনহে নালাগে বৰদোৱাৰ সীমান্তও অতিক্ৰম কৰা নাছিল। গুৰুচৰিত লেখক ৰামচৰণ মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰ নহয় বুলি সন্দেহ কৰিলে, প্ৰথম তীৰ্থযাত্ৰাৰ পাছত চিহ্নযাত্ৰাৰ অভিনয় হৈছিল বুলি কথা-গুৰুচৰিতৰ (পৃষ্ঠা ১৬) আৰু বৰদোৱা চৰিতৰ

৯ অসমীয়া নাট্য সাহিত্য : পৃষ্ঠা ২৩-৩১ ; ২-৬। ১০ অধ্যাপক ভৱপ্ৰসাদ চলিহা সম্পাদিত 'শঙ্কৰী সংস্কৃতিৰ অধ্যয়ন'ত সন্নিবিষ্ট 'অঙ্কীয়া নাট-ভাওনাৰ উৎপত্তি সন্দৰ্ভত মধ্যযুগীয় ভাৰতীয় নাট্যানুষ্ঠানৰ বিচাৰ' প্ৰবন্ধ, পৃঃ ১৯৭-২০৭। ১১ Sankaradeva and His Times, পৃষ্ঠা ২৪৭-২৫২। ১২ সঙ্গীতক সম্পৰ্কে ড° মাগধৰ 'শঙ্কৰদেৱ : সাহিত্যকাৰ আৰু বিচাৰক' গ্ৰন্থৰ ৪৩১ পৃষ্ঠা চাওক। ১৩ প্ৰাচীন ভাষা নাটক-সংগ্ৰহ : পৃষ্ঠা ২। ১৪ ড° মাগধে দেখুৱা পৰম্পৰা ৫টা :—

১] হ্ৰাসোন্মুখী সংস্কৃত নাটকোঁ কী পৰম্পৰা
২] সঙ্গীতক পৰম্পৰা
৩] গীত-গোবিন্দ কী নৃত্য-নাট ঔৰ লীলাগান পৰম্পৰা
৪] মধ্যকালীন লোক নাটোঁ কী পৰম্পৰা
৫] স্থানীয় লোক-নৃত্য নাট পৰম্পৰা

১৫ গুৰু চৰিত : (পদ ১৪৪৭) হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত



(পৃষ্ঠা ৬৪-৬৫) মত মানি ল'লে, আৰু চিহ্নযাত্ৰাই প্ৰকৃত নাট্যৰূপ লাভ কৰা নাছিল বুলি ধৰি ল'লে[১৬] উপৰোক্ত যুক্তি অৱশ্যে দুৰ্বল হৈ পৰে। তেনেহ'লে আমি চিহ্ন-যাত্ৰাৰ প্ৰসঙ্গ বাদ দি পত্নীপ্ৰসাদ নাটৰ কাষ চাপিব লাগিব। কিয়নো শঙ্কৰদেৱৰ ৬ খন নাটৰ ভিতৰত আঙ্গিকৰ ন্যূনতাৰ কাৰণে পত্নীপ্ৰসাদকে প্ৰথম নাট বুলি মুখ্য পণ্ডিতসকলে বিবেচনা কৰিছে।[১৭] উক্ত নাটখনৰ ৰচনা-কাল নিৰ্ণয় কৰিছে খ্ৰীঃ ১৫৪০-অথবা ১৫৫০-অৰ ভিতৰত। শঙ্কৰদেৱৰ প্ৰথম তীৰ্থভ্ৰমণৰ কাল ১৪৮১-অথবা ১৪৯৩ খ্ৰীষ্টাব্দলৈ। তেতিয়াহ'লে শঙ্কৰদেৱৰ তীৰ্থভ্ৰমণ আৰু পত্নীপ্ৰসাদ নাট ৰচনাৰ ব্যৱধান প্ৰায় তিনিকুৰি বছৰৰ ওচৰা-ওচৰি হয়গৈ। মহাপুৰুষজনা সৰ্বভাৰতীয় নাট্যানুষ্ঠানবিলাকৰদ্বাৰা প্ৰভাৱিত হোৱা হ'লে, তীৰ্থ পৰ্যটনৰ স্মৃতি সেউজীয়া হৈ থাকোঁতেই নাট ৰচনাত হাত দিলেহেঁতেন। সুদীৰ্ঘ শতাৰ্দ্ধ কাল নিৰৱতাৰ পাছত হঠাৎ কোনো এক মধুৰ পুৰাতন পূৰ্ব স্মৃতি জাগ্ৰত হৈ শঙ্কৰদেৱে যুগান্তৰকাৰী অঙ্কীয়া নাট ৰচনাত প্ৰবৃত্ত হ'ল বুলি ভাবিবৰ কোনো বিশ্বাসযোগ্য কাৰণ নাই। গতিকে শঙ্কৰী নাটৰ সৃষ্টিত উত্তৰ ভাৰতীয় বা দক্ষিণ ভাৰতীয় প্ৰভাৱৰ কল্পনা অবান্তৰ। নেৱাৰী নাটৰপৰা অনু-প্ৰেৰণা পাবলৈকো শঙ্কৰদেৱৰ লগত নেপালৰ কোনো যোগ-সূত্ৰ স্থাপিত হৈছিল বুলি জনা নাযায়। দ্বিতীয় তীৰ্থভ্ৰমণৰদ্বাৰা অনুপ্ৰাণিত হৈছিল বুলি ভাবিবৰো থল নাই; যিহেতু তাৰ আগতেই শঙ্কৰদেৱে কেবা-খনো নাট ৰচনা কৰিছিল। প্ৰকৃতপক্ষে মধ্যযুগীয় বিভিন্ন অনুষ্ঠানৰ মাজত যিবোৰ সাদৃশ্য পৰিলক্ষিত হয়, সেয়া পাৰস্পৰিক ঋণৰ ভেটিত হোৱা নাছিল; হৈছিল একেখন নাট্যশাস্ত্ৰক ভেটি কৰি অনুষ্ঠানবোৰ গঢ়ি উঠা কাৰণেহে।

প্ৰান্তীয় নাট্যধৰ্মী অনুষ্ঠানৰ সন্দৰ্ভত বঙ্গদেশৰ পুৰণি যাত্ৰা, কীৰ্তনীয়া গান, ঢপ কীৰ্ত্তন আদিৰ প্ৰভাৱৰ কল্পনা কৰা হৈছে। (ঢপ কীৰ্ত্তন অঙ্কীয়া নাটতকৈ আপেক্ষিকভাৱে পাছৰ সৃষ্টি)। উপৰোক্ত যুক্তিৰেই এইবিলাকৰ প্ৰভাৱৰ সম্ভাৱনা নুই কৰিব পাৰি। তদুপৰি এইবিলাকৰ নাটকীয় উপাদান ইমান সামান্য যে তাৰপৰা পোনপটীয়াভাৱে নাট সৃষ্টিৰ কথা ভাবিব নোৱাৰি। সেইবোৰতকৈ অসমৰ লোকনাট্যবিলা-কতে নাটকীয় উপাদান আছিল যথেষ্ট বেছি। গীত-গোবিন্দ, শ্ৰীকৃষ্ণ কীৰ্ত্তন আদিৰো নাটকীয় উপাদান এখন পূৰ্ণাঙ্গ নাটৰ জন্মৰ উৎস হিচাপে গণ্য কৰিব নোৱাৰি। মিথিলাৰ উমাপতি উপাধ্যায়ৰ 'পাৰিজাত হৰণ' নাটকৰ প্ৰভাৱৰ সম্ভাৱনা ড° মাগধে এটি প্ৰবন্ধত যুক্তিৰে খণ্ডন কৰিছে।

হ্ৰাসোন্মুখী যুগৰ সংস্কৃত নাটকৰ ভিতৰত প্ৰবোধ-চন্দ্ৰোদয় আৰু হনুমান নাটকৰ প্ৰসঙ্গ আঁতোৰা হৈছে। শঙ্কৰদেৱে গুৰুগৃহত অধ্যয়ন কৰা শাস্ত্ৰৰাজিৰ ভিতৰত উপৰোক্ত নাটক দুখনৰ উল্লেখ আছে।[১৮] উক্ত নাটক দুখনৰপৰা শঙ্কৰদেৱে দুই-এক শ্লোক স্থান-বিশেষত উদ্ধাৰো কৰিছে। সংস্কৃত নাটকৰ সাৰ্বজনীন বিদূষক চৰিত্ৰৰ[১৯] অভাৱ আৰু নাট্যশাস্ত্ৰৰ বিধি-বন্ধন লঙ্ঘন, এই দুই লক্ষণৰ লগতে প্ৰবোধ চন্দ্ৰোদয় আৰু শঙ্কৰী নাটৰ মিল। প্ৰবোধ চন্দ্ৰোদয়ৰ অনুকৰণতে শঙ্কৰদেৱে অঙ্কীয়া নাটৰ বিদূষক চৰিত্ৰ বাদ দিয়া বুলি ভাবিবৰ কাৰণ নাই। কাৰণ যি শ্ৰেণীৰ নায়কৰ মূৰ্খ-ব্ৰাহ্মণ-সঙ্গীৰূপে সংস্কৃত নাটকত বিদূষক চৰিত্ৰৰ অৱতাৰণা কৰে, অঙ্কীয়া নাটৰ নায়ক সেই শ্ৰেণীৰ নহয়। অঙ্কীয়া নাটৰ প্ৰধান চৰিত্ৰ পৰম পুৰুষ ভগৱানৰূপী শ্ৰীকৃষ্ণ বা ৰামৰ লগত বিদূষক চৰিত্ৰই সস্তীয়া প্ৰেমালাপ বা

১৬ অসমীয়া নাট্য সাহিত্য : পৃষ্ঠা ৮। ১৭ ঐ, পৃষ্ঠা ৩৮। Sankardeva and His Times, পৃষ্ঠা ১৫১। ১৮ কথা গুৰুচৰিত : পৃষ্ঠা ৩৬। ১৯ বিদূষক চৰিত্ৰ সম্পৰ্কে আদ্য ৰঙ্গাচাৰ্যৰ 'Drama in Sanskrit Literature' গ্ৰন্থৰ বিদূষক প্ৰবন্ধ চাওক, পৃষ্ঠা ৬৩-৭১।

লঘু হাস্য সৃষ্টি কৰাৰ সুবিধা নাই। তাৰ উপৰি যেনে উদ্দেশ্য আৰু কাৰ্যৰ নিমিত্তে সংস্কৃত নাটকত বিদূষক চৰিত্ৰৰ অৱতাৰণা, অঙ্কীয়া নাটত তেনে উদ্দেশ্য বা কাৰ্য অবৰ্তমান। আকৌ তদানীন্তন ব্ৰাহ্মণ সমাজৰ চল পালেই চাপৰি বজোৱা মানসিকতাৰ প্ৰতি লক্ষ্য ৰাখিও শঙ্কৰদেৱে অঙ্কীয়া নাটত বিদূষক চৰিত্ৰ বৰ্জন কৰাটো অসম্ভৱ নহয়। তাৰ উপৰি পত্নীপ্ৰসাদ, কালিয় দমন আৰু কেলিগোপাল নাটকত বিদূষক চৰিত্ৰ উপস্থাপন কৰাৰ পৰিৱেশেই নাছিল। অৱশ্যে এই বিদূষকৰ অভাৱ বহুৱা চৰিত্ৰই পূৰণ কৰিছিল। নাটকীয় ঘটনাৰ অঙ্গীভূত নহলেও উপৰুৱা হিচাপেই বহুৱাই জনসাধাৰণক আমোদ দিছিল আৰু আজিও দিছে। গোপালদেৱৰ নন্দোৎসৱ নাটত 'বহুৱা'ৰ উল্লেখ স্পষ্টভাৱে আছে।[২০]

নাট্যশাস্ত্ৰৰ বিধি-নিষেধ লঙ্ঘনৰ সম্পৰ্কতো প্ৰবোধ চন্দ্ৰোদয় নাটকৰ প্ৰভাৱ স্বীকাৰ কৰি লব নোৱাৰি। নাট্যকাৰৰূপে খ্যাতি অৰ্জন কৰিবলৈ শঙ্কৰদেৱে নাট ৰচনা কৰা নাছিল। সেয়ে হোৱা হলে তেখেতৰ নাট্যকলাই ভিন্ন ৰূপ লাভ কৰিলেহেঁতেন। অভিনয়ৰ মাজেৰে ভক্তি-ধৰ্মৰ বীজ অজ্ঞাতে দৰ্শকৰ অন্তৰত প্ৰৱিষ্ট কৰোৱায়েই আছিল তেখেতৰ নাট ৰচনাৰ উদ্দেশ্য। জনসাধাৰণৰ মানসিকতাৰ প্ৰতি লক্ষ্য ৰাখিয়েই নাট্যশাস্ত্ৰৰ বিধি-নিষেধ অগ্ৰাহ্য কৰি নাটবোৰত যুদ্ধ, শয়ন, ভোজন, মৃত্যু আদি ঘটনা অবাধে প্ৰয়োগ কৰিছিল। একেটা কাৰণতেই নৃত্য-গীতবো বহুল প্ৰয়োগ কৰিছিল; সঙ্গীতক আদি অনুষ্ঠানৰ প্ৰভাৱত পৰি নহয়। আন বহুত ক্ষেত্ৰতে শঙ্কৰদেৱে সংস্কৃত নাট্য-পৰম্পৰাৰ পৰা ফালৰি কাটি আহিছে, আৰু সেইবোৰে মহাপুৰুষজনাৰ মৌলিক প্ৰতিভাৰ স্বাক্ষৰহে বহন কৰিছে; নাট-ৰচনাৰ দুৰ্বলতা প্ৰমাণ কৰা নাই।

তিৰহুটৰ জগদীশ মিশ্ৰৰ আগমনত শঙ্কৰদেৱে 'দেৱগৃহ'ত হনুমৎ নাটক অভিনয় কৰি দেখুওৱাৰ কথা দ্বিজভূষণৰ চৰিত পুথিত উল্লেখ আছে (পদ ১৮২-১৮৪)। দামোদৰৰ ১৪ অঙ্কীয়া হনুমান্নাটক নে মধুসূদন মিশ্ৰৰ ৯।১০ অঙ্কীয়া সংস্কৰণৰ লগত শঙ্কৰদেৱৰ পৰিচয় আছিল, সেইটো ঠাৱৰকৈ কোৱা টান। কিন্তু অসমত প্ৰাপ্ত অঙ্কহীন হনুমন্তী কাব্যৰ লগতহে অঙ্কীয়া নাটৰ অঙ্কহীনতাৰ মিল। কামৰূপ অনুসন্ধান সমিতিত সংৰক্ষিত হনুমন্তী কাব্যৰ পাণ্ডুলিপিৰ প্ৰতিলিপি ইংৰাজী ১৮১৮ চনৰ। শঙ্কৰদেৱৰ পূৰ্বেই হনুমান নাটক হনুমন্তী কাব্য হৈছিল নে নাই, সি সন্দেহৰ বিষয়। বৰং অঙ্কীয়া নাটৰ আহিত শঙ্কৰোত্তৰ যুগতে উক্ত পৰিবৰ্তন হোৱাৰ সম্ভাৱনা। সি যি হওক, অঙ্কীয়া নাটৰ ওপৰত যে প্ৰকৃত হনুমান নাটকৰ প্ৰভাৱ নাই, সেইটো অতি স্পষ্ট। (প্ৰসঙ্গতঃ উল্লেখনীয় যে অঙ্কীয়া নাটক এক অঙ্কীয়া বুলি কোৱাতকৈ অঙ্কহীন বুলি কোৱাহে যুক্ত। কাৰণ নাটবোৰক তিনিৰপৰা পাঁচ অঙ্কৰ ভিতৰত ভাগ কৰি দেখুৱাব পাৰি। শঙ্কৰদেৱে নিজেও অঙ্কীয়া নাট বা অঙ্ক অভিধা দুটা ব্যৱহাৰ কৰা নাই। নাটক, নাট, যাত্ৰা, নৃত্য আদিহে নাটকৰ পৰ্যায়বাচক শব্দ হিচাপে ব্যৱহাৰ কৰিছে। মুকলি মঞ্চত অভিনীত হ'ব লগা হোৱা কাৰণেই হয়তো তেখেতে নাটবোৰত অঙ্ক-গৰ্ভাঙ্ক বিভাগ কৰি দেখুৱাৰ প্ৰয়োজন অনুভৱ নকৰিলে)।

স্থানীয় প্ৰভাৱৰ কল্পনাৰ বেলিকা কাব্যশাস্ত্ৰ আবৃত্তি, পুতলা নাচ, আৰু ওজা-পালি অনুষ্ঠানৰ ওপৰতে অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। নাটকীয় উপাদানৰ ন্যূনতাৰ কাৰণে ঢুলীয়াৰ ভাও, ভাৱৰীয়া ধেমালি, দেওধনি নাচ, কুশানগান, ভাৰীগান, গোৱালিনী যাত্ৰা আদিৰ প্ৰসঙ্গ বাদ দিব পাৰি। কাব্যশাস্ত্ৰ আবৃত্তি আৰু পুতলা নাচৰপৰা অঙ্কীয়া নাট সৃষ্টি হোৱা মতৰ কল্পনা সম্ভৱতঃ ঋকবেদৰ কেইটামান স্তোত্ৰৰপৰা আৰু অধ্যাপক পিশ্চেলৰ পুতলা নাচৰপৰা সংস্কৃত নাটক উৎপত্তি হোৱা

২০ অঙ্কাৱলী : ৪১৪ পৃষ্ঠা চাওক।



মতবাদৰ[২১] (আজি-কালি সিও অপ্ৰচলিত) অনুৰূপ চিন্তাৰ প্ৰতিফলন। সংস্কৃত নাটকৰ জন্ম-সূত্ৰ বিচাৰি ঋকৰ স্তোত্ৰ বা পুতলা নাচৰ আঙ্গিক খুচৰি চোৱাটো অতি স্বাভাৱিক। কিন্তু হাজাৰ বছৰীয়া সংস্কৃত নাটকৰ ঐতিহ্য বিদ্যমান থাকোঁতে অঙ্কীয়া নাটৰ উৎস পুতলা নাচ বা কাব্যশাস্ত্ৰ আবৃত্তিৰ মাজত বিচাৰিবলৈ যোৱাটো চকু থাকি কানত পৰাৰ নিচিনা কথা। এইখিনিতে উল্লেখ কৰি থব পাৰি যে ষোড়শ শতাব্দীলৈ ক্লাছিকেল সংস্কৃত নাটকৰ ৰচনা আৰু অভিনয় লোপ পাইছিল যদিও কাব্যৰূপে আৰু সংস্কৃত টোল আদিৰ পাঠ্য হিচাপে তাৰ পঠন-পাঠন নিশ্চয় অব্যাহত আছিল। "গোপীক নচাও যেন ভঁৱা পুতলাক"[২২] পদশাৰীয়ে শঙ্কৰী যুগত পুতলা নাচৰ প্ৰচলন থকাৰ আভাস দিলেও পুতলা নাচক ভিত্তি কৰি অঙ্কীয়া নাট সৃষ্টি হোৱাৰ কথা মানি লব নোৱাৰি।

শঙ্কৰদেৱৰ কালত ওজা-পালিৰো প্ৰচলন আছিল বুলি চৰিত পুথিত উল্লেখ পোৱা যায়।[২৩] অঙ্কীয়া নাটৰ সূত্ৰধাৰজন এই ওজা-পালি অনুষ্ঠানৰে ওজাজনৰ পৰিকল্পিত বিকাশ বুলি পণ্ডিতসকলে অনুমান কৰিছে। কিন্তু অঙ্কীয়া নাটৰ সূত্ৰধাৰক গুৰুত্বপূৰ্ণ ভূমিকাত অৱতীৰ্ণ কৰোৱাৰ অন্তৰালত ওজাৰ প্ৰভাৱতকৈ অৱস্থা আৰু প্ৰয়োজনহে যে বেছি কাৰ্যকৰী আছিল, সেইটো অলপ বিশ্লেষণ কৰি চালেই বুজা যাব।

সূত্ৰধাৰৰ বিশিষ্ট ভূমিকাৰ অন্তৰালত নাট পৰিচালনাৰ প্ৰশ্ন, সামাজিক পটভূমি আৰু লগতে গুৰুজনাৰ নাট ৰচনাৰ উদ্দেশ্যও নিহিত হৈ আছে। অঙ্কীয়া নাটৰ দৰ্শক সংস্কৃত নাটকৰ দৰ্শকৰ দৰে "Critical আৰু experienced" নাছিল; আছিল নিৰক্ষৰ, হোজা আৰু অনভিজ্ঞ। সংস্কৃত নাট ৰচিত হৈছিল বিজ্ঞৰ কাৰণে, আৰু অঙ্কীয়া নাট ৰচিত হৈছিল অজ্ঞৰ কাৰণে। গতিকে শঙ্কৰদেৱে দৰ্শকৰ গ্ৰহণ-ক্ষমতাৰ প্ৰতি লক্ষ্য ৰাখিহে নাট ৰচনাত হাত দিব লগা হৈছিল। সেই কাৰণেই শঙ্কৰী নাটত নৃত্য-গীতৰ আধিক্য, চোঁ-মুখাৰ প্ৰয়োগ, স্থূল হাস্যৰসৰ অৱতাৰণা আৰু গাঁৱলীয়া সমাজত জীণ যোৱা চৰিত্ৰ-চিত্ৰণ পৰিলক্ষিত হয়। শঙ্কৰদেৱে নাট্যকলা সৃষ্টি কৰি প্ৰাথমিক অভিনয়ত নিজেই নাটৰ সকলো দিশ পৰিচালনাৰ দায়িত্ব বহন কৰিবলগীয়াত পৰিছিল। (ৰামচৰণ ঠাকুৰৰ চিহ্ন-যাত্ৰাৰ বৰ্ণনাত ইয়াৰ স্পষ্ট আভাস আছে)। নহ'লে প্ৰশিক্ষণপ্ৰাপ্ত হলেও অনভিজ্ঞ সহযোগীসকলে অভিনয়ত পদে পদে বিভ্ৰাট ঘটোৱাৰ সম্ভাৱনা। সেই বাবেই সূত্ৰধাৰ চৰিত্ৰটো এনেভাৱে গঢ় দিবলগা হৈছিল যাতে অভিনয়ৰ আদিৰপৰা অন্তলৈকে উপস্থিত থাকি তাক সূচাৰুৰূপে পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰিব পাৰে। প্ৰথম অভিনয়ত সূত্ৰধাৰৰ ভূমিকাত এজন দায়িত্বশীল অভিজ্ঞ ব্যক্তিৰ উপযোগিতা প্ৰতিপন্ন হোৱাত পৰৱৰ্তী নাটবোৰতো তাৰ অন্যথা নকৰিলে। ভৱিষ্যতলৈও অভিনয়ৰ শিক্ষা আৰু অনুশীলনৰ বাবে নৃত্য, গীত, অভিনয় আদিত অহৰ্তা থকা এজন গুৰু-স্থানীয় বিশাৰদ ব্যক্তিৰ পৰম্পৰা সৃষ্টি কৰি থৈ গ'ল, যাৰ ফলত আজিও অৰ্ধশিক্ষিত-অনাখৰী গাঁৱলীয়া সমাজেই ভাওনা অনুষ্ঠান নিয়াৰিকৈ চলাই আছে, চাৰে চাৰিশ বছৰীয়া ঐতিহ্য শ্ৰদ্ধাৰে সংৰক্ষণ কৰিব পাৰিছে। তাৰ উপৰি অভিনয়ৰ মাজে মাজে দৰ্শকৰ মাজত হৰিনামৰ ধ্বনি তোলাবলৈ আৰু নাটকীয় পৰিস্থিতি বুজাই দিবলৈ সূত্ৰধাৰৰ লেখীয়া এগৰাকী প্ৰভাৱশীল ব্যক্তিৰ নিতান্ত প্ৰয়োজন আছিল। গতিকে অঙ্কীয়া নাটৰ সূত্ৰধাৰ সংস্কৃত নাটকৰ সূত্ৰধাৰৰ ভেটিত দেশ-কাল-পাত্ৰৰ প্ৰয়োজন সাপেক্ষে শঙ্কৰদেৱৰ এক মৌলিক সৃষ্টি। পুতলা নাচৰ সূত্ৰধাৰ বা ওজা-পালিৰ ওজাৰ আদৰ্শত

২১ A. B. Keith-ৰ 'The Sanskrit Drama'-ৰ ১৩-১৫ আৰু ৫২ পৃষ্ঠা চাওক।
২২ ভাগৱত : (পদ ১৮৯০)।
২৩ কথা গুৰুচৰিত : পৃষ্ঠা ৮৬।

শঙ্কৰদেৱে অঙ্কীয়া নাটৰ সূত্ৰধাৰৰ সৃষ্টি কৰিছিল বুলি ভবাটো পণ্ডিতসকলৰ কষ্ট-কল্পনা যেন্‌ লাগে প্ৰতীয়মান হয়।

অঙ্কীয়া নাটৰ প্ৰেৰণা আৰু আদৰ্শ যে সংস্কৃত নাটকেই, সেয়া অতি স্পষ্টভাৱে ওলাই আছে। পূৰ্বৰঙ্গ, নান্দী, প্ৰৰোচনা, প্ৰস্তাৱনা, সূত্ৰধাৰ আৰু ভৰত বাক্যৰ অনুৰূপ মুক্তিমঙ্গল ভটিমা যে সংস্কৃত নাটকৰপৰাই গ্ৰহণ কৰা, সেই বিষয়ে দ্বিমত হোৱাৰ কাৰণ নাই। তাৰ উপৰি ঘটনা-প্ৰবাহৰ সংস্কৃত শ্লোকবোৰে নাট্য-বস্তুৰ ৰূপৰেখা পূৰ্বভাৱেই প্ৰকাশ কৰে। এক অঙ্কীয়া বা অঙ্কহীন হলেও শঙ্কৰী নাটত অৱস্থা, সন্ধি আৰু অঙ্ক-বিভাজনৰ অৱকাশ আছে। ভক্তিৰস-প্ৰধান হলেও আলঙ্কাৰিকসকলে বৰ্ণনা কৰা প্ৰায়বোৰ প্ৰধান ৰসেই অঙ্কীয়া নাটত ভুমুকি মাৰিছে। নায়ক-নায়িকাও আলঙ্কাৰিকসকলৰ বৰ্ণিত বিভিন্ন ভাগ-বিভাগৰ বহিৰ্ভূত নহয়। অভিনয়ৰ ক্ষেত্ৰতো সাত্ত্বিক, বাচিক, আঙ্গিক আৰু আহাৰ্য—প্ৰায় চাৰিওবিধ অভিনয়ৰ উপাদান অঙ্কীয়া ভাওনাত বৰ্তমান। বিশেষকৈ আহাৰ্য অভিনয়ৰ ২৪ আৰু মুখাৰ ব্যৱহাৰ নাট্যশাস্ত্ৰৰ বৰ্ণনাৰ অনুৰূপ।২৫ (ভাৰীগান, কোলনাটম আদিৰ প্ৰভাৱ?) এনেস্থলত অঙ্কীয়া নাট সংস্কৃত নাটকৰ পোনপটীয়া প্ৰভাৱৰপৰা উদ্ভূত বুলি নভবাকৈ থাকিব নোৱাৰি। এই কথা অৱশ্যে ঠিক যে শঙ্কৰদেৱে কোনো ক্ষেত্ৰতেই সংস্কৃত নাটকৰ হুবহু অনুকৰণ কৰা নাই। শঙ্কৰদেৱৰ দৰে বিশাল পাণ্ডিত্য আৰু মৌলিক প্ৰতিভাৰ অধিকাৰী ব্যক্তিৰ বাবে সেইটোৱেই আছিল অতি স্বাভাৱিক। নহলে দেখোন তেখেতৰ নাটবোৰ অঙ্কীয়া নাট নহৈ সংস্কৃত নাটকৰ অসমীয়া সংস্কৰণ হৈ পৰিলহেঁতেন।

ইমান উজ্জ্বলভাৱে সংস্কৃত নাটকৰ আদৰ্শ চকুৰ আগতে ওলাই থকা সত্ত্বেও অঙ্কীয়া নাটৰ উৎস বিচাৰি সিংহলৰপৰা নেপাললৈ, গুজৰাটৰপৰা গোৱালপাৰালৈ তলৰ মাটি ওপৰ কৰিব পাৰে; কিন্তু সি পৰ্বতৰ কান্দকণী। তাকে নকৰি শঙ্কৰদেৱৰ উন্মেষশালিনী শক্তি আৰু দেশ-কাল-পাত্ৰৰ উপযোগী শিল্পী-মানস আৰু অভ্ৰভেদী প্ৰতিভাক স্বীকৃতি দি শ্ৰদ্ধা নিবেদন কৰাই শ্ৰেয়।

০ ০ ০

২৪ ড° নবেন কলিতাৰ 'আহাৰ্য অভিনয় আৰু অঙ্কীয়া নাট' প্ৰবন্ধ চাওক। অসম সাহিত্য সভা পত্ৰিকা, ৩৪ শ বছৰ : ১ম, ২য় সংখ্যা।


## কামৰূপী লোকগীতি-সংগ্ৰহ

ড° হেমন্তকুমাৰ শৰ্মাৰদ্বাৰা সঙ্কলিত আৰু সম্পাদিত, আৰু অসম সাহিত্য সভাৰদ্বাৰা প্ৰকাশিত এইখনেই কামৰূপী লোকগীতৰ সবাতোকৈ বৃহৎ সংগ্ৰহ। বিভিন্ন লক্ষণলৈ দৃষ্টি ৰাখি তিনিটা ভাগত গীতসমূহক গ্ৰন্থখনত সজোৱা হৈছে। আমাৰ বাৰ-বৰণীয়া জাতীয় জীৱনৰ বৈচিত্ৰ্যৰ স্বৰূপ এই গ্ৰন্থখনেও নিঃসন্দেহে দাণ্ডি ধৰিব। গ্ৰন্থখনৰ আটাইতকৈ ডাঙৰ আকৰ্ষণ হ'ল— পৰিশিষ্টস্বৰূপে সংযোজিত 'কঠিন শব্দাৰ্থৰ নিৰ্ঘণ্ট' অংশটো, যিটোৱে অদূৰ ভৱিষ্যতে অসমীয়া ভাষাৰ পূৰ্ণাঙ্গ অভিধান প্ৰণয়নত বহু পৰিমাণে সহায় কৰিব। মনোৰম ছপা আৰু বেটুপাতেৰে প্ৰায় তিনিশ পৃষ্ঠাৰ পকাবন্ধা গ্ৰন্থখনৰ মূল্য মাত্ৰ ৯৫·০০ টকা।


# প্ৰতিশব্দ বিচাৰ

ড° ফণীন্দ্ৰনাৰায়ণ দত্তবৰুৱা

মাতৃ-ভাষাৰ বাহিৰে অন্য ভাষা শিক্ষাৰ ক্ষেত্ৰত (মাতৃ-ভাষাৰ প্ৰসঙ্গত 'শিক্ষা' শব্দৰ প্ৰয়োগ যথাৰ্থ নহয়; কিয়নো মাতৃ-ভাষা আহৰণ কৰা হয়, শিকা বা শিকোৱা নহয়; বৰং মানুহৰ সমাজত প্ৰতিপালিত হোৱা এটা normal বা স্বাভাৱিক শিশুক মাতৃ-ভাষা আহৰণৰপৰা বিৰত ৰখাটোহে এক প্ৰকাৰ অসম্ভৱ) ন-শিকাক কেনে ধৰণৰ সমস্যাৰ সন্মুখীন হয়, তাৰ ধাৰণা কম-বেছি পৰিমাণে আমাৰ সকলোৰে আছে। সাধাৰণ (= average) ন-শিকাকৰ মুখত প্ৰায়ে শুনা যায়, "মোৰ অমুক ভাষা শিকাৰ প্ৰধান অন্তৰায় হ'ল শব্দ-ভাণ্ডাৰৰ অভাৱ," অৰ্থাৎ মনৰ ভাব প্ৰকাশ কৰিবলৈ শিকিবলৈ লোৱা ভাষাত ন-শিকাকৰে উপযুক্ত শব্দ বিচাৰি নাপায়। ইয়াৰ প্ৰত্যুত্তৰত কিছুমানে কয়, শব্দ-শিক্ষাই ভাষা-শিক্ষা নহয়। ভাষা-শিক্ষাৰ মূল কথা হ'ল বাক্য-গঠন প্ৰণালী জনা। বাক্যই ভাষাৰ ক্ষুদ্ৰতম একক। মানুহে বাক্যত কথা কয়, শব্দত নহয়। শব্দ কি ৰূপত আৰু কেনেকুৱা ক্ৰমত পৰস্পৰ সংযোজিত হ'লে অৰ্থপূৰ্ণ বাক্য হয়, সেইটো জনাটোৱেই ডাঙৰ কথা। বাক্য-গঠন প্ৰণালী জনা থাকিলে খুব কম সংখ্যক শব্দেৰেও সেই ভাষাত ভাবৰ আদান-প্ৰদান কৰিব পাৰি। ইংৰাজীৰ নিচিনা ভাষাত কেৱল ৮০০ মৌলিক শব্দেৰেই কাম চলাব পৰাৰ সম্পৰীক্ষা কৰা হৈছিল। এই মত অনুসৰি বাক্য-গঠন প্ৰণালী জানিলে বা শিকিলে শব্দ-ভাণ্ডাৰ পাছতো বঢ়াব পাৰি, অভিধানেও নতুন শব্দ শিকাত সহায় কৰিব পাৰে।

কিন্তু ভাষাশিক্ষা সম্পৰ্কীয় নানা পৰীক্ষা-নিৰীক্ষাৰ পাছতো সাধাৰণ ন-শিকাকৰ ওপৰত উল্লিখিত ধৰণৰ অনুভূতি যে বিশেষ তাৎপৰ্যপূৰ্ণ, সেই কথা পণ্ডিতসকলে অস্বীকাৰ কৰিব পৰা নাই। ভাষাশিক্ষাত শব্দমালা-শিক্ষাৰ ভূমিকা যে যথেষ্ট গুৰুত্বপূৰ্ণ, সি অনস্বীকাৰ্য। ভাষাৰ স্বাভাৱিক গতি বা flow শব্দমালাৰ ব্যাপকতাৰ ওপৰত নিৰ্ভৰশীল। কিছুমান শব্দৰ প্ৰতিশব্দ থাকিলেও সূক্ষ্মাতিসূক্ষ্ম ভাব প্ৰকাশৰ বাবে প্ৰয়োজনীয় আন কিছুমান সাধাৰণ শব্দৰো সেই একেটা ভাষাতে কোনো প্ৰতিশব্দ নাথাকে। তাৰ উপৰি, শব্দ-ভাণ্ডাৰৰ বিশালতা নাথাকিলে অথবা শব্দ-নিয়ন্ত্ৰণ স্বতঃস্ফূৰ্ত নহলে বক্তাই বা লিখোঁতাই সকলো সময়তে এটা মানসিক সঙ্কোচ অনুভৱ কৰে; তাৰ ফলতো ভাষা সাবলীল নহয়। দ্বিতীয়তঃ, কেৱল শব্দমালা জানিলেই নহব; উপযুক্ত শব্দ উপযুক্ত স্থানত ব্যৱহাৰ কৰিব জানিব লাগিব। বিশেষ বিশেষ প্ৰসঙ্গত একোটা শব্দৰ ঠাই সেই শব্দৰ আন কোনো প্ৰতিশব্দই পূৰণ কৰিব নোৱাৰে। কাজেই ভাষাশিক্ষাৰ পটভূমিত শব্দশিক্ষা যিমান সহজ বুলি ভবা হয়, আচলতে সি সিমান সহজ নহয়।

প্ৰতিটো ভাষা – সি লিখিতই হওক বা অলিখিতই হওক—সেই ভাষাভাষী লোকসকলৰ (ভাষা-সমষ্টিৰ) সংস্কৃতিৰ সকলো দিশেই সম্পূৰ্ণৰূপে প্ৰকাশ কৰিবলৈ সক্ষম। সেই ভাষা-সমষ্টিৰ জীৱন নিৰ্বাহৰ লগত জড়িত সকলো বস্তু, ক্ৰিয়া আৰু ভাবৰ সূক্ষ্মতম পৰিপ্ৰকাশো

সেই ভাষাৰ শব্দমালাৰ জড়িয়তে সম্ভৱ; কিন্তু অন্য এটা মূৰ্ত বস্তুকে প্ৰকাশ কৰিবলৈ সেই ভাষাত উপযুক্ত শব্দৰ অভাৱ হ'ব পাৰে। ইংৰাজী train, bus, car, refrigerator আদি শব্দৰ উপযুক্ত প্ৰতিশব্দ অসমীয়া ভাষাত নাই। একেদৰে ইংৰাজী clock, time piece, watch আদিৰ অবিকল প্ৰতিশব্দ অসমীয়াত নাই। এই তিনিওপ্ৰকাৰৰ সময়-নিৰূপক যন্ত্ৰক বুজাবলৈ কেৱল 'ঘড়ী' শব্দহে প্ৰচলিত আছে; ইংৰাজীত থকা ভেদ বুজাবলৈ সংজ্ঞাৰ সহায় লব লগা হয়। যেনে, বেৰঘড়ী, টেবুলঘড়ী আৰু হাতঘড়ী। ইংৰাজী foot শব্দৰ প্ৰকৃত প্ৰতিশব্দ 'ভৰি' নহয়; ইংৰাজীত foot শব্দই অসমীয়া 'ভৰি'ৰ শেষ অংশকহে অৰ্থাৎ 'গোৰোহাৰপৰা বুঢ়া আঙ্‌লিলৈকে' বুজায়। অসমীয়া 'বাতি' শব্দৰ হুবহু প্ৰতিশব্দ ইংৰাজীত পোৱা কঠিন। অসমীয়া 'ইন্দুৰ', 'নিগনি', 'চিকা', 'ধৰিয়া' আদিৰ সমান্তৰাল প্ৰতিশব্দ বঙলা বা উড়িয়া ভাষাত নাই। বঙলা 'ইন্দুৰ' শব্দই নিগনিকো বুজায়; উড়িয়া 'মূষা' শব্দই 'ইন্দুৰ' আৰু 'নিগনি' দুয়োটাকে সামৰে।

আকৌ কেতিয়াবা এটা ভাষাৰ কোনো কোনো শব্দৰ অন্যভাষাত প্ৰতিশব্দ পোৱা গলেও সিহঁতৰ অৰ্থৰ পৰিধিৰ তাৰতম্য থাকে। দুই ভাষাৰ ক্ষেত্ৰ-বিশেষে একে অৰ্থ বুজোৱা শব্দই স্থানান্তৰত অৰ্থভেদ সূচোৱাটোও বিচিত্ৰ নহয়। অসমীয়া 'মুখ' শব্দৰ অতি পৰিচিত উড়িয়া শব্দ 'পাতি'। প্ৰায় ক্ষেত্ৰতে অসমীয়াত য'ত 'মুখ' শব্দৰ ব্যৱহাৰ হয়, উড়িয়াত তাত 'পাতি' হয়।

| অসমীয়া | উড়িয়া |
| --- | --- |
| মুখত ভৰালে | পাতিৰে পুৰাইলে |
| মুখ মেল | পাতি ফিটা |
| ডাঙৰ মুখ | বড় পাতি |

কিন্তু উড়িয়া 'পাতি' শব্দৰ অৰ্থ 'মুখ'তকৈ ব্যাপক। উড়িয়াত 'ডাঙৰকৈ কোৱা' বা 'চিঞৰা' অৰ্থতো 'পাতি' শব্দৰ ব্যৱহাৰ হয়, যেনে, পাতি কৰ না = don't shout, মা পাতি কৰিবে = mother will shout, ইত্যাদি। এনে অৰ্থত অসমীয়াত 'মুখ' শব্দ ব্যৱহাৰ কৰিলে ভুল হ'ব। একেদৰে, অসমীয়া 'মুখ লাগ' খণ্ডবাক্যৰ ঠাইত উড়িয়াত 'পাতি লাগ' নহয়; এনে অৰ্থত উড়িয়াত 'আঁখি পড়' বা 'দৃষ্টি পড়' আদিৰহে প্ৰয়োগ হয়। ইংৰাজী when শব্দৰ অসমীয়া আৰু বঙলা প্ৰতিশব্দ ক্ৰমে 'কেতিয়া' আৰু 'কখন' হলেও ইহঁতৰ অৰ্থৰ পৰিধিৰ তাৰতম্য চকুত লগা। ইংৰাজী when শব্দই অসমীয়া 'কেতিয়া' আৰু 'যেতিয়া' দুয়োটা বুজায়; যেনে, when did you come? When I was serving. I built ... etc আকৌ অসমীয়া 'কেতিয়া'ৰ অৰ্থ বঙলা 'কখন'-তকৈ ব্যাপক; ই বঙলা 'কবে' আৰু 'কখন' উভয়কে বুজায়।

| অসমীয়া | বঙলা |
| --- | --- |
| তুমি কেতিয়া খালা? | তুমি কখন খেলে? |
| তুমি কেতিয়া বিলাতৰ পৰা আহিলা? | তুমি কখন বিলেত থেকে ফিরলে? |

অসমীয়া 'গুটি' শব্দৰ উড়িয়া প্ৰতিশব্দ 'মঞ্জি'; কিন্তু 'মঞ্জি' শব্দৰ অৰ্থ 'গুটি'তকৈ ব্যাপক। উড়িয়াত 'মাছৰ মঞ্জি খাঅ'; কিন্তু অসমীয়াত 'মাছৰ গুটি' নাখায়, 'মাছৰ কণী' খায়।

আত্মীয়তা বা সম্পৰ্কবাচক পদৰ ক্ষেত্ৰত ভিন ভিন ভাষাৰ শব্দ-প্ৰতিশব্দৰ অৰ্থৰ পৰিধিৰ হেৰফেৰ চমকপ্ৰদ। অসমীয়া 'সখি', 'বন্ধু' আৰু 'মিতা' শব্দৰ উপযুক্ত প্ৰতিশব্দ ইংৰাজী ভাষাত নাই; ইংৰাজীত সকলোটিকে friend শব্দই সামৰি লয়। উড়িয়াত ইহঁতৰ সমান্তৰাল ৰূপ 'সখা', 'বন্ধু' আৰু 'মিত্ৰ' শব্দ আছে যদিও ইহঁতৰ মাজত অৰ্থৰ তাৰতম্য অসমীয়াৰ দৰে স্পষ্ট নহয়। উড়িয়াত 'সখা' আৰু 'মিত্ৰ' পৌৰাণিক প্ৰসঙ্গতহে ব্যৱহৃত হয়; অৰ্থগতভাৱে ইহঁত 'বন্ধু' শব্দৰ সমাৰ্থক; কেতিয়াবা অৱশ্যে 'সখা' শব্দই 'ঘনিষ্ঠ বন্ধু' বুজায়। কিন্তু অসমীয়াত 'সখি' আৰু 'বন্ধু' একে নহয়; 'সখি' শব্দ খুৰাদেউ, ভিনদেউ আদিৰ নিচিনা এটা আত্মীয়তা বা সম্পৰ্কবাচক শব্দ। 'সখি'ৰ মাক আৰু দেউতাকক বুজাবলৈ সুকীয়া সুকীয়া শব্দও আছে, 'সখি'ৰ মাক 'আমৈ', বাপেক 'তাৱৈ'। (ইয়ে সামাজিক গঠনৰ কথাও প্ৰতিফলিত কৰে)। আকৌ 'মাক' আৰু 'দেউতাক'ৰ সখিয়েককো ক্ৰমে 'আমৈ' আৰু 'তাৱৈ' বোলা হয়। এই দুই শব্দৰো প্ৰতিশব্দ বঙলা বা উড়িয়া ভাষাত নাই। অসমীয়া ভিনদেউ-খুলশালি-দেওৰ, নবৌ-খুলশালী-ননন্দ, মোমাইদেউ-খুৰাদেউ-পেহাদেউ-মহাদেউ, মামী-খুৰী-পেহী-মাহী এইবোৰৰ সমান্তৰাল ৰূপ উড়িয়া বা বঙলাত আছে; কিন্তু ইংৰাজীত একোটা শব্দই একাধিক আত্মীয় সম্পৰ্ক সূচনা কৰে। ইংৰাজী brother-in-law শব্দই ভিনদেউ, দেওৰ আৰু খুলশালী বুজায়। (ইয়ে পশ্চিমীয়া সমাজৰ ব্যক্তিকেন্দ্ৰিক স্বৰূপো প্ৰতিফলিত কৰে)। প্ৰায় সকলোবোৰ অসমীয়া আত্মীয়তা বা সম্পৰ্কবাচক শব্দৰ সমান্তৰাল ৰূপ বঙলা বা উড়িয়াত আছে যদিও প্ৰতিটো শব্দৰ অবিকল প্ৰতিশব্দ আন দুটা ভাষাত নাই। বহল অৰ্থত একোটা অসমীয়া শব্দ একোটা বঙলা বা উড়িয়া শব্দৰ সমাৰ্থক হলেও সূক্ষ্ম অৰ্থত নহয়। ওপৰে ওপৰে চালে অসমীয়া 'মহা'ৰ উড়িয়া প্ৰতিশব্দ 'মউসা'; কিন্তু ভালকৈ চালে ইহঁত পৰস্পৰ পৰস্পৰৰ প্ৰতিশব্দ নহয়। অসমীয়াত 'মহা' মাহীৰ গিৰিয়েক, অথবা দেওৰেক বা ভাই-শহুৰেক; কিন্তু উড়িয়াত 'মউসা' কেতিয়াবা মাহীৰ গিৰিয়েক, আৰু কেতিয়াবা মাহীৰ দেওৰেক বা ভাই-শহুৰেক একো নহবও পাৰে। উড়িয়াত যি কোনো অনাত্মীয়, নৱ-পৰিচিত পুৰুষেই 'মউসা', আৰু অনাত্মীয়া নৱ-পৰিচিতা তিৰোতাই 'মাউসী।' অসমীয়া 'বাইদেউ' আৰু বঙলা 'দিদি'ৰ উড়িয়া প্ৰতিশব্দ 'অপা' বা 'নানী' নহয়। অসমীয়া আৰু বঙলাত এই দুই শব্দই শিক্ষয়িত্ৰী বা অধ্যাপিকাকো বুজায়; কিন্তু উড়িয়াত এই অৰ্থত সাধাৰণতে 'অপা' বা 'নানী' শব্দৰ ব্যৱহাৰ নহয়। অসমীয়াত মাকৰ মাক আৰু বাপেকৰ মাক দুয়োজনীয়েই 'আইতা'; কিন্তু উড়িয়াত মাকৰ মাক 'আই', বাপেকৰ মাক 'জেজেমা'। একেদৰে অসমীয়াত মাকৰ বাপেক আৰু বাপেকৰ বাপেক দুয়োজনেই 'ককা' বা 'ককাদেউতা'; উড়িয়াত মাকৰ বাপেক 'অজা' আৰু বাপেকৰ বাপেক 'জেজেবাপা'।

প্ৰতিশব্দ বিচাৰত আন এটা আমোদজনক দিশ হ'ল দুই বা ততোধিক সমগোত্ৰীয় ভাষাত প্ৰচলিত সদৃশ শব্দৰ বিসদৃশ অৰ্থৰ পৰিপ্ৰকাশ। এই বৈসাদৃশ্য তিনিমুখী হ'ব পাৰে— অৰ্থৰ পৰিধি বিস্তাৰ, অৰ্থৰ পৰিধি সঙ্কোচ আৰু অৰ্থৰ সম্পূৰ্ণ বৈপৰীত্য। 'ঘৰ' শব্দ অসমীয়া, বঙলা আৰু উড়িয়া তিনিও ভাষাতে প্ৰচলিত আছে যদিও প্ৰতিটো ভাষাতে ইয়াৰ অৰ্থৰ পৰিধি ভিন ভিন। 'ঘৰ' শব্দৰ অৰ্থ অসমীয়াতকৈ উড়িয়াত ব্যাপক; উড়িয়াত ই 'কোঠা'ও বুজায়। বঙলাত আকৌ 'ঘৰ' শব্দৰ অৰ্থ অসমীয়াতকৈ বেলেগ, উড়িয়াতকৈ সঙ্কুচিত; বঙলাত ই কেৱল 'কোঠা'হে বুজায়। 'ঘণ্টা' শব্দই অসমীয়া আৰু বঙলাত সময়ৰ একক অথবা 'bell' বুজায়; উড়িয়াত 'ঘণ্টা' শব্দই 'ঘড়ী'ও বুজায়। অসমীয়া 'বৌ' আৰু উড়িয়া 'বউ' শব্দই কেতিয়াবা 'নবৌ' আৰু কেতিয়াবা 'মা' বুজায়; বঙলাত 'বৌ' শব্দই কেতিয়াবা 'স্ত্ৰী' আৰু কেতিয়াবা 'বোৱাৰী' বুজায়। বঙলাত 'বসুবাবুৰ বৌ' মানে 'বসুবাবুৰ পত্নী'; 'বৌ-ভাত' মানে 'ন-বোৱাৰীৰ পাতত ভাত দিয়া' বুজায়। অসমীয়াত 'দাদা' হ'ল 'ডাঙৰ ভাই' বা 'ডাঙৰ ভাই-স্থানীয় ব্যক্তি'; বঙলাত কিন্তু ডাঙৰ ভায়েকক বুজোৱাৰ উপৰিও অপৰিচিত লোককো 'ডাঙৰীয়া' অৰ্থত 'দাদা' শব্দেৰে সম্বোধন কৰা হয়। টিকট-খিড়িকীৰ

কেৰাণী বা ৰেল-বাছৰ সহযাত্ৰীও বঙলাত 'দাদা', কিন্তু অসমীয়াত নহয়। 'আই' মানে অসমীয়াত 'মা', উড়িয়াত 'আইতা'। 'বিষ' শব্দৰ অৰ্থ অসমীয়াত 'pain' আৰু 'poison', বঙলা-উড়িয়াত কেৱল 'poison.'। 'তৰকাৰী' মানে উড়িয়াত 'আঞ্জা', যেনে, 'মাছ-তৰকাৰী'; অসমীয়াত 'তৰকাৰী' মানে 'কেঁচা বা বন্ধা শাক-পাচলি।' 'পাণ' শব্দই অসমীয়াত কেৱল তামোলৰ লগত খোৱা 'পাণখিলা'ক বুজায়; বঙলা-উড়িয়াত তামোল, চূণ, মা-মচলাৰে সৈতে আটাইখিনিকে 'পাণ' শব্দই সামৰে। 'শ্ৰদ্ধা' শব্দই অসমীয়া বা বঙলাত 'ভাক্তৰে‍ সন্মান' বুজায়, উড়িয়াত 'কনিষ্ঠ বা সকলৈ আদৰ' বুজায়। 'ৰাগ' শব্দৰ অৰ্থ অসমীয়া বা বঙলাত 'খং', উড়িয়াত 'খং', 'খং কৰা' আৰু 'জ্বালা'।

ওপৰৰ আলোচনাৰপৰা দেখা যায় যে এটা ভাষাত প্ৰচলিত সকলো শব্দৰ অন্য এটা ভাষাত অবিকল প্ৰতিশব্দ নাথাকিব পাৰে; কিছুমান শব্দৰ অন্য ভাষাত থকা প্ৰতিশব্দই সিটো ভাষাৰ তুলনাত বিস্তাৰিত, সংক্ষিপ্ত বা বিপৰীত অৰ্থ বহন কৰিব পাৰে; আন কিছুমান শব্দৰ আকৌ অন্য ভাষাত সমাৰ্থক প্ৰতিশব্দ একেবাৰেই নাথাকিব পাৰে। সেই কাৰণে দ্বিভাষিক অভিধানে এটা ভাষাৰ শব্দৰ অন্যটো ভাষাৰ প্ৰতিশব্দ দিয়াৰ লগতে ঠায়ে ঠায়ে শব্দৰ সংজ্ঞা বা অৰ্থৰ বৰ্ণনাত্মক আভাসো দিব লাগে। তাৰ লগতে অন্য যি ভিন ভিন অৰ্থত সেই শব্দৰ ব্যৱহাৰ হয় বা হব পাৰে, তাকো দেখুৱাই আহি বাক্য দিয়া দৰ্কাৰ। দুটা ভাষাত শব্দৰ অৰ্থ সকলো ক্ষেত্ৰতে বিপৰীতমুখী নহয়, অসমীয়া-উড়িয়া অভিধানত 'ক' শব্দৰ অৰ্থ যদি 'খ' হয়, উড়িয়া-অসমীয়া অভিধানত 'খ' শব্দৰ অৰ্থ 'ক' নহবও পাৰে। যেনে :—

অসমীয়া-উড়িয়া অভিধান :

আইতা : আই, জেজেমা (কেৱল 'আই' বা কেৱল 'জেজেমা' নহয়)।

কণী : অণ্ডা (কেৱল চৰাইৰহে, মাছৰ নহয়), মঞ্জি (মাছৰহে)।

মুখ : পাতি, মুহ (কেৱল 'পাতি' বা কেৱল 'মুখ' নহয়)।

গুটি : মঞ্জি (গছৰ বা ফলৰহে, মাছৰ নহয়)।

বেৰ : কান্থ, তাত্তিয়া (কেৱল 'কান্থ' নহয়)।

উড়িয়া-অসমীয়া অভিধান :

আই : মাকৰ মাক (কেৱল 'আইতা' লিখিলে ভুল হ'ব)।

জেজেমা : দেউতাকৰ মাক (কেৱল 'আইতা' লিখিলে ভুল হ'ব)।

পাতি : মুখ, চিঞৰ-বাখৰ (কেৱল 'মুখ' নহয়)।

মঞ্জি : গুটি, মাছৰ কণী (কেৱল 'মুখ' নহয়)।

কান্থ : বেৰ।

দ্বিভাষিক শব্দমালা সঙ্কলন কৰোঁতে অথবা দ্বিভাষিক অভিধান প্ৰণয়ন কৰোঁতে এই সমস্যাৰ প্ৰতি বিশেষ সচেতন থকা প্ৰয়োজন।

জতুৱা খণ্ডবাক্যৰ ক্ষেত্ৰত প্ৰতিশব্দৰ প্ৰশ্নটো আৰু বেছি জটিল। একোটা ভাষাৰ একোটা জতুৱা খণ্ডবাক্যৰ অৰ্থ অন্য ভাষাতো কথাই নাই, সেই ভাষাতেই অন্য শব্দেৰে যথাযথভাৱে প্ৰকাশ কৰিব নোৱাৰি। নিকটতৰ অৰ্থ প্ৰকাশ কৰিব পাৰিলেও হুবহু অৰ্থ প্ৰকাশ কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে অসমীয়া জতুৱা খণ্ডবাক্য কেইটামানলৈ লক্ষ্য কৰা যাওক :

আমোল-মোল, উথপ-থপ, এলাই-বাচ্ কৰ্কৰ, গমগমাই, চেবেং চেবেং, টিনটিন, থৰ্-কাচুতি, ফৰ ফৰ, ভেকাহি মাৰ, থমক্ জমক্ থমথমনি, বাইজাই, ৰিম জিম, লুংলুঙীয়া, লেংলেঙীয়া, সাৰ-সুৰ।

এনে খণ্ডবাক্যৰ অৰ্থ বুজাবৰ কাৰণে প্ৰতিশব্দ বা



প্ৰতি-খণ্ডবাক্য দিবৰ যত্ন কৰাতকৈ প্ৰতিটো খণ্ডবাক্য একাধিক প্ৰসঙ্গত, পৰিচিত শব্দৰ পৰিবেশত অৰ্থাৎ পৰিচিত শব্দৰ মাজত ব্যৱহাৰ কৰি দেখুওৱাটোহে অধিক ফলপ্ৰসূ হ'ব। একেটা খণ্ডবাক্য পৰিচিত শব্দৰ মাজত ভিন ভিন বাক্যত বাৰম্বাৰ প্ৰযুক্ত হ'লে সেই খণ্ডবাক্যৰ অৰ্থ আপোনা-আপুনি শিকাৰুৰ মনত স্পষ্ট হৈ পৰে। সৰু ল'ৰা-ছোৱালীয়ে এই প্ৰণালীৰে মাতৃ-ভাষাৰ নতুন শব্দ-সম্ভাৰ আয়ত্ত কৰে। কাজেই অনা-অসমীয়াক অসমীয়া শিকাবৰ বেলিকা খণ্ডবাক্যবোৰৰ প্ৰতিটোকে একাধিক বাক্যত ব্যৱহাৰ কৰি দেখুৱাব লাগে। প্ৰতিটো বাক্যৰ নিৰ্দিষ্ট খণ্ডবাক্যৰ বাহিৰে আনবোৰ শব্দ পৰিচিত বা ন-শিকাৰুৰ জনা হ'ব লাগে। তেতিয়া সহজেই ন-শিকাৰুৱে সেই খণ্ডবাক্যৰ অৰ্থ আৰু তাৎপৰ্য বুজি পাব, আৰু নিজেই বিভিন্ন প্ৰসঙ্গত তাক ব্যৱহাৰ কৰিব পাৰিব। জতুৱা খণ্ডবাক্য সঙ্কলন কৰোঁতে আৰু অভিধান প্ৰণয়ন কৰোঁতে এই বিষয়টোৰ প্ৰতি বিশেষ মনোযোগী হোৱা প্ৰয়োজন। ০০০

"আহাৰ, নিদ্ৰা আৰু মৈথুনে মানুহ আৰু পশুৰ মাজত একো পাৰ্থক্য নাৰাখে, একমাত্ৰ অধ্যয়নেহে মানুহক পশুৰপৰা পৃথক কৰি ৰাখে।"

মানুহ হিচাপে জীয়াই থাকিবলৈ আপুনি অধ্যয়ন কৰিবলগীয়া গ্ৰন্থ-তালিকাত সংযোজন কৰিবলগীয়া আৰু এটি নতুন নাম—

ডাঃ নাগেন দত্তৰ অভিনৱ গদ্য-ৰীতিৰ এক অনুপম নিদৰ্শন

জীয়াই থকাৰ আশাৰে —

অসম সাহিত্য সভাৰ গুৱালকুছি অধিৱেশনলৈ হিয়াভৰা শুভ-ইচ্ছা জনাই ভাস্বৰ প্ৰকাশে আগবঢ়াইছে তেওঁলোকে প্ৰকাশ কৰা প্ৰথম গ্ৰন্থ—

জীয়াই থকাৰ আশাৰে—

ভাস্বৰ প্ৰকাশ ॥ বিমলা বৰা পথ ॥ নগাঁও – ৭৮২০০১

# গ্ৰন্থ-পৰিচয়

## দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী

**সঙ্কলন আৰু সম্পাদনা : ড° মহেন্দ্ৰ বৰা**

**প্ৰকাশক : অসম সাহিত্য সভা**

পৃষ্ঠা : ৭৯+৫২৮

মূল্য : ২৫·০০ টকা

দুৰ্গেশ্বৰ শৰ্মা আছিল এগৰাকী সাত্বিক প্ৰকৃতিৰ লোক, তেওঁৰ ৰচনাতো এই প্ৰকৃতিৰ প্ৰতিবিম্ব। সেই গুণেই বোধহয় তেওঁৰ ৰচনাই পাব লগাখিনি আদৰ সৰ্বসাধাৰণৰপৰা পোৱা নাই। কবিগৰাকীয়ে নিজেও কবিতাৰ কথা তেওঁৰ আগত প্ৰশংসা কৰা বা আলোচনা কৰা বৰ ভাল নাপাইছিল। তেওঁৰ মৃত্যুৰ দহ বছৰমানতে এবাৰ তেওঁৰ ৰচনাবিলাক সংগ্ৰহ কৰাৰ কথা কওঁতে কোৱা মনত পৰে 'ঋষিভিঃ বহুধা গীতম্ ছন্দোভিঃ বিবিধৈঃ পৃথক্'— গীতাৰ এই বচন, তেওঁৰ এইখিনি বৰ প্ৰিয় আছিল, প্ৰায়েই গায়। 'হেথা আমি কি গাহিব গান?' ঋষিসকলে বিবিধ ছন্দত বেলেগ বেলেগ গীত গাই গৈছে, মই ক্ষুদ্ৰাতিক্ষুদ্ৰ। এৱা সাত্বিক দুৰ্গেশ্বৰ শৰ্মা।

ইং ১৯৩৪-৩৫-অত শতদল প্ৰকাশ কৰোঁতে তেওঁৰ কোনো অনুমতি নোলোৱাকৈয়ে কিবা যেন নাই নাই, ফুলক, সীতাসয়ম্বৰ, বিশ্বভাৱনা, পেঁপা, আৰু গীত আৰু ছবিৰ একোটা অংশ ছপা হোৱাৰ পাছত তেওঁক দেখুৱা হৈছিল। তেওঁৰপৰা সমৰ্থক মিচিকিয়া চাহি এটি পোৱা হৈছিল। গীত আৰু ছবিৰ টোকাত ব্ৰাউনিঙৰ কবিতাৰপৰা যি দুটি তুলনীয় পংক্তি দিয়া হৈছিল, সেই সম্পৰ্কত তেওঁতে কৈছিল যে তেওঁতসকলৰ দিনত টেনিছনৰ কবিতাই কবিতাৰ চূড়ান্ত, ব্ৰাউনিং তেতিয়াও বিচাৰণীয় বিষয় হৈয়েই আছিল।

শৰ্মাদেৱৰ গাঁৱৰ ঘৰত বহুত দিনলৈকে পুথি-চাঙত হাতে-লিখা সাঁচিপতীয়া সংস্কৃত-অসমীয়া পুথি দেখা মনত পৰে। কোচবিহাৰ কলেজত তেওঁতে পঢ়া সময়ত আচাৰ্য ব্ৰজেন্দ্ৰ শীল অধ্যক্ষ আছিল। ইংৰাজী সাহিত্যৰ খ্যাতনামা অধ্যাপক জয়গোপাল বন্দোপাধ্যায়ে ইংৰাজী সাহিত্যৰ অধ্যাপনা কৰিছিল। কেবাটা বিষয়তো অধিকাৰ থকা অধ্যক্ষগৰাকীয়েও অধ্যাপনা কৰিছিল। সেই অধ্যাপনা creative teaching বুলি কয়। শৰ্মাদেৱৰ ক্ষেত্ৰত ইংৰাজী সাহিত্যৰ অধ্যয়ন পৰীক্ষাৰ পাঠতে আবদ্ধ নাছিল। তেওঁৰ ৰচনাই তাৰ প্ৰমাণ।

কলিকতাত আইন পঢ়ি থাকোঁতে লগে লগে গণিতৰ এম-এ শ্ৰেণীতো যোগ দি অধ্যয়ন কৰিছিল; কিন্তু ঘৰৰপৰা পোৱা কোনোটো শোক-সংবাদৰ কাৰণে তেওঁৰ গণিতৰ পৰীক্ষা দিয়া নহ'ল। আইনৰ উপাধি লৈয়েই ঘৰলৈ গুচি আহিব লগা হ'ল। গণিতৰ শ্ৰেণীত গৌৰীশঙ্কৰ দে, যাদৱ চক্ৰৱৰ্তী প্ৰভৃতিয়েও অধ্যাপনা কৰিছিল। যোৰহাটত ওকালতি কৰা সময়ত বি-এ জগন্নাথৰ নেতৃত্বত যোৰহাট সাৰ্বজনিক সভাৰ সক্ৰিয় সভ্য আছিল। সেই সময়তে গুৱাহাটীৰপৰা ওলোৱা নতুন পৰ্যায়ৰ জোনাকীত তেওঁৰ কেইটিমান কবিতা ওলাইছিল। সেই সময়ত যোৰহাট নাট্যসমাজৰ লগতো জড়িত হৈ নাটক ৰচনা কৰে। এই যোৰহাটৰ বছৰকেইটা শৰ্মাদেৱৰ সাহিত্যিক কৰ্মৰ কাৰণে বিশেষ গুৰুত্বপূৰ্ণ। এই





সময়তে তেওঁত থিঅছফিকেল ছোচাইটিৰ সংস্পৰ্শলৈ আহে, আৰু প্ৰায় শেষ বয়সলৈকে তেওঁৰ এই অনুষ্ঠানৰ লগত সম্বন্ধ আছিল বুলি জানো।

অঞ্জলি আৰু নিবেদনৰ কবিতাসমূহত ঠায়ে ঠায়ে ইংৰাজী কবি কেইজনমানৰ কথাৰ টুকুৰা সোমাই আছে, কেইটিমান ইংৰাজী কবিতাৰ ভাঙনিও আছে। ইয়াত শেক্সপীয়েৰৰপৰা আৰম্ভ কৰি বেন্ জনছন, মিল্‌টন, সপ্তদশ শতিকাৰ কেইজনমান, ব্লেক, ওৱাৰ্ডছৱাৰ্থ, কীট্‌ছ, শ্বেলি, টেনিছন এইসকল আছে, আৰু দুই-এজন ওলাব। সমালোচনাৰ ডিটেক্‌টিভ বিভাগে এইবোৰ খুচৰি খুচৰি বং পাব। 'সাগৰৰ সিপাৰৰ নজনা দেশ'ৰ কবিৰ কথাকো একেবাৰে নিজৰ কথা যেনকৈ প্ৰকাশ কৰা টান কথা। শেক্সপীয়েৰৰ Midsummer Night's Dream-অৰ 'You spotted snakes with double tongue' গানটো নিবেদনৰ জলকুঁৱৰী হৈ অসমৰ নৈৰ পাৰে পাৰে শেহ নিশা ফুৰি আছে। এটা ভাষালৈ কৰা কবিতাৰ অনুবাদ ফট'ৰ নিগেটিভৰ লগত সদায় তুলনা কৰিব নোৱাৰি। আৰু এটা কথা, প্ৰভাৱৰ অধ্যয়নেই কবিতাৰ বিচাৰৰ উপায় নহয়।

"তোমোলাক", 'সিবোলাক' এই দুটাত পণ্ডিত সম্পাদক গৰাকীয়ে কিয় আঞ্চলিক গোন্ধ পালে, কব নোৱাৰি। আচলতে এই দুটাহে শুদ্ধ। 'খেদা' আৰু 'কোষ' শব্দ যথাক্ৰমে 'খেলা' আৰু 'কাষ' অৰ্থত প্ৰয়োগ হয়, অকল মৌখিক প্ৰয়োগেই নহয়। যেনেকৈয়েই কৰ। গতিকে সম্পাদকগৰাকীৰ স্থূলহস্ত এই বেচেৰা শব্দকেইটাত কেনেকৈ লাগিবলৈ পালে, কব নোৱাৰি। এই পৰিমাৰ্জন মাৰ্জনীয় বুলি কোৱা টান হৈছে। খবোৱা, ভুৰ্ভং আৰু শ'তোৱাৰ প্ৰয়োগো আচহুৱা নহয়। এইবোৰ শব্দ সাধাৰণতে ব্যৱহাৰ হোৱা শব্দ। ইয়াৰ সমৰ্থনত বিলাতৰ দুৰ্ভগীয়া কবিৰ কাষ নাচাপিলেও হয়। 'বাটকৰা' কবিতাটোৰে দুঠাইত কেনেকৈ ঠাই পালে বুজিব নোৱাৰিলোঁ।

এয়া বাহু, সাধাৰণ কথা। মিত্ৰ-বৰীয়াকৈহে এই কেইটা কথা উনুকিয়ালোঁ।

শৰ্মাদেৱৰ নাট্যসাহিত্যলৈ অৱদানো কিঞ্চিৎ নহয়। সেই সময়ত অসমীয়া নাটৰ অভাৱ; ৰঙ্গমঞ্চবিলাকত প্ৰায়ে বঙলা ভাষাৰপৰা অনুবাদ কৰি অভিনয় কৰিছিল। সাধাৰণতে দুৰ্গাপূজাৰ লগে লগে পৌৰাণিক নাটৰ অভিনয় হয়; সেই পৌৰাণিক নাটৰ চাহিদা পূৰোৱাত শৰ্মাদেৱৰ প্ৰয়াস সাৰ্থক। শেক্সপীয়েৰৰ নাট দুখনৰ adaptation-ও লোকপ্ৰিয় আৰু সময়োপযোগী হৈছিল। ৰঙ্গমঞ্চৰ লগত জড়িত থকা গ্ৰন্থকাৰে অভিনয়ৰ উপযোগীকৈ নাট ৰচিছিল, আৰু মাজত উপযুক্ত গীত ৰচি সমাজৰ প্ৰীতি সাধন কৰিছিল। এদিনাখন শৰ্মাদেৱৰ গুৱাহাটীৰ ঘৰলৈ গৈ দেখোঁ— তেওঁৰ জ্বৰ উঠিছে। থিয় হয়, বহে। তেওঁতে একে ঠাইতে বহুত পৰ বহি থাকিব নোৱাৰে। জ্বৰৰ মুখত এটা গান শুনিলোঁ — 'কোনে কয় জীৱন গলে মৰণ কাৰো ভাল নালাগে'। তেওঁৰ কবিতা আৰু নাটকৰ সাঁকো এইদাল। চন্দ্ৰাৱলীৰ প্ৰথম সংস্কৰণৰ পাতনি কেনেবাকৈ পোৱা হলে ভাল আছিল। সেইখন নোপোৱা বাবে বোধকৰোঁ দ্বিতীয় সংস্কৰণ যুগুত কৰোঁতে নতুনকৈ পাতনি লিখি দিব লগা হ'ল। প্ৰথমৰ পাতনি অলপ দীঘল আছিল। বিচাৰ খোচাৰ কৰিলে ওলাব লাগে।

সুসাহিত্যিক, গল্পলেখক, অসম সাহিত্য সভাৰ প্ৰথম সম্পাদক শৰৎ চন্দ্ৰ গোস্বামী শিমলু আৰু চন্দন কাঠৰ পাৰ্থক্য বুজা মানুহ আছিল। তেওঁ নিবেদনখন নৰ্মাল স্কুলৰ তৃতীয় বাৰ্ষিকৰ পাঠ্য কৰি দিছিল। শকুন্তলাৰ অনুবাদো— লম্বোদৰ বৰাৰ। অঞ্জলি মেট্ৰিকুলেশ্বন পৰীক্ষাত সংস্কৃত নোলোৱা ছাত্ৰৰ পাঠ্য আছিল দুবছৰমান। পাঠ্যপুথি মনোনীত হোৱা-নোহোৱাত

শৰ্মাদেৱৰ কবিতাৰ মূল্য নিশ্চয় নিৰ্ভৰ নকৰে। ভিন্ন-ৰমণীঃ চন্দনতৰুম্ ইন্ধনং কৰোতি।

আধুনিক অসমীয়া কবিসকলৰ মাজত অঞ্জলি-নিবেদনৰ কবিৰ ঠাই আগশাৰীত। বাহ্যিক দৃশ্য বা ঘটনাৰ কবিয়েই নহয় তেওঁ, জীৱন-মৰণ সম্বন্ধীয় তত্ত্ব আৰু প্ৰশ্নৰ কবি। সেইবিলাক অনুভূতিৰে অভিষিক্ত কৰাই কবিৰ কাম। এই অভিষেক সম্পন্ন হয় কিছু-মান শব্দৰ সহায়ত। কবিয়ে ভাব-চিন্তা নিলিখে, শব্দ লিখে। সময়ত উপযুক্ত শব্দৰ শৰ সন্ধান কৰিলেহে কবি হৃদয়ত সোমাই পৰিব পাৰে। সাধাৰণ, সৰল, ঘৰুৱা শব্দৰ সহায় লৈ শৰ্মা কবিয়ে আমাৰ ভিতৰখন চুই যায়, চিন ৰাখি যায়। গন্ধ আৰু ৰূপৰ উপযুক্ত সমাবেশ ফুল; কবিতাও তদ্ৰূপ। গন্ধ আৰু ৰূপক পৃথক কৰিব নোৱাৰি। বিষয়-বস্তু বুলি কবিতাৰ এটা কথা নাই; কথা-বস্তু, সঙ্গীত আৰু ধ্বনি সম্পূৰ্ণ একীভূত হয়। বিষয়-বস্তুৰ মহত্ব বিচৰা লোকক মহত্ব অৰূপ দি থব লগা হয় প্ৰায়েই। স্বাতী নক্ষত্ৰৰ কোনো এটা মুহূৰ্তত শামুকৰ পেটত পৰা পানী মুকুতাত পৰিণত হয়, সাগৰত পৰি হাড়ো কোনো সময়ত পোৱাল হয়। নানা প্ৰভাৱ, নানা বিষয়, নানা অভিজ্ঞতা কবিৰ ভিতৰৰপৰা কাবাৰ শক্তি লৈ ওলাই আহে তাক কাৰাৰ বাহিৰে আন একো বুলিব নোৱাৰি, তাৰ জাতি-সম্প্ৰদায়ো নাই।

ইমানখিনি গোৱা-বোৱাৰ পাছত এই কথা কব লাগিব যে অসম সাহিত্য সভাই এনে এগৰাকী কবিৰ ৰচনা-সমূহ একেলগে গোটাই কাব্যপিপাসু অসমীয়া মানুহৰ হাতত দি পৰম উপকাৰ সাধিছে। ডঃ মহেন্দ্ৰ বৰাই অশেষ পৰিশ্ৰম কৰি সঙ্কলন কৰা বাবে আৰু শৰ্মা কবিৰ সম্পৰ্কে আলোচনাৰ প্ৰথম যেটা মাৰি দিয়াৰ কাৰণে তেখেত আমাৰ শলাগৰ অধিকাৰী। কবিৰ উত্তৰাধিকাৰীসকলো সমানেই প্ৰশংসাৰ ভাজন। বাঘলৈ ভয় কৰাৰ দৰে কবিতালৈ ভয় কৰা মানুহেও এতিয়া অসমীয়া কবি তথা কবিতাৰ লগত সম্বন্ধ পাতিব পাৰিব। শৰ্মাদেৱৰ কবিতা, ভট্টিয়ে কোৱাৰ দৰে, কেৱল ব্যাখ্যাগম্য নহয়; দুৰ্মেধায়ো অলপ-অচৰপ বুজিব পাৰিব, ৰস অকণ লব পাৰিব। আমাৰ দৰে অভকতীয়ায়ো পথাৰৰ আলিছিগা, শিমলু গছ, যখিনী, বুঢ়া ডাঙৰীয়ালৈ মনত পেলাব (অসমীয়া বুঢ়া ডাঙৰীয়াই Ariel-অৰ গাৰপৰা দুপদ-এপদ লোৱা সত্বেও), আৰু দুৰ্গেশ্বৰ শৰ্মাৰ নিবহ-নিপানী কথা-কেইটা।

শ্ৰীযতেশ্বৰ শৰ্মা

## মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ

যুটীয়া সম্পাদক : শ্ৰীমোহন চন্দ্ৰ মহন্ত, বি-এল
ডাঃ নবীন চন্দ্ৰ বৰদলৈ
প্ৰকাশক : শ্ৰীশ্ৰীগোপালদেৱ প্ৰকাশন সমিতি
পৃষ্ঠা : ২৬ + ৪৪৩। মূল্য ২০·০০ টকা।

দ্বিজ ৰামানন্দ, পূৰ্ণানন্দ, ৰামগোপাল, হৰিবল্লভ আৰু ৰামানন্দ এই পাঁচজন চৰিতকাৰে লিপিবদ্ধ কৰি যোৱা পাঁচখন চৰিত-পুথিৰ এই সুবৃহৎ সঙ্কলনটোৱে শ্ৰীশ্ৰীগোপালদেৱৰ পূৰ্ণাঙ্গ জীৱনী এখনৰ অভাৱ পূৰণত বহুখিনি সহায় কৰিলে। তাৰ বাবে সম্পাদক, প্ৰকাশক সকলোৱেই অসমীয়া ৰাইজৰ শলাগৰ পাত্ৰ। মূল পুথি কেইখনিৰ সাৰ অংশ ৰক্ষা কৰি অশেষ যত্ন-সহকাৰে সম্পাদক দুজনে অনাৱশ্যকীয় অংশ বাদ দিছে পুথিৰ কলেৱৰ বঢ়াৰ ভয়ত। কলেৱৰ আৰু মূল্যৰ ফালৰপৰা উচিত বুলি ভাবিলেও বুৰঞ্জীৰ দাবীৰ খাটিৰত পাঁচোখন চৰিত সম্পূৰ্ণকৈ আৰু সুকীয়াকৈ প্ৰকাশ কৰাটোহে আমাৰ মতে ভাল হ'লহেঁতেন।

বুৰঞ্জী সাহিত্যৰ দৰেই আমাৰ গৌৰৱ কৰিবলগীয়া



সাহিত্য হ'ল জীৱনী সাহিত্য। এই বিষয়ে ইয়াত দোহৰাৰ প্ৰয়োজন নাই। মহাপুৰুষ শ্ৰীমন্তশঙ্কৰ-মাধৱৰ প্ৰচাৰিত ভক্তিধৰ্মই পৰিপূৰ্ণ ৰূপ পালে গোপালদেৱৰ হাতত। শ্ৰীশ্ৰীগোপালদেৱৰ আজ্ঞাপৰ ব্ৰাহ্মণ আৰু কায়স্থ সত্ৰসমূহৰ যোগেদি পৰ্বতে-ভৈয়ামে অসংখ্য শিষ্যই আজিও অসমৰ বহু ঠাইত ধৰ্মীয়, সামাজিক, আধ্যাত্মিক আদৰ্শৰ ঐতিহ্য ৰক্ষা কৰি আহিছে। ভক্ত গুৰুসকলে মহাপুৰুষৰ সমন্বয়ী ঐতিহ্যৰ ধাৰা বহন কৰিয়ে বহুগোষ্ঠী-অধ্যুষিত এই দেশখনৰ বিভিন্ন জাতি-উপজাতিক একত্ৰিত কৰি তেওঁলোকৰ জীৱনৰ উগ্ৰতা সমূহক ভগৱৎ-মুখী কৰি মানৱ-জীৱনৰ উচ্চতৰ আদৰ্শৰ অনুগামী কৰি তুলিলে। কিন্তু কালৰ গতি কুটিল। অসমৰ ৰাজনৈতিক জীৱন সময়ৰ চাকনৈয়া-পকনী-য়াত পৰিল। সত্ৰসমূহে আত্মৰক্ষাৰ কাৰণে নিজকে সঙ্কুচিত কৰিবলৈ বাধ্য হ'ল। সামাজিক জীৱনত শঙ্কৰ-মাধৱে আৰম্ভ কৰি যোৱা এই সমন্বয় সাধনৰ প্ৰক্ৰি-য়াটো বন্ধ হৈ পৰিল। সঙ্কীৰ্ণতাই আনি দিলে বিভেদ, আত্ম-কন্দল। সত্ৰসমূহ ভাগ ভাগ হ'ল। উদাৰতাৰ ঠাইত স্বাৰ্থপৰতাই আকাশীলতাৰ দৰে ধৰ্ম-সংস্কৃতিৰ জীৱনক ঢাকি পেলালে। ঠিক সেই সময়তে খ্ৰীষ্টান ধৰ্ম আৰু খ্ৰীষ্টান শাসকে পৰ্বত-ভৈয়ামক মানসিক-ভাৱেও সমগ্ৰ ভাৰতৰ মানসিক ভূগণ্ডৰপৰা আঁতৰাই লৈ গ'ল। তাৰ ফলত আজি উত্তৰাধিকাৰীসকলৰ অস্তিত্ব বুৰোঁ বুৰোঁ। এই সঙ্কটৰ সময়ত মহাপুৰুষ গোপালদেৱৰ দৰে উদাৰ ধৰ্মগুৰু, কবি-নাট্যকাৰজনাৰ জীৱন-চৰিত্ৰই দেশৰ ধৰ্ম-কৰ্ম, ৰাজনীতি, সমাজ-নীতিৰ কৰ্ণধাৰসকলক আগবাঢ়িবলৈ বাট দেখুৱাব।

আলোচ্য পুথিখনত সংযোজিত বিস্তৃত পাতনিত চৰিত-পুথি পাঁচখনৰ বিষয়-বস্তু সম্পৰ্কে সুন্দৰ বিশ্লেষণ দাঙি ধৰিছে সম্পাদক দুজনাই। গোপালদেৱে মাধৱ-দেৱৰপৰা ধৰ্মাচাৰ্যৰ দায়িত্ব লাভ কৰিলেও গোপাল-দেৱৰ ওচৰত শঙ্কৰ-মাধৱ অভেদ। সেইদৰে গোপাল-দেৱৰ শিষ্যসকলৰ মানতো শঙ্কৰ - মাধৱ - গোপাল অভেদ। কেউখন চৰিত-পুথি এই ক্ষেত্ৰত একমত। শঙ্কৰ-মাধৱৰ আদৰ্শ ৰক্ষা কৰিয়েই গোপালদেৱেও দুজন ব্ৰাহ্মণ, দুজন কায়স্থক ধৰ্ম-প্ৰচাৰক পাতিছিল। এইসকলৰ ভিতৰত মুখ্য আছিল কালঝাৰ সত্ৰৰ উত্তৰাধিকাৰী দ্বিজ শ্ৰীৰামদেৱ। শ্ৰীৰামদেৱ সৰ্ব-শাস্ত্ৰজ্ঞ, বেদজ্ঞ ব্ৰাহ্মণ। গোপালদেৱক লগ পোৱাৰ আগতেই তেওঁ হৰুৱি ভক্ত লৈ হৰিগুণ-নাম গাই নিজৰ ঠাইত (খোৱা-মোছৰ) বাস কৰিছিল। কামৰূপত গোপালদেৱৰ ধৰ্ম-প্ৰচাৰৰ বাৰ্তা পাই নাৰায়ণ ঠাকুৰৰ সঙ্গ লৈ গোপালদেৱৰ কাষ পাই গোপাল-দেৱৰ আজ্ঞাত ভাগৱত পাঠ কৰি শুনালে। গোপাল-দেৱে তেওঁক নিজৰ থানত যহুমণি বাপৰ লগত থকাৰ সুবিধা কৰি দিলে, আৰু বয়সত তৰুণ হ'লেও জ্ঞানত বুঢ়া কাৰণে 'বুঢ়া' পদৱী দিলে। এনে এজন পৰম পণ্ডিত তেওঁৰ ওচৰলৈ কিয় আহিল বুলি প্ৰশ্ন কৰিলে :

শুনিয়ো শ্ৰীৰাম তুমি স্থিৰ কৰি মন
আমসাৰ ঠাইক তুমি আইলা কি কাৰণ
নাহিকয় আমাসাত কিছু গুণ গণ
নুহিকো মহন্ত গোষ্ঠী আমি অল্পজন।
ক'াত্তীৰ হৰাল নুহিকেঁাহো ৰৰলোক ......

উত্তৰত শ্ৰীৰামদেৱে গোপালদেৱৰ তিনিটা গুণ দেখি তেওঁৰ ওচৰলৈ অহা বুলি জনালে :

নাহিকয় আশ নাহিকয় অভিমান
সংশয় ছেদক নাহি তোমাৰ সমান। (পৃঃ ৩০৭)

মহাপুৰুষ গোপালদেৱৰ ব্যক্তিত্বৰ আকৰ্ষণৰ বিষয়ে বুজিবলৈ এই উক্তিয়েই যথেষ্ট। সেয়ে, আজিও কাল সংহতিৰ প্ৰকৃত উত্তৰাধিকাৰীসকলৰ বিনয়, নম্ৰতা, সদাচাৰ, উদাৰতা আৰু ৰুচিবোধৰ তুলনা নাই।

জীৱন-চৰিতসমূহে সেই সময়ৰ সমাজ-জীৱন,

সাংস্কৃতিক জীৱন, ধৰ্ম আৰু ৰাজনৈতিক জীৱনৰ বুৰঞ্জীও দাঙি ধৰে। প্ৰাণ-চঞ্চল, জীয়া জাতি এটাৰ প্ৰাণৰ স্পন্দন এই জীৱন-চৰিতসমূহত অনুভূত হয়। সেয়ে এনে সাহিত্য সুখপাঠ্য। আমি গ্ৰন্থখনৰ বহুল প্ৰচাৰ কামনা কৰিলোঁ।

শ্ৰীমহিম বৰা

## পাণ্ডুলিপি

লেখক : ৺ প্ৰবীণ গোস্বামী

প্ৰকাশক : শ্ৰীপ্ৰকাশ গোস্বামী

পৃষ্ঠা : ৮+৫১। মূল্য : ৩·০০ টকা

'পাণ্ডুলিপি'ত সংযোজিত কবিতাসমূহৰ লেখক ৺প্ৰবীণ গোস্বামী পৰিচিত নাম নহয়। ৺ গোস্বামীৰ কাব্য-চৰ্চাৰ কালছোৱা আমাৰ কাব্য-সাহিত্যৰ এক অনিশ্চিতিৰ সময় (১৯৫৫-৬২)। আস্থাৰ অভাৱ অনুভৱ কৰিছিল কাৰণেই হয়তো স্বৰ্গীয় কবিগৰাকীয়ে প্ৰকাশৰ প্ৰেৰণা পোৱা নাছিল। অথচ কবিৰ কাব্যিক সত্ত্বা মূঠেও অন্তৰ্মুখী নহয়। অকালতে কাল-প্ৰবাহৰ বলি নোহোৱা হ'লে তেখেতৰ কাব্যৰ বিকাশ হয়তো ভিন্নতৰ হ'লহেঁতেন। অগ্ৰজ বহু কেইজন কবিৰ দেখদেখ অনুকৰণ তেখেতৰ ছন্দ, লয়, বাক্যাংশ আৰু কল্পচিত্ৰত থকা সত্ত্বেও আৰু উপলব্ধিৰ মৌলিকতা সম্বন্ধে বহু সময়ত সন্দেহৰ অৱকাশ থাকিলেও, তেখেতৰ কবিতাসমূহৰ মাজত আমি সংবেদনশীল মন এটাৰ পৰিচয় পাইছোঁ। উপলব্ধিৰ মৌলিকতা সম্বন্ধে কোনো কোনো ক্ষেত্ৰত সন্দেহ বোধ কৰিলেও, আমি তেখেতৰ কবিতাত আন্তৰিকতাৰ অভাৱ ঘটিছে বুলি ক'ব নোখোজোঁ। বৰং জন-জীৱনৰ আশা-আকাঙ্ক্ষাৰ প্ৰতি তেখেতৰ অনুভূতিৰ antenna-বোৰ বিশেষভাৱে উন্মুখ আছিল যেন বোধ হয়। সমসাময়িক বহু কবিতকৈ তেখেতৰ ভাব-ভাষাও পৰিচ্ছন্ন। আজি-কালিৰ বহুতো হুজুগী প্ৰগতিবাদীতকৈ তেখেতৰ তলৰ কবিতা-ফাঁকিৰ আবেদন নিশ্চয় অধিক সততাৰ —

ঘৰৰ চালেদি আকাশ দেখোঁ
শেতেলীত পৰি তৰা লেখোঁ
বিৰহী যক্ষৰ চকুপানীবোৰে
মৰমৰ দাগ দি যায়।
খেৰৰ দাম শত বাৰ টকা
হাজিৰা পাওঁ দুটা টকা
থেৰেজু বুলীয়া মনৰ আশা
মনতে মৰহি যায়।

দেহা মাটি কৰি ধন ঘটি ঘটি
জীৱন নিৰ্বাহ কৰা
তুমি যদি ভাল পোৱা

আহা—
আমি দুয়ো মিলি ৰচোঁ
বেদনা-দগ্ধ এই পৃথিৱীত
শান্তিৰ সুৰদি পঁজা।

সংকলনখনৰ 'পাণ্ডুলিপি' নামটো অৰ্থপূৰ্ণ হৈছে বুলি ভাবোঁ। কবি জীয়াই থকা হ'লে এই কবিতাবোৰ অধিক পৰিচ্ছন্ন আৰু সাৰ্থক ৰূপত হয়তো প্ৰকাশ হ'লহেঁতেন। যদিও আমি পাতনি-লেখকৰ দৰে এই কবিৰ কবিতাক "সেই সময়ৰ সৰ্বশ্ৰেষ্ঠ যি কোনো কবিতাৰ সমমৰ্যাদাবিশিষ্ট" বুলি নকওঁ, এই কথা স্বীকাৰ কৰোঁ যে ৺ গোস্বামীৰ কবি-প্ৰতিভা সম্ভাৱনাপূৰ্ণ আছিল।

শ্ৰীহৰেকৃষ্ণ ডেকা



## শিৱসাগৰ নাট্য-সমাজৰ ইতিবৃত্ত : সংস্কৃতিৰ এটি পূজা

লেখক : শ্ৰীসহজানন্দ ভঁৰালী

পৃষ্ঠা : ৩২+২৮২। মূল্য : ১৫·০০ টকা

ঊনবিংশ শতিকাৰ শেষ দশকত গুৱাহাটীত, আৰু কুৰি শতিকাৰ প্ৰথম দুই দশকমানত অসমৰ বিভিন্ন নগৰে-চহৰে গঢ়ি উঠা আধুনিক ৰঙ্গমঞ্চসমূহে আধুনিক অসমীয়া নাট্য-আন্দোলনৰ পৰম্পৰা সৃষ্টিত একোটা বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। গুৱাহাটীৰ আৰ্য নাট্য-মন্দিৰ আৰু পাছত কুমাৰ ভাস্কৰ নাট্য-মন্দিৰ, তেজপুৰৰ বাণ ষ্টেজ, শিৱসাগৰ নাট্য-সমাজ, যোৰহাট থিয়েটাৰ আদি আধুনিক অসমীয়া মঞ্চ-জগতত ঐতিহ্য স্থাপনকাৰী অনুষ্ঠান। এই মঞ্চসমূহৰ এসময়ৰ অৱদান শ্ৰদ্ধাৰে সোঁৱৰিবলগীয়া। এই ৰঙ্গমঞ্চসমূহৰ সৃষ্টিৰ লগে লগে আধুনিক অসমীয়া নাটকেও বিকাশৰ এটা পথ বিচাৰি লৈছিল। প্ৰাথমিক অৱস্থাত বঙলা অভিনয় মঞ্চসমূহত হৈছিল যদিও এই শতিকাৰ তৃতীয় দশক মানৰপৰা মৌলিক অসমীয়া নাটকহে মঞ্চসমূহত অভিনীত হবলৈ ধৰে। মঞ্চৰ তাগিদাত ৰচিত এনে নাটকেই আমাৰ নাট্য সাহিত্যৰ এটা বৃহৎ অংশ সামৰি লৈছে।

আলোচ্য গ্ৰন্থখনি শিৱসাগৰত ঊনবিংশ শতিকাৰ শেষ দশকতে প্ৰতিষ্ঠিত শিৱসাগৰ নাট্য-সমাজৰ এখনি বুৰঞ্জী। লেখক নিজেই নাট্য-সমাজৰ লগত অঙ্গাঙ্গীভাৱে জড়িত ব্যক্তি, আৰু সেয়ে তেওঁ নাট্য-সমাজৰ গঠন-কালৰপৰা বৰ্তমানলৈকে এটি ধাৰাবাহিক বিৱৰণ আঁৰ নলগাকৈ দিবলৈ সক্ষম হৈছে। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে অসমৰ নাট্য আন্দোলনৰ সম্পৰ্কত পুঙ্খানুপুঙ্খ বিৱৰণ-সম্পৃক্ত এখনি গ্ৰন্থ আমাৰ ভাষাত এতিয়ালৈকে প্ৰকাশ হোৱা নাই। শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱৰ 'মঞ্চ-লেখা' এই ক্ষেত্ৰত উল্লেখযোগ্য যদিও গ্ৰন্থখনিত অসমৰ বিভিন্ন নগৰে-চহৰে গঢ়ি উঠা সকলো মঞ্চৰ বিষয়ে ধাৰাবাহিক ঐতিহাসিক বিৱৰণ ৰক্ষিত হোৱা নাই। তদুপৰি, এটা অনুষ্ঠানে কৰিব লগা কাম একক প্ৰচেষ্টাৰে এজন ব্যক্তিয়ে কৰিব লগা হোৱাত উল্লিখিত গ্ৰন্থখনিত ভালেমান ত্ৰুটী ৰৈ গৈছে। সেয়ে, আলোচ্য গ্ৰন্থখনিৰ দৰে আঞ্চলিক নাট্য-সমাজৰ বুৰঞ্জীৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। এনে আঞ্চলিক বুৰঞ্জীয়ে অসমৰ নাট্য-আন্দোলনৰ ভালেমান নতুন দিশত আলোকপাত কৰিবলৈ সক্ষম হয়।

১৮৯৯ খ্ৰীষ্টাব্দত শিৱসাগৰ নাট্য-সমাজ প্ৰতিষ্ঠিত হয়। ১৯৭৬ চনত অনুষ্ঠানটিয়ে পয়সত্তৰ বছৰ পূৰণ কৰা উপলক্ষ্যে প্লেটিনাম জয়ন্তীও উদ্‌যাপিত হয়। লেখকে নাট্য-সমাজৰ জন্ম-লগ্নৰপৰা ১৯৭৬ চনলৈকে গ্ৰন্থৰ প্ৰথম খণ্ডত শিৱসাগৰৰ সাংস্কৃতিক জীৱনৰ পৰিচয়, আৰু নাট্য-সমাজৰ গুৰি ধৰোঁতাসকলৰ একোটি চমু পৰিচয় দিছে। তাৰ পাছত, পাঁচোটা পৰিচ্ছেদত নাট্য-সমাজৰ পয়সত্তৰ বছৰীয়া ধাৰাবাহিক বিৱৰণ সংযুক্ত হৈছে। নাট্য-সমাজৰ লগত জড়িত উল্লেখযোগ্য ব্যক্তিসমূহৰ একোখনি প্ৰতিচ্ছবিও গ্ৰন্থত সন্নিবিষ্ট হৈছে। সামগ্ৰিকভাৱে গ্ৰন্থখনি তথ্যৰ দিশৰপৰা মূল্যৱান। অসমৰ একোটা মঞ্চক লৈ ৰচিত এইখনেই বোধহয় প্ৰথম বুৰঞ্জী। এই ক্ষেত্ৰত লেখকৰ ভূমিকা পথ-প্ৰদৰ্শকৰ। অসমৰ প্ৰতিটো মঞ্চৰ এনে বুৰঞ্জী যদি প্ৰকাশ হৈ ওলায়, তেনেহলে আধুনিক অসমীয়া নাট্য-আন্দোলনৰ এখনি যথাৰ্থ বুৰঞ্জী ৰচিত হোৱাত সহজ হয়।

## পাঠ-সমীক্ষাৰ ভূমিকা

লেখক : শ্ৰীনাৰায়ণ দাস

প্ৰকাশক : কৃষ্ণ প্ৰকাশ, তেজপুৰ

পৃষ্ঠা : ২৮। মূল্য : ২·০০ টকা

কোনো প্ৰাচীন গ্ৰন্থৰ প্ৰকৃত পাঠ নিৰ্ণয় সম্পৰ্কীয় এক

বিজ্ঞান-সম্মত পদ্ধতিয়েই হৈছে টেক্স্‌চুৱেল ক্রিটিচিজিম বা পাঠ-সমীক্ষা। প্ৰতিখন গ্ৰন্থৰ অ'াৰত লেখকৰ ব্যক্তি-সত্তা, আৰু সেই ব্যক্তিসত্তাৰ অ'াৰত সমসাময়িক সমাজৰ বাবে-বহণীয়া ছবি নিহিত হৈ থাকে। কিন্তু লেখকৰ প্ৰকৃত পাঠৰ অবিহনে উল্লিখিত দুয়োটি সম্পদৰ-পৰা বঞ্চিত হ'ব লগা হয়। কাৰণ হস্ত-লিখিত পুথিৰ বয়স যিমান বাঢ়ে, লিপিকাৰৰ দোষত ভুলৰ মাত্ৰাও সিমানে বাঢ়ে। এনে অৱস্থাত গ্ৰন্থৰ প্ৰকৃত পাঠ নিৰ্ণয়ৰ বাবে বিভিন্ন পদ্ধতিৰ অৱলম্বন কৰিব লগা হয়। লিপি বিজ্ঞান, পাণ্ডুলিপি-তত্ত্ব, পুৰাতত্ত্ব বিজ্ঞান, পাঠোদ্ধাৰ বিজ্ঞান আদিৰ সহায়ত কোনো প্ৰাচীন গ্ৰন্থৰ বিকৃত আৰু অসমীক্ষিত পাঠৰপৰা যি প্ৰকৃত পাঠ নিৰ্ণয় কৰা হয়, সেয়ে পাঠ-সমীক্ষা।

পাঠ-সমীক্ষা পদ্ধতিৰে ইতিপূৰ্বে অসমীয়া গ্ৰন্থ সম্পাদিত হৈছে যদিও এই গ্ৰন্থখনিহে পাঠ-সমীক্ষা সম্পৰ্কীয় অসমীয়া ভাষাৰ প্ৰথম পুথি। পাঠ-সমীক্ষা সম্পৰ্কত অসমীয়া ভাষাত বৰ বেছি আলোচনাও হোৱা নাই। এই সৰু গ্ৰন্থখনিত লেখকে পাঠ-সমীক্ষাৰ গুণ, প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যত পাঠ-সমীক্ষা পদ্ধতিৰ প্ৰয়োগ, পুথিত ভুল সোমোৱাৰ কাৰণ, গ্ৰহণ-বৰ্জন-সন্দেহ-পৰিবৰ্তন আদিৰদ্বাৰা পাঠ সংশোধনৰ প্ৰচেষ্টা ইত্যাদি পাঠ-সমীক্ষা সম্পৰ্কীয় প্ৰয়োজনীয় সকলো কথাৰ চমু আলচ কৰিছে। এই দিশৰপৰা উৎসাহী পাঠকে গ্ৰন্থখনত পাঠ-সমীক্ষা সম্পৰ্কীয় ভালেমান নতুন কথাৰ সন্ধেদ পাব। ইয়াত লেখকৰ নিজৰ বুলিবলৈ একো নাই বুলি পাতনিতে আমাক কৈছে। পুথিখনিত তেওঁৰ ভূমিকা সঙ্কলকৰহে। ভালেমান মুদ্ৰণ-প্ৰমাদৰ উপৰিও পুথিখনিত কিছুমান ভুল চকুত পৰে। 'ওপৰত উল্লেখ কৰা' বুজাবলৈ 'উপযুৰ্ক্ত, উপৰিউক্ত' শব্দ ব্যৱহাৰ কৰাতকৈ 'উল্লিখিত' শব্দটোহে বোধহয় ব্যৱহাৰ কৰা সমীচীন হব। আকৌ ইংৰাজী 'Ibid' বুজাবলৈ লেখকে ব্যৱহাৰ কৰিছে 'প্ৰাগুক্ত'। শব্দটো 'উল্লিখিত গ্ৰন্থ' বুলি কলেই যথাৰ্থ হয় বুলি অনুভৱ কৰো।

শ্ৰীপ্ৰকাশ গোস্বামী

## ৰয়নী বিদুৰ

লেখক : শ্ৰীসাৰদানন্দ দেৱগোস্বামী
প্ৰকাশক : গ্ৰন্থালয়, নগাঁও
পৃষ্ঠা : ৬৭। মূল্য : ৩'৭৫ টকা

'ৰয়নী বিদুৰ' এখন উপন্যাস। লেখকজন নতুন হলেও তেখেতৰ সৃষ্টি তাৎপৰ্যহীন নহয়।

ঔপন্যাসিকে জাতিৰাম আৰু চেনিমাইৰ প্ৰণয়-কথাক কেন্দ্ৰ কৰি বৈষ্ণৱ সত্ৰীয়া প্ৰভাৱযুক্ত গ্ৰাম্য জীৱনলৈ অহা বিৱৰ্তন, অৱক্ষয় আৰু আত্ম-বিস্মৃতিৰ স্বৰূপ আউনীআটী নামৰ এখন গাঁৱৰ পটভূমিত জীৱন্ত কৰি তুলিছে। অতীত ঐতিহ্যৰ পোহৰত বৰ্তমানৰ ক্ষয়িষ্ণু সামাজিক জীৱন-প্ৰবাহ আৰু মানসিক দৈন্য ঔপন্যাসিকে খেদ আৰু অনুশোচনাৰে অঙ্কণ কৰিছে। আগৰ 'মাৰ বন্ধা' খেলৰ ঠাইত গাঁওবোৰত আজি ঘৰে ঘৰে একোখন খেল হৈছে, গুৰু অঙ্কীয়া ভাওনাৰ পূৰ্বৰ মৰ্যাদা ক্ৰমশঃ ম্লান পৰি আহিছে, ম'হ-যুঁজৰ দৰে গ্ৰাম্য ক্ৰীড়া আজি লুপ্তপ্ৰায় হৈ আহিছে, বৰদোৱা থানৰ ফাকু উৎসৱ স্থানীয় লোকৰ বছৰেকীয়া ওপৰঞ্চি ধন ঘটা ৰজাবলৈ ৰূপান্তৰিত হৈছে, নিৰ্বাচনৰ জয়-পৰাজয় টকাৰ শক্তিয়ে নিৰ্ণয় কৰিব ধৰিছে, বৈজ্ঞানিক প্ৰগতি-শীলতাৰো উৰ্দ্ধত লৌকিকতা আৰু অন্ধবিশ্বাসে আজিও গ্ৰাম্য সমাজখন নিয়ন্ত্ৰণ কৰি ৰাখিছে, গাঁৱলীয়া জীৱনৰ ওপৰত ক্ৰমবৰ্ধমান আধুনিক সভ্যতাৰ বিষময় প্ৰভাৱ পৰিছে। এনে একাধিক জ্বলন্ত সমস্যা, সংঘাত আৰু অস্থিৰতাৰে উপন্যাসৰ কাহিনী স্ফীত। আৰু আছে অসমৰ আৰ্থ-সামাজিক ক্ষেত্ৰত অসমীয়া



ভাষা-সংস্কৃতিক আঁকোৱালি লৈ অসমীয়া হৈ পৰা ন-অসমীয়া মুছলমান সম্প্ৰদায়ৰ সংযুক্তিৰ নিৰপেক্ষ পৰ্যবেক্ষণ। এই মানুহখিনি অসমত থকাৰ ফলত সৃষ্টি হোৱা অনুকূল আৰু প্ৰতিকূল অৱস্থাৰ লগতে খিলঞ্জীয়া অসমীয়া হিন্দু সমাজখনৰ লগত এওঁলোকৰ গঢ়ি উঠা সম্প্ৰীতিৰ ইঙ্গিতো উপন্যাসখনৰ এক বিশেষত্ব।

উপন্যাসখনৰ সৰাতোকৈ উল্লেখনীয় দিশটো হ'ল ইয়াৰ ভাষা। গ্ৰাম্য পটভূমিত চৰিত্ৰাঙ্কণ শক্তিশালী হোৱাৰ উপৰি বাক-ভঙ্গীত জতুৱা ঠাঁচ আৰু খণ্ডবাক্য আদিৰ সুব্যৱহাৰে ইয়াৰ ভাষাক 'জীৱনৰ বাটত' উপন্যাসখনৰ লগতহে তুলনীয় কৰি তুলিছে। চৰিত্ৰাৱলীৰ ভিতৰত বন্থ মেধৰ, ভটৌ, বৰদোৱানী বুঢ়ী, চেনিৰাম, অভইচাৰ আদিৰ চৰিত্ৰই মনত মচিব নোৱাৰা সাঁচ বহুৱায়।

'ৰয়নী বিদুৰ' এখন স্বল্পায়তনী উপন্যাস। বস্তুতে ইয়াক দীঘলীয়া গল্প বুলিও কব পাৰে। কাহিনীৰ বিস্তৃতি আৰু চৰিত্ৰৰ পূৰ্ণ বিকাশৰ প্ৰতি ঔপন্যাসিক মনোযোগী হোৱা হলে এইখন এখন সম্পূৰ্ণ সাৰ্থক সৃষ্টিৰ প্ৰতিভূ হৈ উঠিলহেঁতেন। শ্ৰেয় সৃষ্টিৰ সুন্দৰ প্ৰতিশ্ৰুতি ঔপন্যাসিকৰ আছে। শেহত কওঁ, জাতিৰামে চেনিমাইক পলুৱাই আনি ঘৰ সুমুৱাই নতুনকৈ সংসাৰ পতাৰ মাজেদি দেখুউৱা উপন্যাসৰ পৰিণতি কেৱল আবেগিক উচ্ছাসতহে সম্ভৱ, বাস্তৱ ক্ষেত্ৰত সি সকলোকে প্ৰত্যয় নিয়াব নোৱাৰিব যেন লাগে। উপন্যাসখন কোনো বিশেষ মতবাদত বিশ্বাসী জনে পঢ়ি ভাল নাপাবও পাৰে।

শ্ৰীইদ্ৰিছ আলি

## সোণালী নদীৰ ৰজা।

অনুবাদক : শ্ৰীফণীন্দ্ৰনাথ গায়ন।
প্ৰকাশক : শিশু-সাহিত্য প্ৰকাশ, ঢেকিয়াজুলি।
পৃঠা : ৪৭। মূল্য : ১'৭০ টকা।

আমাৰ ভাষাত শিশুৰ উপযোগী উপন্যাস নিচেই তাকৰ। জন ৰাস্কিনৰ 'The King of The Golden River' নামৰ মনোৰম গ্ৰন্থখনৰ ই. এফ. ডড্ কথিত ৰূপটো অসমীয়ালৈ অনুবাদ কৰি শ্ৰীফণীন্দ্ৰনাথ গায়নে এটা ভাল কাম কৰিছে। কিতাপখন ধুনীয়াকৈ সজাই-পৰাই উলিওৱা বাবে ঢেকিয়াজুলিৰ শিশু-সাহিত্য প্ৰকাশ নিশ্চয় ধন্যবাদাৰ্হ।

শিশু-মনে বিচাৰিব পৰা কাল্পনিক জগত এখন ৰাস্কিনৰ The King of The Golden River-অত সোমাই আছে। মানুহৰ স্বাৰ্থপৰতা আৰু উদাৰতাৰ পৰিণতি উপলব্ধি কৰাত ৰাস্কিনৰ কাহিনীটোৱে শিশুসকলক বহু পৰিমাণে সহায় কৰে। অসমীয়া অনুবাদটোত স্থানীয় ৰহণ দি আমাৰ শিশুসকলৰ বাবে বিশ্বাসযোগ্য ৰূপত দাঙি ধৰিবলৈ অনুবাদকে যত্ন কৰিছে। কিন্তু "নগৰৰ নিৰিবিলি পৰ্বতীয়া ঠাই", "সুউচ্চ পৰ্বতমালা", "সূৰ্যই পৃথিৱীৰপৰা মেলানি মাগিলে", "ফলবোৰ ইমান সুস্বাদু, তাৰ পানীয় ইমান মিঠা আছিল" আদি প্ৰকাশ-ভঙ্গী শিশুৰ বাবে নিশ্চয় সহজবোধ্য নহয়। ছপাৰ ভুলো কিতাপখনত কম নাই। তথাপি, শ্ৰীগায়নলৈ আমি অভিনন্দন জনাইছোঁ, আৰু যথেষ্ট অনুশীলনেৰে শিশু-সাহিত্য প্ৰণয়নত তেখেত একাগ্ৰতীয়াকৈ লাগিব বুলি আশা কৰিছোঁ।

## Sankardeva : Studies in Culture.

সম্পাদক : শ্ৰীভৱপ্ৰসাদ চলিহা।
প্ৰকাশক : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গুৱাহাটী অধিৱেশনৰ (১৯৭৮) অভ্যৰ্থনা সমিতি।
পৃষ্ঠা : ১৬৮। মূল্য ১২'০০ টকা।

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত ঘটা বৈষ্ণৱ জাগৰণৰ লগত জড়িত মহাপুৰুষসকলৰ সংবাদ আমি অসমীয়াসকলে

যিমান ৰাখিছোঁ, তাৰ তুলনাত অসমৰ বৈষ্ণৱ আন্দোলনৰ পুৰোধা মহাপুৰুষ শঙ্কৰদেৱক অনা-অসমীয়াসকলে প্ৰায় নাজানেই বুলিব লাগিব। তাৰ বাবে দায়ী অনা-অসমীয়া লোকসকল নিশ্চয় নহয়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱন আৰু প্ৰতিভাৰ বিচাৰ-বিশ্লেষণাত্মক গ্ৰন্থ এতিয়ালৈকে যি কেইখন ওলাইছে, সেইকেইখনৰ ভিতৰত অনা-অসমীয়াসকলৰ হাতত তুলি দিব পৰা গ্ৰন্থৰ সংখ্যা নিচেই নগণ্য। অনা-অসমীয়া ভাষা, বিশেষকৈ হিন্দী আৰু ইংৰাজী ভাষাৰ মাধ্যমেৰে শঙ্কৰদেৱৰ জীৱন আৰু কাৰ্যাৱলীৰ প্ৰচাৰ ব্যাপকভাৱে কৰাৰ পৰিকল্পিত আঁচনি এখনৰ অভাৱতেই এই মহাপুৰুষজনাৰ আদৰ্শ এতিয়াও আমাৰ "ভকতক" সীমিত হৈ আছে বুলিব লাগিব। অসম শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বাৰ্ষিক অধিৱেশনবোৰৰ যোগেদি অসমৰ চুকে-কোণে প্ৰচাৰৰ অভিযান চলালেও সেই অভিযানো এতিয়ালৈকে ভকতক অতিক্ৰম কৰি আগবাঢ়িব পৰা নাই। ১৯৭৮ চনত গুৱাহাটীত অনুষ্ঠিত সঙ্ঘৰ সপ্তচত্বাৰিংশ সন্মিলনৰ অভ্যৰ্থনা সমিতিয়ে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ দুখনৰ ভিতৰত আলোচ্য গ্ৰন্থখনৰ গুৰুত্ব এইবাবেই অধিক যে অনা-অসমীয়া পঢ়ুৱৈসকলৰ কাষত শঙ্কৰদেৱৰ সম্যক পৰিচয় দাঙি ধৰিব পৰা অঙ্গুলিমেয় গ্ৰন্থকেইখনৰ ভিতৰত এইখন অন্যতম। তাৰ বাবে অভ্যৰ্থনা সমিতি ধন্যবাদাৰ্হ।

শঙ্কৰদেৱৰ বিষয়ে ৰচিত পূৰ্ব-প্ৰকাশিত কেইবাটাও প্ৰবন্ধকে ধৰি অসম তথা ভাৰতবৰ্ষৰ প্ৰথিতযশা পণ্ডিত কেইবাগৰাকীৰো প্ৰবন্ধ গ্ৰন্থখনত সন্নিবিষ্ট হৈছে। ড° সুনীতিকুমাৰ চট্টোপাধ্যায়, ড° বাণীকান্ত কাকতি, ড° বিৰিঞ্চিকুমাৰ বৰুৱা, ড° এইচ. ভি. এছ. মূৰ্তি, ড° মহেশ্বৰ নেওগ, শ্ৰীকৃপাল সিং নাৰাং, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, ড° প্ৰতাপচন্দ্ৰ চৌধুৰী, শ্ৰী এ. ভি. সুব্ৰমনিয়ান, শ্ৰীছগনলাল জৈন, ড° মুকুন্দমাধৱ শৰ্মা, ড° কালীচৰণ দাস, শ্ৰীযোগেশ দাস, ড° পূৰ্ণানন্দ শইকীয়া, ড° কে. এন. প্ৰসাদ মাগধ, শ্ৰীধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তী, শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী আৰু শ্ৰীভৱ প্ৰসাদ চলিহা— এই ওঠৰগৰাকী লেখকৰ ওঠৰটি প্ৰবন্ধত শঙ্কৰদেৱৰ জীৱনৰ পৰিচয় দিয়া হৈছে আৰু প্ৰতিভাৰ মূল্যাঙ্কণ কৰা হৈছে। সৰ্বভাৰতীয় বৈষ্ণৱ জাগৰণৰ পটভূমিত মহাপুৰুষজনাৰ প্ৰতিভাক স্থাপন কৰাৰ এটা সুন্দৰ প্ৰচেষ্টা গ্ৰন্থখনৰ মাজেদি প্ৰকাশ পাইছে। তাৰ বাবে সম্পাদক শ্ৰীচলিহা নিশ্চয় অভিনন্দনীয়। কিন্তু পূৰ্ব-প্ৰকাশিত প্ৰবন্ধকেইটাৰ আধাৰ-গ্ৰন্থকেইখনৰ প্ৰাসঙ্গিক উল্লেখ গ্ৰন্থখনত থকা হ'লে অনুসন্ধিৎসু পাঠকৰ নিশ্চয় বহুতো সুবিধা হ'লহেঁতেন।

মালিগাঁৱৰ শ্ৰীগুৰু প্ৰেছে গ্ৰন্থখন ইমান মনোৰমকৈ ছপাই-বন্ধাই উলিয়াটো আমাৰ বাবে সন্তোষৰ কথা। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰন্থখনৰ মূল্যটো আৰু অলপ কম কৰা হ'লে ভাল হ'লহেঁতেন। কাৰণ, অনা-অসমীয়াৰ কাৰণে শঙ্কৰদেৱৰ বিষয়ে গ্ৰন্থ এখন প্ৰকাশ কৰা লক্ষ্যটোতকৈ অনা-অসমীয়াৰ মাজত গ্ৰন্থখনৰ প্ৰচাৰৰ লক্ষ্যটোকহে উৰ্দ্ধত স্থান দিয়াটো বাঞ্ছনীয়।

**বজালী-বিচিত্ৰা।**

সম্পাদকদ্বয় : শ্ৰীসতীশচন্দ্ৰ চৌধুৰী।
ড° নিশিপদ চৌধুৰী।

প্ৰকাশক : পাঠশালা সাহিত্য সভা।

পৃষ্ঠা : ১৫ + ১০০ + ৮৪। মূল্য : ৬'০০ টকা।

'বজালী বিচিত্ৰা' অসম সাহিত্য সভাৰ ষষ্ঠ লেখক-শিবিৰ উপলক্ষ্যে পাঠশালা সাহিত্য সভাই প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ। 'আদৰণি' আৰু 'চিন্তা-চৰ্চা' —এই দুটা ভাগত বিভক্ত গ্ৰন্থখনৰ প্ৰথম ভাগত ঐতিহ্যমণ্ডিত বজালী অঞ্চলৰ বিভিন্ন দিশৰ আভাস দিয়া হৈছে। অঞ্চলটোৰ পবিত্ৰ স্থানসমূহ, স্থানীয় উপ-ভাষাৰ বৈশিষ্ট্য, অঞ্চলটোত হোৱা সংস্কৃত ভাষা-সাহিত্যৰ চৰ্চা, বজালীৰ লোক-সাহিত্য, পুৰাতত্ত্ব, নাট্য-চৰ্চা, অসমৰ সাহিত্য আৰু শিক্ষা-ক্ষেত্ৰলৈ অঞ্চলটোৰ অৱদান আদি দিশত আলোকপাত কৰিব পৰা বাৰটা প্ৰবন্ধ সন্নিবিষ্ট হৈছে। প্ৰতিটো প্ৰবন্ধতে লেখকসকলে অতিশয় নিষ্ঠা আৰু আন্তৰিকতাৰে অঞ্চলটোৰ ঐশ্বৰ্যৰ সন্ধান দিবলৈ চেষ্টা কৰিছে।

সাম্প্ৰতিক কালৰ কেইবাগৰাকীও প্ৰথিতযশা লেখকৰ চিন্তা-চৰ্চা গ্ৰন্থখনৰ দ্বিতীয় ভাগৰ বিষয়-বস্তু। লেখক-শিবিৰৰ আলোচ্য বিষয় 'অসমীয়া ভাষাৰ আখৰ-জোঁটনি' হোৱা বাবেই নিশ্চয় সম্পাদকদ্বয়ে আখৰ-জোঁটনি সম্পৰ্কীয় চাৰিটা প্ৰবন্ধ সন্নিবেশ কৰিছে। কেউটা প্ৰবন্ধতে আমাৰ আখৰ-জোঁটনিৰ বিভিন্ন সমস্যা আৰু তাৰ সমাধান দাঙি ধৰা হৈছে। কোৱা বাহুল্য যে লেখকসকলে দাঙি ধৰা সমাধানেই বিষয়টোৰ ক্ষেত্ৰত শেষ কথা নহয়। দ্বিতীয় মহাসমৰৰ পৰৱৰ্ত্তী কালছোৱাৰ অসমীয়া উপন্যাস, আধুনিক নাটক, ষাঠিৰপৰা আজিলৈ অসমীয়া আলোচনী, অসমীয়া মহিলা সাহিত্যিক, আৰু পঢ়ুৱৈ-সমাজৰ সমীক্ষা সম্পৰ্কীয় আলোচনাকেইটাই সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যৰ এটা স্পষ্ট চিত্ৰ দাঙি ধৰিবলৈ সক্ষম হৈছে। আন এটা প্ৰবন্ধত আহোম যুগৰ স্থাপত্য-কলাৰ নিৰ্ভৰযোগ্য সংবাদ আছে।

প্ৰকাশনৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ শাখাসমূহৰ ভিতৰত পাঠশালা সাহিত্য সভাৰ স্থান যে প্ৰথম শাৰীতে, আলোচ্য গ্ৰন্থখন হাতত লোৱা যি কোনো লোকেই নিঃসন্দেহে সেই কথা কব পাৰিব। কেইটামান মুদ্ৰণ-প্ৰমাদৰ কথা বাদ দিলে, পূৰ্বদেশ মুদ্ৰণৰ পৰিচ্ছন্ন মুদ্ৰণ গ্ৰন্থখনৰ আন এটা আকৰ্ষণ।



**সাহিত্য জেউতি**

সম্পাদক : শ্ৰীডিম্বেশ্বৰ শইকীয়া।

প্ৰকাশক : ছিপাঝাৰ সাহিত্য সভা।

পৃষ্ঠা : ৮৮। মূল্য : ৫'০০ টকা।

অসম সাহিত্য সভাৰ সক্ৰিয় শাখাসমূহৰ ভিতৰত ছিপাঝাৰ শাখা সাহিত্য সভাও এখন। ১৯২৮ চনতে প্ৰতিষ্ঠা লাভ কৰা এই শাখাটোৰ অলপতে অনুষ্ঠিত হোৱা সোণালী জয়ন্তী উৎসৱ উপলক্ষ্যে এই প্ৰবন্ধ-সঙ্কলনটি প্ৰকাশ কৰা হৈছে। বিগত কালছোৱাত যে ছিপাঝাৰ সাহিত্য সভাই অঞ্চলটোত সাহিত্যিক পৰিৱেশ এটা সৃষ্টি কৰিবলৈ সক্ষম হৈছে, তাৰ প্ৰমাণ 'সাহিত্য-জেউতি'।

সঙ্কলনটিত মুঠ চৈধ্যটা প্ৰবন্ধ সন্নিবিষ্ট হৈছে। তাৰ ভিতৰত 'ছিপাঝাৰ অঞ্চলৰ ন-পুৰণি লেখকসকলৰ বৰঙনি', 'সমালোচনাৰ দৃষ্টি-পট', 'বামুণ পোৱা গীত', 'লোক-সঙ্গীতৰ বাহক চিয়াগীত' শীৰ্ষক প্ৰবন্ধকেইটাই সাহিত্য-সংস্কৃতিত ছিপাঝাৰ অঞ্চলৰ বৈচিত্ৰ্য প্ৰকাশ কৰিব পাৰিছে। আমি আশা কৰিছোঁ, প্ৰবন্ধ লেখকসকলৰ সকলোটি শাখাটোৰ লগত জড়িত, আৰু সেয়ে হলে স্থানীয় লোকসকলক প্ৰেৰণা দিয়াৰ ক্ষেত্ৰত শাখাটোৱে এটা প্ৰশংসনীয় কাম কৰিছে। গ্ৰন্থখনৰ আত্মকথাত ছিপাঝাৰ সাহিত্য সভা আৰু অঞ্চলটোৰ সবিশেষ দাঙি ধৰা হৈছে। শাখাটোৰ উদ্যোক্তাসকললৈ আমি অভিনন্দন জনাইছোঁ, আৰু শাখাটোৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ।

সম্পাদক

**প্ৰাপ্তি-স্বীকাৰ :**

১। সোণালী। লেখক : শ্ৰীলীলা গগৈ। প্ৰকাশক : মুৰাগমণি প্ৰকাশ, ডিব্ৰুগড়। মূল্য : ৫'০০ টকা।
২। গাঁৱলৈ যাওঁ। লেখক আৰু প্ৰকাশক : ড° মহেন্দ্ৰ নাথ বৰা। মূল্য : ৩'৫০ টকা। ০০০

সাঁচিপাতে ভাষা দিব চিফুঙে আশা দিব

ৰংঘৰে মেলিব দুৱাৰ,

অতীতৰ সাঁচিপাতৰ ৰং সলাই

জাতিৰ বৌদ্ধিক আৰু সাংস্কৃতিক বিকাশৰ

বাৰ্তা কঢ়িয়াই—

দেশ আৰু জাতিৰ সেৱাত

## ॥ অশোক কাগজ কল ॥

যোগীঘোপা
জিলা ঃ গোৱালপাৰা
অসম

ৰামেশ্বৰ নগৰ
জিলা ঃ দাৰভাঙ্গা
বিহাৰ


# অসম সাহিত্য সভাৰ প্ৰকাশন

[ বৰ্তমান মজুত থকা ]

| | | |
|---|---|---|
| ৬৬ | প্লেটো | ৩·০০ |
| ৬৭ | ছক্ৰেটিছ | ৩·০০ |
| ৬৮ | নাটক | ৩·০০ |
| ৬৯ | স্বপ্ন বাসৱদত্তা | ৩·০০ |
| ৭০ | জীৱনী | ৩·০০ |
| ৭১ | আনন্দচন্দ্ৰ আগৰৱালাৰ জীৱনী | ৩·০০ |
| ৭২ | চাহ বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি | ৩·০০ |
| ৭৩ | কৰম পূজা আৰু ঝুমুৰগীত | ২·০০ |
| ৭৪ | সভাপতিৰ অভিভাষণ ( ড° নেওগ ) | ২·০০ |
| ৭৫ | মপিন উছৰ | ২·০০ |
| ৭৬ | দিগ্বিজয়ী | ২·০০ |
| ৭৭ | বিষ্ণুপ্ৰিয়া মণিপুৰী | ০·৬০ |
| ৭৮ | চন্দ্ৰধৰ বৰুৱা মানুহজন | ০·৫০ |
| ৭৯ | অসমৰ জনজাতি | ২·০০ |
| ৮০ | সাহিত্যৰথী চন্দ্ৰধৰ বৰুৱা | ৫·৫০ |
| ৮১ | জগন্নাথ বৰুৱা | ৫·০০ |
| ৮২ | তৰুণৰাম ফুকন | ৩·০০ |
| ৮৩ | তিৱা সম্প্ৰদায় | ৪·০০ |
| ৮৪ | হিতেশ্বৰ বৰবৰুৱা স্মৃতিমাল্য | ৬·০০ |
| ৮৫ | স্নেহৰ অৰুণাচল ( মাই হিল ছ' ষ্ট্ৰং ) | ৫·০০ |
| ৮৬ | Annals of Asam Sahitya Sabha | ৫·০০ |
| ৮৭ | চুফি আৰু চুফিবাদ | ৪·০০ |
| ৮৮ | সাগৰৰ কথা | ২·৫০ |
| ৮৯ | Development of Script in Ancient Kamrupa | ১০·০০ |
| ৯০ | বেজবৰুৱাৰ দিনলেখা [ ২য় খণ্ড ] | ১০·০০ |
| ৯১ | ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪·০০ |
| ৯২ | অধ্যয়ন চক্ৰ | ৫·০০ |
| ৯৩ | আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | ১২·০০ |
| ৯৪ | ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া | ৭·০০ |
| ৯৫ | তৰুণৰাম ফুকন স্মৃতিমালা | ১০·০০ |
| ৯৬ | শ্বেক্সপীয়েৰ | ১০·০০ |
| ৯৭ | ধ্বনি আৰু ৰসতত্ত্ব | ৪·০০ |
| ৯৮ | অসমীয়া সংগীতৰ ঐতিহ্য | ৩·৫০ |
| ৯৯ | চাহৰ কথা | ৩·০০ |
| ১০০ | শতাব্দীৰ অৰ্ঘ্য | ৫·০০ |
| ১০১ | কাৰ্বী সাধু | ২·০০ |
| ১০২ | কামেং সীমান্তৰ সাধু | ৩·০০ |
| ১০৩ | ৰহিম-ৰূপবানৰ সাধু | ·৫০ |
| ১০৪ | দেউৰী সাধু | ৩·০০ |
| ১০৫ | ৰাভা সাধু | ৪·০০ |
| ১০৬ | নৃতত্ত্বৰ চমু আভাস | ২·৫০ |
| ১০৭ | চিকিৎসা বিজ্ঞানৰ কথা | ৫·০০ |
| ১০৮ | শিখ ধৰ্মীয় সাধু | ২·৫০ |
| ১০৯ | অভিলেখ | ৩·০০ |
| ১১০ | অসম সাহিত্য সভাৰ সুবচনী | ৬·০০ |
| ১১১ | শাখা সভাৰ পৰিচয় | ২·৫০ |
| ১১২ | প্ৰকাশনৰ বৰ্ণনামূলক তালিকা | ১·৫০ |
| ১১৩ | ৰাতৰিৰ বিভূতি | ৪·০০ |
| ১১৪ | শতাব্দীৰ অৰ্ঘ্য | ৫·০০ |
| ১১৫ | A plea for Assam and Assamese | ১২·০০ |
| ১১৬ | অসম সাহিত্য সভাৰ ৰূপলেখা | ১৬·০০ |
| ১১৭ | কালিৰাম মেধি স্মৃতিগ্ৰন্থ | ১২·০০ |
| ১১৮ | টলষ্টয় | ৬·০০ |

প্ৰাপ্তি- স্থান

(১) কেন্দ্ৰীয় কাৰ্যালয় : অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১
ফোন-৩৭৬

(২) গুৱাহাটী কাৰ্যালয় : অসম সাহিত্য সভা
ভাগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-৭৮১০০১
ফোন-২৪৭৭৬

# কঠোৰ শ্ৰমেই আমাৰ ঐতিহ্য
# কৃতিত্বই আমাৰ সংস্কৃতি

১৯৫৮ চনত আমাৰ জন্মৰেপৰা আমি বহুখিনি আগুৱাই আহিছোঁ। তেতিয়া আমাৰ বিদ্যুৎ উৎপাদন ক্ষমতা আছিল মাত্ৰ ১৪,০৩৫ কিলোৱাট। ১৯৭৫ চনত সংযুক্ত অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ বিভাজনৰ ফলস্বৰূপে আমি কিছু ক্ষতিৰ সন্মুখীন হলেও এতিয়া আমাৰ মুঠ উৎপাদন ক্ষমতা হল ১৪১ দশমিক ৫ মেগাৱাট।

বিদ্যুতৰ ক্ৰমবৰ্দ্ধমান চাহিদা পূৰণৰ অৰ্থে আমি বঙ্গাইগাঁও তাপ বিদ্যুৎ প্ৰকল্প, গেছ-ভিত্তিক লাকুৱা প্ৰকল্প আৰু নামৰূপৰ "ৱেষ্টহিট" প্ৰকল্পত ১৮৭ মেগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্যৰে আৰু ভৱিষ্যৎ সম্প্ৰসাৰণৰ সুবিধাৰে অগ্ৰসৰ হৈছোঁ।

তদুপৰি, ১৬০ মেগাৱাট উৎপাদন ক্ষমতাৰে নামনি বৰপানী জলবিদ্যুৎ প্ৰকল্প আৰু বৰগোলাই তাপবিদ্যুৎ প্ৰকল্পৰ প্ৰজেক্ট ৰিপোৰ্ট আমি দাখিল কৰিছোঁ আৰু সেইবিলাকত অনুমোদনৰ বাবে অধীৰভাৱে অপেক্ষা কৰিছোঁ।

ইতিমধ্যে সম্পন্ন কৰাখিনি আৰু লগতে যিখিনি আমি কৰিম সেইখিনিও আপোনালোকৰ কাৰণে আপোনালোকৰ সহযোগিতাৰে, আমাৰ কঠোৰ শ্ৰম আৰু নিষ্ঠাৰে সম্পন্ন কৰিবলৈ আমি প্ৰতিশ্ৰুত।

ASSAM STATE ELECTRICITY BOARD

অসম ৰাজ্যিক বিদ্যুৎবোৰ্ডৰ তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়াৰদ্বাৰা প্ৰচাৰিত।

নগাঁৱৰ সুছন্দা প্ৰেছত (বেটুপাত শৰাইঘাট প্ৰিণ্টাৰ্ছ'ত) মুদ্ৰিত আৰু
অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীলীলা গগৈৰদ্বাৰা প্ৰকাশিত।
সম্পাদক : যোগেন্দ্ৰনাৰায়ণ ভূঞা
মূল্য : তিনি টকা